● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

দেওবৰীয়া দৈনিক
# অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬৭তম সংখ্যা ●
গুৱাহাটী ● দেওবাৰ ১২ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৭ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 27 March 2022 মূল্য ঃ ৯.০০ টকা



● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

## দিগ্‌দৰ্শন

ইতিহাসৰ পুনৰাবৃত্তি ঘটে; কিন্তু হেৰাই যোৱা কলাৰ পুনৰ সৃষ্টি নহয়। জীণ যোৱা বনৰীয়া পখীৰ গীতৰ দৰেই ই বিশ্বৰ পৰিসীমাৰ বাহিৰলৈ চিৰকালৰ বাবে গুচি যায়।

যোছেফ ক'নৰাড
*প'লেণ্ড-ব্ৰিটিছ লেখক*



৫ পোহৰ প্ৰদূষণ
১৫ বৰদলৈ ট্ৰফীত ক্ৰমাগত দ্বিতীয় জয় ইণ্ডিয়া ক্লাবৰ
৪ যুদ্ধৰ প্ৰথম ছহিদ সত্য



RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৬৭তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১২ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৭ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Sunday 27 March 2022 মূল্য ঃ ৯.০০ টকা

■ ছেবাৰ সচিবৰ প্ৰতিবেদনত জাল নথিৰ তথ্য উন্মোচিত ■ পুনৰ ফাদিল টেটৰ প্ৰমাণপত্ৰত জালিয়াতিৰ তথ্য ■ ২০২০ৰ বিজ্ঞাপনৰ ভিত্তিত ভুৱা প্ৰমাণপত্ৰৰে চাকৰি পালে শতাধিকে

# টেটৰ জাল নথিৰে ঠিকাভিত্তিক নিযুক্তি



*মহানগৰীত বিশুদ্ধ খোৱাপানী যোগানৰ দাবীত আছুৰ প্ৰতিবাদ, শনিবাৰে।*

■ সৰ্বশিক্ষা অভিযানৰ মিছন সঞ্চালকে অভিযুক্ত শিক্ষকলৈ প্ৰেৰণ কৰিছে কৈফিয়ৎ পত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ মাৰ্চ ঃ** বিগত ২০২০ত প্ৰকাশিত বিজ্ঞাপনৰ জৰিয়তে অসম সৰ্বশিক্ষা অভিযানৰ অধীনত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত জাল নথি ব্যৱহাৰ কৰি ঠিকাভিত্তিক পদত নিযুক্তি লাভ কৰিছে শতাধিক শিক্ষকে। বিশেষকৈ টেট উত্তীৰ্ণৰ প্ৰমাণপত্ৰৰ জালিয়াতি হোৱা বুলি অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ সচিবৰ কাৰ্যালয়ে নিশ্চিত কৰে। এই প্ৰমাণপত্ৰবোৰ হ'ল ২০১৯ৰ টেট উত্তীৰ্ণ হোৱাৰ ভুৱা নথি। জালিয়াতি ফাদিল হোৱাৰ পাছতে সম্প্ৰতি অসম সৰ্বশিক্ষা অভিযান মিছনৰ সঞ্চালক ৰোছনি অপৰাঞ্জি ক'ৰাটিয়ে তেনে প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীলৈ কৈফিয়ৎ তলব কৰি জাননী প্ৰেৰণ অব্যাহত ৰাখিছে। প্ৰতিগৰাকী অভিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীক জাননী জাৰিৰ সাতদিনৰ ভিতৰত মিছন সঞ্চালকৰ কাৰ্যালয়ত কৈফিয়তৰ লিখিত উত্তৰ দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। মিছন সঞ্চালক স্বাক্ষৰিত এই সংক্ৰান্তীয় নিৰ্দেশটোত উল্লেখ কৰা হৈছে যে সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষা বিভাগ তথা অসম সৰ্বশিক্ষা অভিযানক বিপথে পৰিচালনা আৰু প্ৰৱঞ্চনা কৰি নিযুক্তি লাভৰ বাবে টেট উত্তীৰ্ণৰ জাল নথি দাখিল কৰে। সেয়েহে তেওঁলোকক কিয় চাকৰিৰ পৰা বৰ্খাস্ত কৰা নহ'ব বুলি প্ৰশ্ন *১০ পৃষ্ঠাত চাওক*

■ উচ্চ ন্যায়ালয়ৰ বাৰম্বাৰ হস্তক্ষেপতো তদন্ত নকৰাৰ কৌশল গ্ৰহণ ■ কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্যৰ সম্পত্তিৰ তথ্য বিচাৰি অভিযোগকাৰীৰ সাক্ষ্য গ্ৰহণ দুৰ্নীতি নিবাৰক শাখাৰ

## তদন্তৰ জালত দুৰ্নীতিৰ সদাগৰ বুজৰবৰুৱা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ মাৰ্চ ঃ** দুৰ্নীতিৰ সদাগৰত পৰিণত হোৱা যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱাৰ বিৰুদ্ধে অৱশেষত তদন্ত আৰম্ভ কৰিবলৈ বাধ্য হ'ল ৰাজ্য চৰকাৰ। উচ্চ ন্যায়ালয়ৰ বাৰম্বাৰ হস্তক্ষেপতহে বিষয়টো আগবঢ়াবলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিছে অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাই। অৱশ্যে বুজৰবৰুৱাৰ পৰ্বতসম কেলেংকাৰিৰ বিৰুদ্ধে ৰুজু হৈ থকা আন বহুতো গোচৰত ৰহস্যজনকভাৱে এই পৰ্যন্ত ব্যৱস্থা গ্ৰহণ কৰা নাই চৰকাৰে। শেহতীয়াকৈ কালি বুজৰবৰুৱাৰ কেলেংকাৰিৰ সন্দৰ্ভত তেওঁৰ সম্পত্তিৰ তথ্য বিচাৰি তদন্তকাৰী শাখাটোৱে আমগুৰি নৱনিৰ্মাণ সমিতি নামৰ সংগঠনটোৰ সভাপতি দিগন্ত শইকীয়াৰ ভাষ্য গ্ৰহণ কৰে। এই সন্দৰ্ভত তদন্তকাৰী বিষয়াসকলে কোনো পক্ষই মুখ খুলিবলৈ *১০ পৃষ্ঠাত চাওক*

■ টিকক কয়লাখনিত খনন কাৰ্য পুনৰ মুকলি কৰিলে কেন্দ্ৰীয় মন্ত্ৰী যোশী-মুখ্যমন্ত্ৰী শৰ্মাই

## উন্নয়ন-পৰিৱেশৰ ভাৰসাম্য বজাই ৰাখিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ



**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ২৬ মাৰ্চ ঃ** 'উন্নয়ন আৰু পৰিৱেশৰ স'তে ভাৰসাম্য বৰ্তাই ৰাখিবলৈ অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰকৃতি আৰু উন্নয়নৰ মাজৰ ভাৰসাম্য বৰ্তাই ৰাখিয়েই টিকক কয়লাখনিত খনন কাৰ্য পুনৰ আৰম্ভ কৰা *১০ পৃষ্ঠাত চাওক*

■ নিহতৰ ভিতৰত দুজন জ্যেষ্ঠ অভিযন্তা ■ মেঘালয়ৰ পৰা বৰষুণৰ পানী বাগৰি অহাত জলমগ্ন হৈ পৰিল ডিমা হাছাওৰ বৃহৎ অঞ্চল

## উমৰাংছ'ৰ প্ৰকল্পত জলবিস্ফোৰণৰ উৎস বন্ধ কৰিবলৈ গৈ মৃত্যু তিনিজনৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বকলীয়াঘাট /ডংকামোকাম, ২৬ মাৰ্চ ঃ** এক ভয়াৱহ জলবিস্ফোৰণৰ ঘটনাই আজি ডিমা হাছাও জিলাৰ উমৰাংছ' অঞ্চলক কঁপাই যায়। কপিলী নদীৰ নীপকো জলবিদ্যুৎ প্ৰকল্পত দিনৰ ১১-৩০ মান বজাত টানেলৰ পাইপ ফটাৰ ফলত সংঘটিত এই জলবিস্ফোৰণৰ ঘটনাত দুই জ্যেষ্ঠ অভিযন্তাসহ তিনিজনৰ মৃত্যু হয়। নিহত লোক তিনিজন ক্ৰমে নীপকোৰ উমৰাংছ'ৰ জলবিদ্যুৎ প্ৰকল্পৰ প্ৰবন্ধক জয়ন্ত শইকীয়া, চিভিল ইঞ্জিনীয়াৰ অনুপম শইকীয়া আৰু কৰ্মচাৰী ডিমাৰাজ জহৰি। জলবিস্ফোৰণৰ পাছতে ইয়াৰ উৎস বন্ধ কৰিবলৈ যাওঁতে গছ উভালি *১০ পৃষ্ঠাত চাওক*

ৰাজ্যসভাৰ নিৰ্বাচনক লৈ বিধানসভাৰ অধ্যক্ষৰ বিৰুদ্ধে সৰৱ কংগ্ৰেছ

## অধ্যক্ষ দৈমাৰীয়ে পদমৰ্যাদা পাহৰি শাসকক ভোট দিবলৈ কৈছে বিৰোধীক



*অসম মহিলা কংগ্ৰেছৰ সভানেত্ৰীৰ দায়িত্ব গ্ৰহণ বৰঠাকুৰৰ।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ মাৰ্চ ঃ** অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে তেওঁৰ পদৰ মৰ্যাদা পাহৰি আচৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। সমাগত ৰাজ্যসভা নিৰ্বাচনৰ সন্দৰ্ভত অধ্যক্ষজনে আইনক উপেক্ষা কৰি ভাৰতীয় জনতা পাৰ্টি (বিজেপি) আৰু মুখ্যমন্ত্ৰীৰ হৈ কাম কৰাৰ অভিযোগ উত্থাপন কৰিছে অসম প্ৰদেশ *১০ পৃষ্ঠাত চাওক*

## মাতৃভাষা বিদ্যালয় বচাই ৰখাৰ হেঁপাহত ঘৰে ঘৰে শিক্ষকৰ যাত্ৰা

**অগ্ৰদূত বাৰ্তা**
**হাওৰাঘাট, ২৬ মাৰ্চঃ** কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ ব্যক্তিগত খণ্ডৰ বিদ্যালয় তথা ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ দ্ৰুত আগ্ৰাসনৰ কেঁকোৰা চেপাত সম্প্ৰতি অস্তিত্বৰ সংকটত পৰিছে ৰাজ্যৰ বহু চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়। বিনামূলীয়া পাঠদান, বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া মধ্যাহ্ন ভোজন, বিনামূলীয়া ইউনিফৰ্মৰ সুবিধা সত্বেও চৰকাৰী বিদ্যালয়সমূহত উদ্বেগজনকভাৱে হ্ৰাস পাইছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। ইংৰাজী মাধ্যমৰ দোহাই দি বহু অভিভাৱকে এৰাই চলিছে চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহক। যাৰ পৰিণতিত শেহতীয়াকৈ এনে *১০ পৃষ্ঠাত চাওক*



*৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণত গছ কটাৰ বিৰুদ্ধে প্ৰতিবাদ।*

## তেজপুৰত মৰাভৰলী নৈৰ বুকুত অবাধ বালি খনন



**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২৬ মাৰ্চ ঃ** তেজপুৰত সম্প্ৰতি মৰাভৰলী নৈৰ বুকুত বিভিন্ন পুখুৰীৰ লগতে বালিৰ খনন আদি অবাধে চলি থকাৰ সময়তে স্থান বিশেষে নৈখন পুতি থকা ঘটনাত সচেতন ৰাইজ আচৰিত হৈছে যদিও সংশ্লিষ্ট চৰকাৰী বিভাগে এইক্ষেত্ৰত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। জীয়াভৰলী নৈৰ *১০ পৃষ্ঠাত চাওক*

এটিএম চুৰিৰ ঘটনাত অভিযুক্তৰ পৰিয়ালৰ ক্ষোভ

## গহপুৰত আৰক্ষীয়ে যুৱকক গুলীওৱাৰ ঘটনাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি




**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ২৬ মাৰ্চ ঃ** গহপুৰত যোৱা নিশা এক সংঘৰ্ষৰ ঘটনাত আৰক্ষীৰ গুলিচালনাত আহত হয় এজন অভিযুক্ত। আৰক্ষীয়ে জনোৱা মতে, গহপুৰ আৰক্ষীৰ জিম্মাৰ পৰা পলাবলৈ চেষ্টা কৰোঁতে গুলিবিদ্ধ হয় *১০ পৃষ্ঠাত চাওক*

## মঙলদৈত ঘোং বিচাৰি নাপাই উভতিল চিৰিয়াখানাৰ দল ঃ আতংক

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৬ মাৰ্চ ঃ** কালি মঙলদৈত এজন বনকৰ্মীকে ধৰি তিনিজন লোকক ঘোঙে আক্ৰমণ কৰাৰ পাছত মঙলদৈৰ লগতে চহৰৰ *১০ পৃষ্ঠাত চাওক*

বিস্ফোৰণৰ আতংকত কঁপি উঠিল আমিনগাঁও-মাজগাঁও অঞ্চলবাসী

## প্ৰচণ্ড শব্দৰে পুৱতি নিশা খহি পৰিল নিৰ্মীয়মান দলঙৰ একাংশসহ মেচিন



**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২৬ মাৰ্চ ঃ** গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নিৰ্মীয়মান দলঙত পুৱতি নিশা সংঘটিত হয় এক ভয়াৱহ ঘটনা। পুৱতি নিশা ৩-৩০ বজাত প্ৰচণ্ড বিস্ফোৰণৰ শব্দৰ লগে লগে কঁপি উঠে উত্তৰ গুৱাহাটী মাজগাঁও অঞ্চল। নিৰ্মাণৰত দলঙৰ ৰেলিং লঞ্চাৰ মেচিন খহি পৰাৰ এই শব্দত আতংকিত হৈ নিশা শোৱাপাটীৰ পৰা উঠি আহে স্থানীয় লোকসকল। দলঙৰ ১৪ নম্বৰ খুঁটাৰ উত্তৰ গুৱাহাটীত এই অঘটন সংঘটিত হয়। নিশাৰ বতাহ-বৰষুণত লঞ্চাৰ মেচিন ভাগি পৰাৰ *১০ পৃষ্ঠাত চাওক*

■ নগৰবেৰাৰ নতুন বদলা গাঁৱত আশ্চৰ্যজনক ঘটনাক লৈ তীব্ৰ আতংকৰ সৃষ্টি

## হঠাতেই জ্বলি উঠে খেৰৰ দ'ম, ঘৰৰ বেৰ



**আলোপতি, ২৬ মাৰ্চ ঃ** বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ নতুন বদলা গাঁৱত সংঘটিত হৈছে এক আশ্চৰ্যজনক ঘটনা। বিগত প্ৰায় সাতদিন ধৰি গাঁওখনৰ একাধিক লোকৰ ঘৰত থকা খৰিৰ দ'মত অগ্নিসংযোগৰ ঘটনাৰ আঁৰত দুৰ্বৃত্তৰ হাত থকাৰ সন্দেহ ব্যক্ত কৰা হৈছিল যদিও সম্প্ৰতি এই ঘটনাই নতুন ৰহস্যৰ সৃষ্টি কৰিছে। স্থানীয় যুৱক ফজলুৰ ৰহমানে জনোৱা মতে কালি গাঁওখনৰ জোদ্দাৰ আলীৰ ঘৰৰ খৰিৰ দ'মত অগ্নিকাণ্ডৰ ঘটনা স্থানীয় লোকে স্বচক্ষে প্ৰত্যক্ষ কৰি থকাৰ সময়তে আলীৰ ঘৰৰ এখন বেৰত নিজে নিজেই অগ্নিসংযোগ হয়। অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে ভস্মীভূত হয় ঘৰটো। ইপিনে, আজিও পুনৰ সংঘটিত হৈছে অনুৰূপ ঘটনা। গাঁওখনৰ বাসিন্দা আতোৱাৰ ৰহমানৰ ঘৰৰ খৰিৰ দ'মত আজি পুৱাই অগ্নিকাণ্ডৰ *১০ পৃষ্ঠাত চাওক*

## সংগ-প্ৰসংগ

■ দয়ানন্দ পাঠক

### চিদানন্দ দাস



চিদানন্দ দাসৰ নাম-যশ বিদায়ী প্ৰজন্মৰ মানসপটত এতিয়াও জীৱন্ত। নবীন প্ৰজন্মৰ সদস্য-সদস্যাসকলে দাসৰ কথা প্ৰবীণসকলৰ মুখৰ পৰা শুনিছে যদি অতি আনন্দৰ কথা, আমি এটা কথা নিৰন্তৰ অনুভৱ কৰোঁ, সদায় পৰিৱৰ্তনশীল। সময় চক্ৰৰ ঘূৰ্ণিত দেৱতাৰ নাম থকাৰ লগতে চেনবৰ নাম-যশো অদৃশ্য হৈ যায়। চিদানন্দ দাসৰ নাম-যশ এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ *১০ পৃষ্ঠাত চাওক*

## মহানগৰবাসীক খোৱাপানীৰ টোপ দিবলৈ পুনৰ সাজু ৰাজনীতিক

বৃহৎ প্ৰতিবাদত উত্তাল গুৱাহাটী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ মাৰ্চ ঃ** পৰিকল্পনাহীনতা আৰু কেলেংকাৰিৰ ভৰত কোঙা হোৱাৰ বাবে গুৱাহাটীৰ অভিলাষী পানী যোগান প্ৰকল্পৰ ম্যাদ বছৰ বছৰ ধৰি উকলা সত্বেও আজিলৈকে এটাও কাৰ্যকৰী নহ'ল। তাৰ ফলত বছৰজুৰি মহানগৰীৰ বৃহৎ অঞ্চলৰ ৰাইজ এটুপি খোৱাপানীৰ নাটনিত ভুগি আহিছে। খৰালি এনে নাটনিয়ে অধিক জটিলতাৰ সৃষ্টি কৰে। সম্প্ৰতিও *১০ পৃষ্ঠাত চাওক*

## নতুন মুখক গুৰুত্ব দি কংগ্ৰেছৰ ৫৫জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ

অৱসৰপ্ৰাপ্ত অধ্যাপকৰ পৰা প্ৰাক্তন পাৰিষদলৈ প্ৰাৰ্থিত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ মাৰ্চ ঃ** গুৱাহাটী পৌৰ নিগমৰ আসন্ন নিৰ্বাচনৰ বাবে অসম প্ৰদেশ কংগ্ৰেছ কমিটী (এপিচিচি)য়ে আজি প্ৰথমখন প্ৰাৰ্থী তালিকা ঘোষণা কৰে। ৬০ টা ৱাৰ্ড বিশিষ্ট নিগমৰ ৫৫ টাৰ বাবে এই তালিকা প্ৰকাশ কৰা হয়। প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিব নোৱাৰাত এক, ২২, ২৬, ৩০ আৰু ৫৯ নম্বৰ ৱাৰ্ডৰ তালিকা পৰৱৰ্তী সময়ত প্ৰকাশ কৰা হ'ব বুলি দলটোৱে সদৰী কৰে। প্ৰথমখন তালিকাত দলৰ প্ৰাক্তন পাৰিষদ, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, দলৰ কোষৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ১৯° |
| ডিব্ৰুগড় | ২৪° | ১৮° |
| দিল্লী | ৩৬° | ২০° |
| কলকাতা | ৩৪° | ২৬° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২৪° | ১৪° |

২৬ মাৰ্চ, ২০২২

## চেঙা তেল



*সৌজন যে চাহাব পাৰ হৈ গ'ল, পাঁচ বছৰ আগতে মন্ত্ৰীৰ স'তে আহিছিল আলপৈচান ধৰিবলৈ!*

IN MEMORIAM



Sankarlal Boro (Basumatary)
(12-04-1941-27-03-2015)

Tobday on 7th Death Anniversary we fondly remember you and offer our warm homagee. You will always remain in our hearts.

**Nibari (wife) &**
**Family Members**

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১২ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৭ মার্চ ২০২২



# অসমৰ বন্যপ্ৰাণী



সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি এটা বছৰতে অসম তথা মেঘালয়ত তিনিশ বনৰৌ (পেংগ'লিন) চোৰাং চিকাৰীয়ে হত্যা কৰে। চীন, ভিয়েটনাম আদি কিছুমান দেশত বনৰৌৰ ছাল মূল্যৱান ঔষধ হিচাপে বজাৰত বিক্ৰী হয় আৰু ইয়াৰ মূল্যও যথেষ্ট বেছি। উল্লেখ্য যে অসমৰ গঁড়ৰ খৰ্গ, বাঘৰ দাঁত-নখ আদিও চীন আদি দেশলৈ চোৰাং চিকাৰীয়ে চালান দিয়ে। এই বন্যপ্ৰাণীসমূহৰ অংগ-প্ৰত্যংগ চীনৰ বজাৰত দামী ঔষধ হিচাপে বিক্ৰী হয়। চীনৰ বজাৰত আনকি বিভিন্ন বন্য জন্তুৰ মাংসও বিক্ৰী হয়। এই ধৰণৰ বন্যপ্ৰাণীৰ মাংসৰ বজাৰৰ পৰাই চীনত প্ৰথমে কৰ'না বা ক'ভিড ভাইৰাছৰ সংক্ৰমণ ঘটিছিল বুলি বিশেষজ্ঞসকলে দাবী কৰিছে। আনকি শেহতীয়াকৈ চীনা বিশেষজ্ঞসকলেও বন্যপ্ৰাণীৰ মাংসৰ বজাৰৰ পৰা কৰ'না ভাইৰাছৰ সংক্ৰমণ ঘটিছিল বুলি স্বীকাৰ কৰিছে। গঁড়ৰ খৰ্গ, বাঘৰ দাঁত, নখ, বনৰৌৰ ছাল আদিৰ ঔষধি মূল্য কিমান, কি ধৰণৰ শক্তি দিয়ে— সেই কথাৰ বিজ্ঞানসন্মত প্ৰমাণৰ অভাৱ। বিৰল প্ৰজাতিৰ বন্যপ্ৰাণী সংৰক্ষণ তথা সুৰক্ষাৰ পৰিৱৰ্তে এই বন্যপ্ৰাণীসমূহ চোৰাং চিকাৰীয়ে ধৰিছে বা হত্যা কৰিছে, অংগ-প্ৰত্যংগৰ চোৰাং চালানৰ বাবে। বনৰৌ এবিধ অতি বিৰল প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী। প্ৰায় তিনি ফুটলৈকে দীঘল এই বিৰল প্ৰজাতিৰ প্ৰাণীৰ ছালত মাছৰ দৰে বাকলি আছে আৰু ই প্ৰধানকৈ পৰুৱা বা উঁইপৰুৱা খাই ভাল পায়। বৰ্তমান বনৰৌৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে বিশ্ব বনৰৌ দিৱসো অনুষ্ঠিত কৰা হয়। প্ৰতি বছৰে সমগ্ৰ বিশ্বত লক্ষাধিক বনৰৌ হত্যা কৰা হয়। সেয়ে বনৰৌৰ সংখ্যা ক্ষিপ্ৰতাৰে হ্ৰাস পাইছে আৰু ই বিলুপ্তিৰ দিশেৰে আগবাঢ়িছে। অসমৰ কে'বাখনো পক্ষী অভয়াৰণ্য, বন্যপ্ৰাণী অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত অসংখ্য প্ৰজাতিৰ বন্যপ্ৰাণীৰ লগতে বিৰল প্ৰজাতিৰ বনৰৌ পোৱা যায়। ৰাইজে আৰু বন বিভাগে বিভিন্ন সময়ত বনৰৌ উদ্ধাৰ কৰা, চোৰাং চিকাৰী ধৰা পেলোৱা ঘটনা পোহৰলৈ আহিছে। বিশেষজ্ঞসকলৰ মতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত দুষ্প্ৰাপ্য বনৰৌৰ বিলুপ্তিৰ আশংকাই দেখা দিছে, বিশেষকৈ চোৰাং চিকাৰীয়ে বনৰৌ চিকাৰ কৰি থকাৰ ফলস্বৰূপে। বনৰৌ হত্যাৰ শেহতীয়া তথ্যই দেখুৱায় যে এই বিৰল প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণীবিধৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে সজাগতাৰ লগতে কঠোৰ ব্যৱস্থা গ্ৰহণ জৰুৰী হৈ পৰিছে। বনৰৌৰ চোৰাং চিকাৰ সম্পূৰ্ণ বন্ধ কৰিব লাগিব।

অৱশ্যে অসমত দুষ্প্ৰাপ্য প্ৰাণী বনৰৌৰ চোৰাং চিকাৰ তথা চোৰাং চালানৰ বাবে কেৱল এইবিধ প্ৰাণীয়েই বিলুপ্তিৰ মুখত পৰিছে বুলি ক'ব নোৱাৰি। অসমৰ অন্যান্য বহুবিধ বন্যপ্ৰাণী চোৰাং চিকাৰীয়ে হত্যা কৰা বা চোৰাং চালান দিয়াৰ পৰিণতি ভয়ংকৰ হৈ পৰিছে। ৰাজ্যত কে'বাখনো বন্যপ্ৰাণী অভয়াৰণ্য, পক্ষী অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান গঢ়ি উঠাটো নিশ্চয় আশাৰ কথা; কিন্তু বন্যপ্ৰাণী অভয়াৰণ্য তথা পক্ষী অভয়াৰণ্যসমূহতেই আজিও বন্যপ্ৰাণী তথা পক্ষীসমূহ সুৰক্ষিত নহয়। বন ধ্বংস, বিল, পুখুৰী বা জলাশয়সমূহত চলা ধ্বংস কাৰ্যৰ বাবে দুষ্প্ৰাপ্য প্ৰজাতিৰ বন্যপ্ৰাণীসমূহ নিঃশেষ হ'বলৈ ধৰিছে। বিশেষকৈ পৰিভ্ৰমী পক্ষীসমূহৰ আগমন হ্ৰাস পাইছে। আগেয়ে যিদৰে অসমত জলাশয় তথা বিলত হেজাৰ হেজাৰ বিৰল প্ৰজাতিৰ পৰিভ্ৰমী পক্ষী দেখিবলৈ পোৱা গৈছিল, বৰ্তমান তেনে পৰিভ্ৰমী পক্ষীৰ সংখ্যা হ্ৰাস পাইছে। কিছুমান বিল তথা জলাশয়লৈ পৰিভ্ৰমী পক্ষী আহিবলৈ এৰি দিছে। জলাশয় হ্ৰাস তথা সংকোচন, পক্ষীৰ চোৰাং চিকাৰ তথা নিধন যজ্ঞ চলি থকাৰ ফলত পৰিভ্ৰমী পক্ষীৰ আগমন কমিছে। একাংশ লোকে আজিও জাল পাতি দুষ্প্ৰাপ্য হাইঠা চৰাই ধৰে। বৰ্তমান অসমত হাইঠাৰ জাকবোৰ প্ৰায় অদৃশ্য হ'ল। বন বিভাগৰ লোকৰ চকুৰ আগতেই জাল পাতি হাইঠা ধৰাৰ অভিযোগ গাঁৱৰ ৰাইজে উত্থাপন কৰাৰ পাছতো চৰাই চিকাৰীবোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। হাইঠাৰ লগতে কপৌ ধৰাৰ অভিযোগো আছে। এসময়ত অসমত বনৰীয়া পশু-পক্ষীৰে ভৰি আছিল। বিশেষকৈ গাঁৱৰ গছ-বন, বাৰীৰ আম-কঁঠাল-তামোল আদি গছে গছে নানা ৰঙৰ চৰাই নিতৌ আহি পৰিছিল। কুলি-কেতেকী, ধনেশ আদিয়ে গছ-বন শুৱনি কৰিছিল। ঘৰৰ আগফাল-পিছফালে শালিকী, ঘৰচিৰিকা, টুনীৰ জাক আহি পৰিছিল। এই সকলো চৰাইৰ সংখ্যা দ্ৰুত হ্ৰাস পাইছে। গছ-বনৰ লগতে বিভিন্ন প্ৰজাতিৰ এই পক্ষীসমূহো বৰ্তমান অদৃশ্য হ'বলৈ ধৰিছে। ঘিলা হাঁহ, শৰালি হাঁহ আদি বিভিন্ন প্ৰজাতিৰ স্থানীয় বনৰীয়া হাঁহ এতিয়া বিলুপ্তিৰ পথত। আনকি পানী কাউৰী, কণামুচৰি, ডাউক, সাঁচি কপৌ (এবিধ সেউজীয়া কপৌ), ডঁৰিক, দহিকতৰা আদি চৰাইবোৰো আজি দেখিবলৈ পোৱা নাযায়। হাড়গিলা বা বৰটোকোলা চৰাই এসময়ত অসমৰ পথাৰবোৰত হালোৱা আৰু ৰোৱনীয়ে সদায় দেখা পাইছিল। আজি সেই দৃশ্য অতি বিৰল হৈ পৰিল। হাড়গিলা বৰ্তমান বিশ্বত মাত্ৰ ১২শটাহে আছে বুলি কোৱা হৈছে। একালত দক্ষিণ-পূব এছিয়াৰ অসমতেই ৭৫ শতাংশ হাড়গিলা আছিল। এই বিৰল পক্ষীবিধ বৰ্তমান দ্ৰুত বিলুপ্তিৰ পথত; কিন্তু কামৰূপ জিলাৰ গাঁৱৰ একাংশ মহিলাই এই দুষ্প্ৰাপ্য তথা বিলুপ্ত হ'বলৈ ধৰা হাড়গিলাসমূহৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে কাম কৰিছে।

বিশেষকৈ বিৰল প্ৰজাতিৰ পশু-পক্ষীসমূহৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিয়ে অগ্ৰাধিকাৰ লাভ কৰা উচিত। ৰাইজৰ মাজত সজাগতাৰ অভাৱ হ'লে বন বিভাগে অকলে এই কাম কৰিব নোৱাৰিব। ৰাইজৰ সজাগতাৰ অভাৱ হোৱাৰ বাবেই সৌ সিদিনা ছয়গাঁও অঞ্চলত বিষাক্ত মাংস ভক্ষণ কৰাত এশটা 'হিমালয়ান গ্ৰিফন' প্ৰজাতিৰ শগুনৰ মৃত্যু হ'ল। এইদৰে বৃহৎ সংখ্যক শগুনৰ মৃত্যুও এক বিৰল দুৰ্ঘটনা। এটা মৰা ছাগলীৰ মাংসত বিহ ধৰা পৰিছে আৰু সেই ছাগলীৰ মাংস ভক্ষণ কৰাত এশটা শগুনৰ কৰুণ মৃত্যু হয়। কোনে কি কাৰণে ছাগলীক বিহ খুৱাই হত্যা কৰিলে, সেই সন্দৰ্ভত সঠিক তদন্তৰ প্ৰয়োজন। এনেদৰে মৰা ছাগলী মুকলি স্থানত পেলাই থোৱা এক অপৰাধ। এনে অপৰাধ সংঘটিত কৰা লোকৰ বিৰুদ্ধে আৰক্ষীয়ে আইন অনুসৰি শাস্তি প্ৰদান কৰিবনে? উল্লেখ্য যে শগুন, হাড়গিলা আদি পক্ষীবোৰে গেলা-পচা বস্তু ভক্ষণ কৰি বিভিন্ন স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখে। নানান ৰোগ-ব্যাধিৰ বাহক বীজাণুসমূহ এই পক্ষীবোৰে নিঃশেষ কৰে। সিহঁত হ'ল প্ৰকৃতি প্ৰদত্ত চাফাই কৰ্মী; কিন্তু সিহঁতৰ সংখ্যা দ্ৰুত হ্ৰাস পোৱাত এতিয়া প্ৰাকৃতিক চাফাই কৰ্মীৰ অভাৱ হৈছে। ফলত বতাহত বিয়পি গৈছে বিভিন্ন ৰোগৰ বীজাণু। বতাহে কঢ়িয়াই নিয়া সেই বীজাণু মানুহৰ কাৰণে ভাবুকি হৈ পৰিছে। মনত ৰাখিব লাগিব যে পশু-পক্ষীৰ সংৰক্ষণ আৰু সুৰক্ষাই ক'ভিড বা কৰ'নাৰ দৰে ভয়ংকৰ ৰোগ সৃষ্টিত বাধা দিব পাৰে। লগতে জৈৱ পৰিৱেশৰ সন্তুলন ৰক্ষা কৰিব পাৰে।

# যুদ্ধৰ প্ৰথম ছহিদ সত্য

## অসাম্প্ৰদায়িকতা আৰু সহমৰ্মিতাই বৰ্ষাৰ পানীৰ দৰে প্লাৱিত কৰিব দেশ

আত্মজিজ্ঞাসা



কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

তৃতীয় বিশ্বযুদ্ধ হয়তো নহ'ব। হ'লেও কোনেও নহ'ব এই যুদ্ধত জয়ী। পৰাজিত হ'ব কেৱল মানৱতা।

ইউৰোপৰ মানুহে যেতিয়া বাদামী বা ক'লা মানুহক হত্যা কৰে, ভূমি দখল কৰে, তেতিয়া তাৰ নাম হয় 'সভ্যকৰণ প্ৰকল্প'। বগা মানুহবোৰে যেতিয়া আৰৱৰ মুছলমানক হত্যা কৰে, তেতিয়া সেয়া হয় সন্ত্ৰাস দমনৰ যুদ্ধ। আমেৰিকাই যেতিয়া ইৰাক-আফগানিস্তানত গণহত্যা চলায়, তেতিয়া তাৰ নাম 'গণতন্ত্ৰায়ন'। ইজৰাইলে যেতিয়া পেলেষ্টাইন দখল কৰি ৰাখে, আক্ৰমণ চলায় লেবাননত, আৰম্ভ কৰে হত্যাযজ্ঞ, তেতিয়া সেয়া হৈ যায় আত্মৰক্ষাৰ অধিকাৰ। এনে মিথ্যাৰ বাগধাৰাত বৰ্বৰতাক অন্তৰালত ৰখাৰ নাম 'আন্তৰ্জাতিক ৰাজনীতি।'

ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণক মাৰ্কিন গণমাধ্যমে যি সাহসেৰে আগ্ৰাসন বুলি ক'ব পাৰিছে ইৰাক, আফগানিস্তান, পেলেষ্টাইনৰ বেলিকা তেনেদৰে ক'ব পৰা নাছিল, কাৰণ ইৰাক আগ্ৰাসনকাৰী জৰ্জ বুশ্বৰ ভাষাত 'আমাৰ জীৱনধাৰা (আৱাৰ ওৱে অৱ লাইফ) সিহঁতৰ দৰে নহয়। সিহঁত আমাৰ দৰে নহয়। আমাৰ দৰে খাদ্য নাখায়। আমাৰ দৰে পোছাক নিপিন্ধে আৰু আমাৰ ধৰ্মৰো নহয়।'

মানৱতা সকলোৰে বাবে সমান নহয়। দৰিদ্ৰ অশ্বেতাংগ, অখ্ৰীষ্টিয়ান ইউৰো মাৰ্কিন বলয়ৰ বাহিৰৰ মানুহৰ জীৱনৰ মূল্য মধ্যবিত্ত, শ্বেতাংগ আৰু খ্ৰীষ্টান পাশ্চাত্যবাসীৰ সমান নহয়। সেয়ে ছিৰিয়া আৰু উত্তৰ আফ্ৰিকাৰ শৰণাৰ্থীবোৰক বাধা দিবৰ বাবে পূৰ্ব ইউৰোপৰ সীমান্তত বিদ্যুৎ প্ৰৱাহিত কাঁটা তাঁৰৰ বেৰ আৰু ইউক্ৰেইনীয়ৰ বাবে ভালপোৱাৰ খোলা দুৱাৰ। মানৱতা কেৱল প্ৰাক্তন দাস ব্যৱসায়ী আৰু উপনিৱেশৰ মালিকবোৰৰ বৰ্তমান উত্তৰাধিকাৰীৰ বাবে মুকলি থাকিব আৰু বাকীবোৰে পাব দ্বিতীয় শ্ৰেণীৰ মানুহৰ আসন— এনে ধৰণৰ বিশ্ব ব্যৱস্থাই আধুনিক সকলো যুদ্ধৰ মূল কাৰণ। যুদ্ধৰ প্ৰথম ছহিদ সত্য। তেনেকৈ যুদ্ধৰ জলমলনিত নাঙঠ হৈ পৰে বহু অন্ধকাৰ।

বহুদিন ধৰি পৃথিৱী আটলান্টিষ্টবোৰৰ নিয়ন্ত্ৰণত। আটলান্টিক মহাসাগৰৰ ইপাৰৰ উত্তৰ আমেৰিকা আৰু আন পাৰৰ ইউৰোপীয় ইউনিয়ন আৰু যুক্তৰাজ্যৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামৰিক ঐক্যক ভূ-ৰাজনৈতিক পৰিভাষাত আটলান্টিজম কোৱা হয়। ইয়াৰ বিপৰীতে আহিছে ৰুছ ৰাজনৈতিক তাত্ত্বিক আলেকজেণ্ডাৰ দুগিনৰ প্ৰচাৰিত ইউৰেছিয়ান তত্ত্ব। ৰুছ প্ৰেছিডেন্ট পুটিনসহ ক্ৰেমলিনৰ শীৰ্ষ ব্যক্তিবোৰক এই তত্ত্বৰ সমৰ্থক বুলি ধৰা হয়। ইউৰোছিয়ান তত্ত্বমতে ৰাছিয়া ইউৰোপ নহয়, এছিয়াও নহয়। ৰাছিয়া হ'ল ইউৰোপ আৰু এছিয়াৰ বিস্তৃত এক স্বতন্ত্ৰ ইউৰেছিয় সভ্যতা। পূৰ্বৰ ছোভিয়েট ইউনিয়নভুক্ত অঞ্চলেই ইউৰোছিয়া আৰু চীন আৰু ইৰান তাৰ স্বাভাৱিক মিত্ৰ। এই অঞ্চলত আটলান্টিষ্টবোৰক বাধা দিয়াই ভ্লাদিমিৰ পুটিনৰ লক্ষ্য। সেয়ে ইউক্ৰেইনত আমি দেখিছো আটলান্টিষ্ট বনাম ইউৰেছিয় শক্তিৰ প্ৰথম ডাঙৰ সংঘাত।

ইউক্ৰেইনত সামৰিক অভিযান চলাবলৈ প্ৰতিদিনে ৰাছিয়াৰ খৰচ হৈছে দুইৰ পৰা আঢ়ৈ হেজাৰ কোটি ডলাৰ। বিশ্বৰ ৮২ কোটি মানুহ প্ৰতিদিনে খালী পেটে শুবলৈ যায়। ইউক্ৰেইন যুদ্ধৰ এদিনৰ খৰচত কিমান মানুহৰ সমগ্ৰ জীৱনৰ পেটৰ চিন্তা দূৰ হ'ব, তাৰ তুলনা কৰা 'অৰ্থই প্ৰথম' এই বিশ্বত অৰ্থহীন।

### দুই

৬০ৰ দশকৰ আমেৰিকাত হাস্য ৰসাত্মক জনপ্ৰিয় এখন উপন্যাসৰ নাম আছিল 'দ্য ৰাছানছ্ আৰ কামিং, দ্য ৰাছানছ্ আৰ কামিং।' স্নায়ুযুদ্ধ তথা দুই পৰাশক্তিৰ মাজত তুমুল দ্বন্দ্বৰ পটভূমিত ৰচিত উপন্যাসখন। মাৰ্কিন ৰাজনীতিবিদবোৰে নিজৰ বহু অপকৰ্ম ঢাকিবৰ বাবে মাজে মাজে ৰুছ ভীতি জগাই তুলিছিল। ৫০ৰ দশকত নানাভাৱে ইয়াৰ প্ৰকাশ ঘটিছিল। তাৰে এটা উদাহৰণ জুলিয়াছ আৰু ইথেল ৰোজেনবাৰ্গ দম্পতীৰ বিৰুদ্ধে অনা গুপ্তচৰ বৃত্তিৰ অভিযোগ। হিৰোছিমা-নাগাচাকিৰ পাৰমাণৱিক বোমা বিস্ফোৰণৰ মাজেৰে এটম বোমাৰ একচ্ছত্ৰী অধিকাৰী হৈছিল আমেৰিকা। দ্বিতীয় মহাযুদ্ধৰ পাছত এই প্ৰচণ্ড ধ্বংস ক্ষমতাৰ অধিপতি হিচাপে আমেৰিকাই বিশ্বব্যাপী নিজৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিছিল আৰু মাৰ্কিন জনগণক এনে ভাৱনাৰে উদ্বেলিত কৰিছিল যে ৰুছবোৰ নষ্টৰ মূল। সিহঁতৰ একনায়কত্ব তথা সমাজতন্ত্ৰক সৰ্বশক্তিৰে বাধা দিব লাগিব। তেতিয়াহে ৰক্ষা পৰিব গণতন্ত্ৰ আৰু পাশ্চাত্যৰ সমাজ।

ছোভিয়েট ইউনিয়নে যেতিয়া পৰীক্ষামূলকভাৱে হাইড্ৰ'জেন বোমাৰ বিস্ফোৰণ ঘটায়, বাস্তৱতা অনুধাৱনৰ সলনি আমেৰিকাই মেলি ধৰিলে ষড়যন্ত্ৰৰ বিশাল কাহিনী। ৰাছিয়াৰ গুপ্তচৰে বোমা তৈয়াৰীৰ ফৰ্মূলা চুৰি কৰিবলৈ সক্ষম হৈছে। কথিত এই অভিযোগত আচামী কৰা হ'ল নিৰীহ দুই বামপন্থী নাগৰিক ৰোজেনবাৰ্গ দম্পতীক। ১৯৫১ত দুয়োকো গ্ৰেপ্তাৰ কৰা হয় আৰু ১৯৫৩ত মৃত্যুদণ্ডৰে দণ্ডিত কৰি কাৰ্যকৰ কৰা হয় মৃত্যুদণ্ড। আদালতত যদিও অপৰাধৰ প্ৰমাণ ভালকৈ পোৱা নগৈছিল, ৰাজনীতিবিদৰ গণ উন্মাদনাত অভিযোগৰ সঁচা-মিছাক লৈ কোনেও বিচলিত হোৱা নাছিল। চাৰি দশকৰ পাছত উদ্‌ঘাটিত হৈছিল সত্য। ৰোজেনবাৰ্গ দম্পতীৰ গুপ্তচৰ বৃত্তিৰ ঘটনা আছিল এফ বি আই প্ৰধান এডগাৰ হুভাৰৰ সজোৱা কাহিনী। ৰোজেনবাৰ্গ দম্পতী আছিল নিৰ্দোষী।

কৌতুকৰ স'তে লক্ষ্য কৰিছো ৬০ দশকৰ পাছত মাৰ্কিন সমাজত আকৌ হৈ-চৈ পৰিছে 'দ্য ৰাছানছ্ আৰ কামিং।'

### তিনি

আধুনিক যুগৰ ৰাষ্ট্ৰ জাতীয়তাবাদী ভিত্তিক। কোনো এখন ৰাষ্ট্ৰত জাতীয়তাবাদেই হ'ল জনগণৰ ঐক্যৰ ভিত্তি। জাতীয়তাবাদ নাথাকিলে জনগণ অনৈক্যৰ মাজত পৰে। ফলত ৰাষ্ট্ৰ দুৰ্বল হয়। দেশৰ অভ্যন্তৰত জনগণৰ ঐক্যৰ বোধেই জাতীয়তাবোধ। জাতীয়তাবোধক অৱলম্বন কৰি ৰাষ্ট্ৰ গঠনৰ মতবাদেই জাতীয়তাবাদ। জাতীয়তাবোধ আৰু জাতীয়তাবাদ নাথাকিলে ৰাষ্ট্ৰৰ অস্তিত্বৰ চৰ্ত নাথাকে। দেশ আৰু ৰাষ্ট্ৰ একে নহয়। পাহাৰ-পৰ্বত, নদী-খাল-বিল ইত্যাদি বহু কিছুৰেই পৰিবেষ্টিত বিশাল ভূ-ভাগেই একো একোখন দেশ। দেশ প্ৰকৃতিৰ সৃষ্টি। ৰাষ্ট্ৰ মানুহৰ। দেশক অৱলম্বন কৰিয়েই ৰাষ্ট্ৰ। জাতীয়তাবোধ সম্পন্ন জনগোষ্ঠীকেই কোৱা হয় জাতি।

**মই আছো, কিয়নো সকলো আছে। যিদিনা আমাৰ দেশৰ সকলো মানুহ এনে ধৰণৰ সামষ্টিক জীয়াই থকাত আৰু অগ্ৰযাত্ৰাত বিশ্বাসী হ'ব, সিদিনা দেশৰ চেহেৰা সলনি হৈ যাব**

ৰাষ্ট্ৰ বিজ্ঞানত আধুনিক ৰাষ্ট্ৰৰ সংজ্ঞা দিবলৈ গৈ ৰাষ্ট্ৰৰ চাৰিটা অপৰিহাৰ্য উপাদানৰ কথা উল্লেখ কৰা হৈছে। সেয়া এক, সুনিৰ্দিষ্ট ভূভাগ। দুই, সেই ভূ-ভাগৰ জনসমষ্টি। তিনি, সেই জনসমষ্টিৰ চৰকাৰ। চাৰি, সেই জনসমষ্টিৰ সাৰ্বভৌমত্ব। স্বাভাৱিক অৱস্থাত আধুনিক ৰাষ্ট্ৰৰ চৰকাৰ গঠিত হয় ৰাজনৈতিক দলেৰে। নিৰ্বাচনৰ মাধ্যমত। জনগণৰ সাৰ্বভৌমত্ব অনুশীলিত হয় জনপ্ৰতিনিধিৰ বা নিৰ্বাচিত চৰকাৰৰ মাধ্যমত।

পৃথিৱীত মানুহৰ জীৱন যাপনৰ শ্ৰেষ্ঠ উপায় কি? এই প্ৰশ্নৰ উত্তৰ বিচাৰি হেজাৰ বছৰ আগতে প্লেটোৱে এই সিদ্ধান্তত উপনীত হৈছিল যে সবাতোকৈ ভাল ৰাষ্ট্ৰতেই মানুহৰ পক্ষে সবাতোকৈ ভাল জীৱন যাপন সম্ভৱ। মানুহৰ জীৱন প্ৰণালীত ৰাষ্ট্ৰক প্লেটোৱে অপৰিহাৰ্য, অনিবাৰ্য আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ বুলি ধাৰণা কৰিছিল।

যিকোনো সুস্থ সমাজৰ বাবে নৈতিকতা আৰু সততা যথেষ্ট গুৰুত্বপূৰ্ণ। নৈতিকতাৰ বিচাৰত ঋদ্ধ আৰু বস্তুগত সুযোগ-সুবিধা আৰু জীৱন যাত্ৰাৰ ফালৰ পৰা উন্নত এক সমাজ গঢ়া খুব সহজ কাম নহয়। ইয়াৰ বাবে প্ৰয়োজন আদৰ্শস্থানীয় নেতৃত্ব, উন্নতমান আৰু মহত্বৰ মূল্যবোধত উজ্জীৱিত নাগৰিক সমাজ।

উন্নতিৰো এক দৰ্শন থাকে। দেশৰ উন্নতিৰ যি দৰ্শন প্ৰতিষ্ঠা হৈছে, সেয়া হ'ল অন্যান্য বিবেচনাক পদদলিত কৰি ব্যক্তিক ডাঙৰ কৰি তোলা। ড° হিমন্ত বিশ্ব শৰ্মা দেশৰ একচ্ছত্ৰী সম্ৰাট। তেওঁ দিনক ৰাতি আৰু ৰাতিক দিন বুলি ক'লে পীযুষ, জয়ন্তমল্ল, দিগন্তহঁতৰ দৰে মানি লোৱা মানুহৰ অভাৱ নাই দেশত।

মানুহৰ মনুষ্যত্ব বিকশিত হয় সামাজিকতা আৰু মননশীলতাৰ একত্ৰ অনুশীলনত। সেয়া নঘটিলে মানুহ আৰু মানুহ হৈ নাথাকে। পৰিণত হয় বন্যপ্ৰাণীত।

আফ্ৰিকাৰ এখন গাঁৱৰ এখন স্কুলত দৌৰ প্ৰতিযোগিতাৰ আয়োজন। দৌৰত যিজন প্ৰথম হ'ব, সিয়েই পাব সুস্বাদু ফলৰ বাকচ। দৌৰ আৰম্ভ কৰিবৰ বাবে শিক্ষকে যেতিয়া হুইচেল বজালে, তেতিয়া এজনে আন এজনৰ হাতত ধৰি দৌৰিবলৈ আৰম্ভ কৰিলে আৰু সকলোৱে একেলগে গন্তব্যস্থানত উপনীত হ'ল। শিক্ষকে যেতিয়া প্ৰশ্ন কৰিলে— তহঁতে এনেকৈ দৌৰিলি কিয়? তেতিয়া সকলোৱে একেলগে চিঞৰি উঠিল— উবুন্ত। উবুন্ত হৈছে এক দৰ্শন। যাৰ অৰ্থ— মই আছো, কিয়নো সকলো আছে। যিদিনা আমাৰ দেশৰ সকলো মানুহ এনে ধৰণৰ সামষ্টিক জীয়াই থকাত আৰু অগ্ৰযাত্ৰাত বিশ্বাসী হ'ব, সিদিনা দেশৰ চেহেৰা সলনি হৈ যাব। অসাম্প্ৰদায়িকতা আৰু সহমৰ্মিতাই বৰ্ষাৰ পানীৰ দৰে প্লাৱিত কৰিব দেশ।

### চাৰি

পাওলো কোৱেলহোৰ এলকেমিষ্ট গ্ৰন্থত এটা গল্প আছে। দেউতাকে তেওঁৰ সন্তানক পৃথিৱীৰ সবাতোকৈ জ্ঞানী ব্যক্তিৰ প্ৰাসাদলৈ পঠিয়াই দিলে উপদেশ গ্ৰহণৰ বাবে। জ্ঞানী ব্যক্তিগৰাকীয়ে ল'ৰাটোক ক'লে ঃ তোমাক উপদেশ দিয়াৰ আগতে সমগ্ৰ প্ৰাসাদটো ঘূৰি-ফুৰি চাই আহা। তোমাক এখন চামুচ দিলো। চামুচত পূৰ্ণ কৰি দিলো তেল। তুমি সমগ্ৰ প্ৰাসাদ চাবা; কিন্তু চাবা যাতে চামুচৰ পৰা তেল এটোপাও নপৰে।

সমগ্ৰ প্ৰাসাদ ঘূৰি ল'ৰাটো আহিল। চামুচৰ তেল এটুপিও পৰিবলৈ দিয়া নাছিল। খুব সতৰ্ক হৈ আছিল। জ্ঞানী ব্যক্তিগৰাকীয়ে সুধিলে ঃ প্ৰথম ঘৰটোত কি দেখিলা? ল'ৰাটোৱে উত্তৰ দিব নোৱাৰিলে। কাৰণ সি চামুচৰ পিনে চাই আছিল, যাতে তেল নপৰে। জ্ঞানী ব্যক্তিগৰাকীয়ে ক'লে ঃ তুমি আকৌ যোৱা। চামুচৰ তেলো থাকিব আৰু ক'ত কি আছে চাই আহিবা। ল'ৰাটো আকৌ গ'ল। ঘূৰি আহি ক'লে— এইবাৰ মই ক'ব পাৰিম কোন ঘৰত কি আছে? জ্ঞানী ব্যক্তিগৰাকীয়ে প্ৰশ্ন কৰিলে ঃ তোমাৰ চামুচৰ তেল ক'ত? চব তেল দেখোন পৰি গৈছে। ল'ৰাটো নিমাতে ৰ'ল। জ্ঞানী ব্যক্তিগৰাকীয়ে ক'লে ঃ এয়াই তোমাৰ প্ৰতি মোৰ উপদেশ। আমি আমাৰ চৌপাশৰ যি কিছু দেখাৰ সেয়া দেখিম। যি কিছু শিকাৰ সেয়া শিকিম। যি কিছু আনন্দ কৰাৰ সেয়া কৰিম; কিন্তু চামুচৰ পৰা যেন তেল পৰি নাযায়।

### পাঁচ

'আমি ৰাজনীতি বুঝিনা,
কিন্তু কতো গুলো মানৱ সন্তান
পড়ে থাকবে খোলা আকাশেৰ নিচে
আমি তা সইতে পাৰছিনা'

— সুনীল গংগোপাধ্যায়

এগৰাকী কবিয়ে কৈছিল, তেৱেঁই কবি যিজনে সমগ্ৰ পৃথিৱীৰ হৈ দুখ পায়। নতুন এখন চৰকাৰ। সেই চৰকাৰে শুনা নাই বঞ্চিত, নিপীড়িত মানুহৰ মৰ্মবেদনা। উপলব্ধি কৰা নাই সিহঁতৰ হৃদয়ৰ ৰক্তক্ষৰণ। যোৱা বছৰ কে'বা ঠাইতো উচ্ছেদ অভিযান চলিল। ভাঙি দিয়া হ'ল ঘৰ-দুৱাৰ। বহু পৰিয়াল নিঠৰুৱা হ'ল। এনেকৈ উচ্ছেদ অভিযানৰ বলি হোৱা দৰিদ্ৰ মানুহবোৰ ল'ৰা-ছোৱালী লৈ ক'লৈ যাব, কি খাব, তাৰ কোনো চিন্তা-ভাৱনা নাই চৰকাৰৰ। উচ্ছেদৰ বিৰোধিতা মই কৰা নাই; কিন্তু দৰিদ্ৰ মানুহখিনিৰ ঘৰ-দুৱাৰ ভাঙি দিয়াৰ আগতে কিবা এটা ব্যৱস্থা কৰাৰ প্ৰয়োজন আছিল চৰকাৰৰ। এগৰাকী মনীষীয়ে কৈছে ঃ When the government fears the people– there is democracy but when the people fears the government there is tyranny.

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# পতি ভক্তি

ৰিজু হাজৰিকা

**এদিন** মই মোৰ সম্বন্ধীয় দাদা-বৌৱেঁতৰ ঘৰলৈ গৈছিলো। তেওঁলোক এখন বেলেগ চহৰত থাকে। সম্পৰ্কীয় মানে মোৰ মাৰ বায়েকৰ ল'ৰাৰ ঘৰ। মই সেইখন চহৰৰ মেলে-মিটিঙে গ'লে দাদাহঁতৰ ঘৰত প্ৰায়ে সোমাও। তেওঁলোকে মোক বৰ মৰম কৰে।

তেতিয়া সময় দুপৰীয়া। মানুহৰ দুপৰীয়াৰ ভাত খোৱাৰ সময়। ড্ৰয়িং ৰুমৰ দুৱাৰ খোলাই আছিল। বাহিৰত চেণ্ডেল যোৰ খুলি থৈ মই দাদা বুলি চিঞৰ এটা মাৰি তেওঁলোকৰ পাক ঘৰলৈ সোমায়েই গ'লো। গৈ দেখো বৌৱে দাদাক ভাত খুৱাই আছে— সৰু ছলিক মাকে ভাত খুওৱাৰ দৰে। মই এক প্ৰকাৰ আচৰিতেই হ'লো— আজিৰ দিনতো পত্নীয়ে এনেদৰে পতিক ভাত খুওৱায় নে? বেমাৰী হ'লে হয়তো খুৱাব পাৰে।

বৌৱে হাতত এখন গামোছা লৈ আছে। খোৱা পানীৰ গিলাচ, জগ এটা, কাহীখনৰ চাৰিওফালে নানাবিধ ব্যঞ্জনৰ বাটি। বৌৱে দাদাৰ মুখত ভাত এটোপা সুমুৱাই দিয়ে। দুয়োটা কাওৰীৰে ওলাই ওলাই অহা ভাতবোৰ গামোছাখনেৰে মচি দিয়ে, বাটিৰ জোল অলপো পি খাবলৈ দিয়ে। বৌৱে অনবৰত মুখখন মচিয়েই থাকে। মোক দেখি দুয়ো যেন আনন্দত আত্মহাৰা হ'ল— যেন বিদুৰৰ ঘৰত কৃষ্ণহে গৈছো।

বৌৱে ক'লে— তুমি অকণমান বহা। মই দাদাৰেক ভাতকেইটা খুৱাই আমি দুয়ো একেলগে যাম। বৌৱে এনেকৈ কোৱাৰ লগে লগে মই ক'লো— বৌ নালাগে নালাগে, মই মিটিঙত ভাত খাই আহিছো। মোৰ কথা চিন্তাই নকৰিবা। দাদাই ক'লে— নালাগে দিয়া, অলপ খাবা। বৌৱেৰে আজি বৰ সোৱাদৰ আঞ্জা ৰান্ধিছে, কোমোৰাৰ গুটি মিক্সিত খুন্দি তাৰে ৰসেৰে কাৰৈ মাছ ৰান্ধিছে, মাটি মাহৰ দাইলত খাৰ আৰু আদা দিছে, কেঁচা তিল বতি তাৰে চাটনি বনাইছে, নতুনকৈ চজিনা ওলাইছে নহয়, তাৰে আলু-বিলাহীৰে দম বনাইছে। খালে বৰ ভাল পাবা। মই বাৰে বাৰে ক'লো— নালাগে দাদা, খালে মোৰ হজম নহ'ব, পেট বেয়া কৰিব। ইয়াৰ পাছত এদিন চিধাই তোমালোকৰ ঘৰলৈ আহি ভাত খাম। তেওঁলোক ৰাজী হ'ল। বৌৱে ক'লে— হ'ব দিয়া তেনেহ'লে। পেটৰ অসুখ হ'লে বৰ অসুবিধা হ'ব বাটত।

খোৱাৰ কথা পাহৰাবলৈ মই এইবাৰ দাদাহঁতৰ আগত তেওঁলোকৰ পুত্ৰ-বোৱাৰী, জীয়ৰীজনীৰ কথা সুধিলো। 'মিলন আৰু জয়নাথ মাজে মাজে আহেনে? তাই মানে বিপাশা আহি থাকেনে?' 'দাদাই উৎফুল্ল মনেৰেই ক'লে— 'সিহঁত আহি থাকিব নোৱাৰে দিয়া। কাৰণ সিহঁতৰো নানা কাম। পুত্ৰহঁতক এৰি বোৱাৰীহঁতো ইয়াত থাকিব নোৱাৰে। বোৱাৰীহঁত আহিলে ল'ৰাহঁতক ৰান্ধি বাঢ়ি কোনে খুৱাব? এতিয়া তুমি দেখিছাই, মোক এৰি বৌৱেৰাই কৰবালৈ যাব পাৰিছেনে? তেওঁ গ'লে মোক ভাত কেইটাকে কোনে খুৱাই দিব। মই সিহঁতক বেয়া নাপাও দিয়া। য'তে আছে ত'তেই ভালে থাকক। ছুটী-তুটি লৈও আহিব নোৱাৰে, কাৰণ ল'ৰা-ছোৱালীহঁতৰ স্কুল আছে নহয়। আৰু বিপাশা, তাইতো আহিবেই নোৱাৰে, আজি-কালি কলেজ বিলাকত বহুত কাম। তদুপৰি তাইৰো ঘৰ-সংসাৰ এখন আছে। গতিকে মই কাকো বেয়া নাপাও দিয়া।'

মই দাদাৰ কথা শুনি অবাক হৈ গ'লো। বাপৰে কি ভগৱানৰ দৰে মানুহ। শিক্ষক মানুহ এনে মহানশীল হ'লে সমাজখনৰ উন্নতি হ'ব। শিক্ষক হিচাপেও দাদা জনপ্ৰিয় আছিল। তেওঁ যাক টিউচন কৰিছিল, মধ্যম বুদ্ধিৰ ছাত্ৰ-ছাত্ৰী হ'লেও সিহঁতক মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন পোৱাই দিছিল।

এনেদৰে কথা-বতৰা পাতোতে সময় বহুত গ'ল। আবেলিৰ বেলি ৰঙা পৰিল। দাদাই ক'লে— 'তুমি এতিয়া যোৱা, ৰাতি হ'লে বাটত দিগদাৰ হ'ব।' দাদাই সেই কথাও জানে। বৌৱে ক'লে— ৰ'বা, তোমাক একাপ চাহ কৰি খুৱাও। বৌৱে একাপ নখত ৰোৱা চাহ খুৱালে। লগত দুটা নাৰিকলৰ লাৰু।

বিদায়ৰ মুহূৰ্তটো আছিল অতি কৰুণ। দাদাই চকু পানী টুকি ক'লে— তুমি মাজে মাজে এনেদৰে আহি থাকিবা। মোৰ ভাইহঁত নাহে। সিহঁত নিজক লৈয়েই ব্যস্ত। নাহক দিয়া তাতেই ভালেই থাকক। তুমি আহা মানে এশজন অহা যেন লাগে। মই দুয়োকে ভৰিত ধৰি সেৱা কৰিলো। দুয়ো প্ৰাণ ভৰি আশীৰ্বাদ দিলে— ভগৱানে তোমাক দীৰ্ঘজীৱী কৰক। দাদাই ক'লে— 'মোৰ মৃত্যু হ'লে তুমি মোৰ কথা লেখিবা। তুমি আমাৰ বংশৰ এজন জনপ্ৰিয় লেখক। তোমাৰ গল্প পঢ়ি বহুতে মোক জনায়।

এইবাৰ মোৰ চকুৰ পানী ওলাল। দাদাৰ এই হৃদয় বিদাৰক বাক্যটো শুনি মোৰ হৃদয়খনো ভাঙি গ'ল। হৃদয়ে আঘাত পালে মানুহৰ অশ্ৰু নিগৰে।

আজি মই দাদাৰ কথা লেখিলো। দাদাইতো দেখা নাপালে এই লেখা। এয়ে মোৰ দুখ। দাদা, তুমি স্বৰ্গতো সুখেৰে থাকা— তাৰে পৰাই আমাকো আশীৰ্বাদ দিবা মৰ্তত যেন আমিয়ো সুখেৰে থাকো।

# গিৰীয়ে ভাবে ল'ব লোণ তিৰীয়ে ভাবে পাব সোণ

মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, বোলো শুনিছা, ক'ত গ'লাহে তুমি?

— ইমানকৈ চিঞৰিব লাগেনে, মই দেখোন ইয়াতেই আছো। মিছাতে হুলস্থূল লগাই থাকে।

— ক'তনো চিঞৰিলোহে, মোৰ মাতটোৱেই ডাঙৰ। তোমাৰ দৰে মুখৰ ভিতৰতে গোদ গোদাই নাথাকো নহয়।

— এটা কথা জানেনে আপুনি? যাৰ মাত ডাঙৰ, তাৰ বোলে জাতো ডাঙৰ। হয়নে?

— তুমি দেখোন বহুত কথাই জানাহে। অকল জাতেই নহয়, মনো ডাঙৰ, মানো ডাঙৰ।সকলো পিনেই উচ্চ।

— সেইটো জানো। এই দুবছৰে আপোনাক পালো নহয়। কিমান ডাঙৰ মন, কিমান ডাঙৰ বংশ সকলোখিনিয়েই গম পালো দিয়ক। এতিয়া নতুনকৈ বুজিবলৈ একো বাকী নাই।

— হেৰা, তোমাৰ কথাবোৰ আজি দেখোন চিনেমাৰ ডাইলগ যেন লাগিছেহে। বিয়াৰ আগতে তুমি অভিনয়-চভিনয় কৰিছিলা যেন পাওঁ।

— কৰা নাছিলো। কৰিবলগীয়া হ'ব বুলি কোনো দিন ভবাও নাছিলো।

— মানে?

— এতিয়া বাধ্য হৈছো। আপোনাৰ লগত থাকিয়েই শিকিছো অভিনয় কেনেকৈ কৰিব লাগে।

— হুঁহুৱালা দেই। সঁচাকৈয়ে তুমি মোক হুঁহুৱালা। তুমি ইমান জমাব যে পাৰা মই ভবাই নাছিলোহে। বাৰু, তোমাক কিয় মাতিছিলো জানানে?

— কওকচোন।

— এতিয়া আৰু আগৰ সেইদিন নাইহে। বহুত সলনি হ'ল। কথা-বতৰা, চাল-চলন, আচাৰ-ব্যৱহাৰ, মৰম-চেনেহ সকলোতে কি সাংঘাতিক পৰিৱৰ্তন। তাকেই আজি আমাৰ অফিচত আলোচনা হ'ল বুজিছা।

— হয় নেকি?

— সেই যে আগতে প্ৰেমিকে প্ৰেমিকাক মৰমতে সুগন্ধি তেলৰ বটল, খাৰু, ফিটা আদি দিছিল, এতিয়া সেইবোৰ আউটডেটেড। আজি-কালি প্ৰেমিকাইহে প্ৰেমিকক মৰমতে এখন বাইক বা সোণৰ চেইন, নোৱাৰিলে হয়তো এটা ঘড়ীকেই দিয়ে। দেখিছা, কি দিন পৰিল। হৰি হৰি।

— ছ'ৰী। এইবোৰ শুনাৰ আগ্ৰহ এতিয়া মোৰ নাই।

— চোৱাচোন, আগতে পূজা, বিহুত গিৰীয়েকে ঘৈণীয়েকক কাপোৰ দিছিল, এতিয়া ঘৈণীয়েকেহে গিৰীয়েকক কাপোৰ দিয়ে। চকুৰ আগতে কেনেকৈ দিনবোৰ সলনি হৈ গ'ল। নহয়নে?

— হয় দিয়ক। ভাবিলে কিবা আচৰিতেই লাগে। পিছে ঘৈণীয়েকক কোনে কাপোৰ দিয়ে নক'লেচোন। বয়ফ্ৰেণ্ডে নেকি?

— সকলোৰেতো বয়ফ্ৰেণ্ড নাথাকে। ঘৈণীয়েকক মাকৰ ঘৰৰ পৰাই দিয়ে— মাক, বৌৱেক, বাইদেৱেক আদিয়ে। কিয় নিদিব কোৱা? যিখন ঘৰত সৰুৰে পৰা ডাঙৰ-দীঘল হ'ল...।

— ইমান নিলাজ আপুনি! পূজাত কাপোৰ দিয়া নাই, মই কিবা বেয়া পাইছো নেকি?



আপোনাক খুজিছো নেকি? ইমান পাতনি মেলি কৈফিয়ৎ দিবলগীয়া হ'ল কিয় কওকচোন?

— হেৰা, তুমি ভুল বুজিছা। আচলতে কথাটো তেনে নহয়।

— জানো দিয়ক। আপোনাৰ মতলব কি সেইটো ভালদৰে জনা আছে মোৰ। ৰঙালী বিহু আহিল নহয়? সেইবাবে আগে-ভাগে নিজৰ গা বচাই লৈছে।

— হেৰা, মই ক'লো কি আৰু তুমি বুজিলা কি? মই ক'লো গীতাৰ চৰণ আৰু তুমি ভাবিলা সীতাৰ হৰণ। তোমাৰ লগত কথা পাতিব নোৱাৰি দেই।

— মুখেৰে আপুনি সাত ৰজাৰ চাউল খায়, কামত হ'লে একো নাই। আপুনি ধন ঠিকেই চিনি পায়, আনৰ মনটোহে চিনি নাপায়। এনে মানুহৰ জীৱন ধৰাৰ কোনো অৰ্থ নাই বুজিছে?

— তুমি নজনা-নুশুনাকৈ যিকোনো কথা কিয় কোৱা? তোমাক দুখত ৰাখি মই জানো সুখত থাকিব পাৰিম? সুখে-দুখে ইজনে সিজনৰ সমভাগী নহ'লে সংসাৰ এখন চলে নেকি, কোৱাচোন মোক?

— আপুনি মোক বিয়া কৰাই আনিছিল কিয়, সেইটো আগতে কওক। এইখন ঘৰত মই বান্দী হৈ চিৰদিন কটাব লাগিব নেকি?

— হেৰা, নিজকে তুমি বন্দী বুলি ভাবি কান্দি-কাটি অস্থিৰ নহ'বাচোন। মোৰ বেয়া নালাগে নেকি?

— টকাসোপা সাঁচি আপুনি কৰিব কি? মানুহ ইমান যখ হ'ব নাপায়।

— তুমি আজি মোক যখ বুলিলা?

— কওকচোন, আপুনি বিয়া কৰোৱাৰ দিন ধৰি কি দিছে মোক? মই সকলো বস্তু এতিয়াও মাৰ ঘৰৰ পৰাই আনি থাকিম নেকি?

— চোৱা, বিয়া হ'লা বুলিয়েই তুমি সেইখন ঘৰৰ লগত সম্পৰ্ক বাদ দিবা সেইটোতো হ'ব নোৱাৰে। এইবোৰ কেৱল মৰম-চেনেহৰ কথা। আদান-প্ৰদানৰ মাজেৰেইতো সম্পৰ্ক ৰক্ষা হৈ থাকে। সেইখিনিও তুমি নাজানা?

— আপোনাৰ অভিধানত আদান শব্দটোহে আছে। প্ৰদান শব্দটো থকা বুলি আপুনি কিন্তু প্ৰমাণ দিব নোৱাৰে। যি দেখিছো মই মৰিলে টকা খৰচ কৰি শৱ ঢকা কাপোৰখনো আপুনি কিনি নিদিব, সেইখনো মাৰ ঘৰৰ পৰাই দিব লাগিব।

— নাপায় নহয়। এইবোৰ অমংগলীয়া কথা কোনোবাই কয় নেকি?

— অনিচ্ছা সত্ত্বেও ক'বলৈ বাধ্য হৈছো মই। আপোনাৰ মই অৰ্ধাংগিনী হয় নে নহয়?

— কি যে কোৱা তুমি! মোৰ অৰ্ধাংগিনী তুমি নহয়নো কোন?

— তেনেহ'লে আপোনাৰ দৰমহাৰ আধা অংশ আজিৰ পৰা মোক দিব লাগিব।

— আধা নহয়, মোৰ দৰমহা গোটেইখিনিয়েই তোমাক দি দিম। আনকি লোণ লৈ হ'লেও এইবাৰ তোমাক সোণ দিমেই। মুঠতে তোমাক মই সন্তুষ্ট কৰিহে এৰিম।

— দেখিলেহে লেখিম দিয়ক।

— কি ?

ফোন ঃ ৯১০১৭৭৪৮৬৮

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৭ মাৰ্চ, দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# পোহৰ প্ৰদূষণ

**পোহৰ প্ৰদূষণৰ ফলত কেৱল ৰাতিৰ আকাশৰ তৰাবোৰ দেখাতেই অসুবিধা নহয়; ই জীৱ জগততো বিৰূপ প্ৰভাৱ পেলায়। গছ-গছনিয়ে আন্ধাৰখিনিক বিভিন্ন ধৰণে ব্যৱহাৰ কৰে। গছে আন্ধাৰখিনি অনুভৱ কৰি সেইমতে প্ৰতিক্ৰিয়া কৰে। মানুহৰ বাহিৰে বাকী জীৱ-জন্তুৱে ঘড়ী চাই কাম নকৰে। গতিকে দিনৰ দৰে ৰাতিটোও যদি পোহৰ হৈ থাকে তেন্তে জীৱকুলৰ জৈৱিক প্ৰক্ৰিয়াবোৰত ব্যাঘাত জন্মে।**

## ড° ৰাস্না ৰাজখোৱা

**আন্ধাৰ** বেয়া পালে অথবা ভয় কৰিলে নহ'ব। দিনৰ পোহৰ যেনেকৈ সকলোৰে প্ৰিয় তেনেকৈ ৰাতিৰ আন্ধাৰকণো সকলোৰে প্ৰিয় হোৱা উচিত। ৰাতিটোকো যদি আমি কৃত্ৰিম পোহৰৰে দিনৰ দৰে উজ্জ্বল কৰি ৰাখিব বিচাৰো তেনেহ'লে পৰিৱেশ তন্ত্ৰটো শৃংখলিতভাৱে চলি থকাত ব্যাঘাত জন্মিব। তদুপৰি ৰাতিৰ তৰা ভৰা আকাশখনৰ সম্পূৰ্ণ সৌন্দৰ্য উপভোগ কৰাৰ পৰাও বঞ্চিত হ'ম।

প্ৰাচীন কালৰে পৰা জ্যোৰ্তি বিজ্ঞানীসকলে তৰা ভৰা আকাশখন পৰ্যবেক্ষণ কৰি বিশ্ব ব্ৰহ্মাণ্ডৰ বিভিন্ন ৰহস্যৰ সমাধান উলিয়াইছে; কিন্তু এই ব্যৱস্থাত কিছু পৰিমাণে ব্যাঘাত জন্মিছে। আধুনিক কৌশল আৰু উন্নত যন্ত্ৰ-পাতি ব্যৱহাৰ কৰিলেও জ্যোৰ্তি বিজ্ঞানীসকল অইন এটা সমস্যাৰ সন্মুখীন হৈছে। সেই সমস্যাটোৰ নাম হ'ল পোহৰ প্ৰদূষণ। যোৱা কেইটামান দশকৰ পৰা কৃত্ৰিম পোহৰৰ উৎস ইমানেই বাঢ়ি গ'ল যে জনবহুল মহানগৰ অঞ্চলৰ ৰাতিৰ আকাশখনক এবিধ ঈষৎ ৰঙা জ্যোতিৰে আৱৰি থাকে। ফলত জ্যোৰ্তি বিজ্ঞানীসকলৰ সঠিক জোখ-মাখত ব্যাঘাত জন্মে। তদুপৰি মানুহৰ বাসস্থান বাঢ়ি অহাৰ লগে লগে অৰণ্য কমি আহিছে আৰু বহু সময় জুৰি কৃত্ৰিম পোহৰৰ সন্মুখীন হৈছে। সাধাৰণতে ৰাতিৰ নক্ষত্ৰসমূহৰ পৰা অহা পোহৰ আৰু বায়ুৰ উজ্জ্বলতা মোটামোটি সমান পৰিমাণৰ। আনকি সামান্য কৃত্ৰিম পোহৰে যদি এই সংবেদী ভাৰাসাম্যত হস্তক্ষেপ কৰে তেন্তে আকাশৰ ৰং সলনি হয়। ফলস্বৰূপে নক্ষত্ৰৰ পৰা পৃথিৱীলৈ অহা পোহৰৰো পৰিবৰ্তন হয়। ক্ৰমাগতভাৱে নক্ষত্ৰ পৰ্যবেক্ষণ কৰাৰ ক্ষমতা কমি অহাৰ ফলত 'পোহৰ প্ৰদূষণ' সমস্যাটো সমগ্ৰ বিশ্বৰে সমস্যা হৈ পৰিছে।

পোহৰ প্ৰদূষণক সাধাৰণতে দুটা ভাগত ভাগ কৰিব পাৰি---- বিৰক্তিদায়ক পোহৰ আৰু অতিৰিক্ত পোহৰ। পোহৰ প্ৰদূষণক আন দুটা ভাগতো ভাগ কৰিব পাৰি, এটা আন্তঃ পোহৰ প্ৰদূষণ আৰু আনটো বহিঃ পোহৰ প্ৰদূষণ।

আৰ্ন্তজাতিক ডাৰ্ক-স্কাই সংগঠনে পোহৰ প্ৰদূষণৰ এটা গ্ৰহণযোগ্য সংজ্ঞা নিৰূপণ কৰি কৈছে যে--- পোহৰ প্ৰদূষণ কৃত্ৰিম পোহৰৰ প্ৰতিকূল প্ৰতিক্ৰিয়া য'ত আকাশ জ্যোতি, অতি উজ্জ্বল পোহৰ বিকিৰণ কৰা, আনৰ ঘৰ বা মাটিত পোহৰৰ অনধিকাৰ প্ৰৱেশ, পোহৰৰ বিশৃংখলতা অৰ্ন্তভুক্ত, যিবোৰে ৰাতিৰ আকাশ পৰ্যবেক্ষণত অস্পষ্টতা বৃদ্ধি কৰিছে আৰু শক্তি অপচয় কৰিছে।

পোহৰ প্ৰদূষণ বিশেষকৈ বৃহৎ নগৰ অঞ্চলত দেখা যায়, নক্ষত্ৰৰ স্পষ্টতা হ্ৰাস কৰে আৰু পৰিৱেশ তন্ত্ৰত ব্যাঘাত জন্মায়। কিছু সংখ্যক বিজ্ঞানীয়ে দাবী কৰে যে এনেকৈ পোহৰ প্ৰদূষণ বৃদ্ধি হ'লে কৃষি ভূমি আৰু সমগ্ৰ পৰিৱেশ তন্ত্ৰ বাধাগ্ৰস্ত হ'ব। কাৰণ পোহৰ প্ৰদূষণে নিশাচৰ প্ৰাণীসমূহৰ, যেনে গুবৰুৱা, ফুটি (দেখাত পখিলাৰ দৰে এবিধ নিশাচৰ পতংগ), উইচিৰিঙা, মকৰা, বাদুলী, ফেঁচা ইত্যাদিৰ চলন-ফুৰণৰ ক্ষমতা হ্ৰাস কৰে।

সমগ্ৰ বিশ্বতে 'আকাশজ্যোতি' জ্যোৰ্তি বিজ্ঞানীসকলৰ বাবে এটা বৃহৎ সমস্যা কাৰণ নিৰ্মল ৰাতিটো ই নক্ষত্ৰ দেখাৰ স্পষ্টতা হ্ৰাস কৰে। বিজ্ঞানীসকলে গণনা কৰি দেখিছে যে ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ নগৰ অঞ্চলত আকাশৰ উজ্জ্বলতা স্বাভাৱিক উজ্জ্বলতাতকৈ দুইৰ পৰা চাৰিগুণ বেছি। পোহৰ প্ৰদূষণে মানৱ শৰীৰতো নেতিবাচক প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, মূৰৰ কামোৰণি, ক্লান্তি, চাপ বৃদ্ধি, ব্যক্তিৰ আভ্যন্তৰীণ চালিকা শক্তি কমি যোৱা, উৎকণ্ঠা বৃদ্ধি হোৱা ঘটনাবোৰ সংঘটিত হয়। বিভিন্ন গৱেষণাই দেখুৱাইছে যে পোহৰ প্ৰদূষণ আৰু স্তন কেন্সাৰৰ সম্পৰ্ক আছে। স্তন কেন্সাৰৰ মূল কাৰণ 'মেলাটনিন'ৰ পৰিমাণ কমি যোৱা। নিশাহে উৎপাদন হোৱা মেলাটনিনৰ উৎপাদনৰ পৰিমাণ পোহৰ প্ৰদূষণৰ কাৰণে কমি যোৱা দেখা গৈছে। পোহৰ প্ৰদূষণে কুৱঁলীৰ ওপৰতো প্ৰভাৱ পেলায়। আমেৰিকান জিঅ'গ্ৰাফিকেল ইউনিয়নে কৰা এটা গৱেষণাই দেখুৱাইছে যে পোহৰ প্ৰদূষণে নাইট্ৰেটৰ পৰিসৰতো প্ৰভাৱ পেলায় যাৰ ফলত বায়ুমণ্ডলীয় কুৱঁলীৰ স্বাভাৱিক ৰাতিৰ সময় হ্ৰাস কৰিছে। কোনো এখন ঠাইৰ নিৰ্দিষ্ট অঞ্চলৰ পোহৰ প্ৰদূষণ জোখাটো খুব টান আৰু জটিল পদ্ধতি কাৰণ স্বাভাৱিক বায়ুমণ্ডল সম্পূৰ্ণ আন্ধাৰ নহয়।

পোহৰ প্ৰদূষণ মানুহে পাৰিপাৰ্শ্বিক স্থানত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পেলোৱা কৃত্ৰিম পোহৰৰ বাবেই সংঘটিত হৈছে। অদায়বদ্ধ পোহৰ যেনে অতি উজ্জ্বল পোহৰ যিয়ে কৃত্ৰিম পোহৰ অধিক আৰু অপ্ৰয়োজনীয় ব্যৱহাৰ কৰাৰ লগতে আকাশজ্যোতি সৃষ্টি কৰে, সেইবোৰ বন্ধ কৰিলে, পোহৰ প্ৰদূষণ কমাটো নিশ্চিত। আন্ধাৰ সময়খিনিয়ে শক্তি সংৰক্ষণ কৰে, ঐতিহ্য ৰক্ষা কৰে আৰু জীৱনৰ গুণগত মান উন্নত কৰাৰ লগতে সাংস্কৃতিক আৰু বৈজ্ঞানিক অনুসন্ধানত সহায় কৰে। পোহৰ প্ৰদূষণৰ ফলত সৃষ্টি হোৱা প্ৰধান সমস্যা হ'ল নক্ষত্ৰ পৰ্যবেক্ষণৰ ক্ষমতা হ্ৰাসৰ লগতে জীৱ জগতৰ জীৱন-ধাৰণ প্ৰণালীত ব্যাঘাত, শক্তিৰ অপচয়, বসতিৰ অৱনতি ঘটা।

**পোহৰ প্ৰদূষণৰ প্ৰকাৰ**

অতি উজ্বল পোহৰ বিকিৰণ কৰা, আনৰ ঘৰ বা মাটিত পোহৰৰ অনধিকাৰ প্ৰৱেশ, পোহৰৰ বিশৃংখলতা অৰ্ন্তভুক্ত, যিবোৰে ৰাতিৰ আকাশ পৰ্যবেক্ষণত অস্পষ্টতা বৃদ্ধি কৰিছে আৰু শক্তি ব্যয় কৰিছে।

অপ্ৰয়োজনীয় কৃত্ৰিম পোহৰৰ মাত্ৰাধিক্য ব্যৱহাৰৰ ফলত সৃষ্টি হোৱা পোহৰ প্ৰদূষণৰ প্ৰকাৰকেইটা হ'ল---

(১) পোহৰৰ অনধিকাৰ প্ৰৱেশ ঃ সাধাৰণতে কাষৰ ঘৰৰ উজ্জ্বল পোহৰ উৎসৰ পৰা মানুহ এঘৰৰ খিৰিকীয়েদি ৰুমলৈ সোমায় অহা পোহৰে 'পোহৰ অনধিকাৰ প্ৰৱেশ' সমস্যাটোৰ সৃষ্টি কৰে। ফলত টোপনিত ব্যাঘাত জন্মে অথবা সন্ধ্যাৰ সৌন্দৰ্য উপভোগ কৰাত ব্যৰ্থ হয়।

(২) অত্যধিক উজ্জ্বলতা ঃ অত্যধিক উজ্জ্বলতা মানে পোহৰৰ অতিৰিক্ত ব্যৱহাৰ। ইয়াৰ ফলত যথেষ্ট বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত 'অধিক উজ্জ্বলতাৰ' বাবেই প্ৰতিদিনে দুই বিলিয়ন বেৰেল তেলৰ শক্তিৰ অপচয় হয়।

(৩) চকুত চাট মাৰি ধৰা পোহৰ ঃ 'চকুত চাট মাৰি ধৰা পোহৰ' সমস্যাটো দৃশ্য অঞ্চলত উজ্জ্বল আৰু অনুজ্জ্বল পোহৰৰ অত্যাধিক বৈপৰীত্যৰ কাৰণে হয়। উদাহৰণস্বৰূপে ৰাতিৰ আন্ধাৰত গাড়ীৰ হেড লাইটৰ পোহৰে আপোনাৰ চকু চাট মাৰি ধৰে আৰু কিছু সময়ৰ কাৰণে হ'লেও আপোনাক অন্ধ কৰি দিয়ে। কিন্তু সেই একে হেড্ লাইটৰ পোহৰে দিনৰ ভাগত অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে।

কিছুমান পোহৰে আপোনাক সম্পূৰ্ণ বা সাময়িকভাৱে অন্ধ কৰি পেলাব পাৰে। উদাহৰণস্বৰূপে খালী চকুৰে সূৰ্যৰ ফালে চালে এনে পৰিঘটনা ঘটিব পাৰে।

(৪) বিশৃংখল পোহৰ ঃ পোহৰ অতিৰিক্ত দল বুলি ক'লেও ভুল কোৱা নহ'ব। কেতিয়াবা কেতিয়াবা কিছুমান অনুষ্ঠানত অপ্ৰয়োজনীয় আৰু অত্যধিক ৰং-বিৰঙৰ পোহৰ ধাৰাবাহিকভাৱে সলনি কৰি বিশৃংখলতাৰে দৰ্শক বহা স্থানত আপাতিত কৰা দেখা যায়। এইবোৰে মনত বিৰক্তিবোধ আৰু ক্লান্তি আনি দিয়ে।

(৫) আকাশজ্যোতি ঃ সাধাৰণতে 'আকাশ জ্যোতি' সমস্যাটো জনবহুল অঞ্চলত দেখা পোৱা যায়। ডাঙৰ চহৰ-নগৰৰ কৃত্ৰিম পোহৰৰ উৎসৰ পৰা অহা পোহৰে আকাশখনক ঈষৎ ৰঙচুৱা বৰণৰ আভাৰে আৱৰি ধৰে।

পোহৰ প্ৰদূষণৰ ফলত কেৱল ৰাতিৰ আকাশৰ তৰাবোৰ দেখাতেই অসুবিধা নহয়; ই জীৱ জগততো বিৰূপ প্ৰভাৱ পেলায়। গছ-গছনিয়ে আন্ধাৰখিনিক বিভিন্ন ধৰণে ব্যৱহাৰ কৰে। গছে আন্ধাৰখিনি অনুভৱ কৰি সেইমতে প্ৰতিক্ৰিয়া কৰে। মানুহৰ বাহিৰে বাকী জীৱ-জন্তুৱে ঘড়ী চাই কাম নকৰে। গতিকে দিনৰ দৰে ৰাতিটোও যদি পোহৰ হৈ থাকে তেন্তে জীৱকুলৰ জৈৱিক প্ৰক্ৰিয়াবোৰত ব্যাঘাত জন্মে।



মানৱ জাতিৰ ওপৰতো পোহৰ প্ৰদূষণে যথেষ্ট প্ৰভাৱ পেলাইছে। ৰাতিৰ সম্পূৰ্ণ আন্ধাৰে যি গভীৰ নিদ্ৰা আনি দিয়ে সেই নিদ্ৰাত পোহৰ পৰি থাকিলে ব্যাঘাত জন্মে। ফলত টোপনিৰ অভাৱত বিভিন্ন ৰোগ---মূৰৰ কামোৰণি, হতাশা, ক্লান্তি, আভোক, ৰক্তচাপ, মধুমেহকে আদি কৰি বহুতো বেমাৰৰ সন্মুখীন হ'ব লগা হয়।

পোহৰ প্ৰদূষণৰ পৰিণামসমূহ সম্পূৰ্ণকৈ এতিয়াও জনা হোৱা নাই। এই বিষয়ে অধিক গৱেষণাৰ প্ৰয়োজন আছে। ৰাতিৰ আকাশখনত তৰাবোৰ পৰ্যবেক্ষণ কৰিবলৈ অসুবিধা হোৱা কথাটো জ্যোৰ্তিবিজ্ঞানী সকলে বহু বছৰৰ আগতেই অনুভৱ কৰিছিল। কিন্তু পোহৰ প্ৰদূষণৰ লগত জড়িত আন কিছুমান কথালৈ বিশেষ মন কৰা নাছিল। উদাহৰণস্বৰূপে পোহৰ প্ৰদূষণৰ ফলত যথেষ্ট শক্তিৰ অপচয় হয়। শেহতীয়া গৱেষণাৰ পৰা গম পোৱা গৈছে যে কেৱল এক চতুৰ্থাংশ শক্তি সমগ্ৰ বিশ্ব পোহৰাই তুলিবলৈকে ব্যৱহাৰ কৰা হয় আৰু বিভিন্ন অত্যধিক উজ্জ্বল পোহৰে শক্তি অপচয় কৰে, ইয়াৰ ভিতৰত অলাভজনক উৰ্দ্ধমুখী পোহৰো অৰ্ন্ত ভুক্ত। গোলকীয় স্কেলত প্ৰায় ১৯ শতাংশ বৈদ্যুতিক শক্তি ৰাতিৰ আন্ধাৰ পোহৰ কৰিবলৈকে ব্যৱহাৰ কৰা হয়। আনহাতে বৈদ্যুতিক শক্তি উৎপাদন কৰিবলৈ জৈৱিক ইন্ধনবোৰ ব্যৱহাৰ কৰোতে 'সেউজ গৃহ' গেছৰ নিৰ্গমন হয়। তদুপৰি জৈৱিক ইন্ধনবোৰ নবীকৰণযোগ্য নহয়।

পোহৰ প্ৰদূষণে আৰু বহুতো কু-প্ৰভাৱ পেলায়। পোহৰ প্ৰদূষণৰ ফলত উদ্ভিদ জগত, প্ৰাণীজগত আৰু মানৱ জাতি যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। নিশাচৰ প্ৰাণী আৰু পৰিভ্ৰমী প্ৰাণীৰ ক্ষেত্ৰত পোহৰ প্ৰদূষণৰ প্ৰভাৱ যথেষ্ট দেখা যায়। পোহৰ প্ৰদূষণৰ ফলত গছৰ খাদ্য প্ৰস্তুতকৰণ, বংশবৃদ্ধি আদিত প্ৰভাৱ পৰে। গছে ৰাতিৰ জোখ-মাখ নিৰূপণ কৰে অৰ্থাৎ আন্ধাৰ সময়খিনি নিৰূপণ কৰি প্ৰতিক্ৰিয়া কৰে। এই কাৰণেই ছুটী দিনৰ গছ-গছনিক দীঘল ৰাতিৰ প্ৰয়োজন। যদি তেনেকুৱা গছ-গছনিক ৰাতিও বহুত সময়লৈকে পোহৰাই ৰখা হয়, তেন্তে এনেকুৱা গছৰ এটা দীঘল নিশাৰ সলনি দুটা চুটি নিশাৰ অভিজ্ঞতা হয় যাৰফলত গছজোপাৰ বৃদ্ধি, ফুল ফুলাৰ ধৰণ ইত্যাদি বাধাগ্ৰস্ত হয়।

প্ৰাণীজগতৰ জীৱনবোৰ প্ৰকৃতিৰ দিন আৰু ৰাতিৰ লগত অভ্যস্ত। গতিকে দিন বা ৰাতিৰ বিজুতি ঘটিলে প্ৰাণীৰ স্বাভাৱিক আচৰণৰ ওপৰত প্ৰভাৱ পৰে। ৰাতি, বিশেষকৈ কুঁৱলী বা ডাৱৰীয়া বতৰত জুই বা লেম্পৰ পোহৰে পৰিভ্ৰমী আৰু অপৰিভ্ৰমী চৰাইবোৰক আকৰ্ষণ কৰে। ১৯ শতিকাৰ পৰা এনে ব্যৱস্থাৰে চৰাই চিকাৰ কৰাৰ কথা জনা যায়। কাৰণ চৰাইবোৰ ৰাতিৰ কৃত্ৰিম পোহৰৰ লগত অভ্যস্ত নহয়। আকাশ জ্যোতিৰ দৰে পোহৰ প্ৰদূষণৰ বাবেই নিশাচৰ চৰাইবোৰৰ দিক নিৰ্ণয় কৰাতো সমস্যাৰ সন্মুখীন হয় আৰু কেতিয়াবা ওখ বিল্ডিং বা দূৰ সংযোগ ব্যৱস্থাপনাৰ টাৱাৰবোৰতো খুন্দা খায় মৃত্যুমুখত পৰে।

ভূমিখণ্ডতকৈ সাগৰত কৃত্ৰিম পোহৰ তুলনামূলকভাৱে যথেষ্ট কম যদিও কৃত্ৰিম পোহৰৰ সংকেতৰ প্ৰভাৱ আৰু বিস্তাৰ যথেষ্ঠ বেছি। ফলত এই পৰিস্থিতিত সাগৰীয় চৰাইবোৰ এই উৎসবোৰৰ ফাললৈ প্ৰবলভাৱে আকৰ্ষিত হয় আৰু শিখাৰ উত্তাপত আঘাতপ্ৰাপ্ত হয় বা মৃত্যু মুখত পৰে। সাগৰীয় কাছবোৰৰ কণী উমনি দিয়া, পোৱালী জগোৱাৰ ক্ষেত্ৰতো পোহৰ প্ৰদূষণত কু-প্ৰভাৱ গম পোৱা গৈছে।

কৃত্ৰিম পোহৰৰ প্ৰতি মাছৰ প্ৰতিক্ৰিয়া (আকৰ্ষণ বা বিকৰ্ষণ) প্ৰজাতিৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু উভয় ক্ষেত্ৰতে সিহঁতৰ স্বাভাৱিক আচৰণত প্ৰভাৱ পেলায়। মৎস্য পালন কৰা পুখুৰী আৰু গভীৰ সাগৰৰ মাছৰ বেছি ভাগ প্ৰজাতিৰ মাছে বগা পোহৰ পৰিহাৰ কৰা সত্বেও কিছুমান প্ৰজাতিৰ মাছ পোহৰৰ প্ৰতি আকৰ্ষিত হয়। পোহৰৰ প্ৰতি আকৰ্ষিত হোৱা মাছবোৰক আন্ধাৰত গোপনে ধৰি অসাধু ব্যৱসায়ীয়ে ব্যৱসায় কৰে।

কৃত্ৰিম পোহৰৰ বাবে আটলাণ্টিক মহাসাগৰত চলমন মাছৰ উৎপাদন কমি যোৱাৰ কথা এতিয়া সৰ্বজন বিদিত। কৃত্ৰিম পোহৰত ৰাখি চলমন মাছৰ কণী পৰাৰ সময় পিছুৱাই নিব পাৰি। এনে কৰিলে মাছটোৰ ওজন স্বাভাৱিক ওজনতকৈ যথেষ্ট বেছি হয়। সেইদৰে হালিবাটনামৰ এবিধ চেপেটা ডাঙৰ মাছৰ ক্ষেত্ৰত মাছ পালন কৰা লোকসকলে কৃত্ৰিম পোহৰ পেলায় যাতে তাৰ সাঁতোৰা কাৰ্যটো কম হয় আৰু ওজন বাঢ়ে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব পোহৰ প্ৰদূষণেই আটাইতকৈ সহজে দূৰ কৰিব পৰা প্ৰদূষণ। এৰিজোনাৰ ফ্লেগষ্টাফ মহানগৰত হোৱা পোহৰ প্ৰদূষণৰ দ্বাৰা লাৱেল পৰ্যবেক্ষণ কেন্দ্ৰটো এসময়ত ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু প্ৰশাসনৰ কঠোৰ নিয়মাৱলী আৰু নাগৰিকৰ সচেতনতাৰ ফলত ফ্লেগষ্টাফ মহানগৰখনে ২০০১ত প্ৰথমখন 'আন্তঃৰাষ্ট্ৰীয় আন্ধাৰ আকাশৰ মহানগৰ'ৰ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। যিহেতু আমি লেম্প-চাকিৰ যুগলৈ উভতি যাব নোৱাৰো গতিকে পোহৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি কি কৰা উচিত --(ক) পোহৰ কেৱল ত'ত, য'ত প্ৰয়োজন, (খ) অত্যাধিক উজ্বল পোহৰ ব্যৱহাৰ কৰিব নালাগে, (গ) পোহৰ অপব্যয় কৰিব নালাগে, (ঘ) পোহৰ বিকিৰণ যাতে উৰ্দ্ধগামী নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। প্ৰয়োজন হ'লে প্ৰতিফলক আৰু প্ৰতিবন্ধক ব্যৱহাৰ কৰিব লাগে। (ঙ) উপযুক্ত কাৰ্যদক্ষ শক্তি আৰু একত্ৰিত পোহৰ উৎস ব্যৱহাৰ কৰিব লাগে।

পোহৰ প্ৰদূষণ কম কৰাৰ সাম্ভাব্য উপায় কেইটা হ'ল—

(ক) প্ৰয়োজনীয় কাম সম্পন্ন কৰিব পৰাকৈ নিম্নতম প্ৰাবল্যৰ পোহৰ উৎস ব্যৱহাৰ কৰা, (খ) প্ৰয়োজন শেষ হ'লে পোহৰ উৎস নুমুৱাই ৰখা, (গ) পোহৰ উৎসৰ কৌশল উন্নতি কৰা যাতে পোহৰ য'ত প্ৰয়োজন সেই অঞ্চলত প্ৰত্যক্ষভাৱে পৰিবলৈ দিব পাৰে আৰু পাৰ্শ্বক্ৰিয়া কম হয়।

পোহৰ প্ৰদূষণৰ ওপৰত অধিক গৱেষণাৰ প্ৰয়োজন। প্ৰশাসন আৰু জনসাধাৰণৰ সজাগতাইহে পোহৰ প্ৰদূষণ ৰোধ কৰিব পাৰিব।

ফোন ঃ ৯৮৫৪৪৯২৩২৬

---

# তাহানিৰ গ্ৰাম্য জীৱনৰ যৌথ পৰিয়াল একোখন ঘৰৰ আমেজ ভৰা পৰিৱেশ

# তাহানিৰ ভাত সাঁজ

## এলি আহমেদ



**তাহানিৰ** ভাত সাঁজ বুলি ক'লে তাহানিৰ প্ৰতিসাঁজ ভাত চকুৰ আগত ভাহি পৰে। ঘৰতে হওক বা পৰতে হওক। বিভিন্ন সোৱাদৰ ব্যঞ্জনেৰে বাটি ভৰাই ভাতৰ কাঁহীৰ কাষত বাটিয়ে বাটিয়ে জলমলাই থাকে। যৌথ পৰিয়ালৰ বোৱাৰীহঁতে এবিধ- দুবিধকৈ কে'বাবিধো আঞ্জা, ভাজি, পিটিকাকে ধৰি সৰু-বৰ মাছৰ দুবিধমান ৰান্ধে। মাছ পুৰিও পিটিকা অকণ কৰে। জলফাই, বেঙেনা, বিলাহীৰ পিটিকা, কাঁহীৰ কাষত পাতত দিয়া মাছো থাকে। খাৰকণৰ কথা নক'লোৱেই বাৰু? পচলাৰ খাৰ, কলদিলৰ খাৰ, তিতাফুলৰ খাৰ আৰু যে কত কি ব্যঞ্জন আছে। এসাঁজতে ইমান সোপা আঞ্জা ভাতৰ কাঁহীৰ কাষত নাথাকিলেও সলাই-বদলাই সাঁজেপতি সলনা-সলনি হয়, নিশা তিতা, খাৰ আদি নোখোৱা নিয়ম এটাও আছে। কোনোৱে মানে কোনোৱে নামানে। আঘোণমহীয়া পেট চুঁচৰি যোৱা হাঁহৰ আঞ্জাখনৰ কথা মনত পৰিলে এতিয়াও জিভাৰ পানী ওলায়। এই জিভাখনে যে কতবিধ সোৱাদ সামৰে ভাবিলে আচৰিত লাগে। তামোল খোৱা জিভাৰ সোৱাদৰ অনুভৱটো কিছু কম। তাহানি মানুহ চামৰ মুখত ইখনৰ পাছত সিখন তামোল থাকেই, তাকো চূণে-ধপাতে। গছত পাণ-তামোল— অভাৱ কিহৰ? ভাত সাঁজৰ বাবে বাৰীভৰা পাচলি। পুখুৰীত মাছ, গড়ালত হাঁহ-কুকুৰা। তেতিয়াৰ মানুহ চামে কোনো কোনোৱে কুকুৰা নাখাইছিল। ছাগলী, গাই গৰুৰ গাখীৰে যৌথ পৰিয়ালটো চাহে-জলপানে গাখীৰ খোৱাৰ উপৰি টেকেলিয়ে টেকেলিয়ে 'দৈ' কৰিছিল। ঘৰৰ গাখীৰৰ দৈ ক'তো অকণো ভেজাল নাই। ডাঠ। আঙুলিত লাগি ধৰে।

তাহানিৰ ভাত সাঁজৰ কথা কওঁতে তাৰ চাউলকেইটালৈ মনত পৰিছে। ঘৰৰ মানুহে কোৰ মাৰি, হাল বাই, মৈ টানি নিজে ৰোৱা ধানৰ পৰা ওলোৱা চাউল মুঠি কিমান মৰমৰ হ'ব পাৰে। কিমান নিভাঁজ হ'ব পাৰে। তাহানিৰ ভাতকেইটা কাঁহৰ কাঁহীত দিয়াৰ লগে লগে সোণবৰণীয়া কাঁহৰ কাঁহীত বগা বগা মুকুতাৰ দৰে ভাতকেইটা উজ্বলি উঠে। সাৰুৱা মাটিৰ সাৰ চুপি জীপাল হোৱা চাউলকেইমুঠি খৰি-বাঁহৰ জুইত সিজাই খোৱাৰ সোৱাদেই তৃপ্তিদায়ক, তাতে আমাৰ পথাৰবোৰৰ ধানকেইবিধৰ নামেই আপোন আপোন। লাহি-শালি, ক'লা জহা, বগা জহা, কণ জহা, বৰতমণি, বৰা ধান ইত্যাদি। মই নামবোৰ পাহৰিছো নামনি-উজনিত ভালেকেইজনক সুধিলো। নাজানে। ধানৰ নাম জনাকেইজন ইহ সংসাৰৰ পৰা বিদায় ল'লে। ময়ো গাঁৱৰ নহয়। নাজিৰা টাউনৰ মাজ-মজিয়াৰ। আমাৰ ঘৰত দুটা ভঁৰাল আছিল। খেতিৰ পথাৰ দুখন দূৰত আছিল। মই আইতাৰ লগত সৰুতেই কেতিয়াবা মটৰত, কেতিয়াবা গৰু গাড়ীতে পথাৰলৈ গৈছিলো, ভুঁই ৰোৱা চাবলৈ, ধান দোৱা চাবলৈ। খেতিৰ কামখিনি আইতাই তদাৰক কৰিছিল। দেউতা চিকিৎসক— ইংৰাজ চৰকাৰৰ। খুৱা শ্বিলঙত। কাতি বিহুত মই পথাৰত চাকি জ্বলাইছিলো, ঘৰলৈ পথাৰৰ পৰা লখিমী আনোতে আইতাই মোৰ মূৰত ধান কেইমুঠিমান দি গৰু গাড়ীতে ঘৰলৈ আনি ভঁৰালত সোমোৱাইছিল। আইতাই ওৰে বাটতো মোক মুখেৰে মাতিবলৈ দিয়া নাছিল। কোনোৱে কোনোৱে কৈছিল লখিমী হেনো ল'ৰা মানুহে আনিব লাগে। ভাইটিকেইটা সৰু আছিল। তাতে মই উভতি জন্ম হোৱা বাবে মোক কিছু গুৰুত্ব দিছিল।



তাহানিৰ খাদ্যৰ লগত আজিৰ খাদ্যৰ তুলনা নাহে। হজম শক্তিয়েও এই কথা জানে। নাকেও গোন্ধ ভাব বুজি পোৱা হ'ল। ছালানী মাছৰ গোন্ধটো আমি বুজি পোৱা হ'লো; কিন্তু সেই গোন্ধটোৰ ক্ৰিয়া-প্ৰক্ৰিয়া আমি জানোনে? আমাৰ মাছতো বোকা বোকা লগা গোন্ধ এটা আছে। ভালকৈ ধোলে গোন্ধ আঁতৰে; কিন্তু মাছ থকা নলাটো বা পুখুৰীটো বা বিলখন গোন্ধমুক্ত কৰি ল'ব পৰা নাযাব জানো। ৰাইজ মিলি সকলো কৰিব পাৰে। বহুত প্ৰশ্ন আহে মনলৈ— তাহানিৰ মানুহ আমি। তাহানিৰ বহু কথাই তেওঁলোকৰ মনত আছে। মোলৈ ফোন কৰে— তাহানিৰ কথা লিখি থাকিবলৈ কয়।

কৃষিজীৱী মানুহ চামৰ কৃষিৰ লগতে মাছৰ প্ৰতিও বৰ ধাউতি আছিল। প্ৰত্যেকৰ ঘৰে ঘৰে জাকৈ, খালৈ, চেপা, জাল, বৰশী, পানী সিঁচিবলৈ লেহেতিও আছিল। এইবিলাক সঁজুলি আজি নোহোৱা হ'ল। নামো মুখত নহা হ'ল। তাহানিৰ ভাত সাঁজৰ কাৰণে আমাৰ আইসকল বৰ ব্যস্ত আছিল। ঢলপুৱাতে পথাৰলৈ যোৱাসকলক পথাৰলৈ, বেপাৰ-বাণিজ্য কৰিবলৈ যোৱাসকলক খুৱাই-বুৱাই তামোল-পাণ কাটি টোপোলা বান্ধি দি পঠাইছিল। ঢল পুৱাতে চোতাল-ঘৰ সাৰি-মচি যাত্ৰা শুভ কৰি পঠিয়াইছিল। তাৰ পাছত বোৱাৰী-জীয়ৰীহঁতে নিজৰ লগতে ঘৰুৱা কাম-বন কৰি দুপৰীয়া ভাত মুঠিৰ বাবে ব্যস্ত হৈ পৰিছিল কোনে কি ৰান্ধিব, তাৰেই-যোগাৰ কৰিছিল। তেতিয়াৰ দিনবোৰত ঘৰে প্ৰতি দুই-তিনিজন পথাৰলৈ গৈছিল। আধিলৈয়ো খেতিৰ মাটি লৈছিল। এটা যৌথ পৰিয়াল চলাবলৈ হ'লে যৌথভাৱে পৰিশ্ৰম নকৰিলে নহয়। ঘৰৰ মুৰব্বী দেউতা-বৰদেউতাহঁতেও পথাৰত নামিছিল। তাৰ পাছতে আহিল ভাত খোৱা পাল। ফিকা চাহ অকণ অকণ অৱশ্যে কোনো কোনোৱে খাইছিল। তেতিয়াৰ দিনত মাটিৰ মজিয়াতে সকলোৱে ভাত, চাহ-জলপান খাইছিল।

তাহানিৰ ভাত সাঁজৰ কথা ক'বলৈ লৈ ভালেখিনি কথা কোৱা হ'ল। তাহানি বুলি ক'লে মোৰ মনত হঠাতে উথপ-থপ লাগে। তাহানিৰ কোনো কথাই বাদ দিব নোৱৰা হৈ যাওঁ। কাঁহৰ চিকচিকীয়া কাঁহীত ঘৰৰ পথাৰত খেতি কৰি পোৱা চাউল মুঠি যেন মুকুতাৰ মণি, কাঁহীৰ কাষে কাষে আঞ্জা, কে'বাবিধো। কোনবিধ আগে মুখত দিয়ে? 'খাৰ' প্ৰথমে খোৱা আঞ্জা, তাৰ পাছত ইবিধি-সিবিধ। তাহানি আইতাহঁতে কৈছিল মাছে-মঙহে একেলগে খাব নালাগে। টেঙাই-তিতাই একেলগে খাব নালাগে। ইয়াত নিশ্চয় বৈজ্ঞানিক কাৰণ আছে। আজি-কালি তিতা ভেঁকুৰি দেখিবলৈ নোপোৱা হ'লো। বাঁহ গাজো সুলভ নহয়, খৰিছা কোনোৱে কোনোৱে কৰে, ময়ো কৰো, বগৰী গুৰি, নেমুৰ আচাৰ মোৰ থাকেই। সৰুতে খাই সোৱাদ পোৱা জিভাখনে বিচাৰে। সেইবাবে ভাতৰ কাঁহীৰ কাষত তাহানিৰ খেতিয়কসকলৰ কাঁহীখনলৈ বাৰে বাৰে মনত পৰে। মাছ-মাংসতকৈ তেওঁলোকে খাৰ, পিটিকা, টেঙাৰ জোল, আদি ভাল পায়। ঔ টেঙাৰ জোলকণত জলকীয়া ওপঙি থাকে। জুইত পোৱা আলুৰ বাকলিকণো মইনাহঁতে চেলেকিয়েই সোৱাদ লয়। তিতা কেৰেলাৰ পিটিকাকণো বৰ সোৱাদ লগা হয়, কণ বিলাহীবোৰ খৰিকাত সীঁ জুইৰ তাপত দি কোমল কৰি কৰা পিটিকাকণ— কি যে সোৱাদ লগা হয়। মাছ, বেঙেনা পোৱা সোৱাদো সুকীয়া। বেটৰ গাজৰ কুমলীয়া অংশ পুৰি পিটিকা খোৱা কাৰোবাৰ মনত আছেনে বাৰু? জ্যেষ্ঠজনা দেউতাই ভাত মুঠি খাই বৰ ঘৰৰ মজিয়াত শীতল পাটিত বাগৰ সলায়। শাহু আয়ে কিন্তু পুতেক-ভতিজাকহঁতে ভাত খোৱালৈ বাট চাই থাকে। বৰগৰাকী বোৱাৰীয়ে সকলোকে বিলাই থাকে। বাকীকেইগৰাকীয়ে বিচনীৰে সকলোকে দীঘল দীঘলকৈ বিচি থাকে। আহল-বহল পিঠিত পকি থকা ঘামুচিকেইটা দেখি কোনোবা এজনী ভতিজাকে 'কিটিক'ৰে ফুটাই দিয়ে। কোনোৱা এজন বৰদেউতাকে কণমানি ভতিজাক ভাত এগৰাহ খুৱাই দিয়ে। জ্বলা পালে চিঞৰ-বাখৰ লগায়।

এনেকৈয়ে তাহানি গ্ৰাম্য জীৱনৰ যৌথ পৰিয়ালৰ একোখন ঘৰৰ আমেজ ভৰা পৰিৱেশ। আজি গ্ৰাম্য জীৱনৰ পৰা এনে পৰিৱেশ আদি নোহোৱা হ'ল। খেতিপথাৰ নোহোৱা হ'ল। গৰুবোৰো নোহোৱা হ'ল। নাঙল-যুঁৱলি বেৰত ওলমিলে। গোহালিও নোহোৱা হ'ল। গৰু নাথাকিলে গাই থাকিব কেনেকৈ? গাখীৰ, পোৱালি পাম ক'ৰপৰা। টেক্টৰ অহাৰ পৰা ল'ৰাহঁতেন হাল বাবলৈ এৰিলে। দেশৰ বস্তু নোহোৱা হ'ল। বাহিৰৰ চাউলৰ পৰা আৰম্ভ কৰি প্ৰয়োজনীয় সামগ্ৰীসমূহ বাহিৰৰে হ'ল। ঢেলা চাবোন ডোখৰ ক'লৈনো গ'ল। পাটৰ কাপোৰ ধোৱা মনিছালকেইটা নেদেখা হ'লো। সাজ-পোছাকৰ কথা ক'বৰ মন নাই।

মুঠতে এসাঁজ ভাতৰ লগত এখন ঘৰৰ বহুখিনি কথা সোমাই থাকে। অসমীয়া ভাত সাঁজ থকা, খোৱা, ৰন্ধা মানুহ চাম কথাই-বতৰাই, সাজে-পোছাকে অসমীয়া বাবেই নেকি 'খাৰখোৱা' অসমীয়া বুলি কথা এষাৰ আছে। আমিও কাৰোবাক নিশাটোতে পট্ পট্‌কৈ বাঢ়ি যোৱা 'সাৰ' খোৱা বুলি ক'ব পাৰোচোন।

ফোন ঃ৯৪৩৫১০৪৮৮৪

---

### জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# পদ্ম বৰগোহাঞিৰ অসম বুৰঞ্জীৰ পাতত গমধৰ-পিয়লি-জিউৰাম-ধনজয়হঁতৰ বৃতিচ-বিৰোধী বিদ্ৰোহৰ বিশ্বস্ত বিৱৰণ

## দ° দেৱব্ৰত শৰ্মা

**যোৰহাটৰ** জাতীয় অভিধান পথত অৱস্থিত জাতীয় ভৱনত অসমীয়া জাতীয় অভিধানৰ সমানে-সমানে জাতীয় ইতিহাসৰো কাম চলি আহিছে বুলি আমি জনাই আহিছোঁ। সেই ইতিহাসৰ ভিতৰত বৃতিচ-বিৰোধী বিদ্ৰোহ-বিপ্লৱৰ পৰ্যায়টোও আছে। আমি আৰম্ভ কৰিছোঁ 1828 চনৰ গমধৰ কোঁৱৰৰ বিদ্ৰোহৰ পৰা। তাৰ পাচতে 1830 চনৰ পিয়লি-জিউৰামৰ চহিদিৰ পৰ্যায়টো আমি সামৰি লৈছোঁ। বিশিষ্ট বুৰঞ্জিবিদ জনৰ **'অসম বুৰঞ্জিত নতুন আলোকপাত'** নামৰ মূল্যবান গ্ৰন্থখনৰ পাতনি লিখিছে কথাশিল্পী ডিম্বেশ্বৰ দয়াল শৰ্মাই (যিজন ঘটনাক্ৰমে এই লেখকৰ পিতৃ!)

"এই লেখকে জীৱনৰ পঁচাশীতম বছৰটোত ভৰি দিয়াৰ দ্বিতীয় দিনাই যোৱা 10û11û2009 তাৰিখে আগবেলা সেখকৰ অতি সু-হৃদয়, পুৰণি বন্ধু শিৱসাগৰ জিলাৰ মাদুৰি গোহাঁই গাঁৱৰ শ্ৰীপদ্ম বৰগোহাঞি আহি এই লেখকৰ যোৰহাট নগৰৰ মালৌআলিৰ কাষৰ "সৌৰপীঠ" ত থকা বাসভৱনত উপস্থিত হৈ লেখকক যি প্ৰেৰণা যোগালে তাৰ তুলনা পাবলৈ নাই। সাংসাৰিক জীৱনত প্ৰৱেশ নকৰাকৈয়ে সৎ চৰিত্ৰৰ ব্যক্তিত্বশীল, সভাপ্ৰাণ, সাহিত্য-সংস্কৃতিৰ একান্ত সেৱক, বুৰঞ্জিপ্ৰেমী, মানৱতাবাদী, স্বদেশহিতৈষী শ্ৰীবৰগোহাঞিদেৱে যি জীৱন আদৰ্শ দাঙি ধৰিছে সেইয়া শিৱসাগৰ তথা অসমৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰিব।

শ্ৰীবৰগোহাঞিদেৱে আমালৈ এপাচি চেনেহ, শ্ৰদ্ধা লৈ অনাৰ উপৰিও লগত লৈ আহিছিল এখনি নিজে ৰচনা কৰা অতি মূল্যবান প্ৰবন্ধ সংকলনৰ পাণ্ডুলিপি। অলপতে প্ৰকাশ হ'ব লগা গ্ৰন্থখনিৰ বিষয়ে লিখাৰ পূৰ্বেই আমি প্ৰথমে বৰগোহাঞিদেৱৰ জীৱন পৰিক্ৰমাৰ এটি চমু সমীক্ষা দি ল'ব খুজিছো"।

এতিয়া পোনপতীয়াকৈ কিতাপখনৰ মাত্ৰ এটা লেখাত আলোকপাত কৰোঁ। সেয়া হৈছে ঃ

"বুৰঞ্জীৰ উপেক্ষিত অসমৰ স্বাধীনতা আন্দোলনৰ প্ৰথম শ্বহীদ গমধৰ কোঁৱৰ আৰু পিয়লি ফুকন"

ইয়াৰ আৰম্ভনিতে বৰগোহাঞিয়ে কৈছে ঃ

"তিনিবাৰ মানৰ আক্ৰমণত জুৰুলা হোৱা অসমত মানক খেদি মুক্ত কৰিবলৈ বগা বঙালৰ বিষয়া কেপ্তেইন ৱেলচ সৈন্য-সামন্ত, হিলৈ, নাও আদি লৈ উপযাচি আহিল। মানৰ বিৰুদ্ধে আক্ৰমণ কৰিবলৈ আগবাঢ়ি যাওঁতেই 1825 চনৰ 1 জানুৱাৰী তাৰিখে মানে আত্মসমৰ্পণ কৰে। 1826 চনৰ 24 ফেব্ৰুৱাৰী তাৰিখে অসমৰ ৰজা-প্ৰজাৰ অজ্ঞাতেই ব্ৰহ্মদেশৰ ইয়াণ্ডাবু সন্ধি হ'ল। সন্ধি হোৱা মুহূৰ্তৰ পৰাই অসমৰ ৰজা-প্ৰজাই নজনাকৈয়ে অসম দেশ বঙালৰ অধীনলৈ গ'ল। বগা বঙালে গোজেই গজালি হৈ অসম দেশৰ বৰঘৰৰ মজিয়াত বৰপীড়া পৰি বহি ৰ'ল।

1654 খৃঃত জয়ধ্বজ সিংহৰ ৰাজত্ব কালৰ পৰা 1826 খৃঃৰ মাজৰ এই সুদীৰ্ঘ কালছোৱাৰ মাজত আহোম ৰাজ্যত বিভ্ৰাট অন্তৰ্কন্দলে ঈৰ্ষাপৰায়ণ পদবী লালায়িত স্বাৰ্থপৰতা, বিশ্বাসঘাতকতা, বিভিন্নভাৱে দেশৰ মূল ধৰণীত ঘূণে ধৰি গড়াখহনীয়া হওঁতে হওঁতে বেলি গৈ দিগন্তৰ আকাশ পালেগৈ। ডুবিবলৈ নৌপাওঁতেই দেশখন পুনৰ উদ্ধাৰৰ গুৰি ধৰিলে গমধৰ কোঁৱৰে। স্বদেশ উদ্ধাৰৰ এই আন্দোলনত বগা বঙালৰ বিচাৰত ফাঁচী কাঠত ওলমিব লগীয়া হ'ল পিয়লি ফুকন; জীউৰাম দুলিয়া বৰুৱাই পোতাশালত বন্দী হ'ল আন্দোলনৰ গুৰি ধৰা গমধৰ কোঁৱৰ আৰু বহুজন। পঙ্গু হ'ল সহস্ৰজন। স্বাৰ্থপৰ দালাল ঘৰবিভীষণহঁত হ'ল বগা বঙালৰ বুকুৰ কুটুম।

কৰ্ণেল ৰিচাৰ্ড 1825 খৃষ্টাব্দৰ শেষভাগলৈ ভটিয়াই ভটিলৈ যোৱাত কৰ্ণেল কুপাৰ জুনিয়ৰ কমিচনাৰ হৈ অসমলৈ আহে। 1825 খৃষ্টাব্দত কুপাৰৰ ঠাইত নিউভিল চাহাব উজনি অসমৰ পলিটিকেল এজেন্ট হৈ আহে। ডেভিদ স্কট চাহাব সাম্ৰাজ্যবাদী ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিশেষ প্ৰতিনিধি আছিল। মোৱামৰীয়া তৃতীয় বিদ্ৰোহত উজনি অসম উপান্ত হোৱাৰ উপৰিও ছেদেলি-ভেদেলি হৈ মানুহৰ আৰ্থিক অৱস্থা পানীত হাঁহ নচৰা হৈছিল। নিউভিল চাহাব আৰু মণিৰাম দেৱানে প্ৰশাসনৰ বিষয়া সকলক অদল-বদল কৰি কঠোৰ শাসন কৰিবলৈ লোৱাত দেখা-দেখিকৈ এচাম চৰকাৰী বিষয়াই প্ৰতিবাদ কৰিছিল। নিউভিল চাহাবে আহোমৰ ডা-ডাঙৰীয়া সকলক দোষাৰোপ কৰি বহুতকে পদচ্যুত কৰিছিল। বগা বঙালৰ বিৰুদ্ধে বিদ্ৰোহ কৰি দেশ উদ্ধাৰ কৰিবলৈ মইনা খাৰঘৰীয়া ফুকনেই দেশৰ মুখিয়াল লোকৰ লগত আলোচনা আৰম্ভ কৰিছিল। এই আলোচনাত ভাগ লৈছিল ধনঞ্জয় ওৰফে পিয়লিয়া বৰগোহাঁই। তেওঁৰ দুই পুত্ৰ হৰনাথ আৰু হৰকান্ত আৰু মান অনা বদনৰ দুই পুত্ৰ জন্মি আৰু পিয়লি। বিদ্ৰোহীসকলে সঙঘবদ্ধ আলোচনা কৰি সিদ্ধান্ত কৰিলে এজন উপযুক্ত ৰাজ পৰিয়ালৰ লোকক ৰজা পাতিবলৈ। আন্দোলনৰ গুৰি ধৰিবলৈ অনুসন্ধান কৰি বিচাৰি পালে চুচেংফা প্ৰতাপ সিংহ স্বৰ্গদেৱৰ নাতিয়েক সেন গোঁহাইৰ পুতেক গমধৰ কোঁৱৰক।

বিদ্ৰোহী দলত আছিল স্বদেশপ্ৰেমী সাহসী ডেকাসকল- জীউৰাম দুলিয়া বৰুৱা, পুৰণ নেওঁগ, নুমলী গোঁহাই, জন্মি ফুকন, পিয়লি ফুকন, দেউৰাম দিহিঙ্গীয়া ফুকন, খামতি বুঢ়াগোহাঁই, ভূধৰ চন্দ্ৰ বৰুৱা, মাধৰাম বৰবৰুৱা, কলিবৰ বৰুৱা, কেচু পোৱালি, বচা ৰাজখোৱা, ভীম চাংৰুঙ্গ ফুকন, ৰাতিয়া বৰুৱা, কণ বৰুৱা, জয়ধৰ জাগিয়াল গোঁহাই, নুমল ফুকন, কুটুৰা বৰুৱা, হৰনাথ পানীফুকন, কলঞ্চুপৰীয়া বুঢ়াগোহাঁই, দহা ফুকন (কোঁৱৰ), বেণুধৰ কোঁৱৰ, ধৰ্মধৰ ৰাজগুৰু, তেতেৰা লিগিৰা, মান গগৈ, পিলাই মেলিয়া বৰুৱা, হলিৰাম কন্দুৰা ডেকা, চতাল বাইলুং, বগা কোঁৱৰ, বগা ডেকা, টিপমীয়া বাইলুং ইত্যাদি। তিনিজন ভগা ৰজা থকা সত্বেও তেওঁলোকৰ লগত আলোচনা নকৰাকৈ এই সকলেই আলোচনা কৰি 1828 চনত গমধৰ কোঁৱৰক ৰজা মানি সেৱা জনালে"।



"ৰজা গমধৰ কোঁৱৰৰ প্ৰধান সহায়ক আছিল এই সকল—কন্দুৰা ডেকা ফুকন, ধৰ্মধৰ মন্ত্ৰী, পিয়লি ওৰফে ধনঞ্জয় ভগা বৰগোহাঁই। তেওঁৰ পুত্ৰ হৰনাথ গমধৰ কোঁৱৰ, ৰূপচন্দ্ৰ কোঁৱৰ"।

গমধৰ কোঁৱৰৰ বিচাৰৰ ভেকোভাওনা সম্পৰ্কে পুনৰ বৰগোহাঞিয়ে এনেকৈ মন্তব্য কৰিছে ঃ

"1828 চনৰ 10 ডিচেম্বৰ তাৰিখত গমধৰ কোঁৱৰৰ বিচাৰ হ'ল। বিচাৰালয়ে পঞ্চায়তে গমধৰ কোঁৱৰে ৰজাৰ পোচাক পৰিধান কৰি নিজকে ৰজা বুলি দেশত পৰিচয় দিয়া, কৰ্তৃপক্ষৰ ৰাজহ আদি তোলাত বাধা প্ৰদান কৰা, চৰকাৰৰ বিৰুদ্ধে অস্ত্ৰ তুলি লোৱাত, গোপন ষড়যন্ত্ৰ কৰা কাৰ্য্যত অভিযুক্ত কৰি প্ৰাণদণ্ডৰ ৰেহাই দি সাত বছৰ বিনাশ্ৰম কাৰাদণ্ড দিয়ে। গমধৰ কোঁৱৰে সেই ৰাতিয়েই সহযোগীৰ লগত কাৰাগাৰৰ পৰা পলাই গ'ল। পুনৰ 12 দিনৰ মুৰত ৰঘু সিং জমাদাৰে গমধৰ কোঁৱৰক বন্দী কৰে। পলাই যোৱাৰ অপৰাধত পঞ্চায়তে পুনৰ বিচাৰ কৰি গমধৰ কোঁৱৰক 14 বছৰ কাৰাবাসৰ ৰায় দিয়ে। এইবাৰ গমধৰ কোঁৱৰক ভাটিৰ ৰংপুৰ জেললৈ পঠিয়াই দিয়ে। ইয়াৰ পাছত গমধৰ কোঁৱৰ ঘূৰি আহিল নে কাৰাগাৰতেই মৃত্যু হ'ল বুৰঞ্জী নিমাত"। বৃতিচৰ খাৰঘৰত জুই জ্বলোৱা ঘটনাটোৰ বিতং বিৱৰনি ইয়াত এনেকৈ দিয়া হৈছে ঃ

"গোলেকীৰ দ'লৰ শিবিৰত হোৱা সিদ্ধান্ত মতেই গোপনে শিবিৰৰ পৰা 1830 চনৰ 25 মাৰ্চ তাৰিখে সন্ধিয়া বৰফুকনৰ আলিয়েদি খৰিকটীয়া আলিৰ উঠি গৈ জয়সাগৰ পুখুৰী পাৰত কোঠ পাতি ধনঞ্জয় গোহাঁইৰ নিৰ্দেশত ৰাতি দুপৰ নিশা খাৰঘৰত জীউৰাম দুলীয়া বৰুৱাই জুই দিলে। ঘৰত জুই জ্বলি দিনৰ পোহৰৰ দৰে হ'ল। কোম্পানীৰ চিপাহীয়ে জুই জ্বলা পোহৰ দেখি খেদি আহি গুলীয়াবলৈ ধৰিলে। বিদ্ৰোহী দল পলাই পতং দি জেৰেঙা পথাৰৰ হাবিত সোমাল। বন্দুকৰ গুলীত ধেনুধৰ কোঁৱৰ আৰু দহা কোঁৱৰৰ মৃত্যু হ'ল। চাকোলা পিয়লি ফুকনে পলাব নোৱাৰাত ঠাইতে ধৰা পৰিল। শদিয়াত থকা নিউভিল চাহাবে লগে লগে বিদ্ৰোহী দলে খাৰ ঘৰত জুই দিয়াৰ বাতৰি পাই পিছদিনাই আহি ৰংপুৰ পাই সৈন্য লগত লৈ বিদ্ৰোহী দলক ধৰিবলৈ খেদি গ'ল। জয় নন্দ সিং, প্ৰাসাদত্ত চুবেদাৰ আৰু জলিম সিঙে গেলেকীত গৈ জীউৰাম দুলিয়া বৰুৱা, দেউৰাম দিহিঙ্গীয়া, ডেমা ৰম চিংফৌ, ৰূপ চন্দ্ৰ কোঁৱৰক বন্দী কৰিলে। পুৰনাথ বৰগোহাঁইক পাচত ধৰিলে। চুৰম কোঁৱৰ আৰু ব্ৰজনাথ কোঁৱৰ পলাই গৈ মণিপুৰ পালেগৈ। ধনঞ্জয় বৰগোহাঁই আৰু তেওঁৰ ডাঙৰ পুতেক নগা পৰ্বতত গৈ আত্মৰক্ষা কৰিলে"।

পিয়লি-জিউৰামৰ বিচাৰ সম্পৰ্কে ইয়াত এনেকৈ কোৱা হৈছে ঃ

"পঞ্চায়তৰ বিচাৰত পিয়লি ফুকন আৰু জীউৰাম দুলিয়া বৰুৱাক ফাঁচীৰ হুকুম দিলে। বাকী বিদ্ৰোহী সকলক 7 বছৰৰ পৰা 14 বছৰ পৰ্য্যন্ত কাৰাবাসৰ হুকুম দিলে। বিদ্ৰোহী সকলৰ অসমৰ কাৰাগাৰত নাৰাখি ঢাকাৰ কাৰাগাৰত নিৰ্বাসিন দিলে। পিয়লি ফুকন আৰু দীউৰাম দুলিয়া বৰুৱাক ফাঁচিৰ হুকুম কমিচনাৰ নিউভিল চাহাবৰ অনুমোদন ক্ৰমে ডেভিদ স্কট চাহাবে ৰাখে"।

আৰু এনেকৈয়ে পদ্ম বৰগোহাঞিৰ বুৰঞ্জিমূলক পুথি খনে অসম বুৰঞ্জিৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ত আলোকপাত কৰি জাতীয় ইতিহাসৰো অমল-সমল হৈ উঠিছে।

লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;
ফোন ঃ ৯৪৩৫৩৫১২৫৫




কেনেধৰণৰ ব্যৱসায়ৰ বাবে ঋণৰ প্ৰয়োজন হৈছে তাৰ ভিত্তিতহে ঋণৰ পৰিমাণ নিৰ্ভৰ কৰিব। বজাৰত আজিকালি বিভিন্ন ধৰণৰ ব্যৱসায়িক ঋণ উপলব্ধ। ব্যৱসায়ী এজনে নিজৰ প্ৰয়োজনীয়তা অনুসৰি বজাৰত উপলব্ধ বিভিন্ন ঋণ আঁচনিৰ মাজৰ পৰা যিকোনো এটা বা একাধিক ব্যৱসায়িক ঋণ বাছনি কৰিব পাৰে যদিও এনে কৰোতে সদায় ঋণৰ পৰিমাণ আৰু সময় গণনা কৰিহে ব্যৱসায়িক ঋণ বাছনি কৰা উচিত।

# নতুন ব্যৱসায়ীৰ বাবে ঋণ লাভৰ চৰ্তসমূহ

**বজাৰত** বৰ্তমানে চৰকাৰী-বেচৰকাৰী বিভিন্ন প্ৰকাৰৰ ঋণ আঁচনি আছে। এই ধৰণৰ ঋণৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ এক ঋণ হ'ল বিজনেছ লোন বা ব্যৱসায়িক ঋণ। বহুলোকে নিজৰ ব্যৱসায় আৰম্ভ কৰিবলৈ বা ব্যৱসায় সম্প্ৰসাৰিত কৰিবলৈ এই ধৰণৰ ব্যৱসায়িক ঋণ লোৱা দেখা যায়। ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰাৰ পদ্ধতিৰ বিষয়ে বহুতেই জানে যদিও এই ধৰণৰ ঋণ লোৱাৰ আগতে ব্যৱসায়ী এজনে কিছুমান বিশেষ কথা জনাটো জৰুৰী।

ব্যৱসায়িক ঋণ লোৱাৰ প্ৰথম চৰ্তটো হ'ল, ব্যৱসায়ৰ ধৰণ কেনে তাক বিশ্লেষণ কৰাটো। অৰ্থাৎ কেনেধৰণৰ ব্যৱসায়ৰ বাবে ঋণৰ প্ৰয়োজন



হৈছে তাৰ ভিত্তিতহে ঋণৰ পৰিমাণ নিৰ্ভৰ কৰিব। বজাৰত আজিকালি বিভিন্ন ধৰণৰ ব্যৱসায়িক ঋণ উপলব্ধ। ব্যৱসায়ী এজনে নিজৰ প্ৰয়োজনীয়তা অনুসৰি বজাৰত উপলব্ধ বিভিন্ন ঋণ আঁচনিৰ মাজৰ পৰা যিকোনো এটা বা একাধিক ব্যৱসায়িক ঋণ বাছনি কৰিব পাৰে যদিও এনে কৰোতে সদায় ঋণৰ পৰিমাণ আৰু সময় গণনা কৰিহে ব্যৱসায়িক ঋণ বাছনি কৰা উচিত। কি কাৰণত ব্যৱসায়িক ঋণৰ প্ৰয়োজন হৈছে আৰু সেই ঋণ কিমান সময়ৰ ভিতৰত পৰিশোধ কৰাৰ সাধ্য আছে তাকো বিচাৰ বা গণনা কৰিহে ব্যৱসায়িক ঋণৰ পৰিমাণ ধাৰ্য কৰিব লাগে। আনহাতে, বজাৰত উপলব্ধ বিভিন্ন প্ৰকাৰৰ ব্যৱসায়িক ঋণ আঁচনিসমূহৰ সুতৰ হাৰ বেলেগ বেলেগ হয় বাবে তেনে আঁচনিবোৰৰ পৰা ঋণ গ্ৰহণ কৰা আৰু ঋণ ঘূৰাই দিয়াৰ চৰ্তও ভিন্ন হয়। উদাহৰণ স্বৰূপে, বহু ব্যৱসায়িক ঋণ আঁচনিত গ্ৰাহকে নিজৰ মূল্যবান সম্পত্তি বন্ধকত ৰখাৰ নিয়ম আছে। গতিকে এই সকলোবোৰ দিশৰ বিষয়ে চিন্তা কৰিহে ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰা উচিত। আনহাতে, ব্যৱসায়িক ঋণ লোৱাৰ আগতে, সুতৰ পৰিমাণৰ বিষয়টোও সমানেই বিচাৰ্য। ঋণ হিচাপে কিমান টকা লোৱা হৈছে আৰু কিমান টকা পৰিশোধ কৰিব লাগিব তাৰ এটা ধাৰণা পূৰ্বৰ পৰাই থাকিব লাগিব। ল'ব লগা ব্যৱসায়িক ঋণৰ সুতৰ হাৰ কিমান, ঋণ হিচাপে কিমান টকা উপলব্ধ হ'ব আৰু তাক সুতসহ মুঠ কিমান দিনৰ ভিতৰত পৰিশোধ কৰিব লাগিব তাৰ হিচাপ আগতীয়াকৈ গণনা কৰাটো অত্যন্ত প্ৰয়োজন। লগতে, ব্যৱসায়িক ঋণ লোৱাৰ আগতে, ব্যৱসায়ীজনৰ আগৰে পৰা কিমান টকাৰ ধাৰ আছে, কিমান টকা ব্যৱসায়ৰ নামত খটুৱাব আৰু বেংকত কিমান টকা বাকী ৰাখিব সেইসমূহো আগতীয়াকৈ গণনা কৰি লোৱাটো জৰুৰী। ব্যৱসায়ৰ বাবে কিমান টকা ব্যৱহাৰ কৰা হ'ব আৰু ধাৰ পৰিশোধৰ বাবে খৰচ কৰিব লগা ধন কিমান হ'ব তাক গণনা




কৰিহে ঋণৰ পৰিমাণ ধাৰ্য কৰি আবেদন কৰিব লাগে।

সাধাৰণতে ব্যৱসায়িক ঋণৰ বাবে আবেদন কৰাৰ পাছত বহুতো প্ৰক্ৰিয়া বা পদ্ধতিৰ মাজেৰেহে ব্যৱসায়ী এজনে তেওঁ বিচৰা পৰিমাণৰ ঋণৰাশি লাভ কৰে। চৰকাৰী বা বেচৰকাৰী যিসমূহ প্ৰতিষ্ঠানে ঋণ দিয়ে, সেইসমূহে আবেদনকাৰীৰ আবেদনৰ আধাৰত কেতবোৰ বিশেষ দিশ পৰীক্ষা কৰে। যেনে-আৱেদনকাৰীৰ ক্ৰেডিট স্কোৰ কেনে, আন ঠাইত ঋণ আছে নে নাই, তেওঁ কিহৰ বাবে ঋণ ল'ব বিচাৰে ইত্যাদি। উক্ত দিশসমূহ চালি-জাৰি চোৱাৰ পাছতহে বেংক বা অন্য ঋণদাতা প্ৰতিষ্ঠান এটাই গ্ৰাহকৰ ঋণৰ আবেদন গ্ৰহণ কৰি মঞ্জুৰি প্ৰদান কৰে।

সেয়েহে ব্যৱসায়িক ঋণ সুকলমে লাভ কৰাৰ ক্ষেত্ৰত নতুন ব্যৱসায়ী এজনৰ বাবে এক প্ৰধান চৰ্ত হিচাপে বিবেচিত হৈ আহিছে ক্ৰেডিট স্কোৰ। ক্ৰেডিট স্কোৰ কেৱল ব্যৱসায়িক ঋণৰ বাবেই নহয়, যিকোনো ধৰণৰ ঋণৰ বাবেই অতি গুৰুত্বপূৰ্ণ। ক্ৰেডিট স্কোৰ যিমানে ভাল হয়, ঋণ লাভ কৰাটো আবেদনকাৰীৰ বাবে সিমানেই সহজ হয়। গতিকে সদায় উপভোক্তা এজনে নিজৰ ক্ৰেডিট স্কোৰৰ ওপৰত সদায় নজৰ ৰাখিব লাগে।



# পিএফৰ সুতৰ হাৰ হ্ৰাস, এলপিজিৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা

## পহিলা এপ্ৰিলৰ পৰা কি কি নিয়ম সলনি হ'ব

**চাওঁতে** চাওঁতে আৰু এটা বিত্তীয় বৰ্ষ সমাপ্তিৰ দিশে আগবাঢ়িছে। চলিত বিত্তীয় বৰ্ষটোৰ সামৰণি পৰিব অহা ৩১ মাৰ্চত। তাৰ পাছত আৰম্ভ হ'ব নতুন বিত্তীয় বৰ্ষ ২০২২-২৩ । এই নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰে পৰা, বিভিন্ন বিত্তীয় নিয়মৰ সাল-সলনি হ'ব। পুৰণি নিয়মবোৰৰ পৰিৱৰ্তন হ'ব আৰু কেঁৱাখনো নতুন আঁচনি বিকশিত কৰা হ'ব। এই নতুন নিয়মসমূহৰ বিষয়ে নাজানিলে হয়তো বিপদতো পৰিব পাৰে আপুনি। সংক্ষেপে জানো আহকচোন এই বিষয়ে—

### ইপিএফঅ'ৰ সুতৰ হাৰৰ পৰিৱৰ্তন

অহা এপ্ৰিলৰ প্ৰথমটো দিনৰ পৰাই, কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা চমুকৈ ইপিএফঅ'ৰ সুতৰ হাৰ পৰিৱৰ্তন হ'ব। যোৱাটো বিত্তীয় বৰ্ষত, ইপিএফঅ'ৰ সুতৰ হাৰ আছিল ৮.৫ শতাংশ; কিন্তু আগন্তুক বিত্তীয় বৰ্ষৰ পৰা, এই সুতৰ হাৰ কমাই ৮.১ শতাংশ কৰা হ'ব। অৰ্থাৎ, সুতৰ হাৰ ০.৪ শতাংশলৈকে হ্ৰাস পাব।

### ক্ৰিপ্টোৰ পৰা অহা উপাৰ্জনৰ বাবদ সুত

কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ বাজেটত ঘোষণা কৰিছিল যে ক্ৰিপ্টোকাৰেন্সীৰ পৰা কৰা উপাৰ্জনৰ বাবদ গ্ৰাহকে ৩০ শতাংশকৈ কৰ আদায় দিব লাগিব। বাজেটত এই ঘোষণা কৰাৰ পাছৰে পৰা কেতিয়াৰ পৰা উক্ত পৰিমাণৰ সুতৰ হাৰ আৰোপিত হ'ব তাকে লৈ বিভিন্ন জল্পনা চলি আছিল । অৱশেষত, কোৱা হৈছিল যে এই সুতৰ হাৰ নতুন বিত্তীয় বৰ্ষৰ প্ৰথমটো দিনৰ পৰাই আৰোপিত হ'ব।

### ৰন্ধন গেছৰ মূল্য পৰিৱৰ্তন

প্ৰতি মাহৰ প্ৰথম ১৫ দিনৰ ভিতৰত ৰন্ধন গেছৰ মূল্য হয় বৃদ্ধি নাইবা হ্ৰাস হয়। এপ্ৰিলৰ আৰম্ভণিলৈ, ৰন্ধন গেছৰ মূল্যও বৃদ্ধি বা হ্ৰাস হ'ব পাৰে। যোৱা কেইমাহমানত ৰন্ধন গেছৰ মূল্য যি হাৰত বৃদ্ধি পাইছে, মধ্যবিত্ত শ্ৰেণীৰ বাবে ভয় কৰাৰ যথেষ্ট কাৰণ আছে।



### এনপিএছত ১৪ শতাংশৰ কৰ ৰেহাই

ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিত ইমানদিনে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীয়েহে ১৪ শতাংশৰ কৰ ৰেহাই দাবী কৰিব পাৰিছিল যদিও নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰে পৰা এই নিয়ম সলনি হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কেন্দ্ৰীয় বাজেটত কৰা ঘোষণা অনুসৰি, অহা পহিলা এপ্ৰিলৰ পৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলেও ১৪ শতাংশৰ কৰ ৰেহাই পাব।

### চিলড্ৰেন এডুকেছন এলাৱেন্স

কেন্দ্ৰীয় চৰকাৰে নিজৰ কৰ্মচাৰীসকলক বিভিন্ন এলাৱেন্স প্ৰদান কৰে। ইয়াৰ ভিতৰত অন্যতম হৈছে চিলড্ৰেন এডুকেছন এলাৱেন্স। মহামাৰীৰ বাবে যিসকল কৰ্মচাৰীয়ে ২০২০ত চিলড্ৰেন এডুকেছন এলাৱেন্স দাবী কৰিব পৰা নাছিল, তেওঁলোকৰ বাবে এয়াই শেষ সুযোগ। চৰকাৰী কৰ্মচাৰীসকলে অহা ৩১ মাৰ্চলৈ কোনো নথি অবিহনে ধন লাভৰ বাবে আবেদন কৰিব পাৰিব। অন্যথা নতুন বিত্তীয় বৰ্ষৰ পৰা এই ধন লাভৰ প্ৰক্ৰিয়া কিছু জটিল হ'ব পাৰে। উল্লেখ্য যে কেন্দ্ৰীয় কৰ্মচাৰীসকলক সপ্তম দৰমহা আয়োগৰ পৰামৰ্শমৰ্মে প্ৰতি মাহে দুটা সন্তানৰ বাবে চিলড্ৰেন এডুকেছন এলাৱেন্স হিচাপে ৪,৫০০ টকা প্ৰদান কৰা হয়।

# কোন বেংকে ফিক্সড্ ডিপ'জিটত সৰ্বাধিক সুত প্ৰদান কৰিছে

**ফিক্সড্** ডিপ'জিট চমুকৈ এফডি বা স্থায়ী জমা একাউণ্টৰ সুতৰ হাৰ হৈছে মধ্যবিত্ত শ্ৰেণীয়ে আটাইতকৈ সেয়েহে মধ্যবিত্ত শ্ৰেণীয়ে কম সুত হ'লেও এতিয়াও ফিক্সড্ ডিপ'জিট বা এফডিৰ ওপৰত সম্পূৰ্ণকৈ আস্থা হেৰুৱাব পৰা নাই। অৱশ্যে শেহতীয়াকৈ দেশৰ কেতবোৰ বেংকে এফ ডিৰ সুতৰ হাৰ পূৰ্বতকৈ সামান্য বৃদ্ধি কৰা




বেছি নিৰ্ভৰ কৰা কাৰকবোৰৰ ভিতৰত এটা। বিগত কেইটামান ত্ৰিমাসিকত সমগ্ৰ দেশজুৰি বিভিন্ন চৰকাৰী তথা বেচৰকাৰী বেংকে এফডিৰ সুতৰ হাৰ হ্ৰাস কৰিছে। ফলস্বৰূপে এফডিৰ পৰিৱৰ্তে অন্যান্য কেতবোৰ বিনিয়োগ মাধ্যম যেনে মিউচুৱেল ফাণ্ড, ক্ৰিপ্টোকাৰেন্সী আদিয়ে অধিক জনপ্ৰিয়তা লাভ কৰিছে। কিন্তু এই প্ৰতিটো মাধ্যমৰ মুখ্য সমস্যা হৈছে প্ৰবল বিপদাশংকা। মূলতঃ বিপদাশংকা থকাৰ বাবেই, মধ্যবিত্ত শ্ৰেণীৰ বহুলোকে এই ধৰণৰ আধুনিক বিনিয়োগ মাধ্যমত বিনিয়োগ কৰিবলৈ ভয় কৰে।

পৰিলক্ষিত হৈছে। আহকচোন জানো এই মুহূৰ্ততনো কোনটো বেংকে কি হাৰত গ্ৰাহকক সুত আগবঢ়াই আছে...

**ভাৰতীয় ষ্টেট বেংক (এছবিআই)**

ভাৰতীয় ষ্টেট বেংকে সাধাৰণ গ্ৰাহকৰ বাবে ফিক্সড্ ডিপ'জিটত ২.৯০-৫.৫০ শতাংশ হাৰত সুত প্ৰদান কৰি আছে। আনহাতে, প্ৰবীণ নাগৰিকৰ ক্ষেত্ৰত বেংকটোৱে ৩.৪০-৬.৩০ শতাংশকৈ সুত দি আছে।

**এইছডিএফচি বেংক**

দেশৰ অন্যতম বৃহৎ লেনদেনকাৰী ব্যক্তিগত সংস্থাটোৱে ফিক্সড্ ডিপ'জিট কৰা সাধাৰণ গ্ৰাহকৰ বাবে সুতৰ হাৰ নিৰ্ধাৰণ কৰিছে ২.৫০-৫.৬০ শতাংশকৈ। আনহাতে, জ্যেষ্ঠ নাগৰিকৰ বাবে এই সুতৰ হাৰ হৈছে ৩.০০-৬.৩৫ শতাংশ।

**এক্সিছ বেংক**

এক্সিছ বেংকত ফিক্সড্ ডিপ'জিট কৰাৰ বাবদ সাধাৰণ গ্ৰাহকক পৰিশোধ কৰা সুতৰ হাৰ হৈছে ২.৫০-৫.৭৫ শতাংশ। আনহাতে, প্ৰবীণ নাগৰিকৰ বাবে এই সুতৰ হাৰ হৈছে ২.৫০-৬.৫০ শতাংশ।

**বেংক অৱ বৰোদা**

বেংক অৱ বৰোদা বা বিওবিয়ে সাধাৰণ নাগৰিকৰ বাবে নিৰ্ধাৰণ কৰা ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ হৈছে ২.৮০-৫.২৫ শতাংশ। আনহাতে, জ্যেষ্ঠ সাধাৰণ নাগৰিকৰ বাবে এফডিৰ সুতৰ হাৰ হৈছে ৩.৩০-৬.২৫ শতাংশ।

**আইডিএফচি বেংক**

আজিৰ তাৰিখত এইটো বেংকে সৰ্বাধিক সুত পৰিশোধ কৰি আছে উপভোক্তাক। আইডিএফচি বেংকত এফ ডি কৰা সাধাৰণ গ্ৰাহকৰ বাবে সুতৰ হাৰ হৈছে ২.৫০-৬.০০ শতাংশ। আনহাতে, জ্যেষ্ঠ নাগৰিকৰ বাবে এই সুতৰ হাৰ হৈছে ৩.৩০-৬.৫০ শতাংশ।



# সোণৰ বিশুদ্ধতা পৰীক্ষা কৰিবলৈ চৰকাৰী এপ মুকলি

**সোণৰ** বিশুদ্ধতা পৰীক্ষা কৰিবলৈ এতিয়া আৰু আপুনি কোনো বিশ্বস্ত গহনালয় বিচাৰি ঘুৰ্মুটিয়াই ফুৰাৰ প্ৰয়োজন নাই। কিয়নো গ্ৰাহকৰ সুৰক্ষাৰ স্বাৰ্থতে এতিয়া চৰকাৰে এক বিশেষ এপ মুকলি কৰিছে যাৰ দ্বাৰা আপুনি ঘৰতে বহি সোণৰ বিশুদ্ধতা পৰীক্ষা কৰিব পাৰে। বিআইএছ কেয়াৰ নামৰ এই এপটোৰ দ্বাৰা কেৱল সোণৰ বিশুদ্ধতা পৰীক্ষা কৰাই নহয়, নকল সোণৰ স'তে সম্পৰ্কিত যিকোনো অভিযোগো দাখিল কৰিব পাৰে। গ্ৰাহকসকলে লগে লগে অভিযোগ কৰিব পাৰে যদি এই এপটোত সামগ্ৰীৰ অনুজ্ঞাপত্ৰ, পঞ্জীয়ন আৰু হলমাৰ্ক নম্বৰ অশুদ্ধ বুলি পোৱা যায়। এপটোৱে গ্ৰাহকক তাৎক্ষণিকভাৱে অভিযোগ দাখিল কৰিবলৈ নিৰ্দিষ্ট কেতবোৰ তথ্য প্ৰদান কৰিব। উল্লেখ্য যে মুক্তিলাভৰ লগে লগে এই এপটোৱে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছে। ইফালে, প্ৰতিদিনে পৰিৱৰ্তন হৈ থকা সোণ-ৰূপ জাতীয় মূল্যৱান ধাতুৰ শুদ্ধ আৰু প্ৰকৃত দামৰ বিষয়ে জানিব বিচাৰিলে এতিয়াৰে পৰা গ্ৰাহকসকলে কেৱল এটা মিছড্ কলৰ সহায়তেই সকলোখিনি জানিব পাৰিব। ইয়াৰ বাবে নিজৰ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰৰ পৰা ৮৯৫৫৬৬৪৪৩৩ নম্বৰত মাথোঁ এটা মিছড্ কল দিব লাগিব। এনে কৰাৰ ফলত গ্ৰাহকৰ ফোনলৈ এটা বাৰ্তা প্ৰেৰণ কৰা হ'ব, য'ত সোণ-ৰূপৰ মূল্যৰ শেহতীয়া হাৰবোৰ পৰীক্ষা কৰিব পৰা যাব।

# কৰ'না কালত বিক্ৰী হোৱা প্ৰতি তিনিখন বীমাৰ এখন ক্ৰয় কৰিছে মহিলাই!

## জীৱন বীমা সম্পৰ্কীয় এছবিআইৰ সমীক্ষাত প্ৰকাশ

**মহামাৰী** পৰৱৰ্তী সময়ত ভাৰতৰ অন্যতম বৃহৎ বাস্তৱ হিচাপে চিহ্নিত হৈছে স্বাস্থ্য আৰু জীৱন বীমা। ক'ভিডকালত ভাৰতীয় নাগৰিকসকলৰ নিজৰ জীৱন সম্পৰ্কে সচেতনতা কিমান বেছি বৃদ্ধি পাইছে তাক প্ৰমাণ কৰি দিছে স্বাস্থ্য আৰু জীৱন বীমা পলিচী বিক্ৰীৰ আকস্মিক উত্থানে। বীমা বজাৰৰ বিশেষজ্ঞসকলৰ মতে, মহামাৰীৰ ভয়ৰ ফলত সৃষ্টি হোৱা অনিশ্চয়তাই হৈছে সৰ্বসাধাৰণৰ



বীমাৰ প্ৰতি আকৃষ্ট হোৱাৰ মুখ্য কাৰণ। দেশৰ বীমা কোম্পানীবোৰে পুৰুষ আৰু মহিলা গ্ৰাহক উভয়কে বিভিন্ন স্বাস্থ্য আৰু জীৱন বীমা পলিচী বিক্ৰী কৰি আহিছে যদিও আন সময়ৰ তুলনাত মহামাৰীৰ পাছত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন দেখা গৈছে। কৰ'নাকালত ভাৰতীয় মহিলাসকলৰ মাজত স্বাস্থ্য তথা জীৱন বীমা পলিচী ক্ৰয়ৰ ধাউতি বৃদ্ধি পাইছে। এক অধ্যয়ন অনুসৰি, ২০২১ত বীমা কোম্পানীসমূহে মুঠ ৯৩ লাখ আঁচনি মহিলা গ্ৰাহকৰ হাতত বিক্ৰী কৰিছে। ভাৰতীয় ষ্টেট বেংকৰ এক সমীক্ষাত প্ৰকাশিত তথ্য অনুসৰি, মহিলাসকলে মুঠ বীমা পলিচী বিক্ৰীৰ ৩৩.২৩ শতাংশ ক্ৰয় কৰিছে আলোচ্য সময়ছোৱাৰ ভিতৰত।

সমীক্ষাৰ তথ্য অনুসৰি, বজাৰত বিক্ৰী হোৱা প্ৰতি তিনিখন জীৱন বীমা আঁচনিৰ ভিতৰত এখন মহিলাক বিক্ৰী কৰা হৈছে উক্ত সময়ছোৱাত। আনহাতে, মহিলা গ্ৰাহকে ক্ৰয় কৰা মুঠ ৩৩ শতাংশ বীমা আঁচনিৰ ভিতৰত, ৩৫ শতাংশয়ে হৈছে ভাৰতীয় জীৱন



বীমা নিগমৰ। অৰ্থাৎ, দেশৰ বৃহত্তম ৰাষ্ট্ৰায়ত্ত বীমা কোম্পানীটোৰ প্ৰতি মহিলাসকলৰ আস্থা তুলনামূলকভাৱে অধিক। অৱশ্যে ব্যক্তিগত বীমা কোম্পানীবোৰো বৰ বেছি পাছ পৰি থকা নাই এই দিশত। মহিলা ক্ৰেতাক বিক্ৰী কৰা মুঠ বীমাৰ ২৭ শতাংশয়ে এই ব্যক্তিগত খণ্ডৰ। সৰ্বোপৰি, মহিলাসকলক ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডতে গ্ৰাহক হিচাপে বাছনি কৰা হৈছে।

# এলআইচিৰ ধন ৰেখা আঁচনি, পাঁচ বছৰৰ পাছত বাম্পাৰ লাভ

**বীমা** পলিচী ক্ৰয়ৰ পৰিকল্পনা কৰিছে যদি আপুনি বীমা বজাৰৰ সৰ্বাধিক বিশ্বস্ত আৰু জনপ্ৰিয় সংস্থা ভাৰতীয় জীৱন বীমা নিগম চমুকৈ এলআইচিৰ নতুন ধন ৰেখা আঁচনিৰ বিষয়ে ভাবিব পাৰে। ভাৰতীয় জীৱন বীমা নিগমে দাবী কৰা মতে, যিসকল বিনিয়োগকাৰীয়ে এই আঁচনিত বিনিয়োগ কৰে, তেওঁলোকে নিশ্চিতভাৱে বাম্পাৰ ৰিটাৰ্ণ লাভ কৰিব। বীমাৰ উপৰি সুৰক্ষিত বিত্তীয় লাভালাভো অৰ্জন কৰিব পাৰিব আঁচনিখনত। বিগত বছৰৰ ডিচেম্বৰত মুকলি হোৱা এই নতুন আঁচনিখন এক নন্-লিংকড্ নন্-পাৰ্টিচিপেটিং, ব্যক্তিগত, সঞ্চয় জীৱন বীমা আঁচনি, যিয়ে আঁচনি ধাৰকক সুৰক্ষাৰ লগতে সঞ্চয়ৰ এক আকৰ্ষণীয় সংমিশ্ৰণ প্ৰদান কৰে। এই আঁচনিৰ ম্যাদৰ ভিতৰত আঁচনি ধাৰকৰ মৃত্যুৰ ক্ষেত্ৰত পৰিয়ালৰ বাবে আৰ্থিক সহায়ৰ ব্যৱস্থা আছে। আঁচনিৰ নিয়ম অনুসৰি, পলিচীৰ ম্যাদ চলি থকা অৱস্থাত এক নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে অৰ্থ প্ৰদান কৰাৰো ব্যৱস্থা আছে। আনকি আঁচনিৰ ম্যাদ উকলি যোৱাৰ পাছতো এলআইচিয়ে আঁচনিধাৰকক এককালীন গেৰাণ্টিযুক্ত ধন পৰিশোধ কৰে। এই পৰিকল্পনাৰ লাভালাভ ইয়াতেই শেষ নহয়। জৰুৰীকালীন সময়ত বা বিপদৰ সময়ত প্ৰয়োজন হ'লে, গ্ৰাহকে এই আঁচনিৰ জৰিয়তে ঋণো লাভ কৰিব পাৰে।

**কিমান হ'ব নিশ্চিত ৰিটাৰ্ণ**




ধন ৰেখা আঁচনি অনুসৰি, আঁচনি ধাৰকে নিশ্চিত ৰিটাৰ্ণ হিচাপে দুই লাখ টকা লাভ কৰিব। কিন্তু এই নিশ্চিত ৰিটাৰ্ণৰ পৰিমাণৰ কোনো ঊৰ্ধ্বসীমা নাই। সৰ্বাধিক পৰিমাণ আঁচনিৰ প্ৰিমিয়ামৰ ওপৰত নিৰ্ভৰ কৰে।

**ম্যাদৰ পাছত লাভালাভ**

আঁচনিখনৰ ম্যাদ উকলি যোৱাৰ পাছত, আঁচনি ধাৰকে 'ছাম এছিয়ৰ্ড' বা নিশ্চিত বীমাৰ অংকৰ স'তে 'অৰ্জিত অতিৰিক্ত নিশ্চিত অৰ্থ বা একিওৰ্ড গেৰান্টীড এডিছন (accured guaranteed additions)ও লাভ কৰিব। আঁচনি ধাৰকক 'ছাম এছিয়ৰ্ড অন মেচিওৰিটী' হিচাপে বেছিক ছাম এছিয়ৰ্ডৰ ধনৰাশিয়েই দিয়া হ'ব।

**বাচি থাকিলে কি সুবিধা**


এই পলিচী অনুযায়ী, কোনো এজন আঁচনি ধাৰক ম্যাদ পূৰ হোৱা পৰ্যন্ত জীয়াই থাকিলে বেছিক ছাম এছিয়ৰ্ডৰ এক নিৰ্দিষ্ট অংশ পাব। ম্যাদৰ বিভিন্নতা অনুসৰি এই পৰিমাণ নিম্নোক্ত ধৰণৰ হয়...

আঁচনিখনৰ ১০ আৰু ১৫ বছৰৰ শেষত, এলআইচিয়ে গ্ৰাহকক প্ৰাৰম্ভিক বীমা ৰাশি বা বীমা কৰা মৌলিক পৰিমাণৰ ১০ শতাংশ পৰিশোধ কৰিব। একেদৰে ১৫, ২০ আৰু ২৫ বছৰৰ শেষত আঁচনি ধাৰকে প্ৰাৰম্ভিক বীমাকৃত পৰিমাণৰ ১৫ শতাংশ লাভ কৰিব। আনহাতে, ২৫, ৩০ আৰু ৩৫ বছৰৰ শেষত গ্ৰাহকক ২০ শতাংশ দিয়া হ'ব।

মন কৰিব, আঁচনিখনৰ ম্যাদৰ ভিতৰত আঁচনি ধাৰকৰ মৃত্যু হ'লে, মৃত্যুৰ সময়ত নিশ্চিত পৰিমাণৰ উপৰি পৰিয়ালটোক 'অতিৰিক্ত নিশ্চিত পৰিমাণ' প্ৰদান কৰা হয়।

উল্লেখ্য যে আগ্ৰহী বিনিয়োগকাৰীসকলে এই আঁচনিখনৰ বিষয়ে অধিক তথ্য লাভ কৰিব বিচাৰিলে এলআইচিৰ অফিচিয়েল ৱেবছাইট licindia.in ত লগ ইন কৰিব পাৰে।

# অনলাইন লেনদেনৰ জটিলতা দূৰ কৰক এইবোৰ উপায়েৰে




**আধুনিক** যুগত টকাৰ লেনদেনৰ ক্ষেত্ৰখনত নগদৰ পৰিৱৰ্তে প্ৰধান ভৰসা হৈ উঠিছে অনলাইন মাধ্যমহে। ইউপিআই, এনইএফটি, আইএমপিৰ মাধ্যমেদিয়েই টকাৰ লেনদেন বেছিকৈ হয় আজিকালি। বেংকৰ একাউণ্টৰ স'তে বিভিন্ন লেনদেন সংক্ৰান্তীয় এপ সংযুক্ত কৰি ৰাখিলেই এটা মাত্ৰ ক্লিকৰ জৰিয়তে টিলিকতে লেনদেন সম্পৰ্কীয় সকলো সমস্যাৰ সমাধান পাব পাৰি। অৱশ্যে, এই ধৰণৰ অনলাইন লেনদেন কৰোতে বহুতো গ্ৰাহকে কেতবোৰ সমস্যাৰো সন্মুখীন হয়। বহু সময়ত এনে বিত্তীয় লেনদেনবোৰ বিভিন্ন কাৰণত আবদ্ধ হৈ থাকে বা ব্যাহত হৈ পৰে। কেতিয়াবা বেংক একাউণ্টৰ পৰা আপোনাৰ টকা কৰ্তন কৰা দেখুৱাই যদিও য'ত গৈ পাব লাগে তালৈ সময়ত গৈ নাপায় টকা। আন কেতিয়াবা আকৌ ম'বাইল ফোনলৈ একাউণ্টৰ পৰা ধন ওলোৱাৰ বাৰ্তা আহে, কিন্তু এটিএমৰ পৰা সেই পইচা ওলাই নাহে। যদি আপোনাৰ স'তেও ভৱিষ্যতে এনে সমস্যা হয় তেন্তে আপুনি কি কৰিব বাৰু? আপুনি সেই টকা ঘূৰাই পাব নে নাই? টকা ঘূৰাই পাবলৈ কিমান সময় লাগিব? এই ধৰণৰ বহু প্ৰশ্নৰ উত্তৰ জানিবলৈ পঢ়ক আজিৰ এই প্ৰতিবেদন—

২০১৯ ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা এই ধৰণৰ আবদ্ধ লেনদেনৰ ধন ঘূৰাই দিয়াৰ সময়সীমা আৰু গ্ৰাহকসকলক ক্ষতিপূৰণ দিয়াৰ পৰিমাণ সম্পৰ্কীয় এক বিজ্ঞপ্তি জাৰি কৰা হৈছিল। এই বিজ্ঞপ্তিত থকা নিৰ্দেশনা অনুসৰি, যদি কোনো গ্ৰাহকৰ একাউণ্টৰ পৰা টকা কৰ্তন কৰা হয় আৰু এই ধন প্ৰাপকৰ হাতত নপৰে, তেন্তে ইয়াক এক বিফল লেনদেন হিচাপে গণ্য কৰা হয়। নিয়ম অনুসৰি, নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত টকা প্ৰাপকৰ হাতত নপৰিলে বা যাৰ একাউণ্টৰ পৰা টকা কৰ্তন কৰা হৈছে তেওঁৰ একাউণ্টলৈ পুনৰ ঘূৰি নাহিলে যেতিয়ালৈকে টকা ঘূৰাই দিয়া নহয় তেতিয়ালৈকে প্ৰতিদিনে বেংকে ক্ষতিপূৰণ হিচাপে ১০০ টকাকৈ পৰিশোধ কৰিব লাগিব। যদি আইএমপি লেনদেন বিফল হয়, তেন্তে আৰবিআইৰ নিয়ম অনুসৰি, লেনদেনৰ এদিনৰ ভিতৰতে টকা ঘূৰাই দিব লাগিব। অৰ্থাৎ, যদি আপোনাৰ লেনদেন আজি বিফল হয়, তেন্তে কাইলৈৰ ভিতৰত বেংকে আপোনাক টকা ঘূৰাই দিয়াটো বাধ্যতামূলক। যদি বেংকে এদিনৰ ভিতৰত এই টকা ঘূৰাই নিদিয়ে, তেন্তে তাৰ বাবে জৰিমনা পৰিশোধ কৰিব লাগিব। একেদৰে, ইউপিআইৰ বিফল লেনদেনৰ বাবেও একে নিয়ম ধাৰ্য কৰি দিছে আৰবিআয়ে ।

### লেনদেনৰ এনে জটিলতাৰ স'তে কেনেদৰে মোকাবিলা কৰিব?

যদি আপোনাৰ লগতো কেতিয়াবা এনে বিফল অনলাইন লেনদেনৰ ঘটনা ঘটে আৰু টকা আবদ্ধ হৈ থাকে, তেন্তে প্ৰথমেই বিত্তীয় সেৱা প্ৰদানকাৰী বেংকটোৰ স'তে যোগাযোগ কৰক আৰু সমস্যাটোৰ সমাধান কৰিবলৈ চেষ্টা কৰক। যদি বেংক কৰ্তৃপক্ষই এই সমস্যাৰ সমাধান কৰিব নোৱাৰে, তেন্তে আপুনি বেংকৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব পাৰে। যদি সমস্যাটো এমাহৰ ভিতৰত সমাধান নহয়, তেন্তে আপুনি ডিজিটেল লেনদেনৰ ওম্বাছমেন আঁচনিতো অভিযোগ দাখিল কৰিব পাৰে। উল্লেখ্য যে বিত্তীয় লেনদেনৰ ওপৰত নিৰ্ভৰ কৰি, ভাৰতীয় ৰিজাৰ্ভ বেংকে বিফল লেনদেনৰ সমস্যাৰ 'নিষ্পত্তি'ৰ বাবে বিভিন্ন সময়সীমা নিৰ্ধাৰণ কৰিছে।



### বিভিন্ন সময়সীমা

১। যদি আপুনি এটিএমৰ পৰা টকা উলিয়াবলৈ গৈ বিফল হয়, অৰ্থাৎ আপোনাৰ বেংক একাউণ্টৰ পৰা টকা কৰ্তন কৰিলেও, এটিএমৰ পৰা সেই পৰিমাণৰ টকা ওলাই নাহে, তেনেহ'লে লেনদেনৰ পাঁচ দিনৰ ভিতৰত আপোনাক বেংকে টকা ঘূৰাই দিবলৈ বাধ্য। যদি পাঁচ দিনতকৈ অধিক সময় অতিবাহিত হৈছে, তেন্তে বেংকে প্ৰতিদিনে ১০০ টকাকৈ ক্ষতিপূৰণ পৰিশোধ কৰিব লাগিব আপোনাক।

২। 'কাৰ্ড টু কাৰ্ড' স্থানান্তৰৰ ক্ষেত্ৰত, যদি প্ৰেৰকৰ একাউণ্টৰ পৰা টকা কৰ্তন কৰা হয়, কিন্তু টকা প্ৰাপকৰ একাউণ্টলৈ নাহে, তেনেহ'লে লেনদেনৰ এদিনৰ ভিতৰত টকা ঘূৰাই দিব লাগিব বেংকে। যদি এদিনৰ পাছতো টকা নাহে, বেংকে প্ৰতিদিনে ১০০ টকাকৈ জৰিমনা পৰিশোধ কৰিবলৈ বাধ্য।

৩। একেদৰে, কাপোৰ ক্ৰয়ৰ ক্ষেত্ৰত যদি দোকানীয়ে টকা নাপায়, তেন্তে পাঁচ দিনৰ ভিতৰত সেই টকা ঘূৰাই দিয়াটো বাধ্যতামূলক। অন্যথা, প্ৰতিদিনে ১০০ টকাকৈ জৰিমনা পৰিশোধ কৰিব লাগিব।

৪। ই-কমাৰ্চ ছাইটবোৰৰ ক্ষেত্ৰতো একেই নিয়ম প্ৰচলিত। টকাখিনি পাঁচ দিনৰ ভিতৰতে ঘূৰাই দিব লাগিব। অন্যথা, ১০০ টকাকৈ জৰিমনা পৰিশোধ কৰিব লাগিব।

গুৱাহাটী, ২৭ মাৰ্চ, ২০২২ দেওবাৰ পৃষ্ঠা ৭

দেওবৰীয়া দৈনিক অগ্ৰদূত

উগ্ৰপন্থী সংগঠন আলফা (স্বাধীন)ৰ বৃহৎ সংখ্যক মূলসুঁতিলৈ উভতি অহাৰ সমান্তৰালভাৱে আলোচনাৰ মেজলৈ চৰকাৰে আহ্বান জনাইছে। ৰাজ্যত উগ্ৰপন্থীৰ সমস্যা একপ্ৰকাৰ অন্ত পৰা বুলি চৰকাৰে কৈ অহাৰ মাজতে অতি শেহতীয়াকৈ বৃহৎ সংখ্যক তৰুণৰ পুনৰ আলফালৈ যাত্ৰাই বিভিন্ন প্ৰশ্নৰ উদ্ৰেক ঘটাইছে। এনে বিভিন্ন মতামতেৰে আজিৰ এই শিতান।

*শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা, বিবেক বড়া।*

# আলফালৈ কিয় গৈছে?

## যথেষ্ট দুখ পাই উভতি আহিবলৈ বাধ্য হ'ব

■ **পল্লৱ ভট্টাচাৰ্য,** অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধান (বিশেষ শাখা) আৰু প্ৰাক্তন অধ্যক্ষ, অসম লোকসেৱা আয়োগ



**সমগ্ৰ** বিশ্বৰ লগতে দেশত তথা অসমতো ক'ভিড-১৯ৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিত প্ৰায়বিলাক ব্যৱসায়-বাণিজ্য বন্ধ হ'ল। অসমৰ শিক্ষিত যুৱচামৰ জীৱিকাৰ সমস্ত পথ বন্ধ হোৱাৰ দৰে হ'ল। ক'ভিড-১৯ ক্ৰমশঃ যেতিয়া নাইকিয়া হ'বলৈ ধৰিলে তেতিয়া লাহে লাহে পুনৰ ব্যৱসায়-বাণিজ্য আৰম্ভ হ'বলৈ ধৰিলে। এই সময়তে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লোকে এই পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি জীৱন-জীৱিকা পুনৰ সুস্থিৰ কৰিবলৈ সক্ষম হয়। অসমত আমাৰ মানুহখিনিয়ে ভালদৰে সেই সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে। ফলস্বৰূপে অধিকাংশ যুৱক-যুৱতীৰে জীৱিকা নোহোৱাৰ দৰে হ'ল। তেওঁলোক যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ল, কিয়নো হাতত নাই উপাৰ্জন। পিতৃ-মাতৃ আৰু ঘৰখনৰ ওপৰতে নিৰ্ভৰশীল হৈ এইসকল যুৱক-যুৱতীয়ে জীৱন নিৰ্বাহ কৰিবলগীয়া হ'ল। এনেবোৰ কাৰণতে তেওঁলোকে দেখিলে যে ভাল জীৱন যাপন কৰিবলৈ হ'লে এনে কিছু কাম কৰিব লাগিব যাতে ৰাইজৰ নজৰলৈ আহিব পাৰে। যিহেতু তেওঁলোকৰ উপাৰ্জনৰ সমস্ত পথ বন্ধ হৈ পৰিল সেয়েহে এই ল'ৰা-ছোৱালীবিলাকে এই পথটো বাছি ল'লে। এই পথত থাকিলে কথাটো এনেকুৱা হয় যে মাজতে দুই-এটা ডাঙৰ ধৰণৰ ঘটনা সংঘটিত কৰিলে বা আজি-কালি সামাজিক মাধ্যমত এই সম্পৰ্কীয় ইমান বেছিকৈ প্ৰচাৰ হয় যে তেওঁলোক একো একোজন হিৰো হৈ পৰে। অথচ একে সময়তে তেওঁলোকে ভাবি নাচায় যে ভৱিষ্যতে কি হ'ব। এনএছচিএন (আই-এম) বা এনএছচিএন, যাক উগ্ৰপন্থাৰ মাতৃ বুলি কোৱা হয়, সেই এনএছচিএন ইমান শক্তিশালী হোৱাৰ পাছতো আৰু চীনৰ স'তে যোগাযোগ থকাৰ পাছতো তেওঁলোকে শেষত শান্তি আলোচনালৈ আহিবলগীয়া হ'ল।

মই ভাবো যে এই ক্ষেত্ৰত চৰকাৰৰ যথেষ্টখিনি দায়িত্ব আছে। মনকৰিবলগীয়া যে উপাৰ্জনক্ষম মানুহৰ সংখ্যা আমাৰ দেশত পৃথিৱীৰ আন ঠাইতকৈ বেছি, অৰ্থাৎ আমাৰ ইয়াত উপাৰ্জনক্ষম যুৱক-যুৱতীৰ সংখ্যা অধিক। উপাৰ্জনক্ষম মানে ৬০ বছৰ বয়স পৰ্যন্ত লোকক ধৰা হয়। এই পৰিসংখ্যা ভাৰতত পৃথিৱীৰ ভিতৰতে বেছি। আমাৰ ইয়াত দক্ষতা-উন্নয়নৰ বাবে যিসমূহ কাৰ্যসূচী বা আঁচনি লোৱা হৈছে তাক চৰকাৰে সঠিকভাৱে পৰিচালনা কৰিব পৰা নাই যেন লাগে। যুৱক-যুৱতীসকলক যদি এই ধৰণৰ দক্ষতা আৰু নিয়োগৰ কাৰ্যসূচীত নিয়োজিত কৰিব পাৰিলেহেঁতেন তেন্তে তেওঁলোক আলফালৈ নগ'লহেঁতেন আৰু এক উৎপাদনমুখী জীৱন গ্ৰহণ কৰি অসমৰ অৰ্থনৈতিক উন্নয়নত অৱদান আগবঢ়াব পাৰিলেহেঁতেন। গতিকে মই ভাবো যে এই ক্ষেত্ৰত চৰকাৰৰ এক বৃহৎ দায়িত্ব আছে। মই ভাবো যে জীৱিকাহীন হোৱাৰ বাবে আৰু নিবনুৱা সমস্যাৰ বাবে এই ল'ৰা-ছোৱালীবোৰ উগ্ৰপন্থী সংগঠনলৈ গৈছে। তেওঁলোকক যদি আমি উৎপাদনক্ষম হিচাপে ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। সেয়েহে আমাৰ দক্ষতা উন্নয়ন মিছনত চৰকাৰে অধিক জোৰ দিব লাগে যাতে এইসকলক নিয়োজিত কৰিব পাৰো। ইয়াৰ দ্বাৰা ৰাজ্যৰো অৰ্থনৈতিক উন্নয়ন সাধন হ'ব। দৰাচলতে যুৱ বয়সত ল'ৰা-ছোৱালীবিলাকে পৰিশ্ৰম কৰিবলৈ ভাল পায়। সেই সময়ত তেওঁলোকক উৎপাদনশীল কামত নিয়োজিত কৰিব পাৰিব লাগে। অসমত দক্ষতা উন্নয়ন মিছন একেবাৰে ব্যৰ্থ হৈছে। পূৰ্বৰ দায়িত্বৰতজন এতিয়া ৰাজ্যৰ বাহিৰলৈ গ'ল। সম্প্ৰতি পুনৰ এজন ভাৰতীয় আৰক্ষী সেৱা বিষয়াক দায়িত্ব দিয়া হৈছে। মই ভাবো তেওঁ যদি ভালদৰে কাম কৰে তেন্তে আমি এই ক্ষেত্ৰত যথেষ্টখিনি আগবাঢ়িব পাৰিম।

এনে তৰুণে উগ্ৰপন্থী সংগঠনলৈ গ'লে খোজ কাঢ়ি চুবুৰীয়া ম্যানমাৰলৈ যাব লাগে আৰু দুৰ্গম অঞ্চল ভেদ কৰি যাব লাগে। ইয়াত তেওঁলোকে ৰোমাঞ্চকৰ শিহৰণ অনুভৱ কৰে। তেওঁলোকৰ এই ৰোমাঞ্চকৰ অনুভৱ সামাজিক মাধ্যমৰ জৰিয়তে অসমৰ চাৰিওফালে মানুহে গম পাব আৰু নিশ্চিতভাৱে সম্প্ৰতি উগ্ৰপন্থী সংগঠনত যোগদান কৰা পাঁচজন যুৱক-যুৱতীৰ বিষয়ে অসমৰ সকলো মানুহে জানে। সামাজিক মাধ্যমৰ জৰিয়তে এই বিষয়টো ভাইৰেল হৈ গৈছে। তৰুণ বয়সত এইদৰে নিজকে জাহিৰ কৰাৰ এটা চাঞ্চল্য থাকে। অথচ তেওঁলোকে ভাবি নাচায় যে এইবোৰ পন্থাই পৰিশেষত তেওঁলোকক কোনো সহায় নকৰে। সকলোৰে মাজত পৰিচিত হোৱা অথবা নিজকে হিৰোৰূপে প্ৰতিষ্ঠা কৰাৰ মনোভাবেৰে তেওঁলোক গৈছে; কিন্তু মই সম্পূৰ্ণ নিশ্চিত যে তেওঁলোকে কিছুদিনৰ পাছত যথেষ্ট দুখ পাব আৰু ঘূৰি আহিবলৈ বাধ্য হ'ব।

অলপতে আমাৰ বিদ্ৰোহী সংগঠনৰ বহু যুৱকে শান্তিৰ পথলৈ প্ৰত্যাৱৰ্তন কৰিছে। তেওঁলোককো দক্ষতা মিছনৰ জৰিয়তে নিজৰ ভৰিত নিজে থিয় দিব পৰাকৈ চৰকাৰে সহায় কৰিব লাগে। তেতিয়াহে বাস্তৱ ফল লাভ কৰিব পৰা যাব। মই ভাবো একোখন জিলাত আত্মসমৰ্পণ কৰা অথবা মূলসুঁতিলৈ ঘূৰি অহা এইসকল যুৱকৰ নিয়োজনৰ বাবে দক্ষতা মিছনৰ জৰিয়তে জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক দায়বদ্ধ কৰিব লাগে। যাতে তেওঁলোকে উপযুক্ত প্ৰশিক্ষণ গ্ৰহণ কৰি নিজ নিজ স্থানত কৰ্মত নিয়োজিত হয়। এনে যুৱক-যুৱতীসকল জীৱনত প্ৰতিষ্ঠিত হ'লে স্বাভাৱিকতে আন বহুতৰে বাবে তেওঁলোক এক উদাহৰণ হৈ পৰিব। এনে কৰিলে ভৱিষ্যতলৈ আমি এক অত্যন্ত ইতিবাচক ফল আশা কৰিব পাৰো।

## মূল বিষয়ৰ মীমাংসা যেতিয়ালৈ নহ'ব তেতিয়ালৈ এই যাত্ৰা অব্যাহত থাকিব

■ **মৃণাল হাজৰিকা,** আলফা



**আপোনালোকৰ** প্ৰশ্নটো হ'ল যে আলফা বৰ্তমান নিশকতীয়া হৈছে আৰু সেই গ্লেমাৰো নাই। চৰকাৰে ইতিমধ্যে কৈছে যে আলফা আগতকৈ যথেষ্ট দুৰ্বল হৈ গ'ল। তাৰ পাছতো আলফা (স্বাধীন)লৈ ল'ৰা কিয় গৈ আছে? মোৰ দৃষ্টিভংগীৰে ইয়াৰ কাৰণ কে'বাটাও। প্ৰথম কথাটো হ'ল, আলফাৰ যি লক্ষ্য আৰু যি দৰ্শন, ই এটা অবিৰত যাত্ৰা। সংবাদ মাধ্যম বা বুদ্ধিজীৱীসকলে কৈ থকাৰ নিচিনাকৈ ই আলফাৰ সমস্যাও নহয়। ই কোনো আইন-শৃংখলাজনিত বিষয় নহয়। এইটো হ'ল এটা ঐতিহাসিক সত্য আৰু যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত দৰ্শন। গতিকে ইয়াৰ মীমাংসা যেতিয়ালৈ নহ'ব তেতিয়ালৈ এই যাত্ৰা অব্যাহত থাকিব। এটা চাম মৰিব, এটা ওলাই যাব বা বিভিন্ন ঘাত-প্ৰতিঘাত থাকিব, অথচ তাৰ মাজতো কিন্তু এই যাত্ৰা অব্যাহত থাকিব। কিদৰে জম্মু-কাশ্মীৰৰ বিষয়টো আজি ৭৫ বছৰে চলি আছে, নগাৰ জাতীয় বিষয়টো আজি ৭০-৭৫ বছৰৰ পাছতো চলিয়ে আছে। একে ধৰণে আলফাৰ বিষয়টো এটা অবিৰত যাত্ৰা। ইয়াৰ শেষ কেতিয়াও হ'ব নোৱাৰে আৰু চৰকাৰেও কোনোপধ্যে শেষ কৰিব নোৱাৰে।

ইয়াৰ পাছত দুই নম্বৰ বিষয়টো হ'ল যে এই মূল বিষয়টোক লৈ যিসকল সচেতন, নতুন প্ৰজন্মৰ যিসকলে কথাখিনি সঠিকভাৱে উপলব্ধি কৰে, খুব কম সংখ্যক। ধৰক, এশজনৰ ভিতৰত দুই-চাৰিজনেহে সম্পূৰ্ণ বিষয়টো উপলব্ধি কৰি এই দিশত আগবাঢ়ি যায়। সেই ক্ষেত্ৰত এতিয়াও আলফা (স্বাধীন)ত যিসকলে যোগদান কৰি আছে তাৰে হয়তো নগণ্য সংখ্যক থাকিব পাৰে যিসকলে এই কাৰণটো অনুধাৱন কৰি আগবাঢ়ি গৈছে।

ভাৰত ৰাষ্ট্ৰ আৰু ইয়াৰ চৰকাৰী ব্যৱস্থা অসমৰ ৰাইজৰ কাৰণে পূৰ্বতেও কেতিয়াও বিশ্বাসযোগ্য নাছিল আৰু এতিয়াও হৈ থকা নাই। কাৰণ আলোচনা কৰিম বুলি মাতি আনি ইয়াৰ শেষৰ পৰিণতি কি হয় সেয়া অন্ততঃ নৱপ্ৰজন্মই দেখি আছে। একেষাৰে ক'বলৈ গ'লে সম্প্ৰতি চলি থকা আলফাৰ আলোচনা প্ৰক্ৰিয়াই ১০ বছৰ অতিক্ৰম কৰিলে। ইয়াৰ মীমাংসা এতিয়ালৈ হোৱা নাই। এনএছচিএনৰ আলোচনাৰ প্ৰসংগ আজি ২৭-২৮ বছৰ একো নহ'ল বা হোৱাৰ দিশতো গৈ থকা নাই। এই কথাবিলাক নৱপ্ৰজন্মই দেখিছে। আলোচনাৰ জৰিয়তে যে কিবা মীমাংসা হ'ব সেই বিশ্বাসটো হেৰুৱাই পেলাইছে। ফলত নৱপ্ৰজন্মৰ একাংশই এতিয়াও আলফা (স্বাধীন)ৰ সংগ্ৰামত যোগদান কৰিবলৈ গৈছে।

তিনি নম্বৰ কাৰণটো হ'ল— বৰ্তমানৰ যি আৰ্থ-সামাজিক ব্যৱস্থা, লাখ লাখ নিবনুৱাৰ যি সমস্যা, সংস্থাপনহীন অৱস্থা, এই গোটেই কথাখিনিৰ ফলত উপায়হীন হৈ সৰহ সংখ্যক যুৱক-যুৱতী বা নৱপ্ৰজন্মই এই পথলৈ গৈছে। মূলতঃ এই কাৰণ কেইটাৰ ওপৰত ভিত্তি কৰিয়ে দৰাচলতে এতিয়াও আলফা (স্বাধীন)ত যোগদান কৰি আছে। এইটো কেতিয়াও শেষ নহয়। ৰাজনৈতিক বিষয়টোৰ যেতিয়ালৈকে ৰাজনৈতিকভাৱে মীমাংসা নহ'ব, অসমৰ মুক্তিকামী খিলঞ্জীয়া ৰাইজৰ গ্ৰহণযোগ্য সমাধান নোহোৱা পৰ্যন্ত এই যাত্ৰা অব্যাহত থাকিব। ইয়াত কোনো চৰকাৰে আইন-শৃংখলাজনিত কাৰণ বুলি কৈ হওক বা গ্লেমাৰাছ এক পথ বুলি কোৱা অথবা আলফাৰ সমস্যা বুলি কৈ অথবা নিবনুৱাৰ সমস্যা বুলি কৈ অৰ্থাৎ যি ধৰণে সাব্যস্ত কৰিবলৈ নিবিচাৰক কিয়, ইয়াৰ মীমাংসা কেতিয়াও হ'ব নোৱাৰে, যেতিয়ালৈকে নতুন নতুন সদস্য অন্তৰ্ভুক্তি হৈ থাকিব। মোৰ দৃষ্টিত এইকেইটাই মূল বিষয়।

## সমস্যাৰ সমাধান নহ'লৈ এচাম আহিব এচাম যাব

■ **মনোৰঞ্জন কলিতা,** ব্যৱসায়ী

তথাকথিত গণতান্ত্ৰিক আন্দোলনৰ বিফলতাৰ পটভূমিতেই অসমত সশস্ত্ৰ জাতীয় সংগ্ৰামৰ জন্ম হৈছিল আৰু আজিও এই ধাৰা কম বেছি পৰিমাণে হ'লেও অব্যাহত আছে। চৰকাৰী ব্যৱস্থাৰ লগতে আমাৰ সমাজ ব্যৱস্থাৰ প্ৰতি মোহভংগ হৈও বহুতে এই সংগ্ৰামত চামিল হৈ আহিছে। নিজৰ ভাষা-সংস্কৃতি, ধৰ্ম, আৰু ভূমিৰ ওপৰত বহিৰাগতৰ দখলদাৰী মনোভাৱ আৰু অসমীয়াই নিজকে অস্তিত্বহীন হোৱাৰ ভয়তো বহু লোকৰ মনত জাতীয়তাবাদী ভাৱধাৰাৰ উমি উমি জ্বলি উঠা জুই কুৰাই শেষৰফালে গৈ সশস্ত্ৰ সংগ্ৰাম প্ৰতি আকৰ্ষণ কৰে। ভাষা আন্দোলন, অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা আন্দোলন, কা বিৰোধী আন্দোলন আদিৰ অসফল সমাপ্তি আৰু বিফলতাইও বহুতৰ মনত নতুনকৈ প্ৰচলিত ব্যৱস্থাৰ প্ৰতি ঋণাত্মক চিন্তাৰ জন্ম দি আহিছে। চৰকাৰী বঞ্চনাইও বহুতক সশস্ত্ৰ পন্থাৰ প্ৰতি আকৰ্ষিত কৰি আহিছে। চৰকাৰী আঁচনিয়ে জনতাৰ এক বিশাল অংশক আজিও চুবগৈ পৰা নাই। নিজৰ যৌৱন জীৱনকো তুচ্ছ কৰি বন্দুকৰ গুলিকো আওকাণ কৰি, নিজৰ সুখ স্বাচ্ছন্দ্যৰ জীৱন পৰিত্যাগ কৰি, হাবিয়ে জংঘলে দিন ৰাতি একাকাৰ কৰি নৱ প্ৰজন্মই আজিও এই কণ্টকাকীৰ্ণ পথ আঁকোৱালি লৈ নিশ্চিত মৃত্যুকো হেলাৰঙে সাৱটি লোৱাৰ কাৰণবোৰ আমি এনেদৰ বিশ্লেষণ কৰি শেষ কৰা সম্ভৱ নহয়। এনে এক ৰক্তাক্ত পটভূমিৰ প্ৰায় ৪৩ টা বছৰ পাৰ হৈ গল, প্ৰায় ১৫ হেজাৰৰো অধিক অসমীয়া যুৱক-যুৱতীৰ মৃত্যু হ'ল। কিন্তু আজিও চৰকাৰে সন্মানজনকভাৱে এই কথাবোৰৰ শিপা উলিওৱাৰ প্ৰয়াস কৰা দেখা নগ'ল। দেশত অধিক সময় কংগ্ৰেছে শাসন চলালে; কিন্তু অসমীয়াৰ আৱেগ অনুভূতিক প্ৰাধান্য নিদিলে। আজিৰ ৰাজ্য চৰকাৰৰো মূল আসনত এজন বিচক্ষণ অসমীয়া। তেওঁৰ ওপৰত এতিয়া সকলোৰে আশা—জানোচা চাৰি দশকজোৰা এই সমস্যাটোক এক সন্মানজনক অৱস্থাত আলোচনাৰ মাধ্যমেৰে সমাধানৰ কিবা সূত্ৰ উলিয়াইয়েই। কথাবোৰ শুনিবলৈ বৰ কঠিন যদিও আজিৰ সময়ত বিদেশী বহিৰাগতৰ আগ্ৰাসনমুখী মনোভাৱ, অবাধ হাৰত শ শ বিঘা খেতিৰ মাটি পানীৰ দৰত ক্ৰয় কৰি বহিৰাগতৰ ভূসাম্ৰাজ্যৰ বিস্তাৰ, হাট-বজাৰৰ পৰা আৰম্ভ কৰি বিত্তীয় প্ৰতিষ্ঠানলৈকে অসমীয়া মাতৃভাষাৰ শৰাধ, প্ৰতিটো সমস্যা সমাধানৰ বাবে ৰাজপথত আন্দোলন কৰিব লগা হোৱাৰ পৰিৱেশ আদিয়েও বহুতক সশস্ত্ৰ পন্থালৈ আকৰ্ষিত কৰি তুলি আহিছে একাংশক। চৰকাৰী কৰ-কাতলৰ অত্যাচাৰ, নিবনুৱা সমস্যা, ব্যক্তিগত মত প্ৰকাশৰ স্বাধীনতাক দমন আদিও একো একোটা কাৰকত পৰিণত হয় বুলি ভাবো। অসমৰ বিদ্যালয়সমূহত বহিঃৰাজ্যৰ শিক্ষক নিযুক্তিৰ দৰে কামবোৰে থলুৱা নিবনুৱাসকলক হতাশাগ্ৰস্ত কৰি তোলাও পৰিলক্ষিত হয়। প্ৰাকৃতিক সম্পদত চহকী আন আন ৰাজ্যৰ তুলনাত অসমৰ বৰ্তমানৰ আৰ্থিক অৱস্থা 'বিদেশী বেংকৰ পৰা লোৱা ঋণৰ বোজা' বিশ্লেষণ কৰিও বহুতৰ মনত আমি যে শোষিত, বঞ্চিত এই ভাৱৰ উদয় হয় আৰু যাৰ পৰিণতিতেই সেইসকলৰ মন মগজুয়ে আন কিবা এক পন্থা বিচাৰি শেষত সশস্ত্ৰ সংগ্ৰামকে ইয়াৰ বিকল্প হিচাপে গ্ৰহণ কৰে। বুৰঞ্জীপ্ৰসিদ্ধ অসমীয়া জাতিৰ ইতিহাসক স্বীকাৰ কৰিও বহু মেধাৱী যুৱক-যুৱতীয়ে আজি প্ৰায় চাৰিটা দশকে এই সশস্ত্ৰ জাতীয় সংগ্ৰামখনত যোগদান কৰি আহিছে। অসমৰ নিজৰ সম্পদসমূহ অসমতেই ব্যৱহাৰ কৰি ইয়াৰ সুফল অসমীয়াইয়েই লাভ কৰক এই যুক্তিৰ বাবেও বহু বৌদ্ধিক লোকে নৈতিকভাৱে হ'লেও এনে সশস্ত্ৰ কাৰ্যকলাপৰ পৰিৱেশৰ সমৰ্থন কৰি



অহা দেখা যায়। যি পটভূমিত আলফাৰ জন্ম হৈছিল সেই পটভূমিৰ সঠিক বিশ্লেষণ কৰি তাৰ আশু সমাধান নকৰা পৰ্যন্ত আমি যিমানেই চেষ্টা নকৰো কিয় তাক শেষ কৰিব নোৱাৰো। এচাম আহিছে আৰু এচাম গৈছে—এই ধাৰাটো ধাৰাবাহিকভাৱে প্ৰায় ৪০ টা বছৰে চলিয়েই আহিছে। গতিকে মুখ্যমন্ত্ৰীক আহ্বান জনাওঁ যে তেওঁৰ প্ৰচেষ্টা আৰু আন্তৰিক চিন্তাৰে আজি ৪০ টা বছৰে কোনো এখন চৰকাৰে সমাধানৰ বাবে আগবাঢ়ি নহা স্বাভিমানী অসমীয়াৰ স্বাভিমানক গুৰুত্ব প্ৰদান কৰি এই সমস্যাৰ সঠিক সমাধানৰ ৰাস্তা উলিয়াই নিজকে এজন যোগ্য অসমীয়া হিচাপে চিনাকি দি যুগ যুগান্তৰলৈ এজন সফল, কৰ্মদক্ষ মুখ্যমন্ত্ৰী হিচাপে নিজৰ নাম ইতিহাসত লিপিবদ্ধ কৰাৰ সুযোগ গ্ৰহণ কৰিব বুলি সকলোৰে আশা কৰি আছে। যাৰ পৰিণতিত পৰেশ বৰুৱা এক আশাৰ ৰেঙণি দেখা পোৱাৰ ইংগিত প্ৰদান কৰি যুদ্ধবিৰতিৰ পথ গ্ৰহণ কৰিছিল। ৰাজনৈতিক ক্ষেত্ৰখনত অনা-অসমীয়াৰ পয়োভৰে ভৱিষ্যতে জাতিটোৰ প্ৰতি যে সংকট আনিব তাৰ বাবেও বহুতে শংকিত হৈ পৰি বিকল্প ৰাস্তাৰ সন্ধান কৰিছে। অসমীয়া ভাষাটোকেই ক'ব নজনা বহিঃৰাজ্যৰ আমদানিকৃত ব্যক্তিয়ে নিৰ্বাচন জিকি অসমীয়াকে শোষণ কৰিব সেই কথা বহুতে অন্তৰেৰে স্বীকাৰ কৰিব নোৱাৰে আৰু যাৰ পৰিণতিত এদিন বিকল্প পথৰ সন্ধান কৰি সশস্ত্ৰ সংগ্ৰামৰ প্ৰতি আকৰ্ষিত হৈ পৰে বুলিও ভাবিব পাৰি।

## প্ৰকৃত বাস্তৱৰ বিষয়ে নজনাকৈয়ে বহুতে জটিল পথ লয়

■ **প্ৰশান্ত কুমাৰ বৰা,** অভিনেতা-পৰিচালক



**বহু** সময়ত যৌৱনৰ আৰম্ভণি অৱস্থাত মানুহৰ কিছু কল্পনা থাকে। জগতখনৰ সকলো কথাই ৰঙীন দৃষ্টিৰে চোৱাৰো এক প্ৰৱণতা থাকে। সেয়ে তৰুণ তেজেৰে কিছুমান বিপদজনক পথত আগবঢ়াটোও বৰ আচৰিত কথা নহয়। আলফালৈ এতিয়া নতুনকৈ একাংশ যুৱক যোৱা বুলি আমি বাতৰি কাকতত পঢ়িবলৈ পোৱাৰ পাছত এনে এক ধাৰণা আহিছে। কাৰণ, আলফাৰ সেই জনপ্ৰিয়তা বা পৰিৱেশৰ অনুকূলতা বৰ্তমান নাই। কিন্তু আলফাৰ সন্দৰ্ভত বাহিৰৰ পৰা শিবিৰত থকা সদস্যসকলৰ জীৱনযাত্ৰাকো এক এডভেন্সাৰ বুলিও বহুতে ধাৰণা কৰিব পাৰে। সেই বাবেও হয়তো মোহাচ্ছন্ন কৰিছে একাংশ নৱপ্ৰজন্মক। পঢ়া-শুনা কৰি চাকৰি বা ব্যৱসায় কৰিবলৈ অক্ষম একাংশ ডেকা শক্তিয়ে হয়তো ভাবি লয় যে নিষিদ্ধ সংগঠনত যোগদান কৰিলেই তেওঁলোকৰ জীৱনটো এটা গতিত চলি যাব। অন্ততঃ তেওঁক আলফা বুলি মানুহে চিনি পাব। কিন্তু বাস্তৱত এই জীৱন কিমান মসৃণ? কি পাব? কি হেৰুৱাব সেয়া তেওঁলোকৰ চিন্তাৰ বাহিৰত। বহুতে আকৌ বন্দুক বাৰুদ চলোৱাৰ অৰ্থাৎ অস্ত্ৰৰ প্ৰতি থকা দুৰ্বলতাৰ বাবেও এনে পথ ল'ব পাৰে। এইসকলে আশা বা ফূৰ্তিত আলফা হ'বলৈ ইচ্ছা কৰে, কিন্তু প্ৰকৃততে আলফাৰ লক্ষ্য আৰু উদ্দেশ্যৰ সম্পৰ্কে তেওঁলোকৰ মোৰ বোধেৰে প্ৰকৃত জ্ঞান নাই। গতিকে নৱপ্ৰজন্মই এইধৰণৰ চিন্তা-চৰ্চা মনৰ পৰা দূৰ কৰি নিজে কিবা এটা কৰাৰ সৎ চিন্তাৰে আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে। সন্ত্ৰাসবাদ কেতিয়াও কাম্য হ'ব নালাগে। সকলো মানুহৰে মৃত্যু মানুহৰ দৰেই হওঁক। জংঘলৰ পশুক হত্যা কৰাৰ দৰে মানৱ জীৱনৰ হত্যা নহওঁক। আলফাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত অধ্যয়ন কৰক। বুজক আৰু বুজিবলৈ চেষ্টা কৰক। তাৰ পিছত সিদ্ধান্ত লওঁক আলফাত যোগদান কৰি লক্ষ্য আৰু উদ্দেশ্য সফল কৰিবলৈ সম্ভৱ হ'ব নে? ইতিহাসে কি কৈ গৈছে জানিবলৈ চেষ্টা কৰি নৱপ্ৰজন্মই নিষিদ্ধ সংগঠনৰ সদস্য হ'ব লাগে নে নালাগে বিবেচনা কৰক। আবেগবৰ্জিত সিদ্ধান্তৰে একোটা ঋণাত্মক পথ গ্ৰহণ কৰাৰ পৰিণতি সকলোৰে বাবেই বিপদজনক হয়।

## পথ খোলা আছে বাবেই সশস্ত্ৰ সংগঠনত যোগ দিয়া লোকো আছে

■ **অৰূপ কলিতা,** সাংবাদিক

**সমাজ,** দেশ গঠনৰ লগে লগে শক্তিনিৰ্ভৰ শাসন ব্যৱস্থাই গঢ় লোৱাৰ পাছৰে পৰাই ইয়াৰ সুৰক্ষা অথবা ইয়াৰ বিৰোধিতাৰে সশস্ত্ৰ ব্যৱস্থাই কাৰ্যকৰী হৈ আহিছে। ক্ষমতাৰ বাবে সংঘটিত এনে ব্যৱস্থালৈ সময়ৰ লগে লগে সলনি আহিল আৰু পৰৱৰ্তী সময়ত গণতান্ত্ৰিক চিন্তাধাৰাৰ প্ৰসাৰৰ উপৰি সৰ্বসাধাৰণৰ মাজত যিকোনো প্ৰাপ্য আদায়ৰ ক্ষেত্ৰত গঢ় লৈ উঠা আন্দোলনত অহিংস আৰু হিংসাত্মক দুটা পৃথক পথৰো উন্মেষ ঘটিল। ৰাজতন্ত্ৰৰ পৰা বৰ্তমানলৈকে শাসক-বিৰোধী যি বিদ্ৰোহ নতুবা আন্দোলন হৈছে ইয়াত এই দুয়োটা পন্থাৰেই সহায় লোৱা দেখা গৈছে। অসমৰ ইতিহাসতো এয়া ঐতিহাসিক সত্য। যিকোনো বিষয়ক লৈয়েই নহওঁক কিয়, অসম বুৰঞ্জীত যেনেদৰে শাসকৰ দমন নীতিৰ বীভৎস উদাহৰণ আছে ঠিক একেদৰে ৰজাৰ বিৰুদ্ধেও জনসমুদায়ে অস্ত্ৰ তুলি লোৱা উদাহৰণ আছে। এনে একাধিক বিদ্ৰোহে অসম বুৰঞ্জীত স্থান লাভ কৰিছে। ইয়াৰ পাছৰ পৰ্যায়ত ইংৰাজ শাসনৰ বিৰুদ্ধে হোৱা আন্দোলনৰ ক্ষেত্ৰতো অসমত সশস্ত্ৰ কাৰ্যকলাপ সংঘটিত হৈছিল। এই সময়ৰ বহু সশস্ত্ৰ বিপ্লৱী পৰৱৰ্তী সময়ত দেশবাসীৰ বাবে পূজ্য হৈছে। আনকি এনে বিপ্লৱীৰ বিপৰীতে ৰাজনৈতিক মতবিৰোধ থকাৰ বাবেই বিশ্ববন্দিত মহাত্মা গান্ধীৰ হত্যাকাৰীকো এতিয়া পৃথক দৃষ্টিৰে চোৱাৰ চেষ্টা কৰা হৈছে। একেদৰেই অসমত নক্সাল আন্দোলনেও তাহানিতেই স্পৰ্শ কৰিছিল। অবৈধ বিদেশী বহিষ্কাৰৰ দাবীত হোৱা আন্দোলনৰ সময়ত এপিএলএৰ দৰে সংগঠনেও কাম কৰিছিল। গতিকে, একোটা আন্দোলনত সশস্ত্ৰ কাৰ্যকলাপ সংঘটিত হোৱাৰ আৰম্ভণি অসমত কেৱল আলফাই নহয়। দেশৰ উত্তৰ পূৰ্বাঞ্চলত ঐতিহাসিক পটভূমিতেই অসংখ্য সশস্ত্ৰ সংগঠনৰ জন্ম হৈছে। আলফাৰ উত্থানে ৰাজ্যত সশস্ত্ৰ সংগঠনৰ পৰিচয়টো বহুলভাৱে প্ৰতিষ্ঠা কৰিলে। তাৰ পিছৰ দীঘলীয়া ৰক্তাক্ত ইতিহাস কাৰোবাৰ বাবে শোকৰ, কাৰোবাৰ বাবে গৌৰৱৰ, কাৰোবাৰ বাবে ক্ষতিৰ আৰু কাৰোবাৰ বাবে আৱেগৰ হ'ব পাৰে, কিন্তু এটা কথা ঠিক যে ৰাজ্যত এটা দীঘলীয়া সশস্ত্ৰ ধাৰাৰ আৰম্ভণি আলফাৰ দ্বাৰাই ঘটিল যি আজিলৈকে অব্যাহত আছে। শেহতীয়াকৈ আৰক্ষী আৰু চোৰাংচোৱাৰ তথ্যত কোৱা হৈছে যে পুনৰ আলফাত বহু যুৱকে যোগদান কৰিছে। অঞ্চলভেদে সেয়া হ'ব পাৰে। কিন্তু যি মাত্ৰাত বুলি এই কথা কোৱা হৈছে সেই লৈ সন্দেহৰো অৱকাশ আছে। ইয়াত বহু কথা জড়িত হৈ আছে। সেনা বাহিনীৰ বিশেষ ক্ষমতা আইনখন আজিও ৰাজ্যত প্ৰযোজ্য হৈ থকাত চৰকাৰী সশস্ত্ৰ নিৰাপত্তা বাহিনীৰ বাবেও বহু সুবিধা মুকলি হৈ থাকে। যোৱা ২০ বছৰত এই আইনৰ গইনা লৈয়ে বহু উগ্ৰপন্থী বিৰোধী অভিযান চলিছে য'ত আনকি উদ্ধাৰ হোৱা প্ৰকৃত ধনৰ পৰিমাণতকৈ বহু কম পৰিমাণৰ ধন উদ্ধাৰ হোৱা বুলিও ৰাজহুৱাভাৱে প্ৰকাশ কৰা হয় বুলিও গুৰুতৰ অভিযোগ উঠিছে। ইয়াৰ উপৰি থাকে উগ্ৰপন্থী বিৰোধী অভিযানৰে জড়িত নিৰাপত্তা বাহিনীৰ লোকৰ অতিৰিক্ত ভাট্টা আদিৰ বিষয়সমূহ। গতিকে যদি উগ্ৰপন্থী সমস্যাটো গুৰুতৰভাৱে প্ৰতিষ্ঠা কৰিব পৰা নাযায়, তেতিয়া উগ্ৰপন্থী বিৰোধী বহুতৰে আকৌ সান্দহ খোৱা বালিও ডুব যোৱাৰ সম্ভাৱনা বহু। এনে কাৰণতে উগ্ৰপন্থীৰ বিৰুদ্ধে শান্তিৰক্ষকেও আকৌ ভুৱা সংঘৰ্ষৰো নাটক ৰচনা কৰে। এয়া অপ্ৰিয় কিন্তু সত্য। সশস্ত্ৰ পন্থা নতুবা আলফাক সমৰ্থন সকলোৱে নকৰিলেও একাংশই কৰাটো কোনো আচৰিত কথা নহয়। সশস্ত্ৰ পন্থাত বৰ্তমান আলফা এটা নামহে। অসমত আৰু এনে উগ্ৰপন্থী সংগঠন আছে। কাইলৈ আলফা সমূলঞ্চে নোহোৱা হৈয়ো পৰিব পাৰে আৰু বিৰতিৰ পাছত কোনো নতুন নামৰ সংগঠনৰো একেই পন্থাৰে জন্ম হ'ব পাৰে। বিষয়টো হৈছে আলফা বা সশস্ত্ৰ সংগঠনৰ প্ৰতি বৰ্তমানেও একাংশ লোক আকৰ্ষিত হৈছে কিয়। সহজ উত্তৰটো হ'ল যিহেতু এই সংগঠন আছে গতিকে কমকৈ হ'লেও কোনোবাই যোগদান কৰিব পৰা সুযোগো আছে। তাতোকৈ তাৎপৰ্যপূৰ্ণ বিষয়টো হৈছে গণতান্ত্ৰিক আন্দোলন একোটাৰ ন্যায্য দাবী আৰু কাৰণ থাকিলেও বৰ্তমান ভীমৰতিত ভোগা শাসকৰ তেনে আন্দোলনৰ যুক্তিযুক্ততাক যুক্তিহীনভাৱে নাকচ কৰাৰ অনুৰ্বৰ মানসিকতা আৰু আন্দোলনৰ কাৰণ বা সমস্যাৰ অন্ত পেলোৱাৰ সলনি আন্দোলনক অৰ্থহীন বুলি কোৱা উপৰুৱা চিন্তাধাৰা। এটা কথা ঠিক যে আন্দোলনকাৰী নেতৃত্বই সৰ্বসাধাৰণক



পদে পদে বিশ্বাসঘাতকতা কৰিছে। আন্দোলনে বহু সমস্যাৰো উদ্ভৱ কৰিছে; কিন্তু আন্দোলনৰ বহু কাৰণ কোনোপধ্যেই উপেক্ষা কৰিব পৰা বিধৰ নহয়। উল্লেখযোগ্য যে আমাৰ দেশত আৰু ৰাজ্যত আন্দোলনক ৰাজনৈতিক ক্ষমতা দখলৰ জখলা হিচাপে গ্ৰহণ কৰা হয়। নেতা নিৰ্মাণ হয়। শাসকেও এনে আন্দোলনৰ নেতাক বিশ্বাসঘাতক ৰাজনীতিক হিচাপেই স্বাগতম জনোৱাৰ বাবেই সদা তৎপৰ হয় যাতে সমস্যা দেধাৰ হ'লেও, দিনে দিনে বৃদ্ধি পালেও ইয়াৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ কোনো আগবাঢ়ি নাহে। তাৰ বাবেও ব্যাপক আয়োজনৰে শাসকপক্ষৰ সুবিধা হোৱাকৈ প্ৰচাৰো চলোৱা হয় আৰু এতিয়া এনে উক্তি হকে বিহকে দিয়া লোকৰো সীমা সংখ্যা নাই। প্ৰকৃত আৰু গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ বিপৰীতে আন্দোলন আৰু আন্দোলনকাৰীক বিভাজন কৰি সমস্যাক সমস্যাৰূপেই জীয়াই ৰখা আৰু আন্দোলনক অৰ্থহীন তথা ক্ষতিকাৰক বুলিহে প্ৰতিপন্ন কৰা কাৰ্যৰে এই ধাৰাবাহিকতাৰ ইতি পৰিব বুলি ভবাটো এক বাতুলতা মাত্ৰ। তদুপৰি এটা কথাও নিশ্চিত যে ক্ষমতাকেন্দ্ৰিক ব্যৱস্থাত ক্ষমতাধিষ্ঠই আন্দোলনক বিৰোধিতা আৰু একেসকলেই ক্ষমতা হেৰুৱালে আন্দোলনতেই সাৰ্থকতা দেখি আহিছে। গতিকে গণতান্ত্ৰিক আন্দোলনক সন্মান প্ৰদৰ্শনৰ অনীহা, অৰ্থনৈতিক আৰু সামাজিক সমস্যাসমূহৰ লগতে সংস্থাপনহীনতা, দুৰ্নীতি আদিৰে ভৰি থকা ব্যৱস্থাৰ সমাধান নহ'লে সশস্ত্ৰ সংগঠনৰ জন্ম আৰু ইয়াত একাংশৰ যোগদানৰ প্ৰক্ৰিয়াটো বন্ধ নহয়। বিৰতিৰ অন্তৰে অন্তৰে ইয়াৰ পুনৰাবৃত্তি ঘটিব। সেয়া পাছত আমি একাংশৰ আৱেগ, হতাশা, অদূৰদৰ্শিতা, সহজ ধনৰ লালসা আদি যি বুলিয়েই নকওঁ কিয়।

## একাংশ লোকৰ উচটনিত ঢাপলি মেলিছে আলফালৈ

■ **প্ৰফুল্ল বৰ্মন,** অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক

**অসমত** নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। ৪০ লাখ শিক্ষিত নিবনুৱাই আজি কৰ্মসংস্থাপনৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। চৰকাৰে যদিও এক লাখ নিবনুৱাক কৰ্মসংস্থাপন দিব বুলি ঘোষণা কৰিছে তথাপি ৪০ লাখ নিবনুৱাৰ ভিতৰত এয়া তেনেই নগণ্য বুলি ক'ব পাৰি। সন্মুখত এন্ধাৰ ভৱিষ্যৎ দেখি হয়তো বহুতে কৰ্মসংস্থাপনৰ বিকল্প হিচাপে নিষিদ্ধ ঘোষিত আলফা (স্বাঃ)লৈ গমন কৰিছে। দ্বিতীয়তে বহুতো যুৱক-যুৱতীক এটা পক্ষই উচটনি দি আহিছে।


কৰ্মসংস্থাপনহীন এই যুৱক-যুৱতীসকলে তেনে উচটনিত নিজৰ বিবেকত প্ৰশ্ন কৰাতকৈ উচটনিৰ টৌত উটি গৈয়ো এনেদৰে সংগঠনটোলৈ যোৱা বুলিও ক'ব পাৰি। তৃতীয়তে একাংশ যুৱক-যুৱতীৰ মনত এনে এটি ধাৰণাৰ সৃষ্টি হৈছে যে তেওঁলোকে আলফা (স্বাঃ)ত যোগদান কৰি দুই-এবছৰ পাছত আত্মসমৰ্পণ কৰি আত্মসমৰ্পণকাৰীসকলে লাভ কৰা সা-সুবিধাৰে জীৱন-নিৰ্বাহ কৰিব পাৰিব। যিহেতু শেহতীয়াভাৱে চৰকাৰে আলফাৰ বিৰুদ্ধে বিশেষ অভিযান চলোৱা নাই, সেয়েহে এইসকল যুৱক-যুৱতীয়ে পৰৱৰ্তী সময়ত আত্মসমৰ্পণ কৰি মূলসুঁতিলৈ উভতি অহাৰ লগতে চৰকাৰী সা-সুবিধা লাভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। ঘৰত কেতেৰা-জেঙেৰা মাত শুনাতকৈ এনেধৰণৰ সংগঠনলৈ যোৱাটোৱে শ্ৰেয় বুলি একাংশই গণ্য কৰিছে। তদুপৰি ৰাজনৈতিকভাৱেও একাংশ যুৱক-যুৱতীক এনে কাৰ্যৰ প্ৰতি পৰোক্ষভাৱে উচটনি দিয়া বুলি ক'ব পাৰি। আন একাংশই আকৌ আলফা (স্বাঃ)ৰ সদস্যৰ দ্বাৰা প্ৰৰোচিত হৈ এনেদৰে



উগ্ৰবাদৰ পন্থা লৈছে। সেই সংগঠনটোত যোগদান কৰিলে ভালদৰে থকা-মিলা কৰিব পাৰিব বুলি এই যুৱক-যুৱতীসকলক সংগঠনটোৰ সদস্যসকলে প্ৰৰোচিত কৰিছে। শেষত এটা কথা উল্লেখ কৰিব পাৰি যে চৰকাৰ আৰু আলফা (স্বাঃ)ৰ মাজত আলোচনাৰ পথ মুকলিৰ বাবে চেষ্টা চলি থকা বুলি চৰ্চা হোৱাত একাংশ যুৱক-যুৱতীয়ে চৰকাৰ-আলফা (স্বাঃ)ৰ মাজত আলোচনা হ'লে চৰকাৰী তালিকাত অন্তৰ্ভুক্ত হৈ সুবিধা লাভৰ লগতে সমাজত প্ৰতিষ্ঠা হোৱাৰ বাবেও এইদৰে সংগঠনটোলৈ ঢাপলি মেলা বুলি ক'ব পাৰি।

## নিবনুৱা সমস্যাৰ অতিপাত বৃদ্ধিয়েও আলফালৈ যুৱক-যুৱতী গমন কৰাত সহায় কৰিছে


■ **ৰাণা কুমাৰ চাংমাই,** অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক



**অসমত** অতীজৰে পৰাই সকলো সচেতন মানুহৰ ধাৰণা যে কেন্দ্ৰই আমাক বঞ্চনা কৰে। অসমৰ সকলোবোৰ প্ৰাকৃতিক সম্পদ, বনজ সম্পদ, খনিজ সম্পদ সেইবোৰ কেন্দ্ৰই লৈ যায় আৰু কেন্দ্ৰই অসমখনক মাহীআইৰ দৃষ্টিভংগীৰে চায় আৰু এখন ঔপনিৱেশিক ধৰণে শাসন চলায় বুলি অসমত এক ধাৰণা আছে। যিহেতু ইয়ানণ্ডাবু সন্ধিখন হৈছিল আৰু সেইমতে দুশ বছৰলৈকে অসমখন ব্ৰিটিছৰ হাতলৈ গৈছিল, এতিয়া বহুতে ভাৱে যে ইয়ানণ্ডাবু সন্ধিৰ ম্যাদ উকলি গৈছে। উকলি যোৱাৰ পাছত অসমখন ভাৰতৰ লগত থাকিব নালাগে, ভাৰতৰ লগততো চুক্তি হোৱা নাছিল ব্ৰিটিছ আৰু ম্যানমাৰৰ লগতহে হৈছিল। বহুত মানুহে তেনেদৰে এতিয়াও ভাৱে আটাইতকৈ ডাঙৰ কথাটো হ'ল অসমত অতি বৰ্ধিত নিবনুৱা সমস্যা, সংস্থাপনহীনতা আৰু বৰ্ধিতধৰণৰ অসমৰ যিটো যুৱপ্ৰজন্মৰ মাজত আশা-নিৰাশা, কোনো ব্যৱসায়- বাণিজ্য নাই, কোনো উদ্যোগ নাই, থকা উদ্যোগবিলাকো বন্ধ হৈছে, বিক্ৰী হৈছে সেইবিলাক দেখি দেখি সচেতন অসমীয়াৰ কিছুমান যুৱক-যুৱতীয়ে আমাৰ যিটো শাসন ব্যৱস্থা আছে, যিখন চৰকাৰে শাসন কৰিছে সেইখনৰ বিপক্ষে তেওঁলোকে সদায় প্ৰতিবাদত সাজু হৈ থাকে, বিৰোধিতা কৰে; কিন্তু এইখিনিতে বৰ গুৰুত্বপূৰ্ণ কথা এটা আছে যিটো হয়তো অন্য মানুহে ভালদৰে লক্ষ্য কৰা নাই, ময়ো এটা সময়ত সাংবাদিক আছিলো। মোৰ মনত আছে যে যেতিয়া প্ৰফুল্ল মহন্তৰ চৰকাৰে শাসনত আছিল দ্বিতীয়টো কাৰ্যকালত সেইটো সময়ত তিনিচুকীয়া জিলাখন প্ৰায় প্ৰতিদিনে ইয়াত ১৪৪ ধাৰা জাৰি থাকে, কোনোবাই কিবা প্ৰতিবাদ কৰিব হ'লেও জিলা প্ৰশাসনৰ অনুমতি ল'ব লাগে, পাঁচজনতকৈ অধিক মানুহ একগোট হ'ব নিদিয়ে, সভা আয়োজন কৰিব নোৱাৰে, মাইক ব্যৱহাৰ কৰিব নোৱাৰে। এনেধৰণেৰে বিভিন্ন বাধা আছিল আৰু সেইটো সময়তে আটাইতকৈ বেছি যুৱক-যুৱতীসকল আলফালৈ গৈছিল। মই তৰুণ গগৈ চৰকাৰক সমৰ্থন কৰা নাই, কিন্তু তৰুণ গগৈৰ চৰকাৰ অহাৰ পাছত সেই ১৪৪ ধাৰাটো নাইকিয়া কৰিলে। গতিকে অসমত বহুত আন্দোলন হ'ব ধৰিলে, মানুহ অতিষ্ঠ হ'ব ধৰিলে; কিন্তু সেইধৰণৰে যেতিয়া আন্দোলন কৰে চৰকাৰৰ প্ৰতি থকা ক্ষোভসমূহ ওলাই গৈ থাকে, উগ্ৰপন্থীৰ প্ৰতি মানুহ আকৰ্ষিত নহয়। এতিয়া এইখন ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে পুলিচৰ ৰাজত্ব চলাব বিচাৰিছে। অসমৰ জাতীয় সত্তাটো সৰ্বভাৰতীয় বিজেপিৰ দৰ্শনৰ ওচৰত বন্ধক ৰাখি থৈছে। অসমৰ বহু মানুহে প্ৰতিবাদ কৰিব বিচাৰে, বহুতে প্ৰতিবাদৰ পথ বিচাৰি নাপাই মোৰ ধাৰণাত উগ্ৰপন্থাৰ প্ৰতি আকৃষ্ট হ'ব পাৰে।

## শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন নাপাই হতাশাত ভুগি ঢাপলি মেলিছে

■ **ললিত ৰাজবংশী,** খেলুৱৈ-শিল্পী



**শেহতীয়াভাৱে** ৰাজ্যখনৰ একাংশ যুৱক-যুৱতীয়ে আলফা (স্বাধীন)লৈ ঢাপলি মেলিছে। বিগত সময়ছোৱাত চৰকাৰে আলফাৰ স'তে আলোচনাৰ বাবে পৰিৱেশ গঢ়ি তোলা বুলি দাবী কৰি থকাৰ সময়তে আলফা (স্বাঃ)ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই কিন্তু এই ক্ষেত্ৰত স্থিতি স্পষ্ট কৰা নাই। বৰঞ্চ চৰকাৰে আলোচনাৰ পৰিৱেশ গঢ়ি তোলা বুলি দাবী কৰাৰ সময়তে শেহতীয়াভাৱে কে'বাগৰাকী যুৱক-যুৱতীয়ে নিষিদ্ধ সংগঠনটোলৈ আগুৱাই যোৱাত স্বাভাৱিকতে চিন্তিত হৈছে ৰাইজ। আলফা (স্বাঃ)ৰ প্ৰতি মানুহৰ মাজত আগতে যি বিশ্বাস আৰু আশ্বাস আছিল এতিয়াও সেয়া সম্পূৰ্ণৰূপে শেষ হৈ যোৱা নাই বুলি ক'ব লাগিব। একাংশৰ মনত এতিয়াও সেই বিশ্বাস আৰু আশ্বাস সজীৱ হৈ আছে। হয়তো সেই কাৰণতে আজি বহুতে সংগঠনটোৰ প্ৰতি আকৃষ্ট হৈ যোগদানৰ বাবে ঘৰৰ পৰা ওলাই গৈছে। এই ক্ষেত্ৰত চৰকাৰো সমানে দায়ী। কিয়নো অসমত এতিয়া নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। শিক্ষা-দীক্ষা লাভ কৰি যুৱক-যুৱতীয়ে উপযুক্ত কৰ্মসংস্থাপন লাভ কৰা নাই। চৰকাৰে নিবনুৱাৰ কৰ্মসংস্থাপন কৰা বুলি দাবী কৰিলেও বাস্তৱ ক্ষেত্ৰত ইয়াৰ এখন বিপৰীত ছবি দেখিবলৈ পোৱা গৈছে। উচ্চ শিক্ষা লাভৰ পাছত যুৱক-যুৱতীসকলে কৰ্মসংস্থাপন হতাশাত ভুগি হয়তো নিষিদ্ধ ঘোষিত সংগঠনটোলৈ ঢাপলি মেলিছে। তদুপৰি কিছুমান ল'ৰা-ছোৱালীৰ জন্ম হৈ বুকুত সংগ্ৰামী সত্তা বান্ধি এনে কাৰণতো আলফা (স্বাঃ)লৈ ঢাপলি মেলিছে। চৰকাৰে স্বাস্থ্য খণ্ডৰ লগতে শিক্ষাখণ্ডতো যিদৰে নৱপ্ৰজন্মক আগুৱাই নিব লাগিছিল তেনেদৰে নিব পৰা নাই। চৰকাৰে যদি নিবনুৱা সমস্যা সমাধানৰ লগতে স্বাস্থ্য আৰু শিক্ষাখণ্ডত বৃত্তিমুখী ধাৰণাৰ সৃষ্টি কৰিব পাৰে তেতিয়াহ'লে হয়তো এনে সংগঠনলৈ ঢাপলি মেলা যুৱক-যুৱতীৰ সংখ্যা হ্ৰাস পাব।

## তামাৰহাট গাঁও পঞ্চায়তত এমজিএনৰেগাৰ কামৰ দুৰ্নীতিৰ অভিযোগ ঃ জবকাৰ্ডৰ পৰিবৰ্তে এক্সকেভেটৰেৰে মথাউৰিৰ কাম

# তিনি বছৰে সম্পূৰ্ণ নহ'ল মথাউৰি বান্ধ

**তামাৰহাট, ২৬ মাৰ্চ ঃ** ৰাজ্যৰ উন্নয়ন খণ্ড, গাঁও পঞ্চায়ত সমূহৰ বিষয়া, অভিযন্তা আৰু জনপ্ৰতিনিধি সকলে উন্নয়নৰ নামত যাতে কোনো দুৰ্নীতি সংঘটিত কৰিব নোৱাৰে তাক সতৰ্ক কৰি দিছে মুখ্যমন্ত্ৰীয়ে। কিন্তু বাস্তৱত ৰাজ্যৰ একাংশ উন্নয়ন খণ্ড, গাঁও পঞ্চায়তত দুৰ্নীতিৰ অৱসান ঘটা নাই। উন্নয়নৰ নামত দুৰ্নীতিৰ সমান্তৰাল কৈ আজিও বিষয়া, অভিযন্তা, পঞ্চায়ত প্ৰতিনিধিৰ কমিচনৰাজ চলি আহিছে। তেনে এক দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। ধুবুৰী জিলাৰ হাতীধুৰা উন্নয়ন খণ্ডৰ তামাৰহাট গাঁও পঞ্চায়তৰ শগুনচৰা চৰত মথাউৰি নিৰ্মাণৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে । তামাৰহাট গাঁও পঞ্চায়তৰ অধীনস্থ শগুনচৰা গাঁৱৰ সদস্যজনে দুৰ্নীতি কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। ২০১৯-২০ বিত্তীয় বৰ্ষত শগুনচৰা পশ্চিম সীমান্তৰ গংগাধৰ নদী পাৰ হৈ কালাচানপাৰা গাঁৱৰ ছেকেন্দাৰ আলীৰ ঘৰলৈ পাঁচশ মিটাৰ মথাউৰি নিৰ্মাণৰ বাবে চৰকাৰে ৭, ২৩,০০০ টকা আবন্টন দিয়ে । উক্ত টকাখিনি জবকাৰ্ডৰ জৰিয়তে ব্যৱহাৰ কৰিব লাগে যদিও সেয়া কৰা নাই বুলি অভিযোগ ৰাইজৰ। অতি গুৰুত্বপূৰ্ণ কথা যে, উক্ত স্থানত পূৰ্বৰে পৰা এটা মথাউৰি আছিল যদিও পূৰ্বৰ মথাউৰিৰ ওপৰত থকা গছ-গছনি সকলো কাটি নিজ ইচ্ছা মতে স্থান পৰিৱৰ্তন কৰি পুনৰ নতুন মথাউৰি নিৰ্মাণৰ কাম কৰি আছে। প্ৰায় তিনি বছৰ পূৰ্বে জবকাৰ্ডৰ জৰিয়তে মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল যদিও বিভিন্ন অজুহাত দেখুৱাই অৰ্ধসম্পূৰ্ণ কৰি ৰাখে। শেহতীয়াকৈ উক্ত মথাউৰি নিৰ্মাণ কৰিবলৈ ৩১ মাৰ্চ লৈকে বিভাগে সময় বান্ধি দিয়াৰ পাছত এতিয়া নিদ্ৰাহীন হৈ পৰিছে পঞ্চায়ত প্ৰতিনিধি। যিখিনি কাম কৰিছে সেয়াও আঁচনি মতে কৰা নাই। ব্যাপক দুৰ্নীতি চলোৱাৰ অভিযোগ পঞ্চায়ত কৰ্তৃপক্ষৰ বিৰুদ্ধে। দুৰ্নীতিৰ লগত সততে নাম সাঙোৰ খোৱা তামাৰহাট ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা-মিত্ৰদেৱ মহন্তক স্মৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৬ মাৰ্চ ঃ** 'শ্ৰীমন্ত শংকৰদেৱক বস্তুনিষ্ঠভাৱে পৰ্যালোচনা কৰি মানুহ হিচাপে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিষ্ঠা কৰিছিল। অসমীয়া ভাষাক সুকীয়াভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো অনাসংস্কৃতীয়া ভাষা এটা প্ৰতিষ্ঠাৰ বাবে শিৱসাগৰীয়া উপ-ভাষাৰ ভৰপূৰ উদ্ভৱ শব্দৰ নিৰন্তৰ প্ৰয়োগৰ মাজেৰে সুকীয়া অসমীয়া ভাষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা অসমীয়া মহীৰুহসকলৰ ভিতৰত বেজবৰুৱাৰ অৱদান আছিল একক আৰু অনন্য।' আজি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৪ সংখ্যক স্মৃতি দিৱসৰ দিনটোত এই মন্তব্য কৰে গৱেষক, লেখক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ সঞ্জীৱ পল ডেকাই। উল্লেখ্য যে তেজপুৰ সাহিত্য সভাৰ উদ্যোগত সাহিত্য সভা ভৱনত সাহিত্যৰথী জীৱন-সাহিত্য, কৰ্ম আৰু দৰ্শনৰ ওপৰত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি ড০ ডেকাই আগবঢ়োৱা ভাষণত আৰু কয় যে আধুনিক অসমীয়া সাহিত্যৰ সৰ্বাধিক প্ৰচাৰিত আৰু আলোচিত নামটোৱেই হৈছে লক্ষ্মীনাথ বেজবৰুৱা। অৱশ্যে সেই অনুপাতে পূৰ্বসূৰী আলোচকসকলৰ তুলনাত সাম্প্ৰতিক সময়ত বেজবৰুৱাৰ সাহিত্য সম্পৰ্কে সূক্ষ্ম চৰ্চাৰ দৈন্য পৰিলক্ষিত হয়। সাহিত্যৰথী বোলা অভিধাটোৱে লক্ষ্মীনাথ বেজবৰুৱাৰ সামগ্ৰিক সাহিত্যিক সত্তা বুজাবলৈ যথেষ্ট নহয়, যিদৰে ৰূপকোঁৱৰ অভিধায়ে জ্যোতিপ্ৰসাদৰ সামগ্ৰিক সাংস্কৃতিক সাহিত্যিক সত্তাক সামৰি নলয়। ১৩ পৃষ্ঠাত চাওক

### বিগত পাঁচমাহত সংগ্ৰহ কৰিলে এক কোটি সাত লাখ টকা

## অভিলেখ সংখ্যক পৰ্যটকে দৰ্শন কৰিলে মানাহ ৰাষ্ট্ৰীয় উদ্যান



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৭ মাৰ্চ ঃ** ৰাজ্যৰ এখন উল্লেখযোগ্য পৰ্যটনস্থলী মানাহ ৰাষ্ট্ৰীয় উদ্যান। নিতৌ মানাহলৈ সোঁত বয় প্ৰকৃতিপ্ৰেমী তথা পৰ্যটকৰ। পৰ্যটকৰ বাবে মানাহৰ প্ৰৱেশদ্বাৰ মুকলি হোৱাৰ পাছতে বিগত পাঁচটা মাহত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ প্ৰায় এক কোটি সাত লাখ টকা। এই কথা জানিবলৈ দিছে মানাহৰ বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া বাবুল ব্ৰহ্মই। ব্যক্তিগত বাহন ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰলৈ সোমোৱা বন্ধ কৰাৰ পাছত ৰাজহ সংগ্ৰহৰ পৰিমাণ বহু পৰিমাণে কমিব বুলি ধাৰণা কৰা হৈছিল। কিন্তু কেৱল জীপ ছাফাৰীৰে পৰ্যটকক ৰাষ্ট্ৰীয় উদ্যানখন উপভোগৰ সুবিধা দিয়াৰ পাছতো কমা নাই ৰাজহ সংগ্ৰহৰ পৰিমাণ। ইয়াৰ ফলত জীপ ছাফাৰীৰ স'তে জড়িত স্থানীয় বহু যুৱক লাভান্বিত হোৱা বুলি সদৰী কৰে বন বিষয়াজনে। উল্লেখ্য যে যোৱা পাঁচটা মাহত দেশী পৰ্যটকৰ সংখ্যাই আঠ লাখ অতিক্ৰম কৰাৰ বিপৰীতে ৩৪ গৰাকী বিদেশী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত উপস্থিত হৈছিল।

## নিমাতীঘাটত হঠাৎ ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ দুই মিটাৰ পৰ্যন্ত বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৬ মাৰ্চ ঃ** খৰাং বতৰে যোৰহাট জিলাৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰাৰ সময়তে হঠাৎ ধুমুহা- বৰষুণে যোৰহাটৰ প্ৰাকৃতিক পৰিৱেশ জীপাল কৰাত জনসাধাৰণৰ লগতে বন্যপ্ৰাণীৰ জীৱনলৈ সকাহ আহিছে। কিন্তু নিমাতীঘাটত ব্ৰহ্মপুত্ৰ নদীৰ জলপৃষ্ঠ হঠাতে দুই মিটাৰ পৰ্যন্ত বৃদ্ধি পোৱাৰ বাবে ৰাইজৰ মাজলৈ আতংকৰ সৃষ্টি হৈছে। নিমাতীঘাট আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত ব্ৰহ্মপুত্ৰই খহনীয়াৰ পদ্ধতি আৰু স্থান সঘনাই সলাই আহিছে। নিমাতীঘাটত জলসম্পদ উন্নয়ন বিভাগৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰ প্ৰতিৰোধ কৰিবলৈ জিঅ' টিউবত বালি মাটি ভৰাই দি আহিছে যদিও খহনীয়াৰ প্ৰতিৰোধ কৰাত ব্যৰ্থ হৈছে। নিমাতীঘাটত থকা বৰমথাউৰিৰ ওপৰতেই যোৰহাট নগৰৰ বানপানীৰ সমস্যাটো নিৰ্ভৰশীল হৈ আছে। কিন্তু ব্ৰহ্মপুত্ৰৰ খহনীয়া বৰমথাউৰি দিশে আগবাঢ়ি গৈ আছে। যোৰহাট জিলা প্ৰশাসনে এতিয়াই বৰমথাউৰিৰ নিৰাপত্তা দিশটোৰ ওপৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ নকৰিলে ভৱিষ্যতে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি ৰাইজে আশংকা কৰিছে।

### ■ বজালীৰ খাৰাধৰাত 'গাঁও ফুৰো আহা' শীৰ্ষক অনুষ্ঠান

## অসমৰ সম্পদ লুকাই আছে গাঁৱত



**বিশেষ সংবাদদাতা**
**পাঠশালা, ২৬ মাৰ্চ ঃ** 'গাঁৱৰ নিচিনা সুস্থ-শান্তিৰ সামাজিক অনুষ্ঠান ক'তোৱেই নাই। গাঁৱতেই আছে সহজ-সৰলতাৰ প্ৰাণবন্ত ইতিহাস। অসমৰ সম্পদো লুকাই আছে গাঁৱতেই। এই গাঁৱৰ জীৱন আৰু সৰলতাক কেন্দ্ৰ কৰি সম্পদৰ উচিত ব্যৱহাৰ আৰু উৎপাদনত দৃষ্টি আৰোপ কৰিলে আমাৰ গাঁওসমূহৰ চেহেৰাই সলনি হৈ যাব। ইয়াৰ বাবে চৰকাৰী বিষয়াৰ সদিচ্ছা আৰু শ্ৰম অনিবাৰ্য। চৰকাৰী বিষয়াই গাঁৱলৈ যাব লাগিব। জনসাধাৰণক লগ ধৰিব লাগিব। গাঁৱৰ বিকাশ আৰু সমস্যা সমাধানৰ বাট থলীতে উলিয়াব লাগিব। কাৰণ গাঁৱৰ জীৱন সুন্দৰ হ'লেহে আমাৰ ৰাজ্যখন সুন্দৰ হ'ব। ইয়াৰ বাবে চৰকাৰী বিষয়াই আন্তৰিকতাপূৰ্ণ সৰলতাৰে গাঁৱৰ জনসাধাৰণৰ স'তে কথা পাতিব লাগিব। জটিল ভাষ্য নিক্ষেপৰে নহয়। সেয়ে আমি আজি খাৰাধৰাত জিলা প্ৰশাসনৰ 'গাঁও ফুৰো আহা' কাৰ্যসূচী লৈ ইয়াত উপস্থিত হৈছো। উদ্দেশ্য এটাই— গাঁৱৰ উন্নয়ন আৰু সমস্যা সমাধান।' এই মন্তব্য বজালীৰ জিলাধিপতি ১৩ পৃষ্ঠাত চাওক

## দুদিনীয়া কাৰ্যসূচীৰে বাসুগাঁৱত জিলা দণ্ডাধীশ-চক্ৰ বিষয়াৰ স্বচ্ছতাৰ সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৬ মাৰ্চ ঃ** স্বচ্ছ ভাৰত অভিযানৰ অধীনত ৰাজ্যৰ প্ৰতিখন জিলাতে ইতিপূৰ্বে স্বচ্ছতাৰ ওপৰত বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা একাধিক সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। তাৰেই অংশস্বৰূপে জিলা দণ্ডাধীশ ৰাখিশ্ৰী লেখাৰু আৰু চিদলী চক্ৰৰ চক্ৰ বিষয়া অমৃত ৰঞ্জন বৰ্মনৰ তত্ত্বাৱধানত স্বচ্ছতাৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। বাসুগাঁও পৌৰসভাৰ সহযোগত বাসুগাঁও চহৰৰ চাৰিটা ৱাৰ্ডত থকা আৱাসিক গৃহসমূহ পৰিদৰ্শন আৰু পৌৰসভাই প্ৰদান কৰা ডাষ্টবিনসমূহ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। লগতে স্বচ্ছতাৰ ক্ষেত্ৰত বিভিন্ন লাগতিয়াল পৰামৰ্শ আগবঢ়ায় সজাগতা সভাত। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুযায়ী বাসুগাঁও পৌৰসভাস্থিত টাউন হলত আত্মসহায়ক গোটৰ পৰিচালিকা জোনালী শৰ্মা আৰু বাসুগাঁও পৌৰসভাৰ স্বচ্ছ ভাৰত অভিযানৰ সমন্বয়ক নুৰ মহম্মদ মোস্তাফাৰ তত্ত্বাৱধানত বাসুগাঁৱৰ প্ৰায় দুই শতাধিক মহিলাৰ উপস্থিতিত পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ বাবে চৰকাৰে সাত শতাংশ ৰাজসাহায্য আগবঢ়োৱা ১০ হেজাৰ টকাৰ ঋণ, পৰিয়ালৰ বৰ্জিত পদাৰ্থবোৰৰ একত্ৰীকৰণ আৰু সেইবোৰৰ ব্যৱহাৰযোগ্যকৰণ আদি কৰি সকলো বিষয় সামৰি মূল্যবান বক্তব্য আগবঢ়ায় জিলা দণ্ডাধীশ আৰু চক্ৰ বিষয়াই। উল্লেখ্য যে উক্ত দুদিনীয়া কাৰ্যসূচীত পূৰ্বৰ বিভিন্ন কাৰ্যসূচীত সহযোগী হিচাপে থকা সক্ৰিয় বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা হিচাপে এইবেলিও পূৰ্ণ সহযোগ আগবঢ়ায় হেল্পিং হেণ্ডছ ৱেলফেয়াৰ ছ'চাইটিয়ে।

## সংবাদ ভৱন প্ৰাংগণত বিহুৰ কৰ্মশালা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৬ মাৰ্চ ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ কাৰ্যালয় সংবাদ ভৱন প্ৰাংগণত বিহুৰ কৰ্মশালা আৰু প্ৰশিক্ষণ ২৫ মাৰ্চৰ পৰা আৰম্ভ হৈছে। অহা তিনি এপ্ৰিলত সামৰণি পৰিবলগীয়া কৰ্মশালা আৰু প্ৰশিক্ষণ সাতভনী বিহু দল আৰু এনাজৰীৰ উদ্যোগত বাঁহী লোকবাদ্য কেন্দ্ৰৰ সহযোগত হৈছে। পাৰ্থপ্ৰতিম নেওগ আৰু ভাগ্যশ্ৰী দাসে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিছে। ওজা মহেন্দ্ৰ চুতীয়া, পিংকু বৰাই আৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে ৰমেন শইকীয়াই। উজ্জ্বল শইকীয়াই আঁতধৰা উদ্বোধনী অনুষ্ঠানত মৃদুল হাজৰিকা, প্ৰাঞ্জল প্ৰতিম বৰা, কৃপাল দত্ত, গোকুল বৈশ্য, হিমাংশু কৌশিক বৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। শতাধিক শিশু কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা বিহু কৰ্মশালা আৰু প্ৰশিক্ষণৰ সামৰণিৰ দিনা প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰিব।

## এবছুৱে পুত্তলিকা দাহৰ পাছত প্ৰাক্তন সাংসদ বিছমুতিয়াৰীৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**
**চিথিলা, ২৬ মাৰ্চ ঃ** বিটিআৰ চুক্তিৰ কিছুসংখ্যক দফাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুতিয়াৰী। প্ৰাক্তন সাংসদ বিছমুতিয়াৰীৰ নেতৃত্বত একাংশ বুদ্ধিজীৱীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত পিআইএল দাখিলৰ পাছত বিটিআৰত আৰম্ভ হয় ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ। গুৱাহাটী উচ্চ ন্যায়ালয়ত পিআইএল দাখিল কৰাক কেন্দ্ৰ কৰি এবছুৱে প্ৰাক্তন সাংসদজনসহ প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, খাম্পা বৰগয়াৰী আদিৰ পুত্তলিকা দাহ কৰে। এবছুৱে প্ৰাক্তন সাংসদজনৰ পুত্তলিকা দাহ কৰাৰ বাবেই সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'মোৰ পুত্তলিকা দাহ কৰিলে যদি বড়ো জনগোষ্ঠীৰ উন্নতি ১৩ পৃষ্ঠাত চাওক

## গোহাঁইগাঁৱৰ ১২ বছৰে সম্পূৰ্ণ নহ'ল চিকিৎসালয় ঃ মুকলিৰ পূৰ্বে ধ্বংস



**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ২৬ মাৰ্চ ঃ** ৰাইজৰ স্বাস্থ্য সুৰক্ষা প্ৰদান কৰিবলৈ গাঁৱে-ভূঞে চিকিৎসালয় স্থাপনৰ নামত অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ পৰা কোটি কোটি খৰচ কৰি আহিছে যদিও আজিও বহু চিকিৎসালয়ৰ নিৰ্মাণ কাম সম্পূৰ্ণ নোহোৱাত উপযুক্ত চিকিৎসাৰ পৰা বিঞ্চত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। তেনে অৰ্ধ নিৰ্মিত চিকিৎসালয়ৰ সংখ্যা কোকৰাঝাৰ জিলাত অধিক থকা বুলি তথ্য পোহৰলৈ আহিছে। অৰ্ধ নিৰ্মিত তেনে এখন চিকিৎসালয় হৈছে গোসাঁইগাঁৱৰ ডিঙডিঙাৰ গাতে লাগি থকা ঠাকুৰপুৰৰ ১০ খন বিছনা যুক্ত চিকিৎসালয়। ধুবুৰী-কোকৰাঝাৰ জিলাৰ সীমামূৰীয়া অঞ্চলৰ চিকিৎসা সেৱা প্ৰদানৰ লক্ষ্যৰে ২০০৯-১০ বিত্তীয় বৰ্ষত অসম চৰকাৰৰ এনআৰএইছএম আঁচনিৰ অধীনত উক্ত চিকিৎসালয়খনৰ নিৰ্মাণ কাম আৰম্ভ কৰিছিল। নিৰ্মাণ কাম প্ৰায় ৮০শতাংশ সম্পূৰ্ণ হোৱাৰ লগতে মুকলি কৰাৰ এক পৰিৱেশ গঢ়ি উঠাৰ পাছত হঠাৎ চিকিৎসালয়খন নিৰ্মাণ কাম স্থগিত হৈ পৰে। যাৰ ফলত চিকিৎসাৰ বাবে সাজু কৰিবলৈ লোৱা ঠাকুৰপুৰ ১০খন বিছনাযুক্ত চিকিৎসালয়খন বিগত ১২-১৩ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত থকাত সম্পূৰ্ণৰূপে প্ৰায় ধ্বংসৰ দিশে গতি কৰিছে। দুৱাৰ-খিৰিকী ভাঙি-ছিঙি চিন-চাপ নোহোৱা হৈ পৰিছে। চিলিং জহি-খহি নাইকিয়া হৈছে। সাধাৰণ ৰাইজৰ ১৩ পৃষ্ঠাত চাওক

## জাতীয়তাবাদী নেত্ৰী ৰাণী দেৱী, সাহিত্য একাডেমী বঁটাপ্ৰাপক ডাঃ ৰামচিয়াৰীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা,**
**মঙলদৈ, ২৬ মাৰ্চ ঃ** দৰং জিলা মহিলা সমিতি আৰু মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে', দৰং, অসমৰ যুটীয়া উদ্যোগত আজি দৰঙৰ অগ্ৰণী জাতীয়তাবাদী ভাৱধাৰাৰ নেত্ৰী ৰাণী দেৱীৰ লগত এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। মঙলদৈ শান্তিপুৰস্থিত ৰাণী দেৱীৰ আগচোতালত দিনৰ ২.৩০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে! যদিহে অকণো নাভাবে! ভাবিব কোনেনো কোৱা---' শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰি আৰম্ভ কৰা এই সভাত ৰাণী দেৱীৰ লগতে সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট কবি ডাঃ দেৱকান্ত ৰামচিয়াৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি সদৌ দৰং ছাত্ৰ সন্থা, আন্তঃ মঙলদৈ ছাত্ৰ সন্থা, ৰেডক্ৰছ ছ'চাইটি দৰং জিলা সমিতি, য়ুথ ক্লাব মঙলদৈ, অসম লেখিকা সমাৰোহৰ মঙলদৈ শাখা, অসম লেখিকা সংস্থাৰ মঙলদৈ শাখাকে ধৰি অৰ্ধশতাধিক দল-সংগঠন আৰু লোক মহিলা নেত্ৰী ৰাণী দেৱীক সম্বৰ্ধনা জ্ঞাপন কৰে। শিল্পী প্ৰাঞ্জল শৰ্মা আৰু মানুহে মানুহৰ বাবে, দৰং, অসমৰ সম্পাদক গণেশ দত্তই আঁত ধৰা এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৬ মাৰ্চ ঃ** তেজপুৰ গোটলুঙত আজি বিশ্বনাথ দাস (৪৫) নামৰ এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে তেজপুৰৰ চহৰৰ মূঢ়া তেতেলী নিবাসী দাসৰ মৃতদেহ পথৰ দাঁতিত উদ্ধাৰ হয়। মহাভৈৰৱ আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলটোত আজি প্ৰাতঃভ্ৰমণলৈ ওলাই অহা লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক অৱগত কৰাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে প্ৰয়াত সুদামা দাসৰ পুত্ৰ বিশ্বনাথ দাসৰ মৃতদেহ আজি পুৱা গোটলুঙত উদ্ধাৰ হোৱাৰ বিপৰীতে তেওঁৰ চাইকেলখন দৰং মহাবিদ্যালয়ৰ সমীপত উদ্ধাৰ হোৱাত ৰহস্যৰ সৃষ্টি হৈছে।

## বড়োফা নগৰ বিটিচি সচিবালয়ৰ সন্মুখত টে'ট উত্তীৰ্ণ শিক্ষকৰ ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২৬ মাৰ্চ ঃ** বিটিআৰ অঞ্চলত কোকৰাঝাৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষকৰ খালী পদ মোকলাই দিয়াৰ দাবীত কালি সদৌ বিটিআৰ টে'ট উত্তীৰ্ণ শিক্ষক সন্থাই বিভিন্ন শ্ল'গান দি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কোকৰাঝাৰ বড়োফা নগৰৰ বিটিচি সচিবালয়ৰ গেটৰ সন্মুখত পুৱা ১১ বজাৰ পৰা বিটিআৰ অঞ্চলত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ অসমীয়া আৰু বড়ো মাধ্যমৰ লগতে সকলো মাধ্যমৰ শিক্ষকৰ খালী পদসমূহ মোকলাই দিয়াৰ দাবীত সদৌ বিটিআৰ টে'ট উত্তীৰ্ণ শিক্ষক সন্থাৰ উদ্যোগত দুই ঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচীত বিটিআৰৰ সহস্ৰাধিক টে'ট উত্তীৰ্ণ প্ৰাৰ্থীয়ে পৰিৱেশ উত্তাল কৰে। শ্বাহ জাহান আলীয়ে আঁত ধৰা ধৰ্ণা কাৰ্যসূচীত সংগঠনটোৰ সভাপতি কৰেন্দ্ৰ ৰয়, সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি ৰয়, ছাঞ্চুমা কুমাৰ ব্ৰহ্মকে আদি কৰি বিটিআৰ অঞ্চলৰ সহস্ৰাধিক টে'ট উত্তীৰ্ণ প্ৰাৰ্থী উপস্থিত থাকে।

## ভাওঁৰাগুৰি মোৱামাৰী গাঁৱত গৰুসহ ধৃত এক




**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৬ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ ভাওৰাগুৰি আৰক্ষী চকীৰ অন্তৰ্গত মোৱামাৰী গাঁৱত গাঁওৰক্ষী বাহিনীয়ে দুটা গৰুসহ এজন চোৰক আটক কৰে। বহু দিনৰ পৰাই চোৰে গাঁওখনত এটাৰ পাছত আনটো গৰু চুৰি কৰি সন্ত্ৰাস সৃষ্টি কৰি আহিছিল। যোৱা নিশা গৰু চোৰ কৰি তিনি চোৰে পথাৰেদি লৈ যোৱাৰ সময়ত চোৰৰ দলটোক প্ৰত্যক্ষ কৰি খেদি যায় গাঁওৰক্ষী বাহিনীৰ দলটো। পাছত এজনক আটক কৰিবলৈ সক্ষম হয় যদিও দুজন চোৰ আন্ধাৰৰ সুযোগ লৈ পলাই যায়। তিনি চোৰৰ ঘৰ ভাওঁৰাগুৰিৰ আমিনকাটা গাঁৱত। চোৰ তিনিজন ক্ৰমে কাদেম আলী, হান্নান আলী আৰু মান্নান আলী। পাছত ভাওৰাগুৰি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই ঘটনাস্থলীত উপস্থিত হৈ চোৰসহ গৰু দুটা থানালৈ লৈ যায়।

## বিবাহিত যুৱকৰ আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**বৰুৱা বামুণগাঁও, ২৬ মাৰ্চ ঃ** ইয়াৰ সমীপৰ নাগৰণি মাজগাঁৱৰ আক্ৰাম হুছেইন নামৰ বিবাহিত যুৱকজনে যোৱা এসপ্তাহ ধৰি নিৰুদ্দেশ হৈ থকাৰ পাছত আজি চিপজৰী লৈ থকা অৱস্থাত যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। ঘৰৰ পৰা নিৰুদ্দেশ হোৱাৰ পাছত যুৱকজনক বিচাৰ-খোচাৰ কৰি থকা হৈছিল যদিও ঘৰৰ পৰা চাৰি কিলোমিটাৰ দূৰৰ কুৱালগুৰি কমাৰবাৰী খেলপথাৰৰ সমীপৰ এখন হাবিত গছত চিপজৰী লৈ থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ উৰলি যোৱা মৃতদেহটো গছৰ পৰা নমাই মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। এটি তিনিবছৰীয়া পুত্ৰ সন্তানৰ পিতৃ আক্ৰামে কিয় আত্মহত্যা কৰিলে সেয়া জানিব পৰা হোৱা নাই।

## বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক কামেশ্বৰ ডেকাৰ বিয়োগ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৬ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক কামেশ্বৰ ডেকা (৮০)ৰ যোৱা নিশা ২.৫০ বজাত বিজনীৰ আমগুৰিৰ নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয় । বিগত ২০০৪ৰ পাঁচ ফেব্ৰুৱাৰীত বিজনী মহাবিদ্যালয়ৰ অধ্যাপক পদৰ পৰা অৱসৰ গ্ৰহণ কৰা ডেকাৰ বিয়োগৰ বতৰা বিয়পি পৰাৰ লগে লগে শোকস্তব্ধ হৈ পৰে বিজনী চহৰ। আজি পুৱা তেওঁৰ বাসভৱনত উপস্থিত হৈ বিটিচিৰ মনোনীত পাৰিষদ প্ৰদীপ কুমাৰ বায়ন, বিজনী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সুদীপ চন্দ, বিজনী জয়কিষাণ ক্লাবৰ সভাপতি ভৱানী প্ৰসাদ ৰায় আৰু সম্পাদক ভূপেন দাস, বিজনী ৰঙালী বিহু উদ্‌যাপন সমন্বয় সমিতিৰ সভাপতি ৰবীন্দ্ৰ নাথ দাসৰ লগতে বহুতো গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পাছত তেওঁৰ নশ্বৰদেহ বিজনী মহাবিদ্যালয়লৈ অনাত বিজনী মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ ড° বীৰহাসগিৰী বসুমতাৰীয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তদুপৰি, বিজনী শাখা সাহিত্য সভাৰ তৰফৰ পৰা সম্পাদক হেমেন শৰ্মা, অগপৰ বিজনী বিধান পৰিষদৰ হৈ সভাপতি হৰিলাল বায়ন আৰু সম্পাদক নৱ কলিতা, অসম কলেজ শিক্ষক সন্থাৰ বিজনী মহাবিদ্যালয় গোটৰ সভাপতি ৰঞ্জিত বৰ্মন, অসম কলেজ প্ৰাক্তন শিক্ষক সন্থাৰ হৈ ড° প্ৰমথেশ বায়ন আৰু ধীৰেন্দ্ৰ নাথ মেধিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পাছত তেওঁৰ নশ্বৰদেহ বিজনী নগৰ ৰাজহুৱা শ্মশানলৈ লৈ গৈ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখ্য যে বিজনী জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সম্পাদক, বিজনী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক, বিজনী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিকে ধৰি অধ্যাপক ডেকাই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁৰ পত্নীৰ উপৰি পুত্ৰ-কন্যা এৰি যায়। তেওঁৰ বিয়োগত বিজনী প্ৰেছ ক্লাব, বিজনী জাৰ্ণেলিষ্ট ফ'ৰাম, বিজনী শাখা সাহিত্য সভা, বিজনী মহাবিদ্যালয়, বিজনী ৰঙালী বিহু উদ্‌যাপন সমন্বয় সমিতি, অগপৰ বিজনী বিধান পৰিষদৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## দুবছৰৰ পাছত বিহুটিক আদৰাৰ পূৰ্ণ প্ৰস্তুতি

### ঢোলৰ মাতত কঁপিব বিহুতলী

**অগ্ৰদূত বাৰ্তা**
**বৰুৱা বামুণগাঁও, ২৬ মাৰ্চ ঃ** অসমীয়াৰ অতিকৈ চেনেহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন। কুলি কেতেকীৰ শুৱলা মাত, গছৰ কুঁহিপাত, ঢোল-পেঁপাৰ মাতে যেন তাৰেই বতৰা লৈ আহিছে। হিয়াৰ আমঠু বিহুটিক আদৰাৰ বাবে ইতিমধ্যে সৰ্বত্ৰে প্ৰস্তুতি আৰম্ভ হৈছে। ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে বিগত দুটা বৰ্ষত অসমবাসীয়ে বিহুত আনন্দ কৰাৰ পৰা বিৰত থাকিবলগীয়া হৈছিল। কিন্তু এইবাৰ পৰিৱেশ কিছু উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বিহুটিক আদৰাৰ প্ৰস্তুতি পূৰ্ণগতিত চলাইছে। গাঁৱে-ভূঞে এতিয়া ঢোল-পেঁপা-গগনাৰ মাত শুনিবলৈ পোৱা গৈছে। নৱপ্ৰজন্মক বিহু নাচ, ঢোলবাদন, পেঁপাবাদন বা বিহুৰ বাদ্যসমূহ প্ৰণালীবদ্ধভাৱে প্ৰশিক্ষণ দিবৰ বাবে ঠায়ে ঠায়ে বিহু কৰ্মশালাৰো আয়োজন কৰা হৈছে। বিহু সমিতিসমূহেও ৰঙালী বিহু উদ্‌যাপনৰ পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিছে। ইফালে, বিহুৰ বাবে অপৰিহাৰ্য ঢোলৰ নিৰ্মাতাসকলৰো বাঢ়িছে ব্যস্ততা।

### জন্মস্থান মৰিগাঁৱত স্মৃতি দিৱসত শ্ৰদ্ধাৰ্ঘ্য

## ওপজা ভূমিতেই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা অৱহেলিত



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ২৬ মাৰ্চ ঃ** অসমীয়া ভাষা সাহিত্যৰ প্ৰবাদমান পুৰুষ, জাতীয় জীৱনৰ কাণ্ডাৰী, অসমীয়া ভাষা সাহিত্যৰ জনক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৪ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যখনৰ লগতে সাহিত্যৰথীগৰাকীৰ ওপজা ভূমি মৰিগাঁও জিলাত ব্যাপক কাৰ্যক্ৰমণিকাৰে উদ্‌যাপিত হয়। সাহিত্যৰথী ১৩ পৃষ্ঠাত চাওক

## মাজুলী চামগুৰি নৱজ্যোতি মহিলা সমিতিৰ সোণালী জয়ন্তী উৎসৱ

অগ্ৰদূত বার্তা

**কমলাবাৰী, ২৬ মার্চ ঃ** মাজুলী জিলাৰ অগ্ৰণী মহিলা অনুষ্ঠান চামগুৰি নৱজ্যোতি মহিলা সমিতিয়ে প্ৰতিষ্ঠাৰ ৫০ সংখ্যক বর্ষ অতিক্ৰম কৰা উপলক্ষত অহা ২২ আৰু ২৩ এপ্ৰিলত সোণালী জয়ন্তী উৎসৱৰ আয়োজন কৰিছে। এই উপলক্ষে অলপতে মহিলা সমিতিৰ কার্যালয়ত অনুষ্ঠিত ৰাজহুৱা সভাত সমিতিৰ উপদেষ্টা মুহিন্দ্ৰ নাথ গায়নক সভাপতি আৰু সভানেত্ৰী গীতালি বৰুৱা বৰাক সম্পাদিকা, অঞ্চলটোৰ বয়োজ্যেষ্ঠসকলক উপদেষ্টা আৰু কনিষ্ঠসকলক সদস্য হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰা হয়। সমিতিয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্থায়ী আৰু অস্থায়ীভাৱে থকা অঞ্চলটোৰ যুৱক-যুৱতী আৰু জ্যেষ্ঠসকলক ৭০৮৬৫৭৩৪১৭ আৰু ৯৪০১১৮৫৬৫১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আৰু দুয়োদিনৰ কার্যসূচীত শুভাকাংক্ষী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

বাৰম্বাৰ মেৰামতিৰ দাবী সত্ত্বেও নাই কৰ্তৃপক্ষৰ কানসাৰ

## ফুলনিআটি-পুখুৰীপাৰ-ফুলনিআটি-কাছমাৰী জান সংযোগী পথৰ বিধ্বস্ত অৱস্থা

অগ্ৰদূত বার্তা

**বেবেজীয়া, ২৬ মার্চ ঃ** লোক নির্মাণ গড়কাপ্তানী বিভাগৰ নগাঁও গ্ৰাম্য পথ সংমণ্ডলৰ অন্তৰ্গত বটদ্ৰৱা উপ সংমণ্ডলৰ অধীনৰ ফুলনিআটি-পুখুৰীপাৰ আৰু ফুলনিআটি-কাছমাৰী জান সংযোগী পথৰ সম্প্ৰতি বিধ্বস্ত অৱস্থাই জ্বলা-কলা খুৱাইছে ৰাইজক। বটদ্ৰৱা বিধানসভা সমষ্টি আৰু নগাঁও সদৰ সমষ্টিৰ সীমামূৰীয়া পূব হাতীচোং আৰু কাছমাৰী অঞ্চলৰ বহুকেইখন গাঁৱৰ ৰাইজে নগাঁও চহৰকে ধৰি বিভিন্ন ঠাইলৈ বুলি দৈনিক অহা-যোৱা কৰা অন্যতম গুৰুত্বপূর্ণ এই পথ দুটাৰ ভালেমান ঠাইত এতিয়া পথৰ বিধ্বস্ত ৰূপৰ বাবে যাতায়াতৰ ক্ষেত্ৰত সমস্যাত পৰিছে। ছয়-সাত বছৰমানৰ পূৰ্বে পকীকৰণ কৰা এই পথ দুছোৱাৰ ঠাই বিশেষে তৰপে তৰপে বিটুমিন আলকাতৰা এৰাই যোৱাত গাঁতৰ সৃষ্টি হৈ সেই ভগ্নপ্ৰায় ঠাইসমূহত পৰি বহু পথচাৰী আঘাতপ্ৰাপ্ত হ'বলগীয়া হোৱাৰ লগতে সঘনাই সৰু-বৰ দুৰ্ঘটনাও সংঘটিত হৈ আহিছে। কিছুবছৰৰ পূৰ্বে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত পকীকৰণ কৰা এই পথ দুছোৱা আজি



দীৰ্ঘদিন ধৰি কোনো মেৰামতি নোহোৱাৰ বাবে ভগ্নপ্ৰায় পথত সামান্য এজাক বৰষুণতে ঠাই বিশেষে বৰষুণৰ পানী জমা হোৱাৰ ফলত পথ দুছোৱাৰে যাতায়াত কৰা লোকসকল দুৰ্যোগৰ সন্মুখীন হৈছে। সেয়ে উক্ত পথ দুটাৰে যাতায়াত কৰা লোকসকলে বাৰিষাৰ আগতেই গ্ৰামাঞ্চলটোৰ এই গুৰুত্বপূর্ণ পথ দুছোৱা সাধাৰণ ৰাইজৰ সুবিধাৰ বাবে মেৰামতি কৰি দিবলৈ লোকনির্মাণ বিভাগৰ নগাঁও গ্ৰাম্য পথ সংমণ্ডলৰ বিষয়া-অভিযন্তাসকলক ইতিপূৰ্বে কে'বাবাৰো দাবী জনাইছিল যদিও এই পর্যন্ত তেওঁলোকে বিশেষ মনোযোগ দিয়া পৰিলক্ষিত হোৱা নাই। যাৰ ফলত এতিয়া ৰাইজ আৰু অধিক সমস্যাৰ সন্মুখীন হৈছে। ইপিনে, স্থানীয় বিধায়িকাগৰাকী এই 'বৰগছ'ৰ সমন্বয়কদ্বয় ভাৰত বৰা আৰু শোণিতৰঞ্জন হাজৰিকা, ক্ৰিয়েশ্বন ক্লাবৰ বিষয়ববীয়া দীপজ্যোতি হাজৰিকা, হীৰক হাজৰিকা আৰু হাতীচোং পচুৱৈ চ'ৰাৰ সভাপতি সমীৰ হাজৰিকা আদিয়ে দাবী জনাইছে।

## কামপুৰত চুলাই জব্দ

অগ্ৰদূত বার্তা

**কামপুৰ, ২৬ মার্চ ঃ** কালি কামপুৰৰ শুকুৰবৰীয়া সাপ্তাহিক বজাৰৰ পৰা আবকাৰী বিভাগে অভিযান চলাই প্ৰায় ১৫০ লিটাৰ চুলাই মদ জব্দ কৰে। সাপ্তাহিক বজাৰখনলৈ বৈঠালাংছ'ৰ পৰা একাংশ মহিলাই শাক-পাচলিৰ লগতে বিক্ৰী কৰি আহিছিল এই চুলাই মদ। উল্লেখ্য যে পূৰ্বেও জনজাতীয় এই মহিলাসকলৰ পৰা আবকাৰীয়ে জব্দ কৰিছিল বৃহৎ পৰিমাণৰ চুলাই।

## বিহু নাচ কর্মশালাৰ আয়োজন বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ

অগ্ৰদূত বার্তা

**বৰহোলা, ২৬ মার্চ ঃ** অহা এক এপ্ৰিলৰ পৰা ষষ্ঠ বার্ষিক বিহু নাচ কর্মশালা আয়োজন কৰিছে বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাই। বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাই বৃহত্তৰ বৰহোলা অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অসমীয়াৰ ঐক্য, সম্প্ৰীতি, সমন্বয় আৰু স্বতঃস্ফূৰ্ত আনন্দৰ প্ৰতীক স্বৰূপ বাপতিসাহোন বিহুৰ প্ৰশিক্ষণ প্ৰদান কৰি সাংস্কৃতিকভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে বিগত পাঁচটা বছৰে এই বিহু নাচ কর্মশালা আয়োজন কৰি আহিছে আৰু সেয়ে এইবাৰো ষষ্ঠ বর্ষৰ বাবে বিয়লি তিনি বজাৰ পৰা বৰহোলা মহাবিদ্যালয় প্ৰাংগণত আয়োজন কৰিছে। লতাশিলৰ বিহুৰাণী ৰাধিকাৰাণী শইকীয়া আৰু বাবাতি শইকীয়াই সমল ব্যক্তি হিচাপে উপস্থিত থাকিবলগীয়া কর্মশালাৰ নামভৰ্তিৰ পত্ৰসমূহ বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ কার্যালয়ত দি থকা হৈছে। গতিকে ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে বৰহোলা আঞ্চলিক ছাত্ৰ সন্থাৰ কার্যালয়ৰ পৰা সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে, লগতে অধিক জানিবলৈ ৯৫০৮১৬১৫৮৩, ৮৪৭৪৮৮৭৮৭২ আৰু ৯৩৯৫৬০৩০৫৪ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

## মৰাণত চৰাইদেউ জিলাৰ প্ৰাথমিক শিক্ষক সন্থাৰ ৰাজহুৱা সভা



অগ্ৰদূত বার্তা

**মৰাণ, ২৬ মার্চ ঃ** চৰাইদেউ জিলাৰ মৰাণ নগৰৰ হেলাগাঁও প্ৰাথমিক বিদ্যালয়ত আজি চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্থাৰ এখন গুৰুত্বপূর্ণ ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলা সন্থাৰ সভাপতি ৰঞ্জিত কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা প্ৰাথমিক শিক্ষক সন্থাৰ যুটীয়া সম্পাদক কুল প্ৰসাদ গগৈয়ে। সভাত চৰাইদেউ জিলা সোণাৰি শিক্ষা খণ্ডৰ অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষা বিষয়া প্ৰবীণ বৰুৱা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক, চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি ক্ষেত্ৰ বুঢ়াগোহাঁইক সম্বৰ্ধনাপত্ৰ, গামোচা, শৰাই, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট অতিথিৰূপে ভাষণ আগবঢ়াই জ্যেষ্ঠ সাংবাদিক বাছা বৰা, কৃতী শিক্ষক জিতেন দাস, প্ৰফুল্ল প্ৰাণ মহন্ত আৰু গিৰিণ ফুকনে। সভাখনত শৈক্ষিক দিশ উন্নত কৰা, পুথিগত শিক্ষাৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ বাবে ল'ব লগা বহুকেইটা বিষয়ৰ ওপৰত আলোচনা হয়। উক্ত সভাতে চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্থাই পুঁজি সংগ্ৰহৰ বাবে খেলাবলৈ লোৱা উপহাৰ কুপনৰ খেলখনৰ বহী উন্মোচন কৰে বিশিষ্ট অতিথি বাছা বৰাই। সভাত জিলা শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক নকুল ফুকন, শিক্ষক শশী গগৈ, প্ৰভাত বৰা, ক্ষীৰেশ্বৰ চুতীয়া, প্ৰদীপ চাংমাই, জয়ন্ত চুতীয়া, মাইনী চুতীয়া, মায়াৰাণী চুতীয়া প্ৰমুখ্যে শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে ।

## শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে ৰাজহুৱা সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৬ মার্চ ঃ** ডিব্ৰুগড় চহৰৰ বৈৰাগীমঠত অৱস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধই কনিষ্ঠ মহাবিদ্যালয়ে চলিত বর্ষত ৰূপালী জয়ন্তী বর্ষত ভৰি দিছে। ১৯৯৭ ত স্থাপিত মহাবিদ্যালয়খন প্ৰথম অৱস্থাত বিজ্ঞান শাখাৰে আৰম্ভ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত কলা আৰু বাণিজ্য শাখা মুকলি কৰি উজনি অসমত শিক্ষা প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আছে। উল্লেখ্য যে মায়ামৰা বৈষ্ণৱ ধৰ্মীয় সমাজৰ প্ৰতিষ্ঠাপক তথা সমাজ সংস্কাৰক আদ্যগুৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত প্ৰতিষ্ঠিত ৰাজ্যখনৰ ভিতৰতে প্ৰথমখন শিক্ষানুষ্ঠান শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ সমাজৰ বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰাক্তন শিক্ষাৰ্থীয়ে নিয়োজিত কৰি অৱদান আগবঢ়াই আছে। কনিষ্ঠ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বর্ষ অতিক্ৰম কৰা শিক্ষানুষ্ঠানখন শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সেৱা সমিতি অসমৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত আৰু উক্ত সমিতিখনৰ দ্বাৰা পৰিচালিত হৈ আছে। মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তীকে ধৰি বিভিন্ন দিশৰ উপৰি নতুনকৈ এখন সৰ্বাংগসুন্দৰ শক্তিশালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতি গঠনৰ উদ্দেশ্যে ২৭ মার্চত মহাবিদ্যালয়ত এখন ৰাজহুৱা সভা আয়োজন কৰিছে। সভালৈ শিক্ষা তথা সমাজৰ স'তে জড়িত বিভিন্নজনক নিমন্ত্ৰণ জনোৱা হৈছে আৰু এই সভালৈ সকলো শুভাকাংক্ষী ৰাইজক উপস্থিত থাকি এখন আগশাৰীৰ শিক্ষানুষ্ঠান স্থাপনৰ বাবে আগভাগ ল'বৰ বাবে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক যতীন্দ্ৰ মোহন গগৈ আৰু হিৰণ্য সেনাপতিয়ে এক বিবৃতিযোগে অনুৰোধ জনাইছে।

বাহাৰঘাটত তিনিদিনে বিদ্যুত সংযোগ বিচ্ছিন্ন

## কেৰাচিন তেল বিচাৰি হাহাকাৰ পৰীক্ষাৰ্থী-অভিভাৱকৰ

অগ্ৰদূত বার্তা

**বাহাৰঘাট, ২৬ মার্চ ঃ** যোৱা বৃহস্পতিবাৰে দুপৰীয়া ১২ মান বজাত হঠাতে অহা বিধ্বংসী ধুমুহাৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে বাহাৰঘাট অঞ্চলতো বিস্তৰ ক্ষতি হয়। বহুতৰে ঘৰ-বাৰী ভাঙি-ছিঙি চুৰমাৰ কৰাৰ লগতে বিদ্যুৎ পৰিবাহী খুঁটা ভাঙি, তাঁৰ ছিঙি একপ্ৰকাৰ ধ্বংসস্তুপত পৰিণত কৰে। চাৰিওফালে অন্ধকাৰময় পৰিৱেশে বিৰাজ কৰিছে সমগ্ৰ অঞ্চলটো। বৈদ্যুতিক মটৰসমূহ অচল হোৱাৰ বাবে খোৱাপানীৰ সমস্যাত ভুগিছে ৰাইজ। ম'বাইলসমূহ বিদ্যুতৰ অভাৱত অচল হৈ যোগাযোগবিহীন হয়। চলি থকা মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ পঢ়াত যথেষ্ট অসুবিধা হয়। এইসকল পৰীক্ষাৰ্থীৰ অভিভাৱকে দোকানে দোকানে মমবাতি অথবা কেৰাচিন তেল বিচাৰি হাবাথুৰি খাইছে। দোকানত মমবাতি পাবলৈ নাই। উপায়বিহীন বহুতো অভিভাৱকে সৰিয়হৰ তেলৰ চাকি জ্বলাই শিক্ষাৰ্থীক অধ্যয়নৰ সুবিধা কৰি দিছে। বন্ধ হৈ পৰিছে ই-ৰিক্সাৰ চলাচল। ইতিমধ্যে সমগ্ৰ সমস্যাৰ সমাধান কৰিবলৈ তৎপৰ হৈ পৰিছে বিদ্যুৎ বিভাগৰ একাংশ কর্মচাৰী। ঠিকাদাৰৰ জৰিয়তে নতুন খুঁটাপোটা আৰু তাঁৰ টনা কাম বাতৰি লিখা সময়লৈকে অব্যাহত ৰাখিছে। কিন্তু বিদ্যুৎ সংযোগ হোৱাৰ লক্ষণ স্পষ্ট হোৱা নাই। তেওঁলোকক ভুক্তভোগী ৰাইজে ফোন কৰি সুধিলে হ'ব অলপ পাছতে হ'ব বুলি আশ্বাসৰে পতিয়ন নিয়ে। উল্লেখ্য যে বিদ্যুৎ যোগান কেতিয়া হ'ব, সেই লৈ বিভাগীয় বিষয়াক ফোন কৰিলে ফোনটো বিজি কৰি থৈ দায়িত্ব সাৰিছে। কণিষ্ঠ অভিযন্তাগৰাকীয়েও দায়সৰা মন্তব্য কৰিয়ে সমস্যা সমাধানৰ পৰা আঁতৰি আছে। ইপিনে, ঢাল-তৰোৱালবিহীন সৈনিকে যুদ্ধক্ষেত্ৰত যোৱাৰ নিচিনা কোনো সা-সৰঞ্জাম নোহোৱা কর্মচাৰীয়ে গছ কাটি বিদ্যুৎ সংযোগ দিবলৈ অহাটো একপ্ৰকাৰ হাস্যকৰ অৱস্থা হৈছে। আজি নিশালৈকে অঞ্চলটোত বিদ্যুৎ সংযোগ কৰা হোৱা নাই।



ডিগবৈত হাতীয়ে বিধ্বস্ত কৰা এটি গৃহ, শনিবাৰে।

## ডিগবৈ বালিজানত জ্যেষ্ঠ নাগৰিকৰ বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**ডিগবৈ, ২৬ মার্চ ঃ** তৈলনগৰী ডিগবৈ চহৰৰ বালিজানত জ্যেষ্ঠ নাগৰিকৰ বাবে বিনামূলীয়া এক চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা অন্ধতা দূৰীকৰণ সমিতিৰ উদ্যোগত ডিগবৈ লায়ন্স ক্লাব আৰু বালিজান বৰজান শাখা সাহিত্য সভাৰ সহযোগত বালিজান শ্ৰীশ্ৰী শংকৰ গুৰু নামঘৰ প্ৰাংগণত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা অন্ধতা নিবাৰণ সমিতিৰ প্ৰৱন্ধক তথা চকু চিকিৎসক ড° অমূল্য গোহাঁয়ে বিনামূলীয়া চকুত পৰীক্ষা শিবিৰটোত বালিজান বৰজান বৃহৎ অঞ্চলৰ প্ৰায় শতাধিক জ্যেষ্ঠ নাগৰিকক চকু পৰীক্ষা কৰে। বিনামূলীয়া চকু পৰীক্ষা শিবিৰত ২৪ গৰাকী জ্যেষ্ঠ নাগৰিকৰ চকু ছানি পৰা ৰোগ ধৰা পৰাত অহা ২৮ মার্চত উন্নত চিকিৎসাৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত অস্ত্ৰোপচাৰ কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেই তিনিচুকীয়া জিলা অন্ধতা দূৰীকৰণ সমিতি আৰু ডিগবৈ লায়ন্স ক্লাবে বহু গ্ৰামাঞ্চলত বিনামূলীয়াকৈ চকু পৰীক্ষা শিবিৰ আয়োজন কৰি বহু সংখ্যক চকু ৰোগত ভুগি থকা ৰোগীক চশমা প্ৰদান কৰাৰ লগতে অস্ত্ৰোপচাৰ কৰি আৰোগ্য কৰি আহেছে।

## অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আঁচনিৰ মহিলা সৱলীকৰণ

অগ্ৰদূত বার্তা

**নদুৱাৰ, ২৬ মার্চ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আঁচনিৰ অধীনত জামুগুৰিহাটৰ উজৰাচুক চাৰিআলিত যোৱা ২৫ মার্চত এখন সভা অনুষ্ঠিত হয়। বিৰাংগনা গ্ৰাম্য সংগঠনৰ অন্তৰ্ভুক্ত উজৰাচুক জেউতী আত্মসহায়ক গোটৰ উদ্যোগত সম্পাদিকা লিলি দেৱীৰ প্ৰচেষ্টাত স্বাৱলম্বী হোৱাৰ পদক্ষেপৰে অনুষ্ঠিত সভাৰ সঞ্চালিকাৰ আসন গ্ৰহণ কৰে প্ৰতিভা গোটৰ সম্পাদিকা দিপামণি দেৱীয়ে। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে নদুৱাৰ উন্নয়ন খণ্ডৰ প্ৰকল্প বিষয়া জয়ন্ত মোহনে। প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰ উন্মোচন কৰে মধ্য ছিলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী জলী ভৰালীয়ে। চিলাই মেচিন উদ্বোধন কৰে প্ৰশিক্ষক ডিম্বেশ্বৰ বৰাই। জেউতী আত্মসহায়ক গোটৰ লিলি দেৱীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ বিশিষ্ট অতিথি উদ্বোধক আৰু সভানেত্ৰীগৰাকীক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে পদুমী দেৱী আৰু সদস্যসকলৰ লগতে জামুগুৰি ইউকো বেংকৰ বেংক মিত্ৰ পমী শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰে কবিতা দেৱী আৰু ৰিতা দেৱীয়ে। জেউতী আত্মসহায়ক গোটৰ সদস্যাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যৰে আয়োজিত অনুষ্ঠানত খণ্ড বিষয়াগৰাকীয়ে গোটক শলাগ লৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। প্ৰশিক্ষক ডিম্বেশ্বৰ বৰাই সপ্তাহত দুদিনকৈ আহি গোটৰ সদস্যাসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে।

দেওমৰনৈ স্নাতক মহাবিদ্যালয়ত কর্মশালা

## সঠিক চিন্তাশক্তি আৰু ব্যক্তিত্বই জীৱন সফল কৰে



অগ্ৰদূত বার্তা

**দেওমৰনৈ, ২৬ মার্চ ঃ** দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন কোষৰ উদ্যোগত ব্যক্তিত্ব বিকাশ আৰু মনৰ শক্তি বিকাশৰ ওপৰত এখন এদিনীয়া কর্মশালা আজি ১০-৩০ বজাৰ পৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গীতালি কলিতাৰ আদৰণি ভাষণৰ পাছতেই সমল ব্যক্তি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ গণ সংযোগ বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° শৈলেন দাসে ব্যক্তিত্ব বিকাশৰ ওপৰত দীঘলীয়া বক্তৃতা প্ৰদান কৰে। সঠিক চিন্তাশক্তি আৰু ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন কিদৰে সফল আৰু সুৰক্ষিত কৰিব পাৰে তাৰ ওপৰত ড° দাসে এক সাৱলীল আৰু গভীৰ বক্তৃতাৰে ছাত্ৰ-ছাত্ৰীসকলক সেই ধৰণৰ ইতিবাচক দিশবোৰ অনুকৰণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে আজিৰ এই কর্মশালাত মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক- কর্মচাৰীও উপস্থিত থাকে। সামৰণিত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন কোষৰ সমন্বয়ক ড° অজিত শর্মাই শলাগৰ শৰাই আগবঢ়ায়।

## তিতাবৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বহী মূল্যায়ন আৰম্ভ

অগ্ৰদূত বার্তা

**মেলামাটি, ২৬ মার্চ ঃ** তিতাবৰ শিক্ষাখণ্ডৰ অধীনত শ্ৰীমন্ত শংকৰ বিদ্যাপীঠত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বহী মূল্যায়ন যোৱা ২২ মার্চৰ পৰা আৰম্ভ হৈছে। এই উপলক্ষে উক্ত দিনটোত তিতাবৰৰ শ্ৰীমন্ত শংকৰ বিদ্যাপীঠত বিদ্যাপীঠৰ প্ৰধান শিক্ষয়িত্ৰী তথা বহী মূল্যায়ন কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ৰীতা বৰঠাকুৰৰ পৰিচালনাত মূল্যায়ন কার্যসূচীৰ উদ্বোধন কৰা হয়। বহী মূল্যায়ন কেন্দ্ৰৰ উদ্বোধন কার্যসূচীত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অজিত বৰদলৈ, ললিত শইকীয়া, বিমান শইকীয়া, বুদ্ধীন্দ্ৰ নাথ হাজৰিকা, বিপিন শইকীয়াই বিভিন্ন বিষয়ৰ বহী মূল্যায়নৰ ক্ষেত্ৰত ছেবাৰ নীতি-নির্দেশনা অনুসৰি আন্তৰিকতাৰে কৰ্তব্য পালন কৰিবলৈ পৰীক্ষকসকলক দিহা- পৰামৰ্শ আগবঢ়ায়। তিতাবৰৰ বহী মূল্যায়ন কেন্দ্ৰত ইংৰাজী, অসমীয়া, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান, সমাজ বিজ্ঞান, হিন্দী আৰু ঐচ্ছিক অসমীয়া বিষয়ৰ বহী মূল্যায়ন কৰিব। যোৱা ২২ মার্চৰ পৰা ইংৰাজী বিষয়ৰ মূল্যায়ন আৰম্ভ হৈছে। বহী মূল্যায়নৰ উদ্বোধনী কার্যসূচীত শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। তিতাবৰ বহী মূল্যায়ন কেন্দ্ৰত সৰ্বমুঠ ৫১,৪১১ খন বহী মূল্যায়ন কৰিব।

## দুজন পৰীক্ষাৰ্থীক বহিষ্কাৰ চামগুৰিত

অগ্ৰদূত বার্তা

**চামগুৰি, ২৬ মার্চ ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰাৰ অপৰাধত আজি চামগুৰিৰ পৰীক্ষা কেন্দ্ৰৰ পৰা দুজনকৈ পৰীক্ষাৰ্থীক বহিষ্কাৰ কৰা হৈছে। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা এই বর্ষত অঞ্চলটোৰ কে'বাখনো বিদ্যালয়ৰ মুঠ ৫৭৫ জন শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। যোৱা ১৫ মার্চৰ পৰা চলি থকা পৰীক্ষাৰ আজি বিজ্ঞান বিষয়ৰ পৰীক্ষা আছিল। এই বিজ্ঞান বিষয়ৰ পৰীক্ষাতে অসৎ উপায় (নকল) অৱলম্বন কৰাৰ অপৰাধক এজন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীক নগাঁও মহাবিদ্যালয়ৰ পৰা নিযুক্ত পৰীক্ষা-নিৰীক্ষক বনশ্ৰী শইকীয়াই বহিষ্কাৰ কৰে।

## সাহায্যৰ পৰা বঞ্চিত কলাইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

অগ্ৰদূত বার্তা

**কলাইগাঁও, ২৬ মার্চ ঃ** ১০ বছৰ অতিক্ৰম কৰা আৰু সাত ব'হাগৰ ভিতৰত ৰঙালী বিহু উদ্‌যাপন কৰা বিহু সমিতিসমূহক অসম চৰকাৰৰ পৰা ডেৰ লাখ টকা ৰাজ সাহায্য হিচাপে প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল । ৪২ বছৰত ভৰি দিয়া কলাইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সমিতিখনে এই ৰাজসাহায্য লাভ কৰাৰ পৰা বঞ্চিত হ'ব লগা হোৱাত কলাইগাঁও অঞ্চলৰ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত কলাইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ ডেকা আৰু সম্পাদক নৱ কুমাৰ ডেকাই এখন সংবাদ মেলৰ আয়োজন কৰি ক্ষোভ ব্যক্ত কৰে । আনহাতে, ৰাজ সাহায্যৰ বাবে সমিতিৰ যাৱতীয় সকলো নথিপত্ৰ কলাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কার্যালয়ত জমা দিয়াৰ পাছতো চৰকাৰৰ তালিকাত কলাইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ নাম সন্নিবিষ্ট নোহোৱাটো অতি পৰিতাপৰ বিষয় বুলি সভাপতি-সম্পাদকে উল্লেখ কৰে। লগতে ৪২ বছৰীয়া কলাইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সমিতিক ডেৰ লাখ টকাৰ ৰাজ সাহায্য প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাক সমিতিখনে আহ্বান জনোৱাৰ লগতে এই বিষয়টোৰ ওপৰত এটা তদন্ত হ'ব লাগে বুলিও সংবাদমেলত সমিতিখনে উল্লেখ কৰে। আনহাতে, সংবাদ মেলত স্থায়ী সমিতিৰ সভাপতি-সম্পাদকৰ লগতে কার্যকৰী সভাপতি উপেন ডেকা, সহকাৰী সম্পাদক হীৰেণ নাথ প্ৰমুখ্যে সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## বহু শিল্পী সংস্থা, অসম যোৰহাট জিলা সমিতিৰ বিহু নাচ-ঢোলবাদনৰ কর্মশালাৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৬ মার্চ ঃ** বিহু শিল্পী সংস্থা, অসম যোৰহাট জিলা সমিতিৰ উদ্যোগত যোৱা ১৬ৰ পৰা ২৪ মার্চলৈ অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মুকলি মঞ্চত বিহু নাচ আৰু ঢোলবাদনৰ কর্মশালা অনুষ্ঠিত হয়। এই উপলক্ষে কালি বিয়লি চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মুকলি মঞ্চত সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন বিধায়ক ৰাণা গোস্বামী, বিশিষ্ট সমাজকৰ্মী নিৰোদ চাংকাকতি, জ্যেষ্ঠ সাংবাদিক যোগেশ ওজা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাত যোৰহাট জিলা বিহু শিল্পী সংস্থাৰ ঢুলীয়া দীপক হাজৰিকাৰ সোঁৱৰণীত প্ৰৱৰ্তন কৰা শিল্পী বঁটা জ্যেষ্ঠ বিহুৱা প্ৰবীণ শইকীয়াক প্ৰদান কৰা হয়। এই বঁটাত আছে এখন ফুলাম গামোচা, এখন চেলেং, এটা ট্ৰফী আৰু নগদ ধন। বিহু শিল্পী সংস্থা, অসম যোৰহাট জিলা সমিতিৰ সভাপতি নবীন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত তিনিওজন বিশিষ্ট অতিথিৰ হতুৱাই বঁটা প্ৰদান কৰা হয়। এই বঁটা প্ৰতিবছৰে প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে উদ্যোক্তাসকলে। উল্লেখ্য যে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১৫০ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰে প্ৰশিক্ষক ক্ৰমে পাৰ্থজিৎ দত্ত, পৱিত্ৰ মাধৱ শইকীয়া, দ্বীপৰঞ্জন বৰা, শান্তনু শইকীয়া। প্ৰাঞ্জেলিকা হাজৰিকা, শিখামণি হাজৰিকা ভৰালী, প্ৰণামী বৰবৰা, জ্যোতিৰেখা ফুকন আৰু মণিকা গগৈ। কালি অনুষ্ঠিত সভাৰ অন্তত প্ৰশিক্ষাৰ্থীসকলে বিহু আৰু ঢোলবাদন পৰিৱেশন কৰে।

## ২৮ মার্চত তিতাৰাম বৰদলৈ উঃ মাঃ বিদ্যালয়ত সভা

অগ্ৰদূত বার্তা

**চিনামৰা, ২৬ মার্চ ঃ** তিতাৰাম বৰদলৈ উঃ মাঃ বিদ্যালয়ৰ উদ্যোগত অঞ্চলটোৰ প্ৰাদেশীকৃত বিদ্যালয়সমূহৰ উত্তৰণ আৰু বিদ্যালয়সমূহৰ মাজত সু-সম্পৰ্ক ৰক্ষাৰ্থে অঞ্চলৰ পাৰ্শ্বৱৰ্তী বিদ্যালয়ৰ এক উমৈহতীয়া মঞ্চ গঠনৰ বাবে অহা ২৮ মার্চত এখনি ৰাজহুৱা সভাৰ আয়োজন কৰিছে। তদুপলক্ষে তিতাৰাম বৰদলৈ বিদ্যালয় প্ৰাংগণত উক্ত দিনা পুৱা ১০-৩০ বজাত অনুষ্ঠিত হ'ব লগা সভাত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী তথা শিক্ষানুৰাগী ৰাইজৰ সহযোগিতা, উপস্থিতি বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈয়ে কামনা কৰিছে।

## এজাক বৰষুণতে বাদুলি পুখুৰী ঢেকীয়ানি ভৰলুৱা পথৰ কদৰ্যৰূপ, অচল যাতায়াত

অগ্ৰদূত বার্তা

**কাকজান, ২৬ মার্চ ঃ** টীয়ক সমষ্টিৰ অন্তৰ্গত বাদুলি পুখুৰী-ঢেকীয়ানি পথটোৰে এজাক বৰষুণতে কদৰ্যৰূপ ধাৰণ কৰিছে-৩৭ নম্বৰ ঘাইপথ সংযোগী বাদুলিপুখুৰী-ঢেকীয়ানি ভৰলুৱা অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ পথটোৰে এজাক বৰষুণতে কদৰ্যৰূপ ধাৰণ কৰাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়া হৈছে। দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ বাবেই এনেদৰে কদৰ্য ৰূপ ধাৰণ কৰা পথটোৰ কথা জনপ্ৰতিনিধিক



জনায়ো ভাগৰিছে অঞ্চলবাসীয়ে। ইফালে, নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলে উক্ত পথটোক ইছ্যু হিচাপে লয় যদিও নিৰ্বাচনৰ পাছত কোনো গুৰুত্ব আৰোপ নকৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। আনহাতে, ৰাইজে যাতায়াতৰ বাবে দীৰ্ঘদিন ধৰি গাঁঠিৰ ধন ভাঙি পথটো মেৰামতি কৰি আহিছে। সেয়েহে বিষয়টো ৰাজনৈতিক মেৰপাকত আবদ্ধ নকৰি ৰাইজৰ সুবিধাৰ্থে শীঘ্ৰেই পথটো নির্মাণ কৰিবলৈ আহ্বান জনাইছে।

## মইনাপৰীয়া নামঘৰত ৰাজহুৱা বৰসবাহৰ আয়োজন

অগ্ৰদূত বার্তা

**কাকজান, ২৬ মার্চ ঃ** যোৰহাট জিলাৰ উত্তৰ-পূব দিশত অৱস্থিত নৃসিংহ খ্যাত লাহদৈগড় মইনাপৰীয়া নামঘৰত বিগত বছৰসমূহৰ দৰে এইবাৰো কাইলৈ সদৌ মইনাপৰীয়া ৰাইজৰ আতিথ্যত ৰাজহুৱা বৰসবাহ আয়োজন কৰিছে। এই উপলক্ষে পুৱা বৃক্ষৰোপণ কার্যসূচীৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰিব মইনাপৰীয়া নামঘৰ পৰিচালনা সমিতিৰ সভাপতি হৰেন দত্তই। নাম-প্ৰসংগৰ লগতে বয়োজ্যেষ্ঠসকলক সম্বৰ্ধনা, বন্তি প্ৰজ্বলনৰ লগতে সন্ধিয়া মইনাপৰীয়া গাঁৱৰ চেমনীয়া শিল্পীসকলৰ দ্বাৰা 'ৰুক্মিণী হৰণ' ভাওনা প্ৰদৰ্শন কৰিব। অনুষ্ঠানত সমূহ ৰাইজৰ সহযোগিতা নামঘৰ পৰিচালনা সমিতিৰ সভাপতি হৰেন দত্ত আৰু সম্পাদক শৰৎ চন্দ্ৰ নেওগে কামনা কৰিছে।

## পেঙেৰীত নিশা বন্যহস্তীৰ তাণ্ডৱ ঃ লণ্ড-ভণ্ড বাসগৃহ

**ডিগবৈ, ২৬ মার্চ ঃ** সম্প্ৰতি ৰাজ্যত হাতী-মানুহৰ সংঘাত বৃদ্ধি পাই থকাৰ সময়তে যোৱা নিশা পেঙেৰী অম্বিকাপুৰ গাঁৱত এটা অকলশৰীয়া বনৰীয়া হাতীয়ে বিস্তৰ ক্ষতিসাধন কৰে। ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলৰ পৰা ওলাই আহি খাদ্যৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা অকলশৰীয়া বনৰীয়া হাতীটোৱে নিশা প্ৰায় দুই বজাত সন্ত্ৰাস চলাই অজয় নায়ক নামৰ লোকজনৰ বাসগৃহ ভাঙি সম্পূৰ্ণৰূপে লণ্ড-ভণ্ড কৰে। নিশা প্ৰায় দুই বজাত অতৰ্কিতে চলোৱা বন্যহস্তীৰ সন্ত্ৰাসত অজয় নায়ক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় যদিও সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে অজয়ৰ পৰিয়ালটো। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অজয়ক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত লালমাটি, অম্বিকাপুৰ, দোৱাৰমৰা, খাটাংপানী আদি বৃহৎ অঞ্চলত সঘনাই ওলোৱা বনৰীয়া হাতীৰ তাণ্ডৱত জনসাধাৰণে শংকাত জীৱন নিৰ্বাহ কৰিবলগীয়া পৰিস্থিতি হৈ আহিছে।

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৭ মাৰ্চ, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# পাহৰণি ৰোগ



বয়স বৃদ্ধিৰ লগে লগে মানুহে পাহৰণিৰ ৰোগত আক্ৰান্ত হয়। সেয়েহে বয়স্ক লোকসকলে সময়ৰ লগে লগে বহুতো কথা পাহৰি যায়। আনকি নিজৰ প্ৰয়োজনীয় কাম-কাজ, বস্তুৰ কথাকে মনত নপৰে। ঘৰৰ বাহিৰলৈ ওলাই গ'লে ঘূৰি আহোতে নিজৰ ঘৰখনৰ ঠিকনাকে উলিয়াব নোৱাৰে। চশমাযোৰ পকেটত ৰাখিয়েই ঘৰৰ চাৰিওফালে বিচাৰি চলাথ কৰে। কিছুমানৰ এই ৰোগ ইমান জটিল হয় যে প্ৰতিটো মুহূৰ্ততে পৰিয়ালৰ আন লোকসকলে নজৰ দিবলগীয়া হয়। নহ'লেই বিপদ ঘটিব পাৰে। প্ৰথম অৱস্থাত এই ৰোগ হ'লেও বিশেষ অসুবিধা নহয়। কিন্তু সময় যোৱাৰ লগে লগে এই জটিল ৰূপ লয়। খাদ্য গ্ৰহণ কৰিছে নে নাই সেই কথাকে ঘৰৰ মানুহক সুধি ব্যতিব্যস্ত কৰি তোলে। পূৰ্বৰ তুলনাত এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। এনে ৰোগৰ ওপৰত ইতিমধ্যে বহুতো গৱেষণা আৰম্ভ হৈছে। আজিকালি কম বয়সতো হ'বলৈ আৰম্ভ কৰিছে। এয়া শুভ লক্ষণ বুলি ক'ব নোৱাৰি। সকলো মানুহৰে স্মৃতিশক্তি সমান নহয়। কিছুমানৰ কম আৰু আন কিছুমানৰ বেছি। অৱশ্যে স্মৃতিশক্তি বিষয়টো নিৰ্ভৰ কৰে স্নায়ুতন্ত্ৰৰ সুস্থতাৰ ওপৰত। স্নায়ুতন্ত্ৰ যিমানেই দুৰ্বল হ'ব সিমানেই পাহৰণিৰ ৰোগ আদিয়ে সহজে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। সেইবাবে সৰুৰে পৰাই স্নায়ুতন্ত্ৰ শক্তিশালী কৰি ৰাখিবলৈ বিভিন্ন ধৰণৰ খাদ্য গ্ৰহণ কৰা উচিত। বহুতে ভাবে যে বয়স হোৱাৰ লগে লগে উপযুক্ত খাদ্য খালে ৰোগ প্ৰতিৰোধ হ'ব। গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে যদিও পাহৰণিৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰাটো সম্ভৱ নহয় তথাপি আক্ৰান্ত হোৱাৰ ব্যৱধান হ্ৰাস কৰাটো সম্ভৱ।

**এলঝেইমাৰ পাৰ্কিনচনৰ ৰোগ প্ৰতিৰোধ কৰে ষ্ট্ৰবেৰীয়ে**

সুস্বাদু ফলৰ ভিতৰত অন্যতম হ'ল ষ্ট্ৰবেৰী। ফলবিধ দেখিলেই জিভাৰ পানী ওলোৱাৰ পাছত খালে শৰীৰে কিছু পৰিমাণে প্ৰয়োজনীয় ভিটামিন, খনিজ পদাৰ্থ লাভ কৰে। সৌন্দৰ্য চৰ্চাৰ পৰা আৰম্ভ ৰোগ প্ৰতিৰোধ কৰালৈকে সকলো ক্ষেত্ৰতে এইবিধ ফলত থকা উপাদানে সহায় কৰা দেখা যায়। ষ্ট্ৰবেৰীত থকা এণ্টিঅক্সিডেণ্ট আৰু পলিফেনল যৌগই স্বাস্থ্য ৰক্ষাত সহায় কৰে। এইবোৰ উপাদান হ'ল কৰ্কট প্ৰতিৰোধী। ইয়াত ভিটামিন 'চি' থাকে বাবে ৰোগ প্ৰতিৰোধ ক্ষমতাও বৃদ্ধি পায়। সমান্তৰালভাৱে ছাল আৰু চুলিৰ সৌন্দৰ্য বৰ্ধনতো সহায়ক বুলি কোৱা হয়। ফাইবাৰ সমৃদ্ধ হোৱা বাবে সোনকালে ভোক নালাগে। ক্ষুধা বেছি সময়লৈকে নালাগে বাবে ওজন বৃদ্ধি নাপায়। ইয়াত থকা ডায়েটাৰী ফাইবাৰৰ বাবে হজম শক্তি স্বাভাৱিক আৰু উন্নত হয়। সেইবাবে কোষ্ঠকাঠিন্যত ভোগা লোকসকলে নিয়মীয়াকৈ ষ্ট্ৰবেৰী খালে সুফল লাভ কৰিব পাৰে। তদুপৰি এইবিধ ফলে তেজত গ্লুক'জৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। সেইবাবে ডায়েবেটিছত আক্ৰান্ত ৰোগীয়ে ষ্ট্ৰবেৰী খোৱাত বাধা নাই। ফ্লেভোনয়ড থকা বাবে তেজ শৰীৰত গোট মাৰিবলৈ নিদিয়ে। ফলত বয়স্ক লোকসকলৰ বহু পৰিমাণে হৃদৰোগ প্ৰতিৰোধ কৰে।

ষ্ট্ৰবেৰীত থকা পটাছিয়ামে উচ্চ ৰক্তচাপ হ্ৰাস কৰাত সহায়ক বুলি কয়। একাপ ষ্ট্ৰবেৰীত কেলৰিৰ পৰিমাণ ৪৯ গ্ৰাম। সেইবাবে কোনো চিন্তা নকৰাকৈয়ে এইবিধ ফল খাব পাৰে। এইবিধ ফল খালে পেট ভৰে। মহিলাই যদি সপ্তাহত তিনি-চাৰিবাৰ ষ্ট্ৰবেৰী খাই তেওঁলোকৰ হৃদৰোগ হোৱাৰ আশংকা কম। হাৰ্ট এটেকৰ আশংকা কম থাকে। এক তৃতীয়াংশ হাৰ্ট এটেকৰ আশংকা কৰে। ষ্ট্ৰবেৰীত থকা মেলিক এচিড হ'ল এণ্টি অক্সিডেণ্ট। এইবিধ এণ্টি অক্সিডেণ্টে দাঁতৰ হালধীয়া বৰণ নাইকিয়া কৰে। দাঁতৰ ওপৰত জমা হোৱা বেক্টেৰিয়াক ধ্বংস কৰিব পৰা ক্ষমতা আছে ষ্ট্ৰবেৰীত। দাঁত শক্তিশালী কৰে বাবে ভাঙি যোৱাৰ আশংকা নাথাকে। অৱশ্যে এইখিনিতে সকলোৱে মনত ৰাখিব লাগিব যে বেছিকৈ ষ্ট্ৰবেৰী খালে এচিডৰ ফলত দাঁতৰ এলামেলৰ ক্ষতি সাধন হোৱাৰো আশংকা নুই কৰিব নোৱাৰি।

হাড় শক্তিশালী কৰিবলৈ ষ্ট্ৰবেৰী খাব লাগে। এইবিধ ফলত থকা মেগনেছিয়ামে হাড় শক্তিশালী কৰাত সহায় কৰে। ষ্ট্ৰবেৰীত থকা আলফা হাইড্ৰক্সি এচিডে ছালখন মসৃণ কৰে।

মেৰিলেণ্ড বাল্টিমোৰ কাউণ্টি বিশ্ববিদ্যালয়ৰ গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে শৰীৰত কিছুমান প্ৰ'টিনৰ পৰিমাণ বৃদ্ধি পালে এলঝেইমাৰৰ ৰোগ বা পৰ্কিনচনৰ ৰোগ হোৱাৰ আশংকা থাকে। যিসকলে নিয়মীয়াকৈ ষ্ট্ৰবেৰী সেৱন কৰে তেওঁলোকৰ এনে ধৰণৰ সমস্যাই সহজে গা কৰি উঠিব নোৱাৰে। কাৰণ এনে ধৰণৰ বিষাক্ত প্ৰ'টিন শৰীৰত জমা হ'বলৈ নিদিয়ে ষ্ট্ৰবেৰীত থকা বিভিন্ন উপাদানে।

**মস্তিষ্কৰ বিষয়ে জানি থোৱা ভাল**

✧ শৰীৰৰ গুৰুত্বপূৰ্ণ অংশৰ ভিতৰত অন্যতম হ'ল মস্তিষ্ক। শৰীৰৰ মুঠ ওজনৰ মাত্ৰ তিনি শতাংশ ওজন থাকে মস্তিষ্কৰ। পিছে হৃদযন্ত্ৰৰ পৰা অক্সিজেনো যিমান পৰিমাণৰ তেজ শৰীৰৰ বিভিন্ন অংশলৈ যায় তাৰ ভিতৰত মস্তিষ্কই ৩০ শতাংশ শোষণ কৰে। অৰ্থাৎ ৩০ শতাংশ তেজ হৃদযন্ত্ৰৰ পৰা মস্তিষ্কলৈ সৰবৰাহ হয়।

✧মস্তিষ্কই নিজাকৈ বিষ অনুভৱ কৰিব নোৱাৰে। ইয়াত বিষ গ্ৰাহক থাকে যদিও বিষ অনুভৱ নকৰে।

✧ যেতিয়া শোৱাপাটী ত্যাগ কৰে তেতিয়া যিমান পৰিমাণৰ বৈদ্যুতিক প্ৰবাহ হয় তাৰ দ্বাৰা সৰু কম পাৱাৰ বাল্ব এটা জ্বলি উঠিব।

✧মস্তিষ্কক শৰীৰৰ মুঠ চৰ্বিৰ ৬০ শতাংশৰ প্ৰয়োজন। সেইবাবে



দৈনন্দিন খাদ্য তালিকাত অ'মেগা-৩ আৰু অ'মেগা৬ ফেটী এচিড অন্তৰ্ভুক্ত কৰিব লাগে।

**স্মৃতিশক্তি কেনেদৰে বৃদ্ধি কৰিব?**

✧স্মৃতিশক্তি বৃদ্ধি কৰিবলৈ খাওক কফি। ফিনলেণ্ডৰ এদল গৱেষকে এই বুলি মন্তব্য কৰিছে যে যিসকল লোকে দিনটোৰ ভিতৰত কমেও তিনি কাপ কফি খায় তেওঁলোকৰ স্মৃতিশক্তি সতেজ হৈ থাকে।

✧চকলেট খালেও স্মৃতিশক্তি বৃদ্ধি হয় বুলি শেহতীয়া গৱেষণাত প্ৰমাণিত হৈছে। নিতৌ আউন্সৰ এক তৃতীয়াংশ চকলেট খালে এনে উপকাৰ লাভ কৰাটো সম্ভৱ।

✧নিয়মীয়াকৈ ধ্যান কৰিলেও স্মৃতিশক্তি বৃদ্ধি পায়।

✧ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ এদল গৱেষকে উল্লেখ কৰিছে যে সংগীতেও স্মৃতিশক্তি বৃদ্ধি কৰিব পাৰে। সংগীত শুনাৰ লগে লগে মস্তিষ্কৰ কোষত এক মৃদু কম্পনৰ সৃষ্টি হয়। ভাৰতীয় শাস্ত্ৰীয় সংগীত এই ক্ষেত্ৰত অধিক ফলপ্ৰসূ বুলি গৱেষকসকলে মন্তব্য কৰিছে।

✧ভিটামিন বি-১ আৰু ভিটামিন বি-৯ যুক্ত খাদ্য নিয়মীয়াকৈ গ্ৰহণ কৰিলেও স্মৃতিশক্তি সজীৱ হৈ থাকে।

✧দৈনন্দিন খাদ্য তালিকাত কাৰ্বোহাইড্ৰেট জাতীয় খাদ্য গ্ৰহণ কৰিবই লাগিব।

✧আমলখিৰ গুণৰ অন্ত নাই। ইয়াত প্ৰচুৰ পৰিমাণে ভিটামিন 'চি'ৰ পৰা আৰম্ভ কৰি স্মৃতিশক্তি বৃদ্ধিৰ বাবে সকলো প্ৰয়োজনীয় উপাদান পোৱা যায়।



✧স্মৃতিশক্তি সতেজ কৰি ৰাখিবলৈ নিয়মীয়াকৈ মৌচুমী খোৱা উচিত। কাৰণ মৌচুমীত স্মৃতিশক্তি সজীৱ কৰি ৰাখিব পৰা প্ৰায়বোৰ উপাদান থাকে।

✧টেনচন আদিৰ পৰা মুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত। কাৰণ টেনচনৰ প্ৰভাৱ পৰোক্ষভাৱে মস্তিষ্কৰ ওপৰত পৰিব পাৰে।

**ভাস্কুলাৰ ডিমেনছিয়া**

ডিমেনছিয়া মানে বহুতেই স্মৃতিভ্ৰংশ বুলি ভাবে। কিন্তু ডিমেনছিয়া মানেই স্মৃতিভ্ৰংশ বুলি ক'ব নোৱাৰি। বিভিন্ন কাৰণত ভিন্ন ডিমেনছিয়া হ'ব পাৰে। প্ৰায়ভাগ লোকৰ ক্ষেত্ৰতেই পিছে এলঝেইমাৰৰ ৰোগ বেছি হোৱা দেখা যায়। স্মৃতিভ্ৰংশ এলবেইমাৰৰ ৰোগৰ অন্যতম লক্ষণ হিচাপে গণ্য কৰা হয়। বিভিন্ন ধৰণৰ ডিমেনছিয়াৰ লক্ষণ বেলেগ বেলেগ হোৱা দেখা যায়। সাধাৰণতে ডিমেনছিয়া হ'লে আক্ৰান্ত ব্যক্তিগৰাকীৰ ব্যৱহাৰৰ পৰিৱৰ্তন হ'বলৈ ধৰে। কিছুমানৰ আকৌ আগতে থকা বিশেষ ধৰণৰ কৰ্মদক্ষতাৰ বিষয়ে পাহৰি যোৱাৰ উপক্ৰম হয় নতুবা পাহৰি যায়। আন কিছুমানৰ আকৌ লিখা-পঢ়াৰ কথাবোৰ পাহৰি যোৱাৰ উপক্ৰম নতুবা পাহৰি যায়।

সাধাৰণতে ভাস্কুলাৰ ডিমেনছিয়া হয় ষ্ট্ৰোকত আক্ৰান্ত হোৱাৰ পাছত। কেতিয়াবা কিছুমান লোকৰ নিজৰ অজ্ঞাতেই কে'বাটাও ষ্ট্ৰোক হয়। কিছুমান সৰু সৰুকৈ ষ্ট্ৰোক হৈ থাকে। এইবোৰ ইমানেই সূক্ষ্মভাৱে সংঘটিত হৈ থাকে যাতে সেয়া জনাটো সম্ভৱ নহয়। এইবোৰৰ বিষয়ে আক্ৰান্তজনে নাজানিলেও মস্তিষ্কৰ ক্ষতিসাধন হৈ থাকে। ষ্ট্ৰোকৰ ফলত মস্তিষ্কলৈ তেজৰ সৰবৰাহত ব্যাঘাত জন্মে। তেজৰ সঞ্চালন বা সৰবৰাহ স্বাভাৱিক নহ'লে কোষসমূহে অক্সিজেন আৰু পুষ্টি লাভ নকৰে। মস্তিষ্কৰ কোষসমূহে যদিহে নিতৌ প্ৰয়োজনীয় অক্সিজেন আৰু তেজ লাভ নকৰে তেতিয়া কোষ ধ্বংস হয়। দৰাচলতে এনে ধৰণৰ পৰিস্থিতিৰ বাবেই ভাস্কুলাৰ ডিমেনছিয়া আৰম্ভ হয়। এনেধৰণৰ ডিমেনছিয়া হ'লে লক্ষণ ফুটি উঠোতে পলম হোৱা দেখা যায়। ষ্ট্ৰোকত আক্ৰান্ত হ'লেই প্ৰায়ভাগ লোকৰেই মস্তিষ্কৰ কৰ্মক্ষমতা হ্ৰাস পায়। যেতিয়া মস্তিষ্কৰ কৰ্মদক্ষতা হ্ৰাস পায় তেতিয়া এনে অৱস্থাক কোৱা হয় 'মাল্টি ইনফাৰ্কট' বা প'ষ্ট ষ্ট্ৰোক ডিমেনছিয়া। এনে ধৰণৰ সমস্যাৰ সৃষ্টি হোৱাৰ লগে লগে যিবোৰ লক্ষণ ফুটি উঠে সেইবোৰ হ'ল—১। আক্ৰান্ত ব্যক্তিগৰাকীয়ে সঠিকভাৱে চিন্তা কৰিব নোৱাৰে। ২। উপযুক্তভাৱে কোনো বিষয় সম্পৰ্কে ধাৰণা কৰাতো ব্যাঘাত জন্মে। ৩। যিকোনো সিদ্ধান্ত বা বিচাৰ-বিবেচনা কৰাৰ ক্ষমতা হ্ৰাস পায়। যদিহে আক্ৰান্ত লোকজনে ভাত ৰান্ধি আছে তেতিয়াহ'লে তাৰ পাছত কি কৰিব সেয়াও নিৰ্ধাৰণ কৰিব নোৱাৰে।

৪। মনঃসংযোগ ভালদৰে কৰিব নোৱাৰা বাবে ঠিক মতে বুজি নাপায়। ৫। মানসিক, শাৰীৰিকভাৱে ভাৰসাম্যহীন হোৱাৰো আশংকা থাকে। ৬। মস্তিষ্কৰ কোনটো অংশত ষ্ট্ৰোক হৈছে তাক ওপৰত নিৰ্ভৰ কৰিয়েই লক্ষণসমূহ ফুটি উঠে।

এনে ধৰণৰ লক্ষণ ফুটি উঠিলে কেতিয়াও অৱহেলা কৰিব নালাগে। কাৰণ যিমানেই পলম কৰিব সিমানেই সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে। সোনকালে চিকিৎসা কৰিলে মস্তিষ্কৰ ধ্বংস হোৱা কোষ পুনৰুজ্জীৱিত কৰিব নোৱাৰে যদিও বেছিকৈ ধ্বংস হোৱা প্ৰক্ৰিয়াটো ৰোধ কৰিব পাৰে। চিকিৎসাৰে উপশম লাভ কৰাটো সম্ভৱ আৰু পৰৱৰ্তী সময়ত হ'ব পৰা ধ্বংসও প্ৰতিৰোধ কৰিব পাৰি।

মানসিক চাপ যিকোনো ৰোগৰ বাবেই বিপজ্জনক। ষ্ট্ৰোকৰ ক্ষেত্ৰত মানসিক চাপ অন্যতম কাৰক হিচাপে গণ্য কৰা হয়। সেই বাবে এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ মানসিকভাৱে চাপমুক্ত হৈ থকা উচিত।

**অতিৰিক্ত ক'লেষ্টেৰলৰ বাবে হয় এলঝেইমাৰৰ ৰোগ**

ক'লেষ্টেৰলৰ বাবে কেৱল যে ৰক্তচাপ আদি বৃদ্ধি হ'ব পাৰে তেনে নহয়। সমান্তৰালভাৱে এলঝেইমাৰ ৰোগ হোৱাৰো আশংকা থাকে। সাধাৰণতে বয়স বৃদ্ধিৰ লগে লগে স্মৃতিভ্ৰমৰ সমস্যাই গা কৰি উঠে। শেহতীয়াভাৱে গৱেষকসকলে লাভ কৰা তথ্য অনুসৰি অতিৰিক্তভাৱে যদি তেজত ক'লেষ্টেৰল থাকে তেতিয়াহ'লে স্মৃতিভ্ৰংশৰ সমস্যায়ো গা কৰি উঠে। যিসকলে নিয়মীয়াকৈ বেছি কফি পান কৰে তেওঁলোকৰ ক'লেষ্টেৰলৰ পৰিমাণ বৃদ্ধিৰ আশংকা থাকে। কাৰণ ইয়াত থকা কেফিনে ক'লেষ্টেৰল বৃদ্ধি কৰে। অতিৰিক্ত ক'লেষ্টেৰলে ৰক্ত আৰু মস্তিষ্কৰ বেৰোমিটাৰত ক্ষতি কৰে। দৰাচলতে বেছি কেফিন খোৱাৰ ফলত ইয়াৰ প্ৰভাৱ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত পৰে। দীৰ্ঘদিন ধৰি কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত এনেদৰে প্ৰভাৱ পৰিলে স্মৃতিশক্তি হ্ৰাস পোৱাৰ উপক্ৰম ঘটে। এইটো সকলোৱে জ্ঞাত যে প্ৰত্যেকৰে স্মৃতিশক্তি আদি সক্ৰীয় আৰু সজীৱ তেতিয়ালৈ হৈ থাকে যেতিয়ালৈকে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ শক্তিশালী হৈ থাকে। সেইবাবে যিসকলে দিনটোৰ ভিতৰত বেছিকৈ কফি সেৱন কৰে তেওঁলোকে এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা উচিত। কেফিনৰ বাবে এলঝেইমাৰ ৰোগৰ উপৰি আন বহুতো স্নায়ু ৰোগ হোৱাৰ আশংকা থকা বুলিও গৱেষকসকলে মন্তব্য কৰিছে।

## উচ্চ ৰক্তচাপৰ পৰা মুক্তি কৰিব কেনেকৈ?




- দুশ্চিন্তা মুক্ত জীৱন-যাপন কৰিলে অতিৰিক্ত মানসিক হেঁচাৰ পৰা নিজকে ৰক্ষা কৰিব পাৰি। যিমানেই মানসিক অস্থিৰতাৰ হেতুকে কোনো কামেই স্বাভাৱিকভাৱে কৰিব নোৱাৰি। যেতিয়া সময়ত শেষ কৰিবলগীয়া কামখিনি সময়মতে কৰিব নোৱাৰে তেতিয়া চাপ বৃদ্ধি পায়। এনেদৰে সদায় অতিৰিক্তভাৱে কামৰ হেঁচা ল'বলগীয়া হ'লে ৰক্তচাপ বৃদ্ধি পাব। উচ্চ ৰক্তচাপৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে প্ৰথমতে দুশ্চিন্তাবোৰৰ পৰা মুক্ত হ'বই লাগিব। অৱশ্যে এইখিনিতে উল্লেখ কৰিব খুজিছো যে দৈনন্দিন জীৱন-যাপনত কোনো ব্যক্তিয়ে নিজকে সম্পূৰ্ণৰূপে চাপমুক্ত কৰি ৰখাটো সম্ভৱ নহয়। সেই বাবে অতিৰিক্ত চাপৰ বোজাহে পাতলোৱাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত।
- অতিৰিক্ত চাপৰ পৰা মুক্তি লাভ কৰিবলৈ প্ৰত্যেকে এখন দৈনন্দিন কৰ্ম তালিকা প্ৰস্তুত কৰিব লাগে। যিবোৰ কাম খুব জৰুৰী সেইবোৰ প্ৰথমতে সম্পাদন কৰাৰ বাবে চেষ্টা কৰা উচিত।
- দিনটোৰ সকলো সময়তে কাম কৰি থাকিলেও এনে সমস্যাৰ পৰা হাত সাৰিবলৈ নিৰ্দিষ্ট সময়ৰ অন্তৰত জিৰণি লোৱাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। নিৰ্দিষ্ট সময়ৰ অন্তৰালত জিৰণি গ্ৰহণ কৰিলে শৰীৰৰ অংগ-প্ৰত্যংগসমূহে আৰাম অনুভৱ কৰে আৰু সতেজ হ'বলৈ সুযোগ পায়।
- নিৰ্দিষ্ট সময়ত টোপনি যোৱা আৰু সময়মতে বিছনাৰ পৰা উঠি অহাৰ স'তেও স্বাস্থ্য ৰক্ষা বিষয়টো জড়িত হৈ থাকে। যদিহে টোপনি ভাল নহয় তেতিয়া স্নায়ুতন্ত্ৰই স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰে। আমাৰ সকলোবোৰ কাৰ্য নিয়ন্ত্ৰিত হয়।
- শৈশৱৰে পৰা ব্যায়াম কৰাৰ অভ্যাস গঢ়িব লাগে। কাৰণ নিয়মীয়াকৈ ব্যায়াম কৰিলে শৰীৰৰ অংগ-প্ৰত্যংগসমূহে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব পাৰে।
- সদায় নিৰ্দিষ্ট দূৰত্ব খোজ কাঢ়িব লাগে। নিয়মীয়াকৈ খোজ কাঢ়িলে তেজ চলাচল সঠিক হৈ থাকে। খোজ কাঢ়িলে যে কেৱল তেজ চলাচলে স্বাভাৱিকভাৱে হৈ থাকে তেনে নহয়; ডায়েবেটিছ ৰোগ আদিও নিয়ন্ত্ৰণত থাকে।
- নিয়মীয়াকৈ ৰক্তচাপ পৰীক্ষা কৰিলেও উচ্চৰক্ত চাপৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি। বিশেষকৈ যিসকলৰ পৰিয়ালৰ কোনো এগৰাকী



সদস্যৰ যাদ ডচ্চ ৰক্তচাপৰ হাতহাস আছে তোতয়াহ'লে আন সদস্যসকলে নিয়মীয়াকৈ ৰক্তচাপ পৰীক্ষা কৰাটো বাঞ্ছনীয়। প্ৰায়ভাগ লোকে নিয়মীয়াকৈ ৰক্তচাপ পৰীক্ষা নকৰাৰ ফলত পৰৱৰ্তী সময়ত সমস্যাৰ সৃষ্টি হোৱা দেখা যায়।
- তেজত যাতে কোলেষ্টেৰেলৰ পৰিমাণ স্বাভাৱিক হৈ থাকে সেই বিষয়েও গুৰুত্ব প্ৰদান কৰা উচিত। তেজত কোলষ্টেৰলৰ পৰিমাণ বৃদ্ধি নহ'বৰ বাবে খাদ্য গ্ৰহণৰ ক্ষেত্ৰতো সতৰ্কতা অৱলম্বন কৰা উচিত। ঘীউ, মাখন, পশুৰ খাদ্য আদি কম পৰিমাণে খাব লাগিব।
- নিতৌ প্ৰচুৰ পৰিমাণে পানী খোৱা উচিত। এগৰাকী ব্যক্তিৰ বাবে কিমান পানীৰ প্ৰয়োজন সেয়া নিৰ্ভৰ কৰিব ব্যক্তিগৰাকীৰ উচ্চতা, শৰীৰৰ ওজন আদিৰ ওপৰত। আনহাতে, কায়িক শ্ৰমৰ ওপৰতো ভালেখিনি নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে এগৰাকী ৰ'দত কাম কৰা লোকৰ বাবে যিমান পানীৰ প্ৰয়োজন, এগৰাকী শীততাপ নিয়ন্ত্ৰিত ব্যক্তিৰ বাবে যিমান প্ৰয়োজন নহ'বও পাৰে।
- কেতিয়াও অৱসাদ গ্ৰস্ততাত ভুগিব নালাগে। কাৰণ অৱসাদ গ্ৰস্ততাই মানুহৰ মনত সদায় নেতিবাচক দিশটোহে উদঙাই দিয়ে। যিমানে মনটো নেতিবাচক চিন্তা-ভাৱনাৰে ভাৰাক্ৰান্ত হয় সিমানেই উদ্বিগ্নতা বৃদ্ধি পায়।
- উচ্চ ৰক্তচাপত আক্ৰান্তসকলে কেঁচা নিমখ কম পৰিমাণে খাব লাগে। এই ক্ষেত্ৰত চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো জৰুৰী।

## পানীৰ বাবে হোৱা জণ্ডিচ



গ্ৰীষ্মৰ সময়ত প্ৰায়ভাগ লোকেই জণ্ডিচৰ শংকাত ভোগে। কাৰণ এই সময়ত পানী বেছিকৈ বিভিন্ন কাৰণত দূষিত হয়। এই দূষণৰ কাৰণ যিয়েই নহওক কিয় সাধাৰণতে য'তে ত'তে তৃষ্ণা নিবাৰণৰ বাবে পানী খোৱাটোৱেই অন্যতম কাৰক বুলি ক'ব পাৰি। পানীৰ বাবে হোৱা জণ্ডিচক 'ৱাটাৰ ব'ৰ্ণ জণ্ডিচ' বুলি কয়। সাধাৰণতে পানীৰ বাবে হোৱা জণ্ডিচৰ ভিতৰত 'হেপাটাইছি—'এ' আৰু 'ই' অন্যতম। সততে এই ৰোগ হোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰিব লাগে। এই ৰোগ হোৱাৰ প্ৰধান কাৰণ হ'ল দূষিত পানী। তদুপৰি দূষিত পানীৰে খোৱা বাচন আদি পৰিষ্কাৰ কৰিলেও এনে হ'ব পাৰে। দূষিত পানীৰে ফলমূল ধুলেও এইবোৰ খালে শৰীৰৰ ভিতৰত প্ৰৱেশ কৰে। দূষিত পানীত হেপাটাইটিছ—'এ' আৰু 'ই' ভাইৰাছ প্ৰচুৰ পৰিমাণে থাকে।

**লক্ষণসমূহ**

যেতিয়া এই দুবিধ ভাইৰাছে শৰীৰত প্ৰৱেশ কৰে তেতিয়া বিভিন্ন ধৰণৰ লক্ষণ ফুটি উঠে।

- আক্ৰান্ত লোকজনে ক্লান্ত অনুভৱ কৰে।
- শৰীৰৰ উত্তাপো বৃদ্ধি হোৱাটো এক লক্ষণ।
- এনে হ'লে বমি হোৱা আৰু ওকালি ভাব হ'বলৈ ধৰে।
- আক্ৰান্তজনৰ তেজত বিলিৰুবিনৰ পৰিমাণ বৃদ্ধি পায় বাবে প্ৰস্ৰাৱ হালধীয়া বৰণৰ হয়।

**সোঁচৰা ৰোগ নহয়**

জণ্ডিচ বহুতেই সোঁচৰা ৰোগ বুলি ভাবে। আক্ৰান্তই ব্যৱহাৰ কৰা কাপোৰ, খাদ্য আদি বহুতেই স্পৰ্শ কৰিব নোখোজে। এনে কৰিলে এজনৰ পৰা আন এজনলৈ বিয়পিব পাৰে বুলি ভাবে। সেয়েহে এনে আক্ৰান্তজনৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰে।

**কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰিব**

- আক্ৰান্তজনে গৰম কৰি ঠাণ্ডা হ'লেহে পানী খাব লাগে।
- শীতল পানীয়, আইচক্ৰীম আদি খাব নালাগে।
- মছলা জাতীয় খাদ্যৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।

# ডায়েবেটিছত আক্ৰান্তৰ মানসিক প্ৰশান্তিৰ প্ৰয়োজন কিয়?

সমগ্ৰ বিশ্বতে ডায়েবেটিছত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাইছে। এনে ৰোগত কিয় বেছিকৈ আক্ৰান্ত হ'বলৈ ধৰিছে সেই বিষয়ে বিভিন্ন ঠাইত গৱেষণা হৈছে। বিভিন্নজনে ভিন্ন মতামত আগবঢ়াইছে। সকলোৱে বাবে প্ৰতিটো বিষয়েই সম্পূৰ্ণৰূপে মানি চলাটো সম্ভৱ নহয়। দৈনন্দিন জীৱন-যাপন, বৃত্তিগত কাৰণ তথা আৰ্থিক কাৰণতো সকলো চিকিৎসকে নীতি-নিয়ম মানি চলাটো সম্ভৱ নহয়। তথাপি যিখিনি পাৰি সেয়া মানি চলিব লাগে। বহুতে আকৌ আক্ৰান্ত হোৱা বুলি জনাৰ পাছতো সতৰ্কতা অৱলম্বন কৰিব নোখোজে। যদি সতৰ্কতা অৱলম্বন কৰিব নোখোজে তেতিয়াহ'লে বয়স বৃদ্ধিৰ লগে লগে সমস্যাই জটিল ৰূপ ধাৰণ কৰিব পাৰে।এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে যিমানেই ঔষধ নাখাওক কিয় যদিহে মানসিক প্ৰশান্তি নাথাকে তেতিয়াহ'লে ৰোগৰ পৰা সহজে হাত সাৰিব নোৱাৰি। কিছু বছৰ আগলৈ এই ৰোগত কেৱল বয়স্ক লোকসকলহে আক্ৰান্ত হৈছিল। এতিয়া পিছে কম বয়সতে হ'বলৈ ধৰিছে। এয়া খুউব এটা ভাল লক্ষণ বুলি ক'ব নোৱাৰি। কাৰণ কম বয়সত এই ৰোগত আক্ৰান্ত হোৱা মানে বয়সৰ লগে লগে জটিলতা বৃদ্ধিৰ আশংকা থাকে।



সম্প্ৰতি কম বয়সীয়া ল'ৰা-ছোৱালী ডায়েবেটিছত আক্ৰান্ত হোৱা দেখা যায়। বিগত কিছু বছৰৰ ভিতৰত ডায়েবেটিছত আক্ৰান্ত শিশুৰ সংখ্যা বৃদ্ধি পাইছে অস্বাভাৱিকভাৱে। আগতেও শিশুৰ ডায়েবেটিছ হৈছিল যদিও পৰিসংখ্যাই শেহতীয়া ছবিখনহে জটিল কৰিছে। কি কি কাৰণত এনে ৰোগীৰ সংখ্যা বাঢ়িবলৈ ধৰিছে সেই বিষয়ে ইতিমধ্যে চিন্তা-চৰ্চা আৰম্ভ হৈছে। আক্ৰান্ত সেই বাবে সকলোৰে প্ৰথমৰে পৰাই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে। পিতৃ-মাতৃয়েও শিশুটিক সৰুৰে পৰাই ৰোগ বিধৰ বিষয়ে জনাব লাগে। শিশুৰ ডায়েবেটিছ প্ৰতিৰোধৰ ক্ষেত্ৰত পিতৃ-মাতৃৰো ভূমিকা থাকে।

পৰিয়ালসমূহৰ সন্মুখত থিয় দিছে নতুন প্ৰত্যাহ্বান। চিকিৎসা বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো এই ৰোগবিধ এতিয়াও হৈ আছে আতংকৰ কাৰণ। কিয়নো শিশুটো যেতিয়াই এই ৰোগত আক্ৰান্ত হোৱা বুলি চিকিৎসকে পৰীক্ষাৰ জৰিয়তে নিৰ্ণয় কৰে সেই দিশটোৰ পৰাই তেনে আৰম্ভ হয় এখন নতুন যুদ্ধ। এই যুদ্ধখন চলিব দীৰ্ঘদিন ধৰি। এক কথাত ক'বলৈ গ'লে জীৱনৰ অন্তিম নিশ্বাসলৈকে এই প্ৰক্ৰিয়া চলি থাকিব।

কম বয়সত আক্ৰান্তসকলৰ কেনে ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে সেই বিষয়ে উল্লেখ কৰা হ'ল—

■ প্ৰথমতে উল্লেখ কৰিব লাগিব যে ৰোগ নিৰ্ণয়ৰ সময়ত ৰোগ সংক্ৰান্তীয় আৰু আৰ্থ-সামাজিক সমস্যা সম্পৰ্কীয় প্ৰতিকূলতাই সৃষ্টি কৰে অৱসাদ। পৰৱৰ্তী সময়ত এনে অৱসাদে শাৰীৰিক-মানসিকভাৱে ক্ষতিসাধন কৰাৰ আশংকা থাকে। যদিহে প্ৰথম অৱস্থাৰ পৰাই এনে ধৰণৰ অৱসাদৰ পৰা মুক্তি পাবলৈ চেষ্টা কৰা নহয় তেতিয়াহ'লে অৱসাদে জটিল ৰূপ ধাৰণ কৰে।



■ যেতিয়া ৰোগবিধ ধৰা পৰে তেতিয়া প্ৰথম অৱস্থাত চিকিৎসা পদ্ধতি বাছনি সম্পৰ্কে দ্বিধাগ্ৰস্ত হয়। ইয়াৰ পৰাই উদ্ৰেগ ঘটে দুচিন্তাৰ। বহুতে আনৰ পৰা বিভিন্ন ধৰণৰ চিকিৎসা সম্পৰ্কে পৰামৰ্শ গ্ৰহণ কৰে। একাংশই আকৌ আনৰ দ্বাৰা পৰিচালিত হয়। যিবিধ চিকিৎসা পদ্ধতিৰে সেৱা লাভ কৰিবলৈ আগবাঢ়িছে সেইবিধ ভৱিষ্যতে কিমান ফলদায়ক হ'ব সেই বিষয়েও ভাবিবলৈ আৰম্ভ কৰাৰ লগে লগে মনলৈ কু-ভাৱনাবোৰ আহে।

■দীৰ্ঘদিন ধৰি এই ৰোগ হৈ থাকিলে ইয়াৰ বিৰুদ্ধে যুঁজ দিবলৈ মানসিকভাৱে প্ৰস্তুত হোৱাত সমস্যাই গা কৰি উঠে।

■ বিদ্যালয়ত সহপাঠী, বন্ধু-বান্ধৱী, আত্মীয়-স্বজন, পৰিয়ালৰ লগতে সমাজৰ আন সদস্যৰ পৰা ভৱিষ্যতে বিচ্ছিন্ন হোৱাৰ আশংকাত ভোগে। ৰোগাক্ৰান্ত হোৱা বাবে সকলোৰে পৰা আঁতৰি থাকিব লাগিব বুলিয়ে আশংকা কৰে।

■ দীৰ্ঘদিন ধৰি চিকিৎসা কৰিলেও ভৱিষ্যতে দৃষ্টিশক্তি লোপ, হৃদৰোগ, কিডনী আদিৰ সমস্যাই গা কৰি উঠাৰ আশংকাত ভোগাৰ লগে লগে বিভিন্ন-দুশ্চিন্তাই আৱৰি ধৰে।

এনে ধৰণৰ দুশ্চিন্তা, অৱসাদ, আশংকা আঁতৰ কৰিবলৈ শিশুটিক সৰুৰে পৰাই মানসিকভাৱে প্ৰস্তুত কৰি তুলিব লাগিব। এনে ৰোগত আক্ৰান্ত হ'লেও যে এটি সুস্থ জীৱন-যাপন কৰি সমাজৰ লগতে পৰিয়ালৰ সকলো সদস্যৰ স'তে মিলা-মিছা কৰাটো সম্ভৱ সেয়া ভালদৰে বুজাই দিব লাগিব। জীৱনৰ প্ৰতিটো খোজতে খাপ খুৱাই জীৱন চক্ৰ ঘূৰাব পাৰি সেই বিষয়ে সৰুৰে পৰাই বুজিব পৰাকৈ এখন উপযুক্ত ক্ষেত্ৰ গঢ়িব লাগিব পিতৃ-মাতৃৰ লগতে অভিভাৱকে।

# সৰবৰহী যুৱক ধনজিৎ চৌধুৰীৰ বিয়োগ

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২৬ মাৰ্চ ঃ** সৰুপেটাৰ ঠেকা গাঁৱৰ বাসিন্দা, সৰবৰহী যুৱক তথা সমাজকৰ্মী ধনজিৎ চৌধুৰী (৪০)ৰ যোৱা নিশা বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। চৌধুৰীয়ে বিগত কিছুদিন ধৰি ৰোগাক্ৰান্ত হৈ হাস্পতালত চিকিৎসাধীন হৈ আছিল। ছাত্ৰ জীৱনৰে পৰা ৰাজনৈতিকভাৱে সচেতন আৰু মেধাৱী ছাত্ৰ চৌধুৰীয়ে সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈছিল। অগপৰ সক্ৰিয় কৰ্মী চৌধুৰী মৃত্যুৰ সময়লৈকে হস্তিনাপুৰ সমবায় সমিতি লিমিটেডৰ পৰিচালনা সমিতিৰ সদস্য পদত অধিষ্ঠিত হৈ আছিল। বৃহত্তৰ সৰুপেটা অঞ্চলৰ বিভিন্ন সামাজিক কাম-কাজত জড়িত চৌধুৰী সুদক্ষ ভলীবল খেলুৱৈও আছিল। অৰ্থনীতি বিষয়ত স্নাতক ডিগ্ৰীধাৰী চৌধুৰীয়ে সৰুপেটাত স্থায়ীভাৱে ফাৰ্মাচীৰ ব্যৱসায় কৰিছিল। মৃত্যুৰ সময়ত দুগৰাকী জ্যেষ্ঠ ভগ্নীসহ বহুতো আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি যোৱা চৌধুৰীৰ অকাল বিয়োগত সৰুপেটা-ভৱানীপুৰ অঞ্চলত শোকৰ ছাঁ পৰিছে।

# তিনি মাহে দৰমহা নাপাই হাহাকাৰ ঠিকাভিত্তিক (অতিৰিক্ত) শিক্ষকৰ

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৬ মাৰ্চ ঃ** ৰাজ্যখনৰ শিক্ষানুষ্ঠানত নিয়োজিত ঠিকাভিত্তিক (অতিৰিক্ত) শিক্ষকে এতিয়াও লাভ কৰা নাই জানুৱাৰী আৰু ফেব্ৰুৱাৰীৰ দৰমহা। হোৱাহোৱে মূল্যবৃদ্ধিয়ে কেঙা কৰা সময়ত মাৰ্চ মাহ শেষ হ'বৰ সময়তো মাহিলি দৰমহাকেইটা লাভ কৰিব নোৱাৰাৰ বাবে পৰিয়াল সমূহত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। কিন্তু এই কথা এতিয়াও দৃষ্টিগোচৰ হোৱা নাই উৰ্দ্ধতন কৰ্তৃপক্ষৰ চৰকাৰীভাৱে মাহিলি দৰমহাৰ ক্ষেত্ৰত কোনো ধৰণৰ জটিলতা নাথাকে বুলি ঘোষণা কৰিলেও ৰাজ্যখনৰ এইসকল শিক্ষকৰ সমস্যাৰ ওৰ পৰা নাই।

ভুক্তভোগী শিক্ষকসকলৰ পৰা জানিব পৰা মতে, এইসকল শিক্ষকৰ দৰমহা ব্যৱস্থাত চিলিং ক্লিয়েৰ নহ'লে দৰমহা লাভ নকৰে। দৰমহাৰ বিলখন থোৱা দুই মাৰ্চত আপলোড হ'ল যদিও চিলিং এতিয়াও ক্লিয়েৰ নোহোৱাৰ বাবে শিক্ষকসকলে এতিয়াও দৰমহা লাভ কৰিবলৈ সক্ষম হোৱা নাই। এই ব্যৱস্থাত মাজুলীৰ ২২ খন বিদ্যালয়ৰ শিক্ষকে দুৰ্ভোগ ভুগিছে। ভুক্তভোগী শিক্ষকসকলে সদৰী কৰা মতে নিয়ম অনুসৰি বিলখনত ১১ কোটি টকাৰ অধিক হ'লে মুখ্যমন্ত্ৰীয়ে চিলিং ক্লিয়েৰ কৰিব লাগে। শিক্ষকসকলৰ এনে সমস্যাৰ বাবে মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে মাজুলীৰ ভুক্তভোগী শিক্ষক সমাজে।

# বকোত পথ দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৬ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকোৰ নধিয়াপাৰাত আজি এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। নিহত লোকজন বকোৰ টুৰুকপাৰা নিবাসী শৰৎ চাংমা (৫০)। এ এছ-০১ ই চি-৮৯১৯ নম্বৰৰ টাটা ছুম' এখন চলাই লোকজনে নিজ বাসগৃহলৈ গৈ থাকোতে পথৰ কেকুৰিত পথাৰত বাগৰি পৰাত তেওঁৰ মৃত্যু হয়।

# গোৱালপাৰাত চিটুকে ধৰি কে'বাটাও সংগঠনৰ পথ সভা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৬ মাৰ্চ ঃ** বিজেপি চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে অহা ২৮ আৰু ২৯ মাৰ্চত আহ্বান জনোৱা ভাৰত বন্ধ সফল কৰাৰ বাবে আজি গোৱালপাৰা চহৰৰ কে'বাটাও স্থানত চিটুৰ নেতৃত্বত পথ সভা অনুষ্ঠিত কৰে। ইয়াৰে গোৱালপাৰা চহৰৰ নতুন বজাৰত বামপন্থী নেতা ননী দাস আৰু শৈলেন দাসৰ লগতে চিটুৰ জিলা সম্পাদিকা জয়মতী দাসে আজি পথ সভাৰ জৰিয়তে দেশত আকাশলংঘী মূল্যবৃদ্ধিৰ প্ৰতিবাদ জনায়। লগতে পথ সভাৰ জৰিয়তে মূল্যবৃদ্ধিৰ প্ৰতিবাদত দেশৰ ১১টাকৈ সংগঠনে অহা ২৮ আৰু ২৯ মাৰ্চত আহ্বান জনোৱা ভাৰত বন্ধ সফল কৰাৰ বাবে সকলো স্তৰৰ ৰাইজৰ সহযোগিতা কামনা কৰে।

# ঢকুৱাখনাত ফাট বিহুৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৬ মাৰ্চ ঃ** ঢকুৱাখনাবাসীৰ প্ৰাণৰ তথা স্বকীয় জাতীয় লোক উৎসৱ ফাটবিহু উদ্‌যাপনৰ প্ৰস্তুতি আৰম্ভ হৈছে। এই সন্দৰ্ভত কাইলৈ ফাট বিহু বাকৰিত ফাট বিহু সমিতিৰ এখন সাধাৰণ সভা আহ্বান কৰা হৈছে। সমিতিৰ সম্পাদক নৱ গগৈয়ে সদৰী কৰা অনুসৰি উক্ত সাধাৰণ সভাত ফাট বিহুৰ প্ৰস্তুতি সন্দৰ্ভত সকলোৰে পৰা দিহা-পৰামৰ্শ লৈ এখন নতুন সমিতি গঠন কৰা হ'ব। দিনৰ ১১ বজাত অনুষ্ঠিতব্য সভাখনত সকলোৰে উপস্থিতি তথা সহায়-সহযোগ কামনা কৰিছে আয়োজক মণ্ডলীয়ে। উল্লেখ্য যে ক'ভিড পৰিস্থিতিৰ বাবে বিগত দুটা বছৰে এই লোক সম্পদ ভাগি অনুষ্ঠিত কৰিব পৰা নগ'ল।

# কমাৰবন্ধাত বিধ্বংসী ধুমুহাত গছ পৰি এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**আঠখেলীয়া, ২৬ মাৰ্চ ঃ** কালি সন্ধিয়া ছয় বজাত অহা এজাক প্ৰবল ধুমুহাত গোলাঘাট জিলাৰ কমাৰবন্ধাত এজন লোকৰ ওপৰত গছ পৰাত লোকজনৰ মৃত্যু হয়। ধুমুহাত অঞ্চলটোত বৃহৎ ক্ষয়-ক্ষতি হয়। উল্লেখ্য যে কমাৰবন্ধা গোহাঁই গাঁৱৰ প্ৰয়াত গোপাল বৰাৰ দ্বিতীয় পুত্ৰ হেমকান্ত বৰা (৫৬)ই চিকিৎসাজনিত কাৰণত কমাৰবন্ধাৰ পৰা নিজ ঘৰলৈ ওভতাৰ পথত কমাৰবন্ধা উত্তৰ-পূব সীমান্ত ৰেলপথৰ নাতিদূৰত ধোদৰআলিৰ কাষত থকা এজোপা বৰ গছ সেই সময়ত অঞ্চলটোৰ ওপৰদি বৈ যোৱা প্ৰবল ধুমুহাত উভালি বৰাক হেঁচা মাৰি ধৰাত তৎক্ষণাত তেওঁৰ মৃত্যু হয়। ধুমুহাজাকে অঞ্চলটোৰ বহু গছ-গছনি ভাঙি চূড়মাৰ কৰাৰ উপৰি বহু লোকৰ ঘৰ-দুৱাৰৰো বিশেষ ক্ষতিসাধন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ, এগৰাকী কন্যাক এৰি যায়।

# বিনামূলীয়া পাঠ্যপুথি বিতৰণ অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ২৬ মাৰ্চ ঃ** শিয়ালমাৰী প্ৰাথমিক শিক্ষাখণ্ডত ২০২২-২৩ৰ বাবে আজি বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হয়। এই উপলক্ষে দলগাঁও সংলগ্ন প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এখনি বিতৰণী সভা অনুষ্ঠিত কৰা হয়। দলগাঁও খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ক্ষিতেশ্বৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপ-পৰিদৰ্শক হেমন্ত বৰুৱা, ডি পি অ' সৌৰৱজ্যোতি শৰ্মা, ডায়েটৰ অধ্যাপক প্ৰদ্যুত কুমাৰ মেধি, মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি পৱন কুমাৰ ঝা, ব্লক সন্মিলনীৰ সভাপতি নজৰুল ইছলাম, বি আৰ পি, চি আৰ চি চি ৰ লগতে কে'বাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উপ-পৰিদৰ্শক হেমন্ত বৰুৱাই। সভাত ডি পি অ শৰ্মাই কয় যে প্ৰতিখন বিদ্যালয়ত একোটাকৈ বুক বেংক থাকিব লাগে। এই বুক বেংকসমূহ ছাত্ৰ-ছাত্ৰীৰ পৰা পুৰণা কিতাপ সংগ্ৰহ কৰি বনাব লাগে। কেতিয়াবা পাঠ্যপুথিৰ নাটনি হ'লে এই বুক বেংকৰ পৰা পাঠ্যপুথি শিক্ষাৰ্থীসকলৰ মাজত বিতৰণ কৰিব পাৰি। সভাত অধ্যাপক মেধিয়ে কয় যে চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিসমূহ বিনামূলীয়াকৈ যোগান ধৰা বাবে বহুতেই পাঠ্যপুথিৰ ওপৰত গুৰুত্ব দিব নিবিচাৰে। পাঠ্যপুথি বিনামূলীয়া হ'লেও ইয়াৰ গুৰুত্ব যে অইনসমূহৰ দৰেই তাৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। সভাপতিৰ বক্তব্যত বি ই ই অ' নাথে বিদ্যালয়ত কৰ্ম-সংস্কৃতি বৃদ্ধি কৰিবলৈ শিক্ষকসকলৰ প্ৰতি আহ্বান জনায়। কৰ্ম-সংস্কৃতি বৃদ্ধি পালে বিদ্যালয়ৰ ফলাফলো ভাল হ'ব বুলি কয়। ক'ভিড-১৯ৰ প্ৰকোপৰ হেতু বিগত সময়ত শিক্ষাৰ্থীসকলৰ যি লোকচান হ'ল তাক কেনেকৈ পূৰণ কৰিব পাৰি তাৰ বাবে পৰিকল্পনা কৰিবলৈও শিক্ষকসকলক আহ্বান জনায়।

## আৱাহন থিয়েটাৰৰ কলা-কুশলীক লক্ষ্য

# টীয়কত পুনৰ চোৰৰ তাণ্ডৱ

**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২৬ মাৰ্চ ঃ** যোৰহাট জিলাৰ টীয়ক অঞ্চলত নিশা আৱাহন থিয়েটাৰ চলি থকাৰ সুযোগ লৈ চোৰে লুটি নিয়ে প্ৰায় আঢ়ৈ লাখ টকাৰ সম্পত্তি। উল্লেখনীয় যে যোৱা নিশা জগদুৱাৰ কাকতি গাঁৱত আৱাহন থিয়েটাৰ চলি থকাৰ সুযোগ গ্ৰহণ কৰি অনুপ বৰুৱাৰ ঘৰত লুটপাত চলাই প্ৰায় আঢ়ৈ লাখ টকাৰ সা-সম্পত্তি লুটি নিয়ে। তাৎপৰ্যপূৰ্ণ বিষয় যে চুৰিকাণ্ড সংঘটিত হোৱা বৰুৱাৰ ঘৰত আবাহন থিয়েটাৰৰ বহু কেইগৰাকী কলা-কুশলী আশ্ৰয় লৈ আছিল। সেই সকল লোকৰ সামগ্ৰী লুটপাট কৰাৰ উদ্দেশ্যে অভিযান চলাইছিল বুলিও সন্দেহ কৰা হৈছে। অৱশ্যে তেওঁলোকৰ বেগ খুলি চোৰে তহিলং কৰে যদিও থিয়েটাৰৰ কলা-কুশলীসকলৰ একো ক্ষতি হোৱা নাই। টীয়কত এনেদৰে সঘনাই হৈ থকা চুৰিকাণ্ডত চকু কপালত উঠিছে স্থানীয় ৰাইজৰ।

# নাৰায়ণপুৰত সাহিত্যৰথীৰ জন্ম দিৱসত গ্ৰন্থ উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৬ মাৰ্চ ঃ** শিশু সাহিত্য উত্তৰণ, গুৱাহাটীৰ উদ্যোগত আজি নাৰায়ণপুৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৪ সংখ্যক স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে নাৰায়ণপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভা কক্ষত অনুষ্ঠিত এখন সভাত তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা শিশু সাহিত্য উত্তৰণৰ উপ-সভাপতি বীৰেন শৰ্মাই। উক্ত সভাখনৰ আৰম্ভণিতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সাহিত্যিক পেঞ্চনাৰ যোগেন্দ্ৰনাথ দত্তই। শিশু সাহিত্য উত্তৰণৰ প্ৰকাশন সচিব দিলীপ শৰ্মাই আঁত ধৰা সভাখনতে অঞ্জলী গোস্বামী শৰ্মাৰ 'এশগৰাকী প্ৰখ্যাত নাৰী' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে স্মৃতিসূৰ্য গোলোক চন্দ্ৰ হাজৰিকাই। ইপিনে, উষা কিৰণ শইকীয়া হাজৰিকাৰ 'আবৃত্তিৰ সাধু' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গিৰিশ ভূঞাই। তদুপৰি তপন বৰুৱাৰ 'মইনাৰ গদ্য' শীৰ্ষক গ্ৰন্থখন উন্মেচন কৰে শিশু সাহিত্য উত্তৰণৰ কৰ্মী ৰবীন পাঠকে। সভাখনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা লখিমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰনাথ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন ভূঞা, সত্যজিৎ দত্ত, চন্দ্ৰ হাজৰিকা, মাধৱদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঈশ্বৰ শৰ্মা ভৰালী, নাৰায়ণপুৰ কাব্য কাননৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ চিকিৎসক অতুল চন্দ্ৰ খাউণ্ড, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি হেমচন্দ্ৰ গোস্বামী, নাৰায়ণপুৰ জ্যেষ্ঠ নাগাৰিক সন্মিলনৰ সম্পাদক ভবেন ফুকন, মাখন তামুলী, অধ্যাপক দুলাল মহন্ত উপস্থিত থাকে।

# কলাইগাঁৱত পথ উন্নয়নৰ কাম আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ২৬ মাৰ্চ ঃ** বছৰ বছৰ ধৰি যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি অহা দৰং জিলাৰ কলাইগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত ঔতলা গাঁও পঞ্চায়তত আজি এমজি এনৰেগা আঁচনিৰ পথ উন্নয়নৰ কাম আৰম্ভ কৰে উন্নয়ন খণ্ডটোৰ বিডিঅ' ৰবীন বৰুৱাই। উল্লেখ্য যে প্ৰতিটো বাৰিষাৰ সময়ত যাতায়াতৰ ক্ষেত্ৰত ক্ৰাহি মধুসূধন সোঁৰৱা গুৰুত্বপূৰ্ণ পথ অৰ্থাৎ ৰঙামাটি-কলাইগাঁও মেকেঞ্জি পথৰ পৰা বৰুৱাপাৰা শিৱ মন্দিৰ হৈ কপিলীসত্ৰ সংযোগী এছোৱা পথ কংক্ৰিটৰ জৰিয়তে নিৰ্মাণ কৰিবলৈ এমজি এনৰেগা আঁচনিৰ অধীনত ২৯ লাখ ৬৪ হেজাৰ ১৩১ টকা অনুমোদন লাভ কৰে। মঙলদৈ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ তৎপৰতাত ৰূপায়ণ হ'বলগীয়া পথছোৱা আজি এক মাংগলিক অনুষ্ঠানৰ জৰিয়তে কামৰ মুকলি কৰে কলাইগাঁও উন্নয়ন খণ্ডৰ বিডিঅ' ৰবীন বৰুৱাই। ভাষণ প্ৰসংগত বিডিঅ' বৰুৱাই পথছোৱা সঠিকভাৱে নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সূচল কৰি তুলিবলৈ আহ্বান জনায়। কলাইগাঁও আঞ্চলিক পঞ্চায়তৰ সদস্য জয়ন্ত কুমাৰ শৰ্মাই আঁতধৰা আৰু এক নম্বৰ কমাৰপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ বণিয়াই নাৰিকল ভাঙি আৰম্ভ কৰা অনুষ্ঠানত বিডিঅ' বৰুৱাৰ লগতে ঔতলা গাঁও পঞ্চায়তৰ সভাপতি কৌশিক ডেকা, কলাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি টংকেশ্বৰ বৰুৱা আৰু বৰুৱাপাৰা গাঁও সভাৰ সম্পাদক কণ্ঠ বৰুৱা প্ৰমুখ্যে স্থানীয় ৰাইজ উপস্থিত থাকে।

# পূব লাহিঙত 'আমাৰ গাঁও' 'আমাৰ আঁচনি'ৰ আধাৰশিলা



**চেলেংহাট, ২৬ মাৰ্চ ঃ** যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ ১১ নম্বৰ পূব লাহিং গাঁও পঞ্চায়তৰ অন্তৰ্গত আঠটা ৱাৰ্ডত আজি মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বহুকেইটা গুৰুত্বপূৰ্ণ পথ, গৃহ আৰু ৰংগমঞ্চৰ আধাৰশিলা স্থাপন কৰে। পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ পদুমণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ এটি কোঠা, হাতীমূৰীয়া প্ৰাথমিক বিদ্যালয়, দলৌ গাঁৱৰ নামঘৰ, কমাৰগাঁৱৰ শিৱ মন্দিৰ, চেতিয়া গাঁৱৰ নামঘৰ, চাংমাই গাঁৱৰ নামঘৰ, কুকুৰাচোৱা ষ্টুডেণ্ট পথ, মজুনগঞা ৰংগমঞ্চকে ধৰি মুঠ আঠটা কামৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলাৰ প্ৰতিটো অনুষ্ঠানতে পঞ্চায়ত সভাপতি ঋতু বুঢ়াগোহাঁই, জিলা পৰিষদৰ সদস্যা তিলোত্তমা ফুকন, আঞ্চলিক সদস্যা গায়ত্ৰী ফুকনকে ধৰি অঞ্চলটোৰ বহুতো জ্যেষ্ঠ বিজেপি কৰ্মীৰ লগতে স্থানীয় ব্যক্তি উপস্থিত থাকে।

## কোকৰাঝাৰত জনজাতি সন্মিলন

# সহস্ৰাধিক জনজাতি লোকৰ নৃত্য-বাদ্যৰে উদুলি-মুদুলি কোকৰাঝাৰ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২৬ মাৰ্চ ঃ** 'জনজাতি ধৰ্ম সংস্কৃতি সুৰক্ষা মঞ্চ, কোকৰাঝাৰ জিলাৰ উদ্যোগত আজি জনজাতি সন্মিলন অনুষ্ঠিত হয়। কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত মঞ্চই জনজাতি সন্মিলন অনুষ্ঠিত কৰে। জনজাতীয় সমাজ জীৱন, ধৰ্মষ সংস্কৃতি ৰক্ষা, আৰ্থ সামাজিক আদি বিভিন্ন বিষয়ত আলোকপাত কৰা হয়। আৰএছএছৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য প্ৰমুখ বশিষ্ঠ বুজৰবৰুৱাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি গ্ৰাসৰ কবলত পৰা জনজাতিসকল কেনেদৰে সুৰক্ষিত হৈ নিজৰ মৌলিক অধিকাৰ সাব্যস্ত কৰিব পাৰে সেই বিষয়ে ব্যাখ্যা কৰে। সন্মিলনত বড়ো, ৰাভা, আদিবাসীকে ধৰি ছটা জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ বিনিময়ৰ মহামিলনৰ ভূমিত পৰিণত হৈ পৰে। স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে কোকৰাঝাৰ জিলা জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চ কোকৰাঝাৰ জিলা কমিটীৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে জনজাতি সন্মিলনৰ আয়োজন কৰাৰ মূল উদ্দেশ্য। আদিবাসী, গাৰো, ৰাভা, কোচ ৰাজবংশী, নেপালী আদি বিভিন্ন জনগোষ্ঠীৰ ৰাইজৰ লগতে বিটিচি, কেএচিৰ কে'বাগৰাকীও কাৰ্যবাহী সদস্য, এমচিএলএসকলে অংশগ্ৰহণ কৰে।

## হাতত প্লে-কাৰ্ড লৈ কণ কণ শিশুৰ আহ্বান-শগুন হত্যা বন্ধ কৰক

# ছয়গাঁৱত শগুন সংকাৰস্থলীত ৰাইজে পাতিলে আদ্যশ্ৰাদ্ধ

**ছয়গাঁও, ২৬ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ মিলনপুৰত আজি শতাধিক শগুনৰ মৃত্যুত ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হয়। উল্লেখ্য যে যোৱা ১৭ মাৰ্চত ছয়গাঁৱৰ মিলনপুৰত শতাধিক শগুনৰ অস্বাভাৱিকভাৱে মৃত্যু হৈছিল। নিশাৰ ভিতৰতে ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ সংকাৰ কৰিছিল মৃত শগুনসমূহ। কোনো দুষ্ট লোকে কুকুৰৰ সন্ত্ৰাস ৰোধ কৰিবলৈ মৃত ছাগলীৰ ওপৰত কুকুৰ মাৰিবলৈ বিহ প্ৰয়োগ কৰিছিল। পিছে কুকুৰৰ পৰিবৰ্তে শগুন মৃত ছাগলীটো ভক্ষণ কৰাত মৃত্যু হৈছিল শতাধিক শগুনৰ। আজি পুৱাৰে পৰা ৰাইজৰ প্ৰতিঘৰ মানুহে হাতে হাতে নৈবেদ্য-এপাহি ফুল আনি নাম কীৰ্তন আৰু ভাগৱত পাঠত অংশগ্ৰহণ কৰে। মিলনপুৰৰ ৰাইজে আজি শগুণ ফটো আগত লৈ আত্মাৰ সদগতি কামনা কৰি ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাবে ৰাজহুৱা আদ্যশ্ৰাদ্ধত এখন সজাগতা সভাৰো আয়োজন কৰে। উক্ত সভাত 'শগুন হত্যা মহাপাপ', 'শগুন হত্যা বন্ধ কৰক', 'শগুন পৃথিৱীৰ চাফাই কৰ্মী', 'শগুন পৃথিৱীৰ পৰম সম্পদ' আদি শ্ল'গান




আওৰাই কণ কণ শিশুসকলে হাতে হাতে বেনাৰ পোষ্টাৰ লয়। উক্ত অনুষ্ঠানটোত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বন্যবন্ধু প্ৰশান্ত কলিতা, ৰেঞ্জাৰ দ্বিপন ডেকাই ভাষণ আগবঢ়ায়।

# বৰ্ষজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী

**অগ্ৰদূত বাৰ্তা**
**মটিয়া, ২৬ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ মনোৰঞ্জন কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত বাৰ্ষজোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত লোৱা হয়। উক্ত বৰ্ষজোৰা কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে পঞ্চানন পাঠকক সভাপতি, আব্দুল লতিফক কাৰ্যকৰি সভাপতি আৰু বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমানৰ প্ৰধান শিক্ষক ফজৰ আলীক প্ৰধান সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হয়। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ফজৰ আলীয়ে জনোৱা মতে অহা পহিলা ব'হাগ অৰ্থাৎ ১৫ এপ্ৰিলত সোণালী জয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। লগতে বৰ্ষজোৰা বিভিন্ন কাৰ্যসূচীৰ অন্তত চলিত বৰ্ষৰ ২৪,২৫ আৰু ২৬ ডিচেম্বৰত সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। ইপিনে, প্ৰধান শিক্ষকগৰাকীয়ে জনোৱা মতে, ১৯৭২ৰ দুই জানুৱাৰীত স্থানীয় শিক্ষাপ্ৰেমী ৰাইজে ঐতিহ্যমণ্ডিত সূৰ্য পাহাৰৰ নিকটৱৰ্তী ভাটিপাৰা গাঁৱৰ মাজমজিয়াত প্ৰাথমিক বিদ্যালয়খন স্থাপন কৰিছিল। উল্লেখ্য যে যোৱা ২০ মাৰ্চত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এক সভাত মনোৰঞ্জন কলিতাক সভাপতি ছৈয়দ মহম্মদ আদীব আৰু ৰিন্টু পাঠকক উপ-সভাপতি, আব্দুল হাকিমক সম্পাদক প্ৰধান আৰু ৰঞ্জিত পাঠকক কোষাধ্যক্ষ হিচাপে লৈ এখন প্ৰাক্তন ছাত্ৰ সন্মিলনৰ কমিটী গঠন কৰা হৈছে।

# দেওমৰনৈত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**অগ্ৰদূত বাৰ্তা**
**দেওমৰনৈ, ২৬ মাৰ্চ ঃ** দেওমৰনৈৰ ওচৰৰ লোজোৱা নৱ যুৱক সংঘৰ উদ্যোগত উত্তৰ লোজোৱা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত যোৱা ২৫ মাৰ্চত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ এটি অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ অধীনত দৰং জিলা স্বাস্থ্য বিভাগে অনুষ্ঠিত কৰে উক্ত শিবিৰটো। জিলা মিডিয়া এক্সপাৰ্ট জাহ্নৱী শৰ্মাৰ তত্বাৱধানত অনুষ্ঠিত শিবিৰত অংশগ্ৰহণ কৰে জ্যেষ্ঠ চিকিৎসক ডাঃ উপেন ডেকা, ডাঃ ধ্ৰুৱজ্যোতি শৰ্মা, ডাঃ হোমেন্দ্ৰ কুমাৰ নাথ আৰু চকু চিকিৎসা সহায়ক প্ৰেমানন্দ ডেকা প্ৰমুখ্যে পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ফাৰ্মাচিষ্ট, নাৰ্ছ আৰু জাপমৰাবড়ি উপ-স্বাস্থ্য কেন্দ্ৰৰ এ এন এম নিৰ্মলা বৰুৱা, এম পি ডব্লিউ অপূৰ্ব ভৰদ্বাজে। দৰং জিলা যুটীয়া স্বাস্থ্য সঞ্চালক হৰপাল সিং সুৰীয়ে পৰিদৰ্শন কৰা শিবিৰত অঞ্চলটোৰ দুই শতাধিক ৰোগীয়ে বিনামূলীয়া চিকিৎসা সেৱা গ্ৰহণ কৰে। শিবিৰত বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়।

# নৰাগাঁও মিলনজ্যোতি সংঘৰ উদ্যোগত ঢোলবাদন-বিহু নাচ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৬ মাৰ্চ ঃ** কমলাবৰীয়া নৱপ্ৰজন্মক ঢোলবাদন আৰু বিহু নাচত একো একোজন পাকৈত শিল্পীৰূপে গঢ় দিয়াৰ লক্ষ্যৰে নৰাগাঁও মিলনজ্যোতি সংঘৰ উদ্যোগত ঢোলবাদন বিহুনাচৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। অহা ৩০ মাৰ্চৰ পৰা ১০ এপ্ৰিললৈ অনুষ্ঠিত কৰ্মশালা সন্দৰ্ভত সংঘৰ সাংস্কৃতিক সম্পাদক কল্যাণ দত্তই ব্যক্ত কৰা ন-জোন গামোচা বিহুৱা দলৰ সহযোগত জিলাখনৰ কে'বাগৰাকী নিমন্ত্ৰিত শিল্পীয়ে উক্ত কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব। কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুকসকলে সংঘৰ সাংস্কৃতিক বিভাগৰ ৬০০২৩১৪৭১১ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক মণ্ডলীয়ে আহ্বান জনাইছে।

# বিধ্বংসী ধুমুহাত ক্ষতিগ্ৰস্তক সাহায্য প্ৰদানৰ দাবী বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৬ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰভাগত কালি দিনৰ ভাগত বিধ্বংসী ধুমুহাত কে'বাটাও পৰিয়ালৰ পশুধন, কৃষি নষ্ট কৰাৰ লগতে কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ উৰুৱাই নি আশ্ৰয়স্থল নোহোৱা কৰিছে। ধুমুহাৰ ফলত ঠায়ে ঠায়ে পকী খুঁটাও পথৰ ওচৰত বাগৰি পৰে। বিদ্যুতৰ খুঁটাসমূহ উন্নতমানৰ স্থাপন কৰাৰ লগতে ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চৰকাৰী সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ দাবীত মুখ্যমন্ত্ৰী আৰু অধ্যক্ষ (দুৰ্যোগ প্ৰশমন কোষ)ৰ হিমন্ত বিশ্ব শৰ্মালৈ বৰভাগ ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি বিভুতি ৰঞ্জন শৰ্মা আৰু সাধাৰণ সম্পাদক মুন্না আহমেদৰ স্বাক্ষৰিত স্মাৰকপত্ৰৰ জৰিয়তে ধুমুহাত ক্ষতিগ্ৰস্তসমূহ পৰিয়ালক ক্ষিপ্ৰতাৰে চৰকাৰী অনুদান আগবঢ়াবলৈ অসম চৰকাৰ আৰু দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষক সজোৰে দাবী জনায়।

# তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থা গঠন

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৬ মাৰ্চ ঃ** তামুলপুৰ মহকুমা সদৰস্থিত তামুলপুৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত যোৱা ২৪ মাৰ্চত তামুলপুৰ জিলাৰ বিভিন্ন গ্ৰামাঞ্চলৰ গ্ৰাম্য ঔষধ ব্যৱসায়ীসকলৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰাতুল শৰ্মা আৰু সাধাৰণ সম্পাদক শ্যামল মহনৰ উপস্থিতিত অশোক জয়ছোৱালৰ সভাপতিত্বত অনুষ্ঠিত সভাত তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ জিলা সমিতি গঠন কৰা হয়। গ্ৰাম্য ঔষধ ব্যৱসায়ীসকলৰ বিভিন্ন সমস্য আৰু ইয়াৰ সমাধান সম্পৰ্কে বিস্তৃত আলোচনাৰ অন্তত পূৰ্ণ শৰ্মা আৰু অশোক জয়ছোৱালক মুখ্য উপদেষ্টা, মণি কুমাৰ অধিকাৰীক সভাপতি, আনন্দ ৰামচিয়াৰীক কাৰ্যকৰী সভাপতি আৰু কানু মুৰ্মুক সম্পাদক, উপেন ৰাভাক কোষাধ্যক্ষ হিচাপে লৈ 'তামুলপুৰ জিলা গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থা' নামেৰে এখন সমিতি গঠন কৰা হয়। নৱ গঠিত তামুলপুৰ জিলাৰ অৰ্ধশতাধিক গ্ৰাম ঔষধ ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰা গ্ৰাম্য ঔষধ ব্যৱসায়ীসকলৰ সাধাৰণ সভাত তামুলপুৰ জিলা সদৰৰ গ্ৰাম্য ঔষধব্যৱসায়ীসকলৰ উপৰি কুমাৰীকাটা, দৰঙ্গামেলা, নাগ্ৰীজুলি, গুৱাবাৰী, নাওকাটা, গোৰেশ্বৰ, খৈৰাণী আদি গ্ৰাম্যাঞ্চলৰ ঔষধ ব্যৱসায়ী আৰু ওডালগুৰি জিলাৰ যুটীয়া সম্পাদক ইন্দ্ৰ কুমাৰ শ্ৰীপতি, চৰাইদেই জিলাৰ গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ সভাপতি সুৰজ গগৈ আৰু পৱন ৰাজবংশী উপস্থিত থাকে।

# ঘগ্ৰাপাৰত ধুমুহাৰ তাণ্ডৱ ঃ পূব-বনভাগ এম ই স্কুলৰ মূধচ উৰুৱাই নিলে ধুমুহাই



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৬ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্ভুক্ত পূব বনভাগ এম ই স্কুলৰ কালি দুপৰীয়া এজাক প্ৰচণ্ড ধুমুহাই বিস্তৰ ক্ষতি সাধন কৰে। ঘগ্ৰাপাৰৰ সমীপৱৰ্তী সঠামৌ গাঁৱত অৱস্থিত ২০১৩ত প্ৰাদেশীকৃত বিদ্যালয়খনৰ যথেষ্ট সংখ্যক আচবাবৰ ক্ষতি সাধন কৰাৰ লগতে বিদ্যালয়ৰ মূধচ সম্পূৰ্ণৰূপে উৰুৱাই নিয়ে। প্ৰধান শিক্ষক কালীচৰণ হালৈয়ে জানিব দিয়া মতে প্ৰতিটো শিকন-শিক্ষণ সামগ্ৰীবোৰ দূৰ-দূৰণিত সিঁচৰতি হৈ পৰে। ভগ্ন বিদ্যালয় গৃহ প্ৰত্যক্ষ কৰি শিক্ষক আৰু ছাত্ৰসমাজ শোকাভিভূত হয়। বিদ্যালয় গৃহটো মেৰামতি কৰি দিবলৈ বিভাগীয় কৰ্তৃপক্ষক স্থানীয় ৰাইজে অনুৰোধ জনাইছে।

# আজি নলবাৰীত সাধাৰণ জাতি বিকাশ পৰিষদৰ দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৬ মাৰ্চ ঃ** সাধাৰণ জাতি বিকাশ পৰিষদৰ একাদশ সংখ্যক দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশন নলবাৰী জিলা সাধাৰণ জাতি পৰিষদৰ সহযোগত কাইলৈ এদিনীয়া কাৰ্যসূচীৰে নলবাৰী শ্ৰীশ্ৰী হৰিমন্দিৰ বিবাহ ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভাৰতীয় গণতন্ত্ৰৰ জাতি-গোষ্ঠী-ধৰ্ম নিৰপেক্ষ চৰিত্ৰ অক্ষুণ্ণ ৰাখি সমূহ জাতি-গোষ্ঠী-সম্প্ৰদায়ৰ সমমৰ্যাদা আৰু সম অধিকাৰৰ দাবীৰ লগতে মেধাগত মুক্ত ব্যৱস্থা আৰু অৰ্থনৈতিক অৱস্থা ভিত্তিক সম বিকাশৰ চিন্তা, লক্ষ্য আৰু উদ্দেশ্যৰে ১৯৯৬ত গঠিত হোৱা জাতীয় সংগঠন সাধাৰণ জাতি বিকাশ পৰিষদ, অসমে সুদীৰ্ঘ দিন ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি আহিছে। কাৰ্যসূচী অনুসৰি কাইলৈ প্ৰতিনিধি পঞ্জীয়নৰ পাছতে ৰাজ্যিক পৰিষদৰ পতাকা উত্তোলন কৰিব অসম সাধাৰণ জাতি বিকাশ পৰিষদৰ সভাপতি বীৰেন্দ্ৰ নাথ ভাগৱতীয়ে। জিলা পৰিষদৰ পতাকা উত্তোলন কৰিব নলবাৰী জিলা পৰিষদ সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মাই। স্মৃতি তৰ্পণ কৰিব পৰিষদৰ কাৰ্যকৰী সভাপতি পদ্মনাথ শৰ্মাই। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ বৈঠকৰ অন্তত বিষয় বাছনি সভা আৰু সাধাৰণ অধিবেশনত পৌৰোহিত্য কৰিব সাধাৰণ জাতি বিকাশ পৰিষদৰ কেন্দ্ৰীয় সভাপতি বীৰেন্দ্ৰ নাথ ভাগৱতীয়ে। পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্যৰ যুক্তি-যুক্ততা আৰু গুৰুত্ব উপলব্ধি কৰি অধিবেশনত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে নলবাৰী জিলা সাধাৰণ জাতি বিকাশ পৰিষদৰ সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ পাটোৱাৰীয়ে।

# সাহসী পোছাক পিন্ধা অনন্যাক সমৰ্থন পিতৃ চাংকিৰ

ধৰ্মা প্ৰযোজনা সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া অপূৰ্ব মেহতাৰ জন্মদিনত অত্যন্ত সাহসী পোছাক পৰিধান কৰি চাংকি পাণ্ডেৰ কন্যাই নিমন্ত্ৰণ ৰক্ষা কৰিছিল। সেই পোছাকত স্পষ্ট হৈ পৰিছিল অনন্যাৰ শৰীৰৰ প্ৰতিটো ভাজ। সেই ফটো সামাজিক মাধ্যমত আপলোড হোৱাৰ লগে লগেই বহু লোকে কটাক্ষ কৰে।



**সম্প্ৰতি** পোছাক পৰিধানক কেন্দ্ৰ কৰি সামাজিক মাধ্যমত কটাক্ষৰ চিকাৰ হৈছে অনন্যা পাণ্ডে। ধৰ্মা প্ৰযোজনা সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া অপূৰ্ব মেহতাৰ জন্মদিনত অত্যন্ত সাহসী পোছাক পৰিধান কৰি চাংকি পাণ্ডেৰ কন্যাই নিমন্ত্ৰণ ৰক্ষা কৰিছিল। সেই পোছাকত স্পষ্ট হৈ পৰিছিল অনন্যাৰ শৰীৰৰ প্ৰতিটো ভাজ। সেই ফটো সামাজিক মাধ্যমত আপলোড হোৱাৰ লগে লগেই বহু লোকে কটাক্ষ কৰে। বহুতে দাবী কৰিছে যে অভিনেত্ৰীগৰাকীৰ এই ধৰণৰ পোছাক অশ্লীলতাৰ নামান্তৰ। এই বিতৰ্কতে কন্যাৰ সমৰ্থনত থিয় দিলে তেওঁৰ অভিনেতা পিতৃ চাংকিয়ে।

কটাক্ষ কৰা লোকসকলক উদ্দেশ্য কৰি চাংকিয়ে সংবাদ মাধ্যমৰ আগত কয়, ‘কন্যাক সাহসী পোছাকত দেখি তেওঁৰ পিতৃয়ে একো নাভাবে।’ ইয়াৰ পাছতে তেওঁ কয়, ‘পিতৃ-মাতৃ হিচাপে আমি কেতিয়াও দুই কন্যাক কোৱা নাই কি নিপিন্ধিবা। কাৰণ আমি দুয়োকে অত্যন্ত যত্নৰে ডাঙৰ কৰিছো। জানো যে তেওঁলোক যথেষ্ট বিচক্ষণ।’ চাংকিয়ে বিশ্বাস কৰে যে তেওঁৰ দুই কন্যাই অশ্লীল পোছাক পিন্ধিবই নোৱাৰে। যি পোছাক দেখি যাতে বাকীবোৰে লাজত পৰিব পাৰে।

উল্লেখ্য যে বিতৰ্কৰ সমান্তৰালকৈ চাংকিৰ কন্যা সম্প্ৰতি ছবিৰ কামতো ব্যস্ত হৈ আছে। সম্প্ৰতি সিদ্ধান্ত চতুৰ্বেদী আৰু আদৰ্শ গৌৰৱৰ স'তে ‘খো গয়ে হাম কাহাঁ’ৰ চিত্ৰগ্ৰহণ আৰম্ভ কৰিছে। ২০২৩ত ছবিখনে মুক্তি পোৱাৰ কথা। ইয়াৰ উপৰি পৰিচালক পুৰী জগন্নাথে পৰিচালনা কৰা ‘লিগাৰ’ ছবিত অনন্যাৰ স'তে দেখা যাব বিশ্ববিখ্যাত বক্সাৰ মাইক টাইছনক। সেই ছবিৰ নায়ক দক্ষিণৰ অভিনেতা বিজয় দেবেৰাকোণ্ডা।

# পৰ্দাত পুনৰ যুটি বান্ধিব শ্বাহৰুখ-জুহিয়ে!



**ৰূপালী** পৰ্দাত তেওঁলোকৰ ৰসায়নৰ কথা নতুনকৈ ক'বলগীয়া নহয়। পৰ্দাৰ বাহিৰতো দুয়োৰে বন্ধুত্ব উল্লেখনীয়। তেওঁলোক হৈছে বলিউদৰ দুই তাৰকা শ্বাহৰুখ খান আৰু জুহি চাওলা। তেওঁলোকে বাৰু আকৌ একেলগে ছবিত অভিনয় কৰিব নেকি? সম্প্ৰতি এক সাক্ষাৎকাৰত এই ধৰণৰ প্ৰশ্নৰ সন্মুখীন হৈছিল জুহি। ধেমেলীয়া চৰিত্ৰত অভিনয়ৰ লগতে কথা-বতৰাতো ধেমেলীয়া জুহিয়ে সেই সুৰেৰেই কয়, ‘মইতো আশা কৰিছো আমি পুনৰ একেলগে অভিনয় কৰিম। এই একেই প্ৰশ্ন শ্বাহৰুখক কিয় কৰা হোৱা নাই? পাছত তেওঁৰ স'তে সাক্ষাৎ হ'লে এই প্ৰশ্নটো কৰিব।’

উল্লেখ্য যে অতীতত ‘ৰাজু বন গয়া জেণ্টলমেন’, ‘ইয়েছ বছ’, ‘ডৰ’, ‘ডুপ্লিকেট’, ‘ফিৰ ভি দিল হ্যে হিন্দুস্তানী’ আদিৰ দৰে ছুপাৰহিট ছবিত শ্বাহৰুখ আৰু জুহিয়ে অভিনয় কৰিছিল। ইয়াৰ উপৰি ‘ভূতনাথ’ ছবিতো দুয়ো পতি-পত্নীৰ ভূমিকাত অভিনয় কৰিছিল। ব্যক্তিগত জীৱনতো দুয়ো অতি ঘনিষ্ঠ বন্ধু। আনকি দুয়ো ব্যৱসায়িক অংশীদাৰো। দুয়োৰে এটা ছবি প্ৰযোজনা সংস্থা আছে। সেইদৰে আইপিএলৰ দল কলকাতা নাইট ৰাইডাৰ্চৰো শ্বাহৰুখ আৰু জুহি যৌথ স্বত্বাধিকাৰী। শ্বাহৰুখৰ পৰিয়ালৰ স'তেও জুহিৰ ঘনিষ্ঠতা আছে।

# শ্ৰোতাৰ মাজত পাপৰি বৰুৱাৰ ‘মই কাজল সানিলে’



যোৱা ২০ মাৰ্চত অসমীয়া সংগীত জগতত সংযোগ হ'ল এটা সুন্দৰ নতুন অসমীয়া গীত ‘মই কাজল সানিলে’। কে'বাটাও সুন্দৰ গীতেৰে অসমীয়া সংগীত জগতত অৰিহণা আগবঢ়োৱা পাপৰি বৰুৱাৰ শুৱলা কণ্ঠেৰে নিগৰা ‘মই কাজল সানিলে’ শীৰ্ষক এই গীতটোৰ কথা আৰু সুৰ আৰ্যনীলৰ। বিশিষ্ট সংগীত শিল্পী মানস হাজৰিকাই সংগীতেৰে সজোৱা গীতটোত বাঁহী সংগত কৰিছে গুণীন শৰ্মাই। আগন্তুক ৰঙালী বিহুৰ বাবে সাজু হোৱা পাপৰি বৰুৱাৰ এই গীতটোৰ ভিডিঅ'টোত সুন্দৰকৈ সজাই তুলিছে পুলকেশ বৰ্মনে।

# আগ্ৰহ কমিলেই অভিনয় এৰিব অক্ষয়ে

অনৰ্গলভাৱে ছবিত কাম কৰি যোৱাৰ সন্দৰ্ভত বহুতেই দাবী কৰে যে আচলতে অক্ষয়ৰ অৰ্থৰ প্ৰতি অধিক লোভ। সেইবাবেই তেওঁ আন অভিনেতাৰ তুলনাত বহু বেছি কাম কৰে। অৱশ্যে ছুপাৰষ্টাৰজনে সেই কথা অস্বীকাৰ কৰিছে। কামৰ সন্দৰ্ভত অক্ষয়ে কয়, ‘নিতৌ পুৱা সোনকালে উঠি কাম কৰিবলৈ মোৰ ভাল লাগে।দেওবাৰে ছুটি লওঁ।



**বলিউদৰ** সবাতোকৈ ব্যস্ত অভিনেতাজনেই হৈছে অক্ষয় কুমাৰ। প্ৰতি বছৰে তেওঁৰ তিনি-চাৰিখন ছবিয়ে মুক্তি লাভ কৰে। বলিউদৰ তিনি খানে এখন ছবি কৰিবলৈ যিমান সময় লয়, সেই খিনি সময়ত খিলাড়ী কুমাৰে কমেও পাঁচ-ছখন ছবিৰ চিত্ৰগ্ৰহণ সম্পূৰ্ণ কৰে। অথচ তেওঁৰ শাৰীৰিক সুস্থতাও বহুতৰ বাবে ঈৰ্ষাৰ বিষয়। প্ৰায় তিনিটা দশক বলিউদত আছে যদিও যেন তেওঁৰ অকণো ক্লান্তি নাই। কাৰণ কাম কৰিবলৈ তেওঁ বৰ ভাল পায়। সেই বাবেই কৰি গৈছে ইখনৰ পাছত সিখন ছবি। সফল-অসফলৰ কথা তেওঁ চিন্তা নকৰে। কোনো এখন ছবিয়ে যদি মুখথেকেচা খাইছে, ইয়াৰ পাছৰ খনতে তেওঁ পুনৰ দৰ্শকক আপ্লুত কৰিছে।

অনৰ্গলভাৱে ছবিত কাম কৰি যোৱাৰ সন্দৰ্ভত বহুতেই দাবী কৰে যে আচলতে অক্ষয়ৰ অৰ্থৰ প্ৰতি অধিক লোভ। সেইবাবেই তেওঁ আন অভিনেতাৰ তুলনাত বহু বেছি কাম কৰে। অৱশ্যে ছুপাৰষ্টাৰজনে সেই কথা অস্বীকাৰ কৰিছে। কামৰ সন্দৰ্ভত অক্ষয়ে কয়, ‘নিতৌ পুৱা সোনকালে উঠি কাম কৰিবলৈ মোৰ ভাল লাগে।দেওবাৰে ছুটি লওঁ। একেৰাহে কাম কৰিলে হাতত অনেক কাম থকাটোৱেই স্বাভাৱিক। এই অতিমাৰীতো আৰক্ষী, সংবাদ মাধ্যমৰ লোকসকলে কাম কৰি গৈছে। সকলোৱেই ধন উপাৰ্জন কৰিবলগীয়া হয়।’ উল্লেখ্য যে অক্ষয় হৈছে সম্প্ৰতি দেশৰ সবাতোকৈ ধনী তাৰকাসকলৰ অন্যতম। তেওঁ কেৱল ধনৰ কাৰণেই কাম কৰে নেকি বুলিও প্ৰশ্ন উঠিছে। এই সন্দৰ্ভত অক্ষয়ে কয়, ‘মোৰ ওচৰত সকলো আছে। মই ভালদৰেই জীৱন-যাপন কৰো। অথচ যিসকলে কাম কৰি ধন উপাৰ্জন কৰিব খোজে, তেওঁলোকৰ কি হ'ব? মই ধনৰ কাৰণে কাম নকৰো। ভালপাইহে কাম কৰো। যিদিনা আৰু আগ্ৰহ নাথাকিব, সেইদিনাই কাম বন্ধ কৰি দিম।’

অৱশ্যে এই সময়ত যে অভিনয় ত্যাগৰ কোনো সম্ভাৱনা নাই, সেয়া খিলাড়ী কুমাৰৰ কামৰ গতিয়েই প্ৰমাণ কৰে। এই মুহূৰ্তত কে'বাখনো ছবি তেওঁৰ পকেটত আছে। এই সপ্তাহতে মুক্তি পাব ‘বচ্চন পাণ্ডে’ ছবিয়ে। ইয়াৰ উপৰি তেওঁক শীঘ্ৰেই দেখা যাব ‘ৰাম সেতু’, ‘পৃথ্বীৰাজ’, ‘ৰক্ষা বন্ধন’ আদি ছবিত।

# প্ৰেমৰ সম্পৰ্ক ভাঙিল শ্ৰদ্ধাৰ



**বিবাহৰ** কথা চিন্তা কৰিও অৱশেষত প্ৰেমিকৰ স'তে একাত্ম হ'ব নোৱাৰিলে শ্ৰদ্ধা কাপুৰে। বিবাহৰ আগতেই তেওঁ মন ভাঙিল শক্তি কাপুৰৰ কন্যাৰ। বলিউদত সম্প্ৰতি চৰ্চা হৈছে যে বিখ্যাত ফটোগ্ৰাফাৰ ৰোহন শ্ৰেষ্ঠৰ স'তে শ্ৰদ্ধাৰ চাৰি বছৰীয়া প্ৰেমৰ সম্পৰ্কৰ ইতি পৰিছে। অৱশ্যে শ্ৰদ্ধা বা ৰোহনে এই পৰ্যন্ত এই বিষয়ত কোনো মন্তব্য কৰা নাই।

প্ৰায় চাৰি বছৰৰ পূৰ্বে দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। অৱশ্যে দুয়ো শৈশৱৰ পৰাই বন্ধু আছিল। প্ৰকাশ্যে শ্ৰদ্ধা আৰু ৰোহনে প্ৰেমৰ সম্পৰ্কৰ কথা কেতিয়াও কোৱা নাই যদিও বিভিন্ন অনুষ্ঠানত দুয়োকে একেলগে দেখা যায়। এই বছৰতে হেনো দুয়োৰে বিয়াৰো কথা আছিল। অথচ তাৰ পূৰ্বেই দুয়োৰে বিচ্ছেদ ঘটিল।

# উকীলৰ হাঁহিত ধৈৰ্য হেৰুৱাইছিল সঞ্জয়ে



**মাত্ৰ** ২২ বছৰ বয়সতে ৰূপালী পৰ্দাত নায়ক হৈছিল। পৰৱৰ্তী সময়ত পৰ্দাত নায়ক হৈ থাকিলেও বাস্তৱত খলনায়ক হৈ পৰিছিল বলিউদৰ ‘খলনায়ক’ সঞ্জয় দত্ত। মুম্বাইৰ বিস্ফোৰণৰ ঘটনাত পৰোক্ষভাৱে জড়িত হৈ একাধিকবাৰ জেলৰ ভাত খাইছিল। চিত্ৰগ্ৰহণস্থলীৰ পৰা আদালতৰ কাঠগৰা, কাৰাগাৰ, পৰৱৰ্তী সময়ত হাস্পতালৰ বিছনা আদিয়ে সঞ্জয়ৰ জীৱন কণ্টকাকীৰ্ণ কৰি তুলিছিল। সম্প্ৰতি কৰণ জোহৰৰ টিভি অনুষ্ঠানত জীৱনৰ সেই অন্ধকাৰ অধ্যায়ৰ কথা অকণো গোপন নকৰাকৈ সদৰী কৰে সঞ্জুবাবাই। বৰ্ষীয়ান অভিনেতাজনে কয় যে তেওঁ আদালতত দোষী সাব্যস্ত হোৱাৰ সময়ত তেওঁৰ অধিবক্তাজনে হাঁহিছিল। সেই ঘটনাত তেওঁৰ ধৈৰ্য হেৰাই গৈছিল।

সঞ্জয়ে কয়, ‘মই তেতিয়া সম্পূৰ্ণৰূপে স্তম্ভিত হৈ পৰিছিলো। মই কেৱল মহামান্য ন্যায়াধীশৰ ৰায়খিনি শুনিছিলো। ইয়াৰ পাছত আৰু একো কথাই ভাবিব পৰা নাছিলো। মই দেখিছিলো, মোৰ উকীলে মোৰ ফালে চাই হাঁহি আছে। তেওঁ কৈছিল, মোক কেৱল অস্ত্ৰ আইনতহে দোষী সাব্যস্ত কৰা হৈছে। টাডা আইনত মই নিৰ্দোষী।’ অধিবক্তাজনে হঁহাৰ প্ৰকৃত কাৰণ অৱশ্যে সঞ্জয়ে জানিব পাৰিছিল। সঞ্জয়ৰ বিৰুদ্ধে উত্থাপিত একাধিক গোচৰ প্ৰত্যাহাৰ হোৱাৰ বাবেহে অধিবক্তাজন আনন্দিত হৈছিল। অথচ তেওঁৰ হাঁহি দেখি নিজক চম্ভালিব পৰা নাছিল অভিনেতাজনে। তেওঁ কয়, ‘মই প্ৰায় অজ্ঞান হৈ পৰিছিলো। মোৰ মূৰ ঘূৰাইছিল। চকুলৈ পানী আহিছিল। অনেক কষ্ট কৰি নিজক চম্ভালিছিলো।’ অৱশ্যে সঞ্জয়ৰ সেই অধ্যায় এতিয়া অতীত। সম্প্ৰতি তেওঁ ছবিৰ কাম আৰু পৰিয়ালক লৈয়ে ব্যস্ত। ইয়াৰ মাজতে অৱশ্যে তেওঁ কৰ্কটকো জয় কৰিলে। অতি শীঘ্ৰেই সঞ্জয়ৰ একাধিক ছবিয়ে মুক্তি পাব।

# সোমনাথ বড়া ওজালৈ গণশিল্পী মঘাই ওজা বঁটা



অসমীয়া জাতিৰ প্ৰাচীন লোকবাদ্য ঢোল। এই লোকবাদ্য অসমীয়া জাতি-জনগোষ্ঠীৰ বাপতি সাহোন ব'হাগ বিহু আৰু বিবাহ অনুষ্ঠানত মাংগলিক বাদ্যবিধ অবিচ্ছেদ্যৰূপে ব্যৱহৃত হৈ আহিছে। এনে এবিধ লোকবাদ্য তথা দেৱবাদ্য সযত্নেৰে সংৰক্ষণ কৰি অহাৰ উপৰি বিশ্বৰ প্ৰান্তে-প্ৰান্তে ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰ কৰি অসমীয়া জাতীয় বাদ্যক উওৰণৰ ক্ষেত্ৰত অশেষ অৰিহণা আগবঢ়াই অহা এগৰাকী স্বনামধন্য শিল্পী তথা অসমৰ এগৰাকী সুযোগ্য সন্তান সোমনাথ বড়া ওজাই গণশিল্পী মঘাই ওজা বঁটা লাভ কৰি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। স্মৰ্তব্য যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে যোৰহাটৰ বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত আয়োজিত গণশিল্পী মঘাই ওজা দিৱসত দ্বাদশ সংখ্যক মঘাই ওজা বঁটাঁ স্বনামধন্য লোকবাদ্যৰ শিল্পী সোমনাথ বড়া ওজাক প্ৰদান কৰে। উল্লেখ্য যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই সঞ্চালনা কৰা অনুষ্ঠানত ড° বলীন হাজৰিকা, ড° মাণিক শইকীয়া, ড° পৰমানন্দ মজুমদাৰ, জয়ন্ত মাধৱ দত্ত, উপাচাৰ্য অজন্তা বৰগোহাঁই ৰাজখোৱা, শিল্পী মহেন্দ্ৰ চুতীয়া-মঘাই ওজাৰ জী নিলাক্ষী বৰা- বোৰাৰী নিৰ্মালি বৰুৱা প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি মঘাই ওজা আৰু সোমনাথ বৰাৰ ওজাৰ জীৱন-দৰ্শন আলোকপাত কৰে। উল্লেখ্য যে সোমনাথ বড়া ওজাই গণশিল্পীজনৰ জীৱন আদৰ্শ ৰোমন্থন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আঁত ধৰে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমাৰে।

# বলিউদত অভিষেক ‘পুষ্পা’ৰ নায়িকাৰ

## সিদ্ধাৰ্থ মালহোত্ৰাৰ স'তে যুটি বান্ধিছে ৰশ্মিকাই



‘পুষ্পা’ৰ অসামান্য সফলতাৰ পাছতে ৰশ্মিকাক চুক্তিবদ্ধ কৰিবলৈ বলিউদৰ কে'বাজনো প্ৰযোজকে হেতা-ওপৰা লগাইছিল। ইয়াকো শুনা গৈছিল যে কৰণ জোহৰৰ স'তে ৰশ্মিকাৰ হেনো সাক্ষাতো হৈছে। অৱশ্যে ৰশ্মিকাই যে ইতিমধ্যেই বলিউদৰ এখন ছবিৰ কাম আৰম্ভ কৰিছিল, সেয়া বহুতৰে অজ্ঞাত আছিল।

**বিগত** কিছুদিন ধৰি দক্ষিণ ভাৰতৰ সমানে সমগ্ৰ ভাৰততে তোলপাৰ লগাইছে ‘পুষ্পা’ নামৰ ছবিখনে। এই ছবিৰ নৃত্যত আনকি বিদেশৰো অসংখ্য লোক মতলীয়া হৈ পৰিছে। চৌদিশে কেৱল ‘পুষ্পা’ৰ এক বিশেষ ভংগীমাৰ নৃত্যৰ প্ৰয়াস। ‘পুষ্পা’ৰ নামভূমিকাত দক্ষিণৰ ছুপাৰষ্টাৰ আল্লু অৰ্জুনে যিদৰে দৰ্শকক মুগ্ধ কৰিছে, সেইদৰে সকলোৰে হৃদয়ত তোলপাৰ লগাইছিল নায়িকা ৰশ্মিকা মন্দানাই। বিশেষকৈ ছবিখনৰ ‘স্বামী স্বামী’ শীৰ্ষক গীতত ৰশ্মিকাৰ নৃত্যৰ অসংখ্য পুৰুষৰ হৃদয় তোলপাৰ লগাইছিল। সেই ৰশ্মিকাই শীঘ্ৰে বলিউদত আত্মপ্ৰকাশ ঘটাব।

‘পুষ্পা’ৰ অসামান্য সফলতাৰ পাছতে ৰশ্মিকাক চুক্তিবদ্ধ কৰিবলৈ বলিউদৰ কে'বাজনো প্ৰযোজকে হেতা-ওপৰা লগাইছিল। ইয়াকো শুনা গৈছিল যে কৰণ জোহৰৰ স'তে ৰশ্মিকাৰ হেনো সাক্ষাতো হৈছে। অৱশ্যে ৰশ্মিকাই যে ইতিমধ্যেই বলিউদৰ এখন ছবিৰ কাম আৰম্ভ কৰিছিল, সেয়া বহুতৰে অজ্ঞাত আছিল। ৰণী স্ক্ৰুৱালাৰ ছবি ‘মিছন মজনু’ৰ যোগেদিয়ে বলিউদত অভিষেক ঘটিব দক্ষিণৰ ছুপাৰষ্টাৰ ৰশ্মিকাৰ। এই ছবিত তেওঁ সুদৰ্শন নায়ক সিদ্ধাৰ্থ মালহোত্ৰাৰ স'তে যুটি বান্ধিছে। অহা ১০ জুনত ছবিখনে মুক্তি পাব। উল্লেখ্য যে দক্ষিণৰ অভিনেতা বিজয় দেবাৰাকোণ্ডাৰ স'তে ৰশ্মিকাৰ প্ৰেম দীৰ্ঘদিনীয়া। বিজয়েও বলিউদৰ ছবিত অভিনয়ৰ বাবে চেষ্টা চলাই আছে। সেইদৰে ৰশ্মিকাক অভিনয় কৰাব বিচাৰিছে বলিউদৰ কে'বাজনো পৰিচালকে। সেই বাবেই হেনো ৰশ্মিকাই সম্প্ৰতি মুম্বাইত এটা ফ্লেট কিনিছে। উক্ত ফ্লেটত ৰশ্মিকা আৰু বিজয়ে একেলগেই থাকিব বুলিয়ে ঘনিষ্ঠ মহলে জনাইছে। অৱশ্যে বিয়াৰ প্ৰসংগত ৰশ্মিকাই কোনো মন্তব্য কৰিব বিচৰা নাই।

# আৰম্ভণিতে শেষ ছলমানৰ ‘ব্লেক টাইগাৰ’



‘টাইগাৰ’ হৈ সেই কথাই প্ৰমাণ কৰিছে ছলমান খানে। ‘টাইগাৰ’ শৃংখলাৰ তিনিখন ছবিত ছলমানে চোৰাংচোৱাৰ চৰিত্ৰ ৰূপায়ণ কৰিছে। পুনৰ একেটা চৰিত্ৰতে বলিউদৰ ভাইজানক অনুৰাগীয়ে দেখা পোৱাৰ সম্ভাৱনা আছিল। অৱশ্যে সেয়া এতিয়া দৰ্শকে দেখা ‘টাইগাৰ’ নহয়, বৰঞ্চ ছলমানক দেখাৰ সুযোগ আছিল ‘ব্লেক টাইগাৰ’ৰ ৰূপত।

ৰ' (ৰিছাৰ্চ এণ্ড উইংছ) চোৰাংচোৱাৰ ভূমিকাত তেওঁ অত্যন্ত সফল। ‘টাইগাৰ’ হৈ সেই কথাই প্ৰমাণ কৰিছে ছলমান খানে। ‘টাইগাৰ’ শৃংখলাৰ তিনিখন ছবিত ছলমানে চোৰাংচোৱাৰ চৰিত্ৰ ৰূপায়ণ কৰিছে। পুনৰ একেটা চৰিত্ৰতে বলিউদৰ ভাইজানক অনুৰাগীয়ে দেখা পোৱাৰ সম্ভাৱনা আছিল। অৱশ্যে সেয়া এতিয়া দৰ্শকে দেখা ‘টাইগাৰ’ নহয়, বৰঞ্চ ছলমানক দেখাৰ সুযোগ আছিল ‘ব্লেক টাইগাৰ’ৰ ৰূপত। অৱশ্যে সেই সম্ভাৱনা কলিতে মৰহি গ'ল।

এক কিংবদন্তিস্বৰূপ চোৰাংচোৱাৰ জীৱনৰ আধাৰত এখন বায়'পিক নিৰ্মাণৰ প্ৰস্তুতি আৰম্ভ হৈছিল। ভাৰতীয় চোৰাংচোৱা সংস্থা ৰ'ৰ প্ৰাক্তন বিষয়া ৰবীন্দ্ৰ কৌশিকৰ জীৱনৰ আধাৰত ছবি নিৰ্মাণৰ প্ৰস্তুতি আৰম্ভ কৰিছিল পৰিচালক ৰাজ কুমাৰ গুপ্তই। ছবিৰ নাম ৰাখিছিল ‘ব্লেক টাইগাৰ’। কৌশিকৰ দুৰ্দান্ত সাহসৰ বাবেই প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়ে তেওঁক এই উপাধি দিছিল। এনে এজন বিখ্যাত লোকৰ জীৱনটো ৰূপালী পৰ্দাত ফুটাই তোলাৰ দায়িত্ব ছলমানৰ কান্ধতে পৰিছিল। এই বিষয়ত কৌশিকৰ পৰিয়ালৰো কোনো আপত্তি নাছিল। তৎসত্বেও হঠাৎ ছবিখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ পৰিল। ইয়াৰ কাৰণো আশ্চৰ্যকৰ। তথ্য অনুসৰি, ‘দ্য ব্লেক টাইগাৰ’ নামৰ ছবিখন নিৰ্মাণৰ বাবে ক্ৰয় কৰা স্বত্বৰ ম্যাদ আছিল পাচ বছৰ। দীৰ্ঘদিন ধৰি আলোচনা, নানা ধৰণৰ পৰিকল্পনা চলি থাকোতেই সেই পাঁচটা বছৰ বাগৰি গ'ল। ফলত স্বত্বৰ ম্যাদো উকলি গ'ল। সেইবাবেই এই ছবিখন নিৰ্মাণ কৰিব নোৱাৰিব পৰিচালক গুপ্তই। আনহাতে, ছলমানো ব্যস্ত হৈ আছে তেওঁৰ ‘টাইগাৰ’ ফ্ৰেঞ্চাইজিৰ তৃতীয়খন ছবিৰ কামত। ইয়াৰ ফলতে পৰিচালক-অভিনেতাৰ যৌথ সিদ্ধান্তত কৌশিকৰ বায়'পিক নিৰ্মাণৰ কাম স্থগিত ৰখা হৈছে। ছবিখন নিৰ্মাণ কৰা হ'ব নে নাই, সেই সন্দৰ্ভতো তেওঁলোকে কোনো উমান দিয়া নাই।

উল্লেখ্য যে কৌশিকে অভিনয় বৰ ভাল পাইছিল। তেওঁৰ জীৱনো ছবিৰ দৰেই ৰোমাঞ্চকৰ। এটা অনুষ্ঠানত কৌশিকৰ অভিনয় দেখি মুগ্ধ হৈ একাংশ ৰ'ৰ বিষয়াই তেওঁৰ পৰিচয় গোপন কৰি পাকিস্তানলৈ প্ৰেৰণ কৰিছিল। পাকিস্তানলৈ গৈ তেওঁ তাৰে এখন বিশ্ববিদ্যালয়ত আইনৰ অধ্যয়ন আৰম্ভ কৰে। ইয়াৰ পাছত পাক সেনাবাহিনীত যোগ দি তেওঁ ভাৰতলৈ অনেক গুৰুত্বপূৰ্ণ তথ্য প্ৰেৰণ কৰিছিল।

# ছয় মে'ত চিত্ৰগৃহলৈ আহি আছে অসমীয়া চলচ্চিত্ৰ ‘গংগা’




ছয় মে'ত চিত্ৰগৃহলৈ আহি আছে গৌৰী ফিল্মছ বেনাৰত অসমীয়া চলচ্চিত্ৰ ‘গংগা’ এখনি বোৱঁতী হিয়া। ছবিখনৰ কাহিনী, চিত্ৰনাট্য আৰু সংলাপ অভিজিৎ ভট্টাচাৰ্যৰ। প্ৰযোজনা বাচ্ছু ৰয় আৰু পৰিচালনা মণি সিন্‌হাৰ। আৰম্ভণিতেই গৌৰী ফিল্মছে এক নৱ জাগৰণ সৃষ্টি কৰিছে। গুৱাহাটীকে ধৰি নামনি অসমৰ দক্ষিণ প্ৰান্তৰ বহু মনোৰম লোকেচনত ইতিমধ্যে পূৰ্ণাংগ ৰূপত ছবিখনৰ শ্বুটিংৰ কাম সম্পূৰ্ণ কৰি উলিয়াছে বুলি জনাইছে ছবিখনৰ সহঃ প্ৰযোজক মল্লিকা ৰয়ে। ইতিপূৰ্বে অসমীয়া ছবিৰ ক্ষেত্ৰত যিবোৰ কাহিনী বৰ্ণিত হৈছে তাৰে সম্পূৰ্ণ বিপৰীত এটা হৃদয়স্পৰ্শী কাহিনীয়ে স্থান লাভ কৰিছে ‘গংগা’ ছবিখনত। মূলতঃ মাতৃ- কন্যাৰ এক অন্তৰস্পৰ্শী কাহিনীয়ে ছবিখনত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি জনায় চিত্ৰনাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই। ছবিখনত চাৰিটা সুন্দৰ গীতে স্থান লাভ কৰিব বুলিও জনায় প্ৰযোজকে। জুবিন গাৰ্গ, দীক্ষু, গিতালী কাকতি, পাপৰি গগৈৰ দৰে সুকণ্ঠী শিল্পীৰ সুৰেৰে জিলিকিব ‘গংগা’ ছবিখনৰ প্ৰতিটো গীত। ছবিখনৰ সংগীত পৰিচালনা অজয় ফুকনৰ। সম্পাদনা সমুজ্জ্বল কাশ্যপৰ। ছবিখনৰ মুখ্য ভূমিকাত অভিনয় কৰিব জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, ৰাগ ঐনিতম, অৰূপ বৈশ্য, মুনমী কলিতা, সঞ্জীৱ শৰ্মা, যোগেশ কাশ্যপ, ভাৰ্গৱ কটকী, প্ৰণৱ শৰ্মা, ৰীণা বৰা, ভৈৰৱজ্যোতি ভূএগু, পাপৰি ভূএগুৰ লগতে মোহময়ী শিশুশিল্পী বেবী সৃষ্টিয়ে।






# বৰদলৈ ট্ৰফীত উপৰ্যুপৰি জয় ইণ্ডিয়া ক্লাবৰ

## শিলচৰৰ দলটোৱে তীব্ৰ উত্তেজনাপূৰ্ণ খেলত পৰাস্ত কৰিলে আইটিবিপিক



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৬ মাৰ্চ ঃ** ৬৮সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবলত অন্যান্য দলৰ বাবে উদ্বেগৰ কাৰণ হৈ পৰিছে শিলচৰৰ ইণ্ডিয়া ক্লাব। প্ৰতিযোগিতাত 'আণ্ডাৰডগ'ৰূপে অৱতীৰ্ণ হোৱা ইণ্ডিয়া ক্লাবে আজি সন্মানীয় প্ৰতিযোগিতাখনত উপৰ্যুপৰি দ্বিতীয় বিজয় অৰ্জন কৰে। ইয়াৰ দ্বাৰা শিলচৰৰ দলটোৱে প্ৰতিযোগিতাৰ ফেভাৰিট দিল্লী এফচি আৰু শ্বিলং লাজং এফচিকো আগন্তুক সময়ত কঠিন পৰীক্ষাত পেলাব পাৰে। আজি গুৱাহাটীত অনুষ্ঠিত 'এ' গ্ৰুপৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনত ইণ্ডিয়া ক্লাবে আইটিবিপিক ৩-২ গ'লত পৰাজিত কৰি সম্পূৰ্ণ তিনি পইণ্ট অৰ্জন কৰে।

উল্লেখ্য যে ইণ্ডিয়া ক্লাবে কালি যোৱাবাৰৰ চেম্পিয়ন এএছইবিক পৰাজিত কৰিছিল। কালিৰ খেলৰ নায়ক ভি ভিগনেশেই আজিও দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি দুটাকৈ গ'ল দিয়ে। অৱশ্যে খেলৰ ১৪ মিনিটত দললৈ অগ্ৰগতি কঢ়িয়াই আনিছিল দৰ্জী ৰাংচু খাংগ্ৰ'ৱে। আক্ৰমণ-প্ৰতি আক্ৰমণেৰে ভৰা খেলখনৰ ২২ মিনিটত ভিগনেশে নিজৰ প্ৰথমটো গ'লেৰে দলৰ অগ্ৰগতি ২-০লৈ বৃদ্ধি কৰে। অৱশ্যে ৰিজুল নাৰ্জাৰীয়ে আইটিবিপিৰ হৈ ৩৮ মিনিটত এটা গ'ল পৰিশোধ কৰি খেলখনলৈ প্ৰত্যাৱৰ্তনৰ সম্ভাৱনা জগাই তুলিছিল। খেলৰ ৫৫ মিনিটত ভিগনেশে দ্বিতীয়টো গ'লেৰে দলৰ অগ্ৰগতি পুনৰ বৃদ্ধি কৰে। তৎসত্বেও আইটিবিপিয়ে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখে আৰু ৭০ মিনিটত জ্ঞানজিৎ বসুমতাৰীৰ গ'লেৰে দলটোৱে গ'লৰ ব্যৱধান হ্ৰাস কৰে। অৱশ্যে শেষ সময়ত দলটোৱে খেলখনত সমতা স্থাপন কৰাত ব্যৰ্থ হয়। ক্ৰমাগত দুখন মেচত জয়ী হৈ ইণ্ডিয়া ক্লাবে পৰৱৰ্তী ৰাউণ্ডৰ পথ প্ৰায় প্ৰশস্ত কৰিলে।

## মিজান ইলেভেন চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৬ মাৰ্চ ঃ** নগাঁও জিলাৰ তেলিয়া পথাৰৰ শিংগাৰী বজাৰ আঞ্চলিক খেলপথাৰত নিউ গ্ৰীণ গেলেক্সী (এনজিজি) ক্লাবৰ উদ্যোগত আৰু খেলপথাৰ পৰিচালনা সমিতিৰ সহযোগত আজি নগাঁও আৰু মৰিগাঁও জিলাভিত্তিত অনুষ্ঠিত প্ৰাইজমানি এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাত মিজান ইলেভেনে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। আঠদলীয় আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ বৰ্ষাবিঘ্নিত ফাইনেলত মিজান ইলেভেনে খুটিকটীয়াৰ আৰোহী ইলেভেনক আঠ উইকেটত পৰাজিত কৰে। ছেমিফাইনেলত মিজান ইলেভেনে ৰূপহী টাটা ইলেভেনক আঠ উইকেটত আৰু আৰোহী ইলেভেনে শিংগাৰী ইলেভেন ষ্টাৰক ১০ ৰাণত হৰুৱাই ফাইনেলত উপনীত হৈছিল। মিজান ইলেভেনৰ নীলোৎপল হাজৰিকাই ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু আৰোহী ইলেভেনৰ মৃন্ময় বৰাই মেন অব দ্য ছিৰিজৰ বঁটা লাভ কৰে। উল্লেখ্য যে য়াছিনুল হক আৰু জিয়াৰুল হক ফকীৰ আম্পায়াৰৰূপে থকা ফাইনেল খেলখন মকছিদুল হক আৰু বছিৰ উদ্দিনে ধাৰা বিৱৰণী দি ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।



*আইপিএলৰ মেচ আৰম্ভ হোৱাৰ পূৰ্বে অনুশীলনৰ পৰত দুই মহাতাৰকা ধোনি আৰু কোহলি।*

## বিডিএমটিচিচিচি ফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৬ মাৰ্চ ঃ** মঙলদৈ ষ্টেডিয়ামত চলি থকা চতুৰ্থ বাৰ্ষিক জগত চন্দ্ৰ দাস সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে বিডিএমটিচিচিচি ক্লাব। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত বিডিএমটিচিচিচিয়ে প্ৰতিদ্বন্দ্বী ৰিভাৰ ৰাইন ক্লাবক ন উইকেটত পৰাজিত কৰে। প্ৰথমে বেট ধৰি ৰিভাৰ ৰাইনে ১৬.১ অভাৰ খেলি আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৬৪ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বিডিএমটিচিচিচিয়ে মাত্ৰ এটি উইকেটৰ বিনিময়ত বিজয়ৰ লক্ষ্যত উপনীত হয়। বিজয়ী দলৰ শিৱ শংকৰ ৰয়ে ২৭ আৰু ৰাছিকুৰ ৰহমানে ১২ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

## ডি' গ্ৰুপৰ খেলত শ্বিলং লাজঙৰ জয়

**অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**

**বঙাইগাঁও/কাজলগাঁও/গৰুভাষা, ২৬ মাৰ্চ ঃ** চিৰাং জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী থাইকাজোৰাত চলা ৬৮সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'ডি' গ্ৰুপৰ আজিৰ খেলত জয়ী হৈছে শ্বিলং লাজং এফচি। স্থানীয় ৰাইন' ক্লাবৰ খেলপথাৰত আজি অনুষ্ঠিত খেলখনত লাজঙে অসম ৰেজিমেণ্টেল চেণ্টাৰক ১-০ গ'লত পৰাজিত কৰে। উত্তেজনাপূৰ্ণ খেলখনত আৰম্ভণিৰ চাৰি মিনিটতে ডব্লিউ কে ৰাইংখেলেমে দিয়া গ'লৰ সহায়ত লাজঙে বিৰতিৰ পূৰ্বেই এগ'লৰ অগ্ৰগতি লাভ কৰিছিল। বিৰতিৰ পাছত কোনো এটা দলেই গ'ল দিবলৈ সক্ষম নহ'ল। আজিৰ খেলত বিধিনিষিদ্ধ খেলৰ বাবে লাজঙৰ চাবেমে টাৰিয়ানা ৰঙা কাৰ্ড প্ৰদৰ্শন কৰি ৰেফাৰীয়ে খেলপথাৰৰ পৰা বহিষ্কাৰ কৰে। খেলখন পৰিচালনা কৰে নৰজিৎ বসুমতাৰীয়ে। লাইনত সহায় কৰে ধনঞ্জয় বসুমতাৰী আৰু প্ৰেম নাৰ্জাৰীয়ে। পৱন চন্দ্ৰ ব্ৰহ্ম চতুৰ্থ ৰেফাৰী আছিল। কাইলৈৰ খেলত অসম ৰেজিমেণ্টেল চেণ্টাৰে নৰ্থ ইষ্ট ইউনাইটেড এফচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

### কৰৰাত অনুষ্ঠিত খেলত দিল্লী এফচি জয়ী

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ২৬ মাৰ্চ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী কৰৰাত চলি থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবলৰ আজি অনুষ্ঠিত খেলত দিল্লী এফচি বিজয়ী হয়। কৰৰা ইয়ুথ এথলেটিকছ ক্লাবৰ সহযোগত কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত 'বি' গ্ৰুপৰ খেলত আজি দিল্লীয়ে প্ৰথমাৰ্দ্ধতে অসম পুলিচ ব্লুজক দুটাকৈ গ'ল দিয়ে। গ'ল দুটা দিয়ে জাপানী মিডফিল্ডাৰ ক'ছুকে য়ামাজাকিয়ে। দ্বিতীয়াৰ্দ্ধত খেলখন যথেষ্ট উত্তেজনাপূৰ্ণ হয় যদিও অসম পুলিচ ব্লুজে এটাও গ'ল পৰিশোধ কৰিব নোৱাৰিলে। ফলত দিল্লী ২-০ গ'লৰ ব্যৱধানত বিজয়ী হয়। কাইলৈ দৈমালু ক্লাব, ওডালগুৰি আৰু অসম পুলিচ ব্লুজৰ মাজত খেল অনুষ্ঠিত হ'ব।

## দৰঙত বৰদলৈ ট্ৰফীৰ খেলত ধুমুহা-বৰষুণৰ বিধি-পথালি

# নগালেণ্ড পুলিচ-চিআইএছএফৰ ড্ৰ

## ফুটবলাৰৰ মাজত হতাহতি ঃ উভয় দলৰ দুই খেলুৱৈক বহিষ্কাৰ

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২৬ মাৰ্চ ঃ** ৬৮সংখ্যক বৰদলৈ ট্ৰফী ফুটবলৰ দৰং জিলাৰ ঘিলাকুছিত চলি থকা 'চি' গ্ৰুপৰ আজিৰ খেলত ধুমুহা-বৰষুণে বিধি-পথালি দিয়ে। চিআইএছএফ, দিল্লী আৰু নগালেণ্ড পুলিচৰ মাজত অনুষ্ঠিত খেলখন ২-২ গ'লত অমীমাংসিতভাৱে সমাপ্ত হোৱাত দুই দলে এটাকৈ পইণ্ট অৰ্জন কৰে। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত দুই পক্ষৰ খেলুৱৈৰ মাজত হতাহতিও হয়। নীতি বিৰুদ্ধ আচৰণ কৰাৰ বাবে ৰেফাৰীয়ে নগালেণ্ডৰ নিঘাতু টি ছুমু আৰু চিআইএছএফৰ পৱন প্ৰতাপ সিঙক খেলপথাৰৰ পৰা বহিষ্কাৰ কৰে। উল্লেখ্য যে বিৰতিৰ সময়তে এজাক ধুমুহা-বৰষুণৰ বাবে দ্বিতীয়াৰ্দ্ধৰ খেল কিছু পলমকৈ আৰম্ভ কৰিবলগীয়া হয়।

আজি খেলৰ ২৪ মিনিটতে নগালেণ্ডৰ খানথুলেঠি থপীয়ে প্ৰথমটো গ'ল দিয়াৰ তিনি মিনিটৰ পাছতে দিল্লীৰ দলটোৰ হৈ ভোলা সিঙে সমতা স্থাপন কৰে। ইফালে, ৫৭ মিনিটত চিআইএছএফে অগ্ৰগতি অৰ্জন কৰে। সেইবাৰ গ'ল দিয়ে খাতিব খানে। অৱশ্যে খেলৰ ৬৮ মিনিটত লিমা কুমজুৱে নগালেণ্ডৰ হৈ সমতা স্থাপন কৰিবলৈ সক্ষম হয়। আজিৰ খেলখন পৰিচালনা কৰে ৰেফাৰী আব্দুল হান্নানে। তেওঁক সহায় কৰে দেৰেন বড়ো, ৰিপুনাথ গগৈ আৰু চতুৰ্থ ৰেফাৰী দেৱাশীষ মজুমদাৰে। কাইলৈ দুলীয়াজানৰ অইল ইণ্ডিয়াই নগালেণ্ড পুলিচৰ বিপক্ষে খেলিব।



# ইংলণ্ডৰ বিপক্ষে অগ্ৰগতি ৱেষ্টইণ্ডিজৰ

## প্ৰথম ইনিংছত দুয়োটা দলকে ৰক্ষা কৰিলে নিম্নক্ৰমৰ বেটাৰে

**নিউজ ব্যুৰ'**

**ছেইণ্ট জ'ৰ্জেছ, ২৬ মাৰ্চ ঃ** বলাৰৰ ৰম্যভূমিত পৰিণত হোৱা শৃংখলাৰ তৃতীয় তথা নিৰ্ণায়ক টেষ্টত ইংলণ্ডৰ বিপক্ষে গুৰুত্বপূৰ্ণ অগ্ৰগতি অৰ্জন কৰিছে ৱেষ্টইণ্ডিজে। কালি দ্বিতীয় দিনাৰ খেল সমাপ্তিত ঘৰুৱা দলটোৱে আঠ উইকেটৰ বিনিময়ত ২৩২ ৰাণ সংগ্ৰহ কৰিছিল। আজি খেল আৰম্ভ কৰি ৱেষ্টইণ্ডিজে বাতৰি লিখাৰ পৰলৈ ন উইকেটৰ বিনিময়ত ২৪৫ ৰাণ সংগ্ৰহ কৰিছে। ইংলণ্ডৰ প্ৰথম ইনিংছৰ ২০৪ ৰাণৰ প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে এই পৰ্যন্ত ৪১ ৰাণৰ অগ্ৰগতি অৰ্জন কৰিছে। কালিয়ে অৰ্ধশতৰাণ সম্পূৰ্ণ কৰা জ'ছুৱা ডা ছিলভাই ৬৫ ৰাণ কৰি খেলি আছে।

উল্লেখ্য যে কালি ৱেষ্টইণ্ডিজে এটা সময়ত ৯৫ ৰাণতে ছয় উইকেট হেৰুৱাইছিল। তাৰ পাছৰে পৰা ডা ছিলভাই কাইল মেয়াৰ্ছ (২৮)ৰ স'তে ৩৩, আলজাৰি যোছেফ (২৮)ৰ স'তে ৪৯ আৰু কেমাৰ ৰ'চ (২৫)ৰ স'তে ৬৮ ৰাণৰ যুটি গঢ়ি দলক উদ্ধাৰ কৰে। ইংলণ্ডৰ ক্ৰিছ ৱ'ক্‌ছে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথম দিনাৰ খেলত ইংলণ্ডেও এটা সময়ত ১১৪ ৰাণতে ন উইকেট হেৰুৱাই গভীৰ বিপদত পৰিছিল। অন্তিম উইকেটত দলটো ১০ আৰু ১১ নম্বৰ বেটাৰদ্বয়ে দুৰ্দান্ত সংগ্ৰামী মানসিকতাৰে ৯০ ৰাণ যোগ দি ভ্ৰমণকাৰী দলটোক লজ্জাজনক পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিছিল।



## ৰেড হৰ্ণছ প্ৰিমিয়াৰ লীগ ফুটবলত উদাংশ্ৰী বৰমা চূড়ান্ত বিজয়ী

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৬ মাৰ্চ ঃ** ভাৰতীয় সেনাৰ ৰেড হৰ্ণ ডিভিজনৰ উদ্যোগত নৱগঠিত তামুলপুৰ জিলাৰ দিঘিলীপাৰ সেনা ছাউনীস্থিত খেলপথাৰত চলি থকা ৰেড হৰ্ণছ প্ৰিমিয়াৰ লীগ (আৰএইছপিএল) প্ৰাইজমানি ফুটবল লীগ প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ পুৰুষৰ ফাইনেল খেলখনত জয়ী হৈ উদাংশ্ৰী এফ চি, বৰমাই চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। আবেলি দুই বজাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে উদ্বোধন কৰা তীব্ৰ উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখন নিৰ্ধাৰিত সময়ত গ'ল শূন্যভাৱে সমাপ্ত হয় যদিও অতিৰিক্ত সময়ত উদাংশ্ৰীয়ে নাওবন্ধা এফচিক ১-০ গ'লত পৰাজিত কৰে। খেলৰ অন্তত বিজয়ী আৰু বিজিত দলৰ মাজত বঁটা সমূহ বিতৰণ কৰে বিধান সভাৰ অধ্যক্ষ দৈমাৰী, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, অসম মহিলা ফুটবল দলৰ অধিনায়ক অঞ্জনা শইকীয়া, ৰাষ্ট্ৰীয় ফুটবলাৰ হলিচৰণ নাৰ্জাৰী, তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক পংকজ যাদৱ তথা সেনাৰ ৰেড হৰ্ণ ডিভিজিনৰ উচ্চপদস্থ বিষয়াই।

১৯ মাৰ্চৰ পৰা অনুস্থিত প্ৰতিযোগিতাখনিত উদাংশ্ৰী এফচিৰ উৎসৱ মদাহী, শুক্লাই এফচিৰ ছোনিয়া মাৰাকে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, উদাংশ্ৰীৰ ৰিদীপ বড়ো, কোকৰাঝাৰ এফচিৰ হৰিপ্ৰিয়া বড়োৱে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গ'লকীপাৰৰ বঁটা লাভ কৰে। বিজয়ী দলক ট্ৰফী সহ নগদ এক লাখ টকা আৰু বিজিত দলক ৫০ হেজাৰ টকা আগবঢ়োৱা হয়। প্ৰায় পাঁচ সহস্ৰাধিক দৰ্শক উপস্থিত থকা আজিৰ খেলখন পৰিচালনা কৰে খৰ্গেশ্বৰ দাস আৰু সহায় কৰে বৌহৈচাৰ বড়ো, তৰুণ ৰাজবংশীয়ে।

## হাজোত ভলীবল প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৬ মাৰ্চ ঃ** হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদ আৰু মনাহকুছি বিষ্ণুজ্যোতি ক্ৰীড়া আৰু সাংস্কৃতিক সংঘৰ বিষয়ববীয়াসকলৰ মাজত আজি এখন যৌথ সাধাৰণ সভা সংঘৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই সভাতে ক্ৰীড়া উন্নয়ন পৰিষদৰ সৌজন্যত আৰু সংঘৰ সহ্যোগত অহা ১০ এপ্ৰিলত এখন ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত পৌৰোহিত্য কৰে সংঘৰ সভাপতি ৰাতুল শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে ক্ৰীড়া উন্নয়ন পৰিষদৰ সম্পাদক ভবিন চন্দ্ৰ ভৰালীয়ে।

## অথলে গ'ল ধোনিৰ বিস্ফোৰণ

## আইপিএলৰ প্ৰথম মেচত নাইট ৰাইডাৰ্ছৰ জয়লাভ

**নিউজ ব্যুৰ'**

**মুম্বাই, ২৬ মাৰ্চ ঃ** আইপিএলত নতুন অধিনায়কেৰে অৱতীৰ্ণ হৈ প্ৰথম মেচতে উজুটি খালে যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে। আজি আইপিএলৰ উদ্বোধনী মেচত কলকাতা নাইট ৰাইডাৰ্ছে ৰবীন্দ্ৰ জাদেজা নেতৃত্বাধীন চেন্নাই দলক ছয় উইকেটত পৰাজিত কৰে। প্ৰথমবাৰলৈ নেতৃত্ব ত্যাগ কৰি খেলা মহেন্দ্ৰ সিং ধোনিৰ বিস্ফোৰক বেটিঙেও দলৰ পৰাজয় ৰোধ কৰিব নোৱাৰিলে। বলিং বিভাগৰ দুৰ্দান্ত বলিঙৰ সহায়তে নাইট ৰাইডাৰ্ছে জয়েৰে অভিযান আৰম্ভ কৰিলে। প্ৰথমে বেটিং কৰি ছুপাৰ কিংছে পাঁচ উইকেটত ১৩১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কলকাতাই নটা বল বাকী থকা অৱস্থাতে জয়ৰ লক্ষ্যত উপনীত হয়।

সহজ লক্ষ্য আগত লৈ ইনিংছ মুকলি কৰা কলকাতাৰ দুই অপেনাৰ অজিংক্য ৰাহানে (৪৪) আৰু ভেংকটেশ আয়াৰ (১৬)ৰ মাজত ৪৩ ৰাণ সংগৃহীত হয়। পৰৱৰ্তী সময়ত নীতিশ ৰাণা (২১) আৰু ছেম বিলিংছ (২৫)ৰ সহযোগত অধিনায়ক শ্ৰেয়াছ আয়াৰে দলক জয়ৰ লক্ষ্যলৈ আগুৱাই নিয়ে। আয়াৰে ২০ ৰাণ কৰি অপৰাজিত হৈ ৰয়। ইয়াৰ পূৰ্বে উমেশ যাদৱ (২/২০)ৰ দুৰ্দান্ত বলিঙৰ বাবে চেন্নাই দলে আৰম্ভণিতে উজুটি খায়। ৰবিন উথাপ্পাই ২১টা বলত ২৮ ৰাণ কৰি দলৰ ৰাণসংখ্যা বৃদ্ধিৰ চেষ্টা চলাইছিল। অৱশ্যে নতুন অধিনায়ক জাদেজাৰ মন্থৰ বেটিঙৰ বাবে দল বেছি দূৰ আগুৱাব পৰা নাছিল। শেষৰ ফালে সাত নম্বৰত বেটিং কৰিবলৈ নামি ধোনিয়ে ৩৮টা বলত অপৰাজিত অৰ্ধশতৰাণেৰে দলৰ ৰাণসংখ্যা ভদ্ৰস্থ কৰে। তেওঁ সাতটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায়ত ৫০ ৰাণৰ বৰঙণি যোগায়। জাদেজাই ২৮টা বলত ২৬ ৰাণ কৰি অপৰাজিত হৈ ৰয়। কলকাতাৰ দুই স্পীনাৰ সুনীল নেৰাইন আৰু বৰুণ চক্ৰৱৰ্তীয়ে মিতব্যয়ী বলিঙেৰে চেন্নাইক বান্ধি ৰাখিছিল।



## অনুপ লাহতী ইণ্ডিয়া কাপ মুকলি টেনিছ

**গুৱাহাটী, ২৬ মাৰ্চ ঃ** মহানগৰীত চলি থকা ২৪সংখ্যক অনুপ লাহতী ইণ্ডিয়া কাপ মুকলি টেনিছে অন্তিম পৰ্যায়ত উপনীত হৈছে। আজি প্ৰতিযোগিতাৰ বিভিন্ন কেটেগ'ৰীৰ ছেমিফাইনেল অনুষ্ঠিত হয়। ১৮ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ শাখাত তানিয়া কুমাৰীয়ে নিস্তা প্ৰিয়া বেজবৰুৱাক ৬-১, ৬-১ আৰু অদ্ৰিকা ৰাজকুমাৰীয়ে বিষ্ণুপ্ৰিয়া বৰগোহাঁইক ৬-৪, ৩-৬, ৬-৩ ছেটত হৰুৱাই ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ দ্বৈত শাখাৰ ছেমিফাইনেলত প্ৰিয়ানুজ লহকৰ-অংশুমান দত্তৰ যুটিয়ে শিৱ কুমাৰ প্ৰজাপতি-সিদ্ধান্ত ডেকাৰ যুটিক ৬-৪, ৩-৬, ১০-৫ ছেটত পৰাজিত কৰে। মহিলাৰ দ্বৈত শাখাত চুনুমণি বৰকটকী-মঞ্জু খেৰ যুটিয়ে নাজনীন জাফৰ-বনিতা দত্ত যুটিক আৰু ববিতা লাংথাছা-ৰাণী কোঁৱৰ যুটিয়ে সুজাতা শৰ্মা-সীমা নেৰাটিয়া যুটিক পৰাজিত কৰি ফাইনেললৈ অগ্ৰসৰ হয়।

ইয়াৰ উপৰি প্ৰবীণ খেলুৱৈৰ কেটেগ'ৰীত ৪৫ বছৰ ঊৰ্ধ্বৰ দ্বৈত শাখাৰ ৰাজীৱ বৰা-ৰাজীৱ ভট্ট, বিনোদ দাস-স্বপ্নীল ভৰালী যুটিয়ে ফাইনেলত প্ৰৱেশ কৰে। সেইদৰে পুৰুষৰ ৬৫ বছৰ উৰ্ধ্বৰ ছেমিফাইনেলত কল্যাণ কুমাৰ দাস আৰু দীপক দাসে পি জি আগৰৱাল আৰু গোপাল দত্তক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, আজি কোৱাৰ্টাৰ ফাইনেল মেচ একাংশও অনুষ্ঠিত হয়। প্ৰবীণ কেটেগ'ৰীৰ ৩৫ বছৰ ঊৰ্ধ্বৰ পুৰুষৰ শাখাত সম্ৰাট মহন্ত-ৰূপজিৎ ভৰালী, দীপজ্যোতি বৰুৱা-অৰ্ণৱ শৰ্মা যুটি, ৫৫ বছৰ ঊৰ্ধ্বৰ শাখাত ৰাণা ভূএগ্ৰা-দিগন্ত বৰদলৈ, ৰণদীপ বৰুৱা-সিদ্ধাৰ্থ শৰ্মা, ৰক্তিম ফুকন-ভাৰত ফুকন আৰু নবাৰুণ শইকীয়া-অম্লানদীপ দাসৰ যুটিয়ে জয়লাভ কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হয়।




*ৰেড হৰ্ণছ ফুটবল লীগত চেম্পিয়ন বৰমাৰ উদাংশ্ৰী ক্ৰীড়া সংঘৰ দলটো।*

# স্বদেশত অন্তিম মেচ খেলিলে মেছিয়ে

## বিশ্বকাপৰ পাছতে বুট খুলি থোৱাৰ সম্ভাৱনা

**নিউজ ব্যুৰ'**

**বুয়েনছ আয়াৰ্ছ, ২৬ মাৰ্চ ঃ** স্বদেশৰ মাটিত হয়তো অন্তিমখন আন্তৰ্জাতিক মেচ খেলিলে লিয়নেল মেছিয়ে। কালি আৰ্জেণ্টিনাই ভেনিজুৱেলাৰ বিৰুদ্ধে বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত জয়লাভ কৰাৰ পাছতে মেছিয়ে সেই ইংগিত দিয়ে। কালি আৰ্জেণ্টিনাই ৩-০ গ'লত জয়লাভ কৰে। খেলখনৰ পূৰ্বেই আৰ্জেণ্টিনাৰ প্ৰশিক্ষক নিয়নেল ছাল'নিয়ে জনাইছিল যে এইখনেই দেশৰ মাটিত মেছিৰ অন্তিমখন মেচ হ'ব পাৰে। সেয়ে দলে মহাতাৰকাজনক জয় উপহাৰ দিব বুলি তেওঁ আশাবাদী। মেছিক ভৱিষ্যতৰ বাবে শুভেচ্ছাও জ্ঞাপন কৰে প্ৰশিক্ষকে। আনহাতে, খেলখন সমাপ্ত হোৱাৰ লগে লগে সতীৰ্থসকলে তেওঁক বিশেষভাৱে অভিনন্দন জনোৱা পৰিলক্ষিত হয়। উপস্থিত দৰ্শককো তেওঁ অভিবাদন জনায়। ইয়াৰ পাছতে সংবাদ মাধ্যমৰ আগত মেছিয়ে কয়, 'বিশ্বকাপৰ পাছত কি হয় সেয়া মই নাজানো। সন্মুখত কি হ'ব সেয়াই ভাবিছো। কাতাৰ বিশ্বকাপৰ পাছত অনেক চিন্তা-ভাৱনা কৰিব লাগিব। দেশৰ হৈ খেলিবলৈ পোৱাৰ বাবে ঈশ্বৰক ধন্যবাদ।'

উল্লেখ্য যে দক্ষিণ আমেৰিকা মণ্ডলৰ বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী পৰ্বত আৰ্জেণ্টিনাৰ আৰু এখন খেল বাকী আছে। অৱশ্যে ইতিমধ্যেই আৰ্জেণ্টিনাই পইণ্ট তালিকাত দ্বিতীয় স্থানেৰে বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিছে। সেই বাবেই হয়তো অন্তিম মেচত মেছিক বিশ্ৰাম দিয়া হ'ব। ইয়াৰ পাছত আৰ্জেণ্টিনাই চলিত বৰ্ষৰ বিশ্বকাপত খেলিব। ইয়াৰ পৰিপ্ৰেক্ষিততে ৩৫ বছৰীয়া মহাতাৰকাজনে বিশ্বকাপৰ পাছতে অৱসৰ ল'ব বুলি সম্প্ৰতি চৰ্চা চলিছে। উল্লেখ্য যে দেশৰ মাটিত অন্তিম মেচতো মেছিয়ে দলৰ হৈ এটা গ'ল দিয়ে। কালিৰ খেলখনত আৰ্জেণ্টিনাৰ হৈ আন দুটা গ'ল দিয়ে নিক' গঞ্জালেজ আৰু এঞ্জেল ডি মাৰিয়াই।



## এক নম্বৰ স্থান দখল ছুয়াটেকৰ

**নিউজ ব্যুৰ'**

**মায়ামি, ২৬ মাৰ্চ ঃ** মহিলাৰ টেনিছত এক নম্বৰ ৰেংকিং দখল কৰিলে পোলেণ্ডৰ তাৰকা ছুয়াটেকে। চলিত মায়ামি অপেন টেনিছৰ ছেকেণ্ড ৰাউণ্ডৰ খেলত জয়লাভ কৰাৰ লগে লগে ছুয়াটেকে অষ্ট্ৰেলিয়াৰ এছলে বাৰ্টিক আঁতৰাই শীৰ্ষস্থান দখল নিশ্চিত কৰিলে। প্ৰতিযোগিতাৰ সমাপ্তিত তেওঁ আনুষ্ঠানিকভাৱে মহিলা টেনিছৰ এক নম্বৰ আসনখন দখল কৰিব। এই সন্মান অৰ্জন কৰা তেওঁ পোলেণ্ডৰ প্ৰথম মহিলা খেলুৱৈ। কালিৰ খেলত ছুয়াটেকে ছুইজাৰলেণ্ডৰ ভিক্টোৰিয়া গলুবিচক ৬-২, ৬-০ ছেটত পৰাজিত কৰে। উল্লেখ্য যে একেৰাহে ১১৩টা সপ্তাহত শীৰ্ষস্থানত থকা বাৰ্টিয়ে যোৱা বুধবাৰে আঘাতৰ বাবে প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল।

সত্যমেৱ জয়তে
অসম চৰকাৰ

## চতুৰ্থ পৰ্যায়

## ১১ লাখ প্ৰথম শ্ৰেণীৰ (নিয়মীয়া পৰিশোধকাৰী) হিতাধিকাৰীৰ বাবে

# অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভ

### আঁচনিখনৰ অৱলোকন

- অসমৰ বিভিন্ন মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা উপযুক্ত ব্যক্তিসকলক উদগনি আৰু সকাহ প্ৰদান কৰাৰ উদ্দেশ্যে শুভাৰম্ভ কৰা এই আঁচনিখন হৈছে দেশৰ ভিতৰতেই প্ৰথম।
- প্ৰথম শ্ৰেণীৰ ঋণীক ২৫,০০০ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱেই কম, সেই পৰিমাণৰ উদগনিমূলক সাহাৰ্য্য চেকৰ জৰিয়তে প্ৰদান কৰা হ'ব।
- প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহাৰ্য্য প্ৰদান কৰাৰ পিছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে সকাহ প্ৰদান কৰা হ'ব।
- ৪ খন জিলাৰ যোগ্য ঋণ লওঁতাসকলৰ বাবে উদগনিমূলক সাহাৰ্য্যসমূহ মাৰ্চ, ২০২২ত নিম্নলিখিত সময়সূচী মতে বিতৰণ কৰা হ'ব :

| ক্ৰমিক নং | জিলা | অনুষ্ঠানৰ অতিথিবৃন্দ | স্থান | তাৰিখ আৰু সময় |
|---|---|---|---|---|
| ১ | কাছাৰ | **শ্ৰীমতী অজন্তা নেওগ,** মাননীয়া বিত্ত বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত পৰিমল শুক্লবৈদ্য,** মাননীয় বন, মীন পালন আৰু আবকাৰী বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত অশোক সিংহাল,** মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী, অসম | ৰংপুৰ মুকলি পথাৰ, শিলচৰ | ২৬ মাৰ্চ ২০২২ ৰাতিপুৱা ১০.০০ বজা |
| ২ | কোকৰাঝাৰ | **শ্ৰীমতী অজন্তা নেওগ,** মাননীয়া বিত্ত বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত অশোক সিংহাল,** মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত উখাঁও গৌৰা ব্ৰহ্ম,** মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত প্ৰমোদ বড়ো,** মাননীয় মুখ্য কাৰ্যবাহী সদস্য, বিটিআৰ | সচিবালয় খেলপথাৰ, বিটিচি | ২৭ মাৰ্চ ২০২২ ৰাতিপুৱা ১০.০০ বজা |
| ৩ | কাৰ্বি আংলং | **শ্ৰীযুত যোগেন মহন,** মাননীয় অভিভাৱক মন্ত্ৰী আৰু ৰাজহ, খনি, খনিজ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত হৰেনসিং বে,** মাননীয় সাংসদ, স্বায়ত্তশাসিত জিলা (এছটি)<br>**শ্ৰীযুত তুলিৰাম ৰংহাং,** মাননীয় মুখ্য কাৰ্যবাহী সদস্য, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ | ডিফু গভৰ্নমেণ্ট বয়জ হায়াৰ ছেকেণ্ডাৰী স্কুল কাৰ্বি আংলং | ২৭ মাৰ্চ ২০২২ ৰাতিপুৱা ১১.০০ বজা |
| ৪ | ওদালগুৰি | **শ্ৰীমতী অজন্তা নেওগ,** মাননীয়া বিত্ত বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী,** মাননীয় অভিভাৱক মন্ত্ৰী আৰু পৰিবহণ, বাণিজ্য, উদ্যোগ আদি বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত অশোক সিংহাল,** মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত উখাঁও গৌৰা ব্ৰহ্ম,** মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী, অসম<br>**শ্ৰীযুত দিলীপ শইকীয়া,** মাননীয় সাংসদ, মঙ্গলদৈ<br>**শ্ৰীযুত প্ৰমোদ বড়ো,** মাননীয় মুখ্য কাৰ্যবাহী সদস্য, বিটিচি | জিলা উপায়ুক্ত কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ড | ২৭ মাৰ্চ ২০২২ দিনৰ ১২.০০ বজা |

জনসংযোগ/ডি/১৮২০১/২১

**বিত্ত বিভাগ | অসম চৰকাৰ**